
# ডিব্ৰুয়ান

১৯৯৭-৯৮ বর্ষ



সম্পাদক শ্রীঅনুপম শইকীয়া

# নববর্ষের শুভ কামনাৰে



প্ৰতি,

শ্ৰীযুত / শ্ৰীযুতা ..........................................................................

# ডিব্ৰুয়ান

## ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ

## বাৰ্ষিক মুখপত্ৰ

## ঊনবিংশ সংখ্যা


## ১৯৯৭-১৯৯৮

173

সম্পাদক :- অনুপম শইকীয়া

# উছৰ্গা

"দুখীয়াৰ ভগা পঁজা    একোখন তীৰ্থ তাত
একোখনি পূণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি    দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম ।"



অসমী কোলাত জনমলৈ যিসকলে
আত্ম বলিদানেৰে নিজৰ মাতৃভূমিৰ
নামত প্ৰাণহুতি দিলে সেইবীৰ
শ্বহীদ সকললৈ গভীৰ শ্ৰদ্ধানিবেদি
"ডিক্ৰয়ান" উছৰ্গা কৰিলো ।

# শ্ৰদ্ধাঞ্জলি



"আই তোৰ আঁচলত অতবোৰ ৰঙা গোলাপৰ কলি
আলফুলকৈ ললি শত শ্বহীদৰ বুকুৰ বিমল হাঁহি"

জীৱনৰ কৰ্মময় পথাৰত যি সকলে মানৱ জাতিৰ বাবে স্বকীয় গৰিমাৰে অৱদান আগবঢ়াই আমাৰ মাজৰ পৰা আঁতৰি গল সেই সকল শিল্পী, কবি, সাহিত্যিক। শিক্ষক, সাংবাদিক, গীতিকাৰৰ প্ৰতি আৰু অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয় অস্তিত্বৰ হকে ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হোৱাত জাতীয় শ্বহীদ সকল আৰু যি সকলে স্বদেশ আৰু স্বজাতিৰ বাবে নিজৰ জীৱন আহুতি দিলে আৰু যি সকলৰ আত্ম বলিদানেৰে আজি নতুন প্ৰভাত, যিসকল আজীৱন পংগু হৈ ৰল, চিৰবৰেণ্য, সেই সকল পূন্যাত্মালৈ আমাৰ হৃদয়ৰ গভীৰ শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাৰ্ঘ নিবেদিলো।

# ৺ ননকান্ত সোনোৱাল।
# পৱিত্ৰ স্মৃতিত
# অশ্ৰু আঞ্জলি



জন্ম:- ২-১-৭৩ মৃত্যু ৬-৪-৯৮

("সোঁৱৰণী মোৰ, সেয়ে হওক তোৰ বাণী
শৰাই ভৰাই দিলো ফুল তাতো চকুপানী ")

' নিয়তিৰ নিষ্ঠুৰ পৰশত পথ দুৰ্ঘটনাত অকালতে আমাৰ মাজৰ পৰা পৰধামলৈ গতি কৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ (উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পক্ষাৰ্থী, ৺ ননকান্ত সোনোৱালৰ বিদেহী আত্মাই চিৰশান্তি লভাৰ অৰ্থে প্ৰাৰ্থনাৰে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী, শিক্ষক, শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী বৃন্দই তেওঁৰ পৱিত্ৰ স্মৃতিত অশ্ৰুসিক্ত পূষ্পাৰ্য তৰ্পন কৰিলো। আৰু ডিব্ৰুয়ান উছৰ্গা কৰিলো।

অসম চৰকাৰ

# ডিব্রুগড় জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়

ডিব্রুগড় – ৭৮৬০০১

পত্ৰাংক :                                                                                   দিনাংক : ৬ । ৭ । ৯৯

## শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছো যে, ডিব্রু মহাবিদ্যালয় ছাত্র একতা সভাৰ মুখপত্র " ডিব্ৰুয়ানৰ " উনবিংশতম্ সংখ্যাটো প্ৰকাশ কৰিবলৈ আয়োজন কৰা হৈছে ।

এই সুবিধাতে কওঁ যে, শিক্ষাৰ জগতত ডিব্রুগড়ৰ এক সুনাম আছে । এই সুনাম অৰ্জন কৰাত ডিব্রু মহাবিদ্যালয়ৰও নিশ্চয়, যথেষ্ট অৰিহনা আছে ।

আশাকৰো মহাবিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰও প্ৰচেষ্টা অব্যাহত ৰাখিব আৰু আলোচনীখনত প্ৰকাশিত প্ৰবন্ধ ৰাজিয়ে শৈক্ষিক পৰিবেশ অটুত ৰখাৰ লগতে ছাত্র সমাজৰ মাজত ভাতৃত্ববোধৰ এনাজৰিদাল অধিক মজবুত কৰি বিছিন্নতামুখী প্ৰৱনতাই গা কৰি উঠা বৰ্ত্তমান সমাজখনক প্ৰকৃত পথৰ সন্ধান দি সকলোৰে মাজত শান্তি সম্প্ৰীতি গঢ়ি তোলাত সহায় কৰিব ।

এই শুভ কামনাৰে –

বাণীকান্ত পেগু
উপায়ুক্ত
ডিব্রুগড় জিলা
ডিব্রুগড় ।

ALL ASSAM STUDENTS UNION

GAUHATI UNIVERSITY, GUWAHATI-781014

# আন্তৰিক শুভেচ্ছা

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সৌজন্যত আলোচনী সম্পাদকে ডিব্ৰুয়ানৰ ঊনবিংশতম সংখ্যাটি প্ৰকাশৰ যো-জা কৰা জানিব পাৰি আনন্দিত হৈছো।

ডিব্ৰুয়ানে নিশ্চয় মহাবিদ্যালয় খনৰ পৰিয়ালটোৰ চানেকি বহন কৰাৰ লগতে ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়ত্ৰী মধূৰ সম্পৰ্কৰ বাৰ্ত্তা প্ৰতিফলিত হব। ৰাজ্য খনৰ বৌদ্ধিক দিশত আৰু শিক্ষানুষ্ঠানত পবিত্ৰ সুষ্ঠ শৈক্ষিক পৰিবেশ নিৰ্মাণ কৰিবলৈ সক্ষম হব। শিক্ষা, ক্ৰীড়া, সাংস্কৃতিক আৰু সামাজিক দিশ সামৰি লিখক লেখিকা-লিখনিয়ে আলোচনী খনৰ শ্ৰীবৃদ্ধি কৰিব।

ঐতিহ্যমণ্ডিত ডিব্ৰু মহাবিদ্যালয়লৈ নিজকে গুণসম্পন্ন মানৱ সম্পদ হিচাবে প্ৰস্তত কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সকলো ছাত্ৰ ছাত্ৰী সংকল্পৱদ্ধ হোৱাৰ সময় সমাগত। তেহে একবিংশ শতিকালৈ এক নতুনত্বৰে আগবাঢ়ি যাব পাৰিবা এই আশা কৰিলো। সকলো ছাত্ৰ ছাত্ৰী সুন্দৰ শৈক্ষিক দিনবোৰলৈ আমাৰ আন্তৰিক শুভেচ্ছা জনাইছো। শিক্ষক, শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী সকললৈ শ্ৰদ্ধা আৰু প্ৰণিপাত যাঁচিলো।

(শ্ৰী অমিয় কুমাৰ ভূঞা)
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা ।




শ্রীমতী প্রতিভা সেন (অধ্যক্ষা)
ডিব্রু মহাবিদ্যালয়



# সম্পাদকৰ কলমৰ পৰা

আজি সমগ্ৰ বিশ্বজুৰি শতিকা অতিক্ৰমনৰ এক ব্যাপক প্ৰস্তুতি চলিছে। মাজত মাত্ৰ কেইটামান দিন বাকী। সময়ৰ ক্ষুদ্ৰ সাকোদাল পাৰ হলেই আমি একবিংশ শতাব্দীৰ প্ৰভাতী পক্ষীৰ গান শুনিবলৈ পাম। এই কথা ভাৱি আমি গৰ্ব্বিত হৈছো। কিয়নো আমি দুটা শতাব্দীৰ সোনালী স্বাক্ষৰ ৰূপে নিজকে চিহ্নিত কৰিম। এটা শতাব্দীৰ পৰা অন্য এটা শতাব্দীলৈ উত্তৰনৰ ই যে এক অনাধদিত আনন্দ। কিন্তু এই আনন্দ উচ্ছাসৰ মায়াজাল ভেদ কৰি কোনো কোনো সময়ত মনলৈ নামি আহে অনিশ্চয়তাৰ নিশ্বাস।

ভাৰতৰ পূব দিশত সূৰ্য উঠা দেশ' বুলি খ্যাতি অসম আজি ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৫০ বছৰৰ পাছুতো আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশত বহু পিছ পৰি আছে। অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত উন্নত মূল্যাংকনেই এখন দেশৰ এটা জাতিৰ স্বক্ৰীয়তা অক্ষুন্ন ৰখাত সহায় কৰে। জাতিৰ জাতীয় অস্তিত্ব বজাই ৰখাত যুৱসমাজ বা ছাত্ৰসমাজৰ ভূমিকাই যথেষ্ট অৰিহনা যোগায়। যুৱ সমাজ বা ছাত্ৰসমাজৰ সংগঠনমুলক দৃষ্টিভংগী আৰু কাৰ্যকলাপে এটা জাতিৰ প্ৰতিচ্ছবি দাঙি ধৰে। সেয়েহে আমি যুৱসমাজক বিপথে পৰিচালিত হোৱাটো নিবিচাৰো। ইয়াৰ বাবে বহুতেই আমাৰ সমাজ বা শিক্ষা ব্যৱস্থাক জগৰীয়া কৰিব বিচাৰে। কিন্তু কাৰোবাক জগৰীয়া কৰিলেই এটা সমস্যা সমাধান নহয়। ইয়াৰ বাবে প্ৰতিজন ব্যক্তিয়েই আগবাঢ়ি আহিব লাগিব। আৰু যুৱচামক সৰ্ব্বনাশীয় চিন্তা-চৰ্চ্চাৰ পৰা আঁতৰত ৰাখিব লাগিব।

সাম্প্ৰতিক অগ্নিগৰ্ভা পৰিস্থিতিয়ে অসমৰ অৱস্থা শোচনীয় কৰি পেলাইছে। দৰিদ্ৰতা গোষ্ঠীগত সংঘৰ্ষ নিবনুৱা সমস্যা, হিংসা-সন্ত্ৰাস, আদি এশ এবুৰি জ্বলন্ত সমস্যাই অসমৰ পৰিস্থিতি অতিকৈ জটিল কৰি তুলিছে। নিতৌ সংঘটিত হোৱা হত্যা, ধৰ্ষন, লুণ্ঠন আদি ঘটনাই শান্তিকামী জনগণৰ মন ভীতিগ্ৰস্থ কৰি তুলিছে। দেশৰ ধৰণী স্বৰূপ যুৱসমাজৰ একাংশই পৰোক্ষ বা প্ৰত্যক্ষভাৱে ইয়াৰ লগত জড়িত হৈ পৰা দেখা গৈছে। ই ভৱিষ্যতৰ প্ৰজন্মক ৰুগ্নময়, অন্ধকাৰ দেশলৈহে লৈ গৈছে।

সুস্থ চিন্তাধাৰাৰ বীজ ৰোপন কৰিবলৈ হলে সমাজ খন নিকা হোৱাৰ লগতে সমাজৰ প্ৰতিজন ব্যক্তিয়েই নিকা হোৱাটো বাঞ্চনীয়। সুসংগঠিত জীৱনৰ মৌলিক উপাদান হৈছে শিক্ষা । শিক্ষাই হৈছে ব্যক্তিৰ চৰিত্ৰ গঠনৰ মাপকাঠি। অথচ আমি ভাবিবলৈ বাধ্য হৈছো যে আজিৰ শিক্ষাৰ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ মানসিক সংঘাতৰ সৃষ্টি কৰিছে, ইয়াৰ মূলতে হল আসোঁৱাহযুক্ত নতুন পাঠ্যক্ৰম। নতুন পাঠ্যক্ৰমৰ আসোঁৱাহ সমূহে আজিৰ ছাত্ৰ-ছাত্ৰীৰ মনত সন্দেহৰ বীজ ৰোপন কৰিছে। আজিৰ ছাত্ৰ সমাজে প্ৰকৃত শিক্ষা লাভ কৰা নাই। যি শিক্ষাই মানৱীয় প্ৰমূল্যৰ পূৰ্ণ উৎকৰ্ষ সাধন কৰি সমস্যা সমূহৰ বাস্তৱ পৰ্যবেক্ষনৰ জৰিয়তে ছাত্ৰ সমাজৰ ভৱিৰ্ষ্যৎ সুনিশ্চিত কৰিব পাৰি সেই শিক্ষাহে প্ৰকৃত শিক্ষা। আজি চাকৰিমুখী শিক্ষা ব্যৱস্থাত মানবীয় প্ৰমুল্যৰ ওপৰত কোনোধৰণৰ আলোকপাত কৰা হোৱা নাই। আজি আসোঁৱাহ যুক্ত শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলক ধৈৰ্য্য, অধ্যৱসায়, আত্মবিশ্বাস আৰু আত্ম নিৰ্ভৰশীলতাৰ অভাৱ ঘটাইছে। তাৰ ফলত পৰমুখাপেক্ষী বা পৰনিৰ্ভৰশীলতা বৃদ্ধি পাব ধৰিছে। ছাত্ৰ সমাজক সবল সুন্দৰ ৰূপত গঢ়ি তুলিবলৈ সমাজৰ

অবিভাৱক, শিক্ষানুৰাগী ব্যক্তি, বুদ্ধিজীৱী, চৰকাৰ, শিক্ষানুষ্ঠান সকলোৱে ঐকান্তিক চেষ্টাৰ প্ৰয়োজন। লগতে সাম্প্ৰতিক অগ্নিগৰ্ভা পৰিস্থিতিৰ অৱসান ঘটাবলৈ সকলো একগোট হৈ যত্নপৰ হব লাগিব।

অসমৰ পূব প্ৰান্তত অৱস্থিত উচ্চ শিক্ষানুষ্ঠান "ডিব্ৰু মহাবিদ্যালয়ে " ৰূপালী জয়ন্তী বৰ্ষ পাৰ হৈ সোনালী জয়ন্তী বৰ্ষ পিনে অগ্ৰসৰ হৈছে। কলা, বাণিজ্য, আৰু বিজ্ঞান শাখাকে পৰিপূৰ্ণ হৈ মহাবিদ্যালয়খনে বৰ্তমান এখন পূৰ্ণাঙ্গ মহাবিদ্যালয়ৰ ৰূপ লৈছে। এই মহাবিদ্যালয়ে দেশক প্ৰগতিৰ ৰাজহাড় স্বৰূপ হেজাৰ হেজাৰ শিক্ষিত ব্যক্তিৰ জন্ম দি আহিছে আৰু সাহিত্য চৰ্চা। সংগীত চৰ্চা, বিভিন্ন ধৰণৰ কলা আদিৰ চৰ্চা কৰি মহাবিদ্যাল খনক উজ্জ্বল কৰি তুলিছে।


কৃতজ্ঞতা:- ডিব্ৰু মহাবিদ্যালয় সন্মানীয় শিক্ষাগুৰু সকল আৰু কৰ্মচাৰি সকললৈ ভক্তিভৰা শ্ৰদ্ধা আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ১৯৯৭-৯৮ বৰ্ষৰ মহাবিদ্যালয়ৰ আলোচনী "ডিব্ৰুয়ানৰ" সম্পাদক গুৰু দায়িত্ব পালন কৰিবলৈ যি সকল বন্ধু বান্ধৱী, ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্ব্বাচিত কৰিলে সেই সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিম।

মোৰ সপোন আছিল এখন আটক ধুনীয়া আলোচনী প্ৰকাশ কৰা। কিন্তু মহাবিদ্যালয় খনৰ বিভিন্ন সমৰ্স্যা থকা হেতুকে আলোচনী খন ভাল দৰে প্ৰকাশ কৰিব নোৱাৰিলো। তাৰ বাবে সকলোৰেই ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো।

আলোচনী খনৰ বিভিন্ন কামত, দিহা-পৰামৰ্শৰে অনুপ্ৰেৰণা যোগোৱা তত্বাবধায়ক শ্ৰীযুক্তা জ্যোতি বৰগোঁহাই বাইদেউ আৰু শ্ৰীযুত বীৰেণ বৰুৱা ছাৰ, সম্পাদনা সমিতিৰ উপদেষ্টামণ্ডলী আৰু সদস্য সদস্যা সকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে আলোচনী খনৰ প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত আৰু বিভিন্ন সহায়-সহযোগ আৰু অনুপ্ৰেৰণা যোগোৱা মহাবিদ্যালয়ৰ মোৰ বন্ধু-বান্ধৱী, ভাইটী, ভণ্টী, সকলক মই কেতিয়াও পাহৰিব নোৱাৰিম। আপোনা লোকৰ সহায় সহযোগিতা, উৎসাহ উদ্দীপনাৰ ফলশ্ৰুতিতেই আজি আপোনালোকৰ হাতত আলোচনী খন তুলি দিবলৈ সক্ষম হলো। পাঠক পাঠিকা সকলে আলোচনীখন আকোৱালী ললে মোৰ এই ক্ষুদ্ৰ প্ৰচেষ্টা সাৰ্থক হব।

**অনুপম শইকীয়া**
**সম্পাদক আলোচনী,**
**ডিব্ৰু মহাবিদ্যালয়।**

# ডিব্ৰুয়ান ১৯৯৭-৯৮ বৰ্ষৰ
## সম্পাদনা সমিতি



শ্ৰীযুক্ত বীৰেন বৰুৱা
অধ্যাপক-উপদেষ্টা


শ্ৰীযুক্ত প্ৰদীপ চেতীয়া
অধ্যাপক-উপদেষ্টা


ড° মহেশ কুমাৰ জৈন
অধ্যাপক-উপদেষ্টা


শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই
অধ্যাপিকা-উপদেষ্টা

শ্ৰীযুক্তা ৰুমা ফুকন
অধ্যাপিকা


শ্ৰীঅনুপম শইকীয়া
আলোচনী সম্পাদক


শ্ৰীতাৰাপ্ৰসাদ দিহিঙ্গীয়া
সদস্য


শ্ৰীদ্বীপেন সন্দিকৈ
সদস্য


শ্ৰীমতী পাপৰি তেচিয়া
সদস্যা


শ্ৰীমতী জুৰীস্মৃতা বড়া
সদস্যা


শ্ৰীমতী চন্দ্ৰানী গুৰুম
সদস্যা

# কৃতজ্ঞতাৰ বৰ শৰাই

১। ভাৰপ্ৰাপ্ত অধ্যাক্ষা :— শ্ৰীযুক্তা প্ৰতিভা সেন।

২। ডিব্ৰু মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধা শিক্ষাগুৰু সকল।

৩। ডিব্ৰুগড় জিলা উপায়ুক্ত মহোদয় :— শ্ৰীযুত বানীকান্ত পেগু

৪। সদৌ অসম ছাত্ৰ সন্থা সভাপতি, সম্পাদক
শ্ৰীযুত প্ৰবীন বড়ো আৰু অমিয় ভূঞা

৫। অসম সাহিত্য সভা প্ৰাক্তন সভাপতি :— ড০ নগেন শইকীয়া

৬। সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থা সভাপতি :— শ্ৰীযুত উজ্জ্বল ফুকন ও সহকৰ্মী সকল।

৭। অধ্যাপক

শ্ৰীযুত বীৰেন বৰুৱা
শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন
ড০ মহেশ কুমাৰ জৈন

৮। অধ্যাপিকা :—

শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই
শ্ৰীযুক্তা ৰুমা ফুকন

৯। যি সকল অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ ছাত্ৰীয়ে তেওঁলোকৰ লিখনিৰে "ডিব্ৰুয়ান" খনিৰ সৌষ্টৱ বৃদ্ধি কৰাত অৰিহনা যোগালে।

১০। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক :— শ্ৰীযুত নন্দেশ্বৰ ফুকন
মহাবিদ্যালয়ৰ গাননিক :— শ্ৰীযুত গনেশ বৰঠাকুৰ
মহাবিদ্যালয়ৰ সহকাৰী :—
মহাবিদ্যালয়ৰ মুখ্য সহায়ক :—

সম্পাদনা সমিতি
উপদেষ্টা - ১৯৯৭ - ৯৮

১১। অন্যান্য দিশত দিহা পৰামৰ্শ আৰু সহায় সহযোগ আগবঢ়োৱা মোৰ দাদা সব শ্ৰী জয়দেৱ শইকীয়া, দ্বীপেন সন্দিকৈ, চন্দ্ৰজিত দেউৰী, চিন্তু সোনোৱাল।

১২। কাৰ্য্যকালৰ আৰম্ভনিৰ পৰা অন্তিম মুহুৰ্ত্ত লৈকে ছা‍ঁ দৰে লাগি সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়া সকলৰ লগতে বন্ধু সৰ্ব্বশ্ৰী দেৱানন্দ চেলেং, ৰভিজিত বাগলাৰী, কুকিল দুৱৰা, বিজু দাস, অজয় তাঁতী, গোলাপ সোনোৱাল, নিপুল সোনোৱাল, ক্ষেমাজ্যোতি বৰুৱা, সুনিল চেতিয়া, তাৰা প্ৰসাদ দিহিঙীয়া, তপন হাজৰীকা।

বান্ধৱী :— শ্ৰীমতী সঙ্গীতা সোনোৱাল, অঙ্কীতা শইকীয়া (হেপী) অংকীতা গোহাঁই, চিত্ৰা সোনোৱাল, জয়া শইকীয়া ভাজিনা হাজৰীকা, ৰিতু সোনোৱাল, দিপাঞ্জলী সোনোৱাল আৰু ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকল লৈ

১৩। ডিব্ৰু মহাবিদ্যালয় প্ৰিয়ম শিল্পী বাহিনী পৰিচালক শ্ৰীকৃষ্ণ চুতীয়া লগতে সদস্য সদস্যা সকল।

১৪। সম্পাদনা সমিতি সদস্য সদস্যা সকল।

১৫। নিৰ্ব্বাচনত সহায় কৰা ভন্টি নিলাক্ষী বৰগোহাঁই আৰু পৰী গগৈ।

সোনোৱাল প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীষড়ানন সোনোৱাল প্ৰেছৰ সমূহ কৰ্ম'চাৰী বৃন্দলৈ কৃতজ্ঞতাৰ বৰ শৰাই নিবেদিলো।

সম্পাদক "ডিব্ৰুয়ান"

## ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা— ১৯৯৬-৯৭

১। উপ সভাপতি :– শ্ৰীচিণ্টু সোনোৱাল।
২। সাঃ সম্পাদক :– শ্ৰীৰাহুল দেৱ সোনোৱাল।
৩। সহঃ সাধাৰন সম্পাদক :– শ্ৰীকহিনুৰ ককাৰি।
৪। আলোচনী সম্পাদক :– শ্ৰীঅনুপম শইকীয়া।
৫। মুখ্য খেল বিভাগৰ সম্পাদক :– শ্ৰীচন্দ্ৰজ্যোতি দেউৰী।
৬। সাধাৰন খেল বিভাগৰ সম্পাদক :– শ্ৰীভূপেন সোনোৱাল।
৭। সাংস্কৃতিক সম্পাদক :– শ্ৰীদিগন্ত গগৈ।
৮। সাংগীত বিভাগৰ সম্পাদিকা :– শ্ৰীমতী জিনুমনি ভূঞা।
৯। ছাত্ৰ জিৱনী কোঠাৰ সম্পাদক :– শ্ৰীইন্দ্ৰজিৎ সোনোৱাল।
১০। ছাত্ৰী জিৱনী কোঠাৰ সম্পাদিকা :– শ্ৰীমতী পূৰ্ণিমা শইকীয়া।
১১। শৰীৰ চৰ্চা বিভাগৰ সম্পাদক :– শ্ৰীখেমাজ্যোতি বৰুৱা।
১২। সমাজ কল্যান বিভাগৰ সম্পাদক :– শ্ৰীঅজয় চন্দ্ৰ তাঁতী।
১৩। শ্ৰেণীৰ প্ৰতিনিধি :– শ্ৰীমতী ৰঞ্জী চেতীয়া।

## ডিব্ৰুয়ান — ১৯৯৭—৯৮ বৰ্ষ

১। সম্পাদনা সমিতি

উপদেষ্টা :–

অধ্যাপক :– শ্ৰীযুত বীৰেন বৰুৱা।
শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন।
ড° মহেশ কুমাৰ জৈন।

অধ্যাপিকা :– শ্ৰীযুক্তা জ্যোতি বৰগোহাঁই।
শ্ৰীযুক্তা ৰুমা ফুকন।

২। সম্পাদক :— শ্ৰীঅনুপম শইকীয়া।

৩। সদস্য/সদস্যা,

শ্ৰীতৰাপ্ৰসাদ দিহিঙীয়া।
শ্ৰীদ্বীপেন সন্দীকৈ।
শ্ৰীমতী পাপৰি চেতিয়া।
শ্ৰীমতীজুৰীস্মৃতা বড়া।
শ্ৰীমতী চন্দ্ৰানী গুৰুং।

৪। সম্পাদনা কাৰ্য্যকৰী মঞ্চ

(A) প্ৰচ্ছাপট আৰু অন্তভাগ (স্কেচ অলংকৰন
শ্ৰীতৰাপ্ৰসাদ দিহিঙীয়া।

(B) পৰিকল্পনা আৰু ব্যৱস্থাপনাত
১। শ্ৰীদেৱানন্দ চেলেং।
২। ,, কুকিল দুৱৰা।
৩। ,, বিজু দাস।
৪। ,, ৰভিজিত বাগলাৰী।
৫। ,, অজয় চন্দ্ৰ তাঁতী।
৬। ,, তপন হাজৰীকা।
৭। ,, সুনিল চেতিয়া।
৮। শ্ৰীমতী সঙ্গীতা সোনোৱাল।
৯। শ্ৰীনিপুল সোনোৱাল (মইনা)।

সহযোগত
অধ্যাপিকা – শ্ৰীযুত জ্যোতি বৰগোহাঁই।

(C) মুদ্ৰক :–
সোনোৱাল ইণ্ডাষ্ট্ৰি
ৰিহিয়াটিং তিনিআলি
ডিব্ৰুগড়—৭৮১০০৪

প্ৰকাশক :–
ডিব্ৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা
১৯৯৭—৯৮ বৰ্ষ

# সূচীপত্ৰ


* প্ৰবন্ধ

* "স্বাধীনোত্তৰ ভাৰতত কৃষি খণ্ডৰ অগ্ৰগতি" এটি আলোকপাত : শ্ৰীপ্ৰশান্ত কুমাৰ বৰা । ১
* বিশ্বজনীন ভাৱধাৰাত ধৰ্ম ও বিজ্ঞান : শ্ৰীপ্ৰদীপ কুমাৰ চেতিয়া । ৪
* তনবীৰ, ছত্তিশগড় লোকনাট্য : শ্ৰীপংকজ কুমাৰ দত্ত । ৭
* প্ৰেম, কৰুণা আৰু মানৱ সেৱাৰ প্ৰতীক "মাদাৰ টেৰেছা" : শ্ৰীমতী ৰঞ্জী চেতিয়া । ১১
* স্বাস্থ্য ৰক্ষাত ব্যায়াম আৰু ৰোগ নিৰাময়ত যোগাসন : শ্ৰীবসন্ত কুমাৰ চাংমাই । ১৫
* ক্ৰীয়াজগতত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ : শ্ৰীচন্দ্ৰজিৎ দেউৰী । ১৭
* আধুনিক ব্যৱসায় জগতত বিজ্ঞানৰ ভূমিকা : ডঃ মহেশ কুমাৰ জৈন । ২০
* কেৰিয়াৰ : শ্ৰীযোত সুন্দৰ গগৈ । ২৩

* গল্প

* আশাহত পক্ষীৰ ক্ৰন্দন : শ্ৰীযোগেন্দ্ৰ নাথ দাস । ২৭
* অস্ত সূৰ্যৰ ৰং : শ্ৰীভাস্কৰ জিৎ বৰা । ৩২
* ত্যাগ : শ্ৰী দিব্যজ্যোতি দত্ত । ৩৮
* শেষ সিদ্ধান্ত : শ্ৰীপ্ৰদ্যুৎ প্ৰকাশ ভুৰবা । ৪১
* Some One Some Where : শ্ৰীমতী বৰষা বড়া । ৪৫
* ৰুদ্ধ হৃদয়ৰ ক্ৰন্দন : শ্ৰীমতী সঙ্গীতা সোমোৱাল । ৪৯
* অবুজ বেদনা : শ্ৰীশশীকান্ত শইকীয়া । ৫২
* সন্ধ্যাৰ চিনাকি : শ্ৰীমানবেন্দ্ৰ গগৈ । ৫৬
* আকাংখ্যা তোমাৰেই নাম : শ্ৰীমতী হেমাঙ্গলী বৰা । ৫৮
* ধুমুহাৰ অন্তত : শ্ৰীমতী পাপৰি চেতিয়া । ৬৭
* শুৱাস : শ্ৰীমতী নিৰ্মলা মেছ । ৬৯

## কৱিতা


| | | |
|---|---|---|
| * আহ্বান | : শ্ৰীপাপু বাগলাৰী | ১ |
| * ছহিদ | : শ্ৰীযতিন বাইলুং | ২ |
| * বিয়াৰ পাছত | : শ্ৰীপ্ৰাঞ্জল পাত্ৰ | ২ |
| * বৈ গল স্মৃতি | : শ্ৰীমতী কলি সোনোৱাল | ২ |
| * কোন বাৰু তাই | : শ্ৰমতী ত্ৰিবেণী শইকীয়া | ৩ |
| * প্ৰেমৰ উপলব্ধি | : শ্ৰীদিগন্ত গগৈ | ৩ |
| * সোনালী অসম | : শ্ৰীভাবানন্দ ভৰালী | ৪ |
| * প্ৰেৰণা | : শ্ৰীমতী ৰীতা দিহিঙীয়া | ৪ |
| * বিদ্ৰোহী | : " " মামণি টায়ে | ৫ |
| * মাদাৰ টেৰেছা | : " " পাহাৰী শইকীয়া | ৫ |
| * সখিৰ বিননি | : " " শিউলি হালদাৰ | ৬ |
| * এটি ক্ষুদ্ৰ কৱিতা "তোমালৈ .... " | : "ভাস্কৰ জিৎ বৰা | ৬ |
| * এবুকু উচুপনি | : " স্বপন গগৈ | ৭ |
| * অজ্ঞান আৰ্তনাদ | : শ্ৰীমতী ৰ'জী চেতিয়া | ৮ |
| * প্ৰেমৰ উপলব্ধিৰ সময় | : " " ৰ'জী চেতিয়া | ৮ |
| * মই অসমীয়া জাতিয়ে কৈছো | : শ্ৰীমৌচুমী শইকীয়া | ৮ |
| * পক্ষীলতা | : " তৰুণ কুৰ্ম্মী | ৯ |
| * পুৱতি নিশাৰ উচুপনি | : " তপন দও | ৯ |
| * মোক এখন অন্তৰ লাগে | : " যদুমণি গগৈ | ১০ |
| * অপেক্ষ্যা | : " মৃগেন গগৈ | ১১ |
| * প্ৰতীক্ষা | : শ্ৰীমতী মুনমি দেউৰী | ১১ |
| * হৃদয় নদী | : " বৰ্ণালি বৰগোহাঁই | ১২ |
| * জীৱন মোৰ বাবে | শ্ৰীমতী মনালিছা দেউৰী | ১৩ |
| বেশ্যা | : যদুনাথ পুৰী | ১৩ |
| * এটি কলিৰ অন্তৰ | : দিব্যজ্যোতি গগৈ | ১৩ |
| * আত্মচেতনা | : অনুপম শইক য়া | ১৪ |
| * মোৰ জীৱন | : কবিতা দেউৰী | ১৪ |
| * মোৰ স্বপ্ন মাথো তোমাৰ বাবে | : কৃষ্ণ চোতিয়া | ১৪ |


## ENGLISH SECTION :


* COMPOSITION

| | | |
|---|---|---|
| * National Income and Economic Welfer | : Dr. Rohiga Kmatun | 1 |
| * The Falk and the Classical Theater of India | : Sri Nilim Chetia | 4 |

RHYME

| | | |
|---|---|---|
| * Remember the Srcrifices | : Sri Kamal Chetri | 7 |
| * Gact | : Miss Anita Sonowal | 8 |
| * Imaginatiar | : Raju Kr. ghose | 8 |


ডিব্ৰুয়ান

# প্ৰবন্ধ

ডিব্ৰু মহাবিদ্যালয়-ডিব্ৰুগড়
তমসো মা জ্যোতিৰ্গময়
স্থাপিত ১৯৬৩

বছেৰেকীয়া আলোচনী

ডিব্ৰু কলেজ, ডিব্ৰুগড়

১৯৯৭ – ১৯৯৮

সম্পাদক
শ্ৰী অনুপম শইকীয়া

# “ স্বাধীনোত্তৰ ভাৰতত কৃষি খণ্ডৰ অগ্ৰগতি ” এটি আলোকপাত ।

শ্ৰীপ্ৰশান্ত কুমাৰ বৰা ।
প্ৰবক্তা, অৰ্থনীতি বিভাগ ।

দুশ বছৰীয়া বৃটিছ উপনিবেশিকতাবাদৰ অৱসান ঘটায় ১৯৪৭ চনত স্বাধীনতা লাভ কৰা ভাৰত-বৰ্ষ বৰ্ত্তমান এখন কৃষি প্ৰধান উন্নয়ণশীল ৰাষ্ট্ৰ । কৃষি খণ্ডই হ'ল ভাৰতীয় অৰ্থনীতিৰ মূল চালিকা শক্তি, যিটো খণ্ডই দেশ খনৰ জাতীয় আয়লৈ সৰ্বাধিক বৰঙণি আগবঢ়াই আহিছে। মুঠ জনসংখ্যাৰ প্ৰায় ৭০%লোকৰ জীৱণ নিৰ্বাহৰ যাই অৱলম্বন কৃষি খণ্ড এতিয়াও ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ । উপনিবেশিক শাসন কালত বিদেশী শাসক তথা শোষক সকলে নিজদেশৰ অৰ্থনীতি টনকিয়াল কৰাৰ মানসেৰে ভাৰতীয় অৰ্থনীতিৰ লগতে কৃষিখণ্ডৰ ওপৰতো নানা ধৰণে শোষণ কৰিবলৈ আৰম্ভ কৰিলে। বৃটেইনৰ উদ্যোগ সমুহ চলাবৰ কাৰণে ভাৰতৰ পৰা বিভিন্ন কেঁচামাল সৰবৰাহ কৰি নিজদেশৰ উদ্যোগক উন্নয়ণ সুনিশ্চিত কৰিলে । ঔপনিবেশিক শাসন কালত ব্যৱসায় বাণিজ্যৰ দৃষ্টি কোণৰ পৰা গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সক্ষম হোৱা ভাৰতীয় অৰ্থনীতিৰ কৃষি ব্যৱস্থাৰ ক্ৰমে টিলটিল কৈ ধ্বংশৰ গৰাহলৈ ঠেলি দিলে। সৃষ্টি হ'ল বৃহৎ জমিদাৰী শ্ৰেণীৰ এক নতুন শোষকৰ দল।

স্বাধীন ভাৰতৰ জাতীয় চৰকাৰে শাসন ভাৰ গ্ৰহণ কৰি বৃটিছ সাম্ৰাজ্যবাদী সকলে ভাঙ্গি থানবান কৰি থৈ যোৱা ভাৰতীয় অৰ্থনীতিক পুণৰোজ্জীৱিত কৰাৰ উদ্দেশ্যে কৃষিখণ্ডক অগ্ৰাধিকাৰ প্ৰদান কৰি ১৯৫১ চনত প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনা গ্ৰহণ কৰে । গ্ৰাম্যাঞ্চলৰ ভূমি সম্পদ কেৱল এমুঠি স্বাৰ্থলোভী ক্ষমতাবান লোকৰ হাতত কেন্দ্ৰীভূত হৈ পৰাত প্ৰকৃত কৃষক সকল দাৰিদ্ৰ্যতা আৰু শোষাণ নিস্পেষণৰ মাজত জীয়াই থাকি দিন অতি-বাহিত কৰিব লগা হ'ল। ফলত ক্ষুদ্ৰ আৰু উপান্ত কৃষক সকলৰ অৱস্থা পুতৌ লগা হবলৈ ধৰিলে। বছৰৰ পিছত বছৰ ধৰি দুৰ্ভগীয়া, অসহায় কৃষক সকলে যি দুখ কষ্ট স্বীকাৰ কৰিব লগা হৈছিল তাক দূৰ কৰাৰ উদ্দেশ্যে জাতীয় চৰকাৰে বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আচনি গ্ৰহণ কৰিলে ।

জমিদাৰী প্ৰথাৰ বিলোপ সাধন, ভূমি উদ্ধত্ত কৰণ আৰু একত্ৰীকৰণ, সমবায়আন্দোলণ ফলপ্ৰসুকৰণ, জলসিঞ্চণ ব্যৱস্থাৰ সম্প্ৰসাৰণ, একক শস্যৰ পৰিবৰ্ত্তে বিবিধ শস্যৰ কৃষি পদ্ধতিৰ সম্প্ৰসাৰণ ( Multiple Cropping System), কৃষি পিয়ল পদ্ধতী প্ৰৱৰ্ত্তন, কৃষি গৱেষণা, উন্নত প্ৰযুক্তি কৌশল উদ্ভাৱন আৰু উন্নত জাতৰ কৃষিবীজ উদ্ভাৱন আদি ব্যৱস্থাৱলীয়ে দেশৰ দৰিদ্ৰ কৃষি-জীৱি লোকৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ লগতে সাম-গ্ৰিক কৃষি উন্নয়ণত গুৰুত্বপূৰ্ণ অৰিহণা আগ বঢ়াইছে । স্বাধীনতাৰ অৰ্দ্ধশতিকা কালৰ অন্তত ভাৰতীয় অৰ্থনীতিয়ে


৮ টা পঞ্চবাৰ্ষিক পৰিকল্পনা গৰকি নৱম পৰিকল্পনা আৰম্ভ কৰিছে। বিগত পাচঁটা সুদীৰ্ঘ দশকৰ সময়ছোৱাত ভাৰতীয় কৃষি খণ্ড নানা ঘাট প্ৰতিঘাট আৰু উত্থান পতনৰ মাজেৰে গতিকৰি বৰ্ত্তমান বিশ্বৰ কৃষি প্ৰধান দেশবোৰৰ শাৰীত ভাৰতে এখত আত্ম নিৰ্ভৰশীল কৃষি অৰ্থনীতিৰ দেশ হিচাপে নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। পৰম্পৰাগত কৃষি পদ্ধতিৰ অৱশান ঘটাই ভাৰতৰ কৃষি খণ্ডই বৰ্ত্তমান প্ৰযুক্তি বিদ্যা আৰু বজাৰ ভিত্তিক গোলকীয় অৰ্থনীতিৰ যুগত প্ৰৱেশ কৰিছে। বিগত পাচঁটা দশকত সামগ্ৰিক ভাৱে কৃষিপদ্ধতি আৰু মুঠ উৎপাদনৰ দিশত যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ খাদ্যশস্য উৎপাদনৰ ক্ষেত্ৰত ভাৰতে চমক প্ৰদ সাফল্য অৰ্জন কৰিছে। ১৯৫০-৫১ চনৰ ৫১ নিযুত টন খাদ্যশস্য উৎপাদনৰ বিপৰীতে দেশত ১৯৯৪-৯৫ চনত ১৯১ নিযুত টন খাদ্যশস্য উৎপাদন হৈছে। সেইদৰে বিভিন্ন ধৰণৰ পণ্য শস্যৰ ভিতৰত কুঁহিয়াৰ, কপাহ, চাহপাত, তৈলবীজ আদিৰ উৎপাদন সন্তোষ জনক ভাৱে বৃদ্ধি পাইছে। কুঁহিয়াৰ উৎপাদন ১৯৫০-৫১ চনৰ ৬৯ নিযুত টনৰ পৰা ১৯৯৪-৯৫ চনত ২৫৮ নিযুত টনলৈ, তৈল বীজৰ উৎপাদন উক্ত সময়ছোৱাত ৫.১ নিযুতটনৰ পৰা ২১.৪ নিযুত টনলৈ আৰু কপাহৰ উৎপাদন ২.১ নিযুত বেলৰ পৰা ১২ নিযুত বেললৈ বৃদ্ধি ঘটিছে। ফল মূলৰ ক্ষেত্ৰত দেশখনে বছৰি প্ৰায় ৩৩ নিযুত টন উৎপাদন কৰি বৰ্ত্তমান পৃথিৱীৰ ভিতৰত প্ৰথমস্থান অধিকাৰ কৰিছে। সেইদৰে দুগ্ধ উৎপাদনৰ ক্ষেত্ৰতো ভাৰতে সমগ্ৰ বিশ্বৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। ভাৰতত বিভিন্ন শাক পাচলি উৎপাদনৰ পৰিমাণ প্ৰতি বছৰে প্ৰায় ৭১ নিযুত টন। ঘেঁহু উৎপাদনৰ ক্ষেত্ৰত উৎপাদন বৃদ্ধিৰ হাৰ যথেষ্ট সন্তোষজনক স্বাধীনতাৰ সময়ত ভাৰতে কেৱল বছৰি ৬ নিযুত টন ঘেঁহু উৎপাদন কৰাৰ বিপৰীতে ১৯৯৫ চনত ৬৫.২৪ নিযুতটন উৎপাদন কৰিবলৈ সক্ষম হয়। কৃষি উৎপাদন দিশত এনে চমকপ্ৰদ সাফল্যৰ বাবেই বৰ্ত্তমান ৯০ কোটিৰো অধিক লোকৰ খাদ্য চাহিদা ঘৰুৱা উৎপাদনৰ জোৰা মৰাৰ উপৰিও ৰাহি অংশ ৰপ্তানি কৰিব পাৰিছে। বৰ্ত্তমান কৃষিজাত দ্ৰব্য ৰপ্তানি কৰি ভাৰতে ৩ বিলিয়ন ডলাৰ পৰ্য্যন্ত বিদেশী মুদ্ৰা অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত তথ্যমতে ভাৰতে বৰ্ত্তমান প্ৰায় বছৰি ৫ নিযুত টন খাদ্য শস্য ৰপ্তানি কৰিব পাৰে।

কৃষিৰ ক্ষেত্ৰত লাভ কৰা এই সাফল্যৰ মূলতে হ'ল ষাঠি দশকৰ মাজভাগত সূচনা হোৱা সেউজবিপ্লৱৰ পাৰ্শ্ব প্ৰভাৱ। অৱশ্যে সেউজ বিপ্লৱে ঘাইকৈ ঘেঁহু আৰু ধান উৎপাদনৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে যদিও অন্যান্য খাদ্যশস্য উৎপাদনৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ আছিল সীমিত। সেইদৰে পঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ দৰে কেইখন মান ৰাজ্যই সেউজ বিপ্লৱৰ সুফল লাভ কৰিছিল যদিও দেশৰ বাকী অংশ ই স্পৰ্শ কৰিব পৰা নাছিল। আৰ্থসামাজিক ব্যৱস্থা ভৌগলিক অৱস্থিতি, ৰাজনৈতিক প্ৰভাৱ আদি নানা প্ৰতিকুল অৱস্থাৰ কাৰণে সেউজ বিপ্লৱে সমগ্ৰ দেশত প্ৰসাৰতা লাভ কৰিব পৰা নাছিল।

কৃষিখণ্ড যদিও ভাৰতৰ আৰ্থিক প্ৰগতিৰ মূল আধাৰ আৰু কৃষি খণ্ডই বিগত কাল ছোৱাত যদিও বিভিন্ন দিশত সফলতা অৰ্জন কৰিছে, তথাপি কৃষি আৰু অনুসঙ্গিক খণ্ডৰ লগত জড়িত গ্ৰাম্যাঞ্চলৰ ৭০% লোক আজি কোপতি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত। কৃষি ভূমিৰ ওপৰত পৰা জনসংখ্যাৰ হেঁচা, প্ৰকৃতিৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতা, বজাৰ, বিত্তিয় প্ৰতিষ্ঠান আদিকে ধৰি পৰিবহনৰ দৰে বুনিয়াদি সা-সুবিধাৰ অভাৱ, কৃষকৰ দৰিদ্ৰতা, নিৰক্ষৰতা আদি নানা সমস্যাৰ গৰাহৰ পৰা ভাৰতীয় কৃষক সকল আজিও মুক্ত নহয়। বিগত কাল ছোৱাত খাদ্যশস্য আৰু অন্যান্য কৃষিজাত দ্ৰব্যৰ উৎপাদন যথেষ্ট বৃদ্ধি পোৱা স্বত্বেও দেশ খনৰ অঞ্চল নিৰ্বিশেষে বা শস্য ভেদে উৎপাদন আৰু উৎপাদন শীলতাৰ সময়ে সময়ে যথেষ্ট তাৰতম্য দেখা গৈছে। ভৌগলিক পাৰিপাৰ্শ্বিক, আৰ্থসামাজিক আৰু ৰাজনৈতিক কাৰণত এনে তাৰতম্য পৰিলক্ষিত হৈছে। তদুপৰি জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ ফলত ঘৰুৱা চাহিদা অধিক হোৱাৰ লগতে উৎপাদিত দ্ৰব্যৰ গুণগত মানদণ্ড বিচাৰ নকৰি ৰপ্তানিৰ ব্যৱস্থা কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় বজাৰত ভাৰতীয় কৃষিসামগ্ৰীৰ চাহিদা হ্ৰাস পোৱাত ৰপ্তানিৰ পৰিমান কেইবছৰ মানৰ পৰা হ্ৰাস পাইছে। কৃষি উৎপাদনৰ দিশত ভৱিষ্যতে প্ৰচুৰ সম্ভাৱনা থকা ভাৰত আজি খাদ্য শস্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হব পাৰিছে যদিও কৃষিজাত দ্ৰব্য আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ ফালৰ পৰা বিচাৰ কৰি চালে দেখা যায় যে ভাৰত আন কিছুমান কৃষি উৎপাদনকাৰী দেশৰ তুলনাত উৎপাদনৰ দিশত এতিয়াও বহুত পিছ পৰি আছে। যদীও ভাৰতে ধান, ঘেঁহু, বাদাম আৰু মৰাপাট উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ প্ৰথমস্থান অধিকাৰ কৰিছে। তথাপি হেক্টৰে প্ৰতি উৎপাদনৰ ফালৰ পৰা ভাৰতৰ স্থান আন কিছুমান দেশৰ তুলনাত পিছ পৰা। উদাহৰণ স্বৰূপে প্ৰতিহেক্টৰত ধান উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ স্থান ৫৪ তম, ঘেঁহুৰ ক্ষেত্ৰত ৩৮ তম, বাদাম ক্ষেত্ৰত ৭২ তম আৰু মৰাপাটৰ ক্ষেত্ৰত দশমস্থানহে অধিকাৰ কৰিছে। নেদাৰলেণ্ডে প্ৰতি হেক্টৰত ৭,৭১৬ কিঃ গ্ৰাঃ ঘেঁহু উৎপাদন কৰাৰ বিপৰীতে ভাৰতৰ ইয়াৰ উৎপাদন মাত্ৰ ২১১৭ কিঃগ্ৰাম। সেইদৰে ইজৰাইলত প্ৰতি হেক্টৰত ৪,৬০০ টন বাদাম উৎপাদন হোৱাৰ বিপৰীতে ভাৰতৰ ইয়াৰ পৰিমান কেৱল ৯২৯ টন। এই সকলোবোৰ তথ্যপাতিয়ে ভাৰতীয় কৃষিখণ্ডৰ অনুন্নত অৱস্থাৰ কথাকে প্ৰতিপন্ন কৰে।

চৰকাৰে পিছপৰা কৃষিখণ্ডৰ উন্নয়ণকল্পে বিভিন্ন পদক্ষেপ সময়ে সময়ে গ্ৰহনকৰি আহিছে। শেহতীয়াকৈ ১৯৯১ চনত প্ৰবৰ্ত্তন কৰা আৰ্থিক সংস্কাৰ কাৰ্য্যসূচীৰ মাধ্যমেদি কৃষি বিনিয়োগ বৃদ্ধিকৰি গ্ৰাম্য অৰ্থনীতিৰ ভেঁটি সুদৃঢ় কৰাৰ ওপৰত গুৰুত্বদিয়া হৈছে। নৱম পৰিকল্পনাত কৃষি উন্নয়নৰ ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে আৰু কৃষি উন্নয়ণৰ বাৰ্ষিক হাৰ ৪.৫% লৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হব পাৰিলে একৈশ শতিকা অভিমুখী ভাৰতীয় কৃষি অৰ্থনীতিয়ে বিশ্ব বজাৰত আগ্ৰাশন লাভ কৰিবলৈ নিশ্চয় সক্ষম হব।

( আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ যোগে প্ৰচাৰিত )



# বিশ্বজনীন ভাৱধাৰাত ধৰ্ম্ম ও বিজ্ঞান

প্ৰদীপ কুমাৰ চেতিয়াফুকন ।
অধ্যাপক গণিত বিভাগ
ডিব্ৰু মহাবিদ্যালয় ।

পৃথিৱীৰ বুকুত প্ৰথম যিদিনা মানুহৰ আৰ্বিভাৱ বা উৎপত্তি হল, সেইদিন ধৰি আজিলৈকে মানৱ জীৱনৰ আৰু সভ্যতাৰ ইতিহাসত ধৰ্ম বিৰাজমান। ধৰ্মই মানৱজীৱনক ভাতৃত্ব বান্ধোনেৰে সমাজত মিলা-প্ৰীতিৰে থকাটো বিচাৰে। আমি যাক ধৰ্ম বুলি কওঁ সি একে দিনাই হোৱা নাই। বহুতো যুগৰ সাধনাৰ মূৰত কোনো এক মহাত্মাৰ যোগেদি বিশ্বজনীন আদৰ্শ লৈ বিভিন্ন ধৰ্মৰ জন্ম হৈছে। হিন্দু, বৌদ্ধ, খ্ৰীষ্টিয়াণ, ইছলাম, জৈন আদি যিয়েই নহওক লাগে প্ৰত্যেক ধৰ্মৰ মূলতে ধৰ্মবাদৰ কথা চিন্তা কৰি মানৱ সমাজক একত্ৰিত কৰি ৰখাটো বিচৰা হয়। এই প্ৰৱন্ধত ধৰ্মৰ নিচিনা এটি জটিল বিষয়ক আলোচনা কৰাটো সম্ভৱ নহয় লগতে এনে এটা জটিল বিষয়ৰ ওপৰত আলোকপাত কৰিবলৈ জ্ঞানৰ পূৰ্ণতাৰ অবিহনে অসম্ভৱ। তথাপিও মানৱ সমাজত ধৰ্ম আৰু বিজ্ঞানে কেনেদৰে প্ৰভাৱ পেলাইছে আৰু কোনখিনিতনো সংঘাট সৃষ্টি হৈছে; তাৰে অলপ আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

আৱহমান কালৰে পৰা অবিনাসী আৰু অক্ষয় ৰূপত সমগ্ৰ পৃথিৱীত ধৰ্ম প্ৰৱৰ্ত্তিত হৈ আহিছে। মহামানৱ মহাপুৰুষ সকলে গভীৰ সাধনা আৰু উদাৰ বাণীৰে ধৰ্মৰ প্ৰৱাহ প্ৰবাহিত কৰি তুলিলে; লগতে গভীৰ আধ্যাত্মিক দৃষ্টি, উদাৰতা আদিয়ে যি ধৰ্মৰ বেদী চিৰকালৰ নিমিত্তে মানৱ সমাজৰ মাজত বিলাই দিলে; সেইবিলাক যেন আজি নানা কাৰণত ঘূণে ধৰিছে। আজি মানৱ জাতি এক সাংঘাতিক সংৰ্ঘষৰ যুগত উপনীত হব লগাত পৰিছে। আমাৰ সমাজত সত্য-অসত্যৰ পাপ পূণ্যৰ ভাল বেয়াৰ সংঘৰ্ষ চলি অহাৰ উপৰিও প্ৰাচীন পৰম্পৰা আৰু বৈজ্ঞানিক চিন্তাৰ মাজত প্ৰৱল সংঘৰ্ষ সংঘটিত হব লাগিছে। ইফালে ধৰ্মৰ নামত মানৱ সমাজৰ একশ্ৰেণীয়ে জাত পাতৰ বিচাৰ কৰি ধৰ্মক এক জটিল ৰূপত প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। এনে বিলাক কাৰণৰ বাবেই হওঁক বা আৰ্থসামাজিক বিপৰ্য্যয়ৰ কাৰণেই হওঁক আমাৰ সমাজৰ মাজত বিভেদ সৃষ্টি হৈছে। ধৰ্মৰ জ্ঞান আৰু শক্তিৰ সহায়ত বিশ্বজগতক শান্তিৰ বিৰাজ কৰাৰ সলনি কেতিয়াবা জীৱশ্ৰেষ্ঠ মানৱে পশুত্বৰ আচৰণ নেদেখুওৱাকৈ থকা নাই। মানৱ জাতিয়ে ধৰ্মৰ প্ৰকৃত ধাৰণা উপলব্ধি কৰিব নোৱাৰাৰ বাবেই বিভিন্ন সময়ত ধৰ্মৰ নামত সূৰ্য্য চন্দ্ৰ, ইন্দ্ৰ, অগ্নি, বায়ু বৰুন, পৃথিৱী, সাগৰ, গছলতা, সাপ, শিল, আদি পূজা কৰি ধন, ৰত্ন, ৰূপ, স্বাস্থ্য, শিক্ষা, বলবিক্ৰম লাভ কৰিবলৈ চেষ্টা কৰিছে। আকৌ আনফালে ধৰ্মৰ নামত অন্ধবিশ্বাসৰ বৰ্শৱতী হৈছে। মানুহৰ ধৰ্ম বিশ্বাসেই হওঁক বা ইশ্বৰৰ বিশ্বাসেই হওঁক কেতিয়াবা মানুহৰ বিভিন্ন মাংসপেশী সঞ্চালিত হলে আমি ভৱিষ্যত বাণী কৰো। কিন্তু এইটো অন্ধবিশ্বাসৰ নামান্তৰ বুলি ভাবিব পাৰি। সেইবুলি শৌচ প্ৰসাৱ কৰি মাটি পানী লোৱা বুলি যিটো কওঁ সেইটো ধৰ্ম বিশ্বাসেই নহয়, ইয়াৰ বৈজ্ঞানিক ভিত্তি বেছিহে সবল। তেনেদৰে আমি যদি কৰবাত ভ্ৰমণ কৰাৰ সময়ত উদং পাত্ৰ অথবা নিৰ্দিষ্ট কোনো মানুহক দেখো; তেতিয়া আমাৰ যাত্ৰা কৰাটো অনুচিত বুলি ভাবো। ইয়াৰ জানো কিবা বৈজ্ঞানিক ভিত্তি আছে? এনেবোৰ প্ৰশ্ন উদয় হলে আমাৰ ধৰ্ম আৰু বিজ্ঞানৰ মাজত সংঘাট আহি যায়।

আজি বৈজ্ঞানিক আৰু যান্ত্ৰিক যুগত মানৱ সমাজে অতি আচৰিত বস্তু আৱিষ্কাৰ কৰিব লাগিছে। যাৰ ফলত মানুহেই জগতৰ সৰ্বময় কৰ্ত্তা এই ভাৱ পৰিলক্ষিত হৈছে। সেয়েহে ধৰ্মৰ অস্তিত্বৰ সম্পৰ্কে মানৱ সমাজত অস্বাভাৱিক নহয়। বিজ্ঞানে মানৱ সমাজৰ উন্নতিৰ আহিলা যোগান ধৰিলেও; এইবিজ্ঞানেই আকৌ মানৱ জাতিক যোগান ধৰা কেতবোৰ আহিলা বিশ্বৰ ধ্বংসৰ কাৰণ হৈ পৰাৰ পৰিলক্ষিত হৈছে। আনহাতে ক্ৰমবৰ্ধমান বৈজ্ঞানিক ভাৱধাৰা আৰু বিভিন্ন দৰ্শনে মানৱ সমাজৰ মাজত সোমোৱাৰ বাবে প্ৰকৃত ধৰ্মৰ কথা মানুহে পাহৰি পেলাইছে। কিন্তু প্ৰকৃত ধৰ্মই মানুহক সামৰ্থ্যযুক্ত আৰু পৰম ঐশ্বৰ্য্যৰ অধিকাৰী কৰি সমগ্ৰ বিশ্বৰ দেশ বিলাকক একতা ডোলেৰে বান্ধি জীয়াই থকাৰ শিক্ষাহে দিয়ে। মানৱ জাতিৰ বিকাশৰ প্ৰথম পৰ্য্যায়বোৰত ধৰ্ম আছিল "বিজ্ঞান সমূহৰ বিজ্ঞান"। অৱশ্যে এই কাৰণে নহয় যে প্ৰাচীন দাৰ্শনিক সকলৰ এক অনন্য গুণ আছিল। সেই সময়ত বিজ্ঞান চালোকীয়া অৱস্থাত আছিল আৰু বৈজ্ঞানিক জ্ঞান দুৰ্বলভাবে বিকশিত হৈছিল মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি হোৱাৰ লগে লগে বিজ্ঞানে মানৱ সমাজৰ আগত বেলেগে বেলেগে ভূমুকি মাৰিলে, প্ৰথমতে প্ৰাকৃতিক বিজ্ঞান, গণিতশাস্ত্ৰ, পদাৰ্থবিদ্যা, জ্যোতিবিদ্যা, ৰসায়ণবিদ্যা, ভূতত্ব, জীৱবিদ্যা আৰু তাৰ পিছত সমাজ আৰু মানুহ সম্পৰ্কীয় বিজ্ঞান আদিয়ে দেখা দিয়ে।

জীৱন, মৃত্যু, সুখ আৰু জীৱনত কোনপথ বাছি লব লাগে, তেনেহলে আমি দাৰ্শনিক হৈ পৰো বা ধৰ্মৰ কথা চিন্তা কৰো অথবা বিজ্ঞানেই ইয়াৰ উত্তৰ দিব পাৰিব নেকি? এইবিলাক প্ৰশ্নৰ সম্পৰ্কে আমি ভাবিবলৈ বাধ্য নহওঁনে? আধুনিক বিজ্ঞান সমূহৰ অধ্যয়নত যুক্তিৰ সমাবেশ ঘটে। বিজ্ঞানত যুক্তিৰ সমাবেশ ঘটাৰ উপৰিও বাস্তৱ প্ৰমাণ দিব পৰা যায়। কিন্তু ধৰ্মৰ বেলিকা বাস্তৱ প্ৰমাণৰ পশ্ন নুঠে। ধৰ্মৰ ভিতৰুৱা যিবিলাক ধাৰণা, বিশ্বাস, নীতি - নিয়ম আদি আছে; সেইবিলাকৰ মনোবৈজ্ঞানিক আধাৰ আৰু আদৰ্শৰ ভিত্তিতহে জোৰ বেছি দিয়া হয়। বিজ্ঞান সংঘবদ্ধ জ্ঞানৰ প্ৰতীক; ই নিশ্চিত সত্যৰ সন্ধানী প্ৰকৃতিয়ে কেনেভাৱে আচৰণ কৰে; পৰীক্ষা আৰু যুক্তিৰ সহায়েৰে ই তাক ফট-ফটীয়াকৈ জানিবলৈ বিচাৰে। এলবাৰ্ট আইষ্টাইনে কৈছিল "প্ৰকৃতিয়ে হল ভগৱানৰ পতিভূ। সাধাৰণ মানুহৰ কল্পনাত ঈশ্বৰ হল। এনে সত্তা যাক কৃপাদৃষ্টিত মানৱ জাতিৰ উপকাৰ হয়। কিন্তু বিজ্ঞানীৰ ধৰ্মাভূতি লুকাই থাকে প্ৰকৃতিৰ মানুহক সত্যৰূপে বুজিবলৈ কৰা অপ্ৰাণ চেষ্টাতেই। আকৌ ইহুদী সম্প্ৰদায়ৰ মহান ব্যক্তি স্পিনজা'ও ধৰ্মপাণ ব্যক্তি আছিল। তেওঁ ঘোষণা কৰিছিল "ধৰ্মশাস্ত্ৰত প্ৰতিটো উক্তিয়েই আক্ষৰিক ভাৱে সত্যবুলি ধৰি লোৱাতো পৰিচয় হ'ল, অজ্ঞ মানুহৰহে" যি উৎপত্তিৰ কাৰণ নাজানে। জানিব পাৰি যে যুৰোপত সামন্ত যুগটো বিজ্ঞান চৰ্চা কৰাৰ অপৰাধত ৰজাৰ বেকনো যাজক সম্প্ৰদায়ৰ সন্দেহৰ পাত্ৰ হৈ পৰিছিল। গণিত আৰু জ্যোতিবিজ্ঞান চৰ্চা কৰাৰ বাবে কপাৰনিকাছ, গেলিলিঅ'ই বহু কষ্ট ভুগিব লগীয়া হৈছিল। কেৱল পদাৰ্থ বা জ্যোতিবিজ্ঞানেই নহয়, বিজ্ঞানৰ অন্য শাখা সমূহতো ধৰ্মৰ লগত কন্দলত লিপ্ত হব লগীয়া নোহোৱাকৈ থকা নাই। কিন্তু সোতৰ শতিকাৰ শেষৰ ফালে বিজ্ঞানৰ ওপৰত ধৰ্মৰ প্ৰভাৱ কমি আহিল আৰু সেইসময়তে ইংলেণ্ডত নিউটন, বইল, কেভেণ্ডিছ প্ৰমুখ্য কেইবাগৰাকী প্ৰতিভাশালী বিজ্ঞানীৰ জন্ম হয়। কেৱল ইংলেণ্ডতেই নহয়, জাৰ্মানী, আমেৰিকা আদি দেশতো বিজ্ঞানৰ প্ৰভাৱ সেইসময়ত পৰিবলৈ ধৰিলে, সময়ে সময়ে পৃথিৱীত জন্ম হোৱা বিজ্ঞানীসকল ধৰ্মৰ বিৰোধী নহয়। কিন্তু তেওঁলোকৰ কাৰ্য্যৱলীত এনে কিছুমান ভাৱধাৰা নিহিত হৈ থাকে যে যিবিলাক ধৰ্মৰ ভাৱধাবা

বিপৰীত । ধৰ্মৰ ভেঁটি হল বিশ্বাস, কিন্তু বিজ্ঞানীসকলৰ কাৰ্য্যকলাপবোৰ ভেটি হ'ল যুক্তি আৰু পৰীক্ষা । এনে বিলাক কাৰণতে বিজ্ঞানীসকল নিজে ধৰ্মৰ বিৰোধী নহলেও ধৰ্মৰ লগত সংঘাট আহি যায় আৰু তেতিয়াই মানৱ সমাজত প্ৰতিক্ৰিয়া সৃষ্টি হয়। কিন্তু ধৰ্মৰ স্থান দৰ্শন আৰু বিজ্ঞান সকলোৰ ওপৰত বুলি ভাৱৰ থল নথকা নহয় ।

এখন দেশৰ ঐতিহ্য ৰক্ষা আৰু উন্নতিৰ কাৰণে যে ধৰ্মীয় নৈতিক আৰু জাতীয় শিক্ষাৰ নিতান্ত প্ৰয়োজনীয় সেই কথা মানৱ সমাজে পাহৰিলে নহব । বহুতো মনীষিয়ে ধৰ্মক ধাৰণা বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল বুলি ব্যাখ্যা দিলেও বৈজ্ঞানিক সত্যৰ দৰে ন্যায়িক যুক্তিৰ অভাৱ হলে, বিশ্বজগতৰ হিত সাধনকাৰী ধৰ্মৰ সৃষ্টি অসম্ভৱ। সুক্ষ্মভাৱে বিচাৰ কৰিলে ইয়াকে কব পাৰি যে বিজ্ঞানৰ লগত ধৰ্মৰ কোনো বিভেদ নাই । বৰং পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। ধৰ্মহীন বিজ্ঞান আৰু বিজ্ঞানহীন ধৰ্মই মানৱক শুভবুদ্ধি উদয় হোৱাত ব্যাঘাত জন্মায় । সেয়েহে আজি বিজ্ঞানৰ লগতে ধৰ্মকো স্থান দিয়া হৈছে যাতে মানৱ সমাজখন সুখ শান্তিৰে বিৰাজকৰি সমৃদ্ধিশালী হৈ উঠিব পাৰে ।

## মানৱ শৰীৰৰ কেইটামান বিচিত্ৰ তথ্য

* মানৱ দেহৰ সকলোবোৰ সিৰা যদি ইডালৰ পিছত সিডালকৈ জোৰা লগোৱা হয়, তেতিয়া দৈৰ্ঘ্য হ'ব ১.৬০,০০০ কিলোমিটাৰ। অৰ্থাৎ ইমান দীঘল হ'ব যে বিষুব ৰেখাৰ চাৰিওফালে চাৰি পাক দিব পৰা যাব।
* মানুহৰ মগজুত থকা স্নায়ুকোষৰ সংখ্যা ১০০ ৰ পৰা ১৫০ কোটিৰ ভিতৰত। এই কোষবোৰ এটাৰ পাছত এটাকৈ লগ লগালে ইহঁতৰ দূৰত্ব হব চন্দ্ৰ আৰু পৃথিৱীৰ দূৰত্বৰ দুগুণ । চন্দ্ৰ আৰু পৃথিৱীৰ গড় দূৰত্ব হ'ল ৩,৮২,৪০০ কিঃ মিঃ ।
* পৃথিৱীত বহুকোটি মানুহ আছে যদিও পৃথিৱীৰ কোনো এজন মানুহৰেই আঙুলীৰ চাপ আন এজনৰ সৈতে একে নহয় । আনকি সদৃশ - যমজ দুটি সন্তানৰো আঙুলীৰ চাপ ইজনৰ লগত আনজনৰ নিমিলে ।
* জীয়াই থাকিবলৈ গড় হিচাপে এজন প্ৰাপ্ত বয়স্ক মানুহক দিনে প্ৰায় ১৪ কিঃ মিঃ বায়ু, ১.৫ কিলোগ্ৰাম আহাৰ আৰু ২.২৫ লিটাৰ পানী লাগে । এজন সুস্থ মানুহে আহাৰ নোখোৱাকৈ ৫ সপ্তাহ আৰু পানী নোখোৱাকৈ ৫ দিন জীয়াই থাকিব পাৰে, কিন্তু বায়ু অবিহনে ৫ মিনিটহে বাচি থাকিব পাৰে ।
* দক্ষিণ গোলাৰ্ধৰ এজন মানুহে তেওঁৰ ৭০ বছৰীয়া জীৱন কালত ৭০ ৰ পৰা ১৫০ টন ঘাম ত্যাগ কৰে। এই পানীৰে তিনিটা ডাঙৰ ডাঙৰ ৰেলৰ ডবা ভৰ্ত্তি কৰিব পৰা যায়।

সংগ্ৰাহক—
বীণা চুতীয়া ।
স্নাতক তৃতীয় বৰ্ষ ।
বিজ্ঞান শাখা ।





# তনবীৰ, ছত্তিশগড় আৰু লোকনাট্য

শ্ৰীপংকজ কুমাৰ দত্ত ।
উঃ মাঃ ২য় বৰ্ষ ( বিজ্ঞান )

মানৱ সভ্যতাৰ সৰ্ব্বোৎকৃষ্ট সৃষ্টি আৰু আটাইতকৈ শক্তিশালী গণমাধ্যম হ'ল নাটক। চহাজীৱনৰ সুখ-দুখৰ লগত ভিন্ননামেৰে ভিন্নৰূপেৰে নাটকৰ ওতঃপোতঃসম্পৰ্ক। মানুহৰ লগত থকা এই সম্পৰ্ক গাঢ়তৰ কৰি তুলিবলৈ আধুনিক নাটকত লোকনাট্যৰ সফল প্ৰয়োগৰ বিবিধ পৰীক্ষা-নিৰীক্ষা হৈছে। বাগ্মীবৰ নীলমনি ফুকনে কৈছিল, "দেশৰ সাধুকথা, ফঁকৰা, বহুৱালি কথা, বনগীত, গৰখীয়া ল'ৰাৰ গীত, পুৰণি পুথি আদিত বহুত তথ্য সোমাই থাকে। সেই বিলাকৰ গৱেষণা মূলক আলোচনা হ'লে, তাৰ নতুন ধাৰাই সাহিত্য ক্ষেত্ৰ উৰ্বৰ কৰি তোলে। তাক ভালদৰে মাৰি ৰহন সানিব জানিলে আকৌ একেবাৰে নতুন হৈ জকমকাই উঠে।" আমাৰ কাৰণে অতি দুৰ্ভাগ্যৰ কথা যে আত্মসচেতনতাৰ অভাৱত হওক বা আৰাম প্ৰিয় মানসিকতাৰ বাবেই হওক এনে চহকা সম্পদৰ অধিকাৰী হৈয়ো আমি হাত সাৱটি বহি থাকো। তেখেতে পুনৰ কৈছে, "কিছুমান স্থানীয় ঘটনাৰ বিৱৰণ, উপকথাৰ আলম লৈয়েই মহাকবি শেক্সপিয়েৰে জগতৰ সকলো জাতিৰ নাটঘৰ উপযোগীকৈ নাটবিলাক লিখি জন সাধাৰণৰ চৰিত্ৰ তাত প্ৰতিফলিত কৰি দেখুৱাব পাৰিছিল। সকলো জাতিৰ মাজতে তেনে ঘটনা, উপকথা, গল্প আদি আছে। প্ৰতিভাশালী লোক থাকিলে তাৰ আলম লৈ লিখা নাটকেৰে সেই সেই জাতিৰ সাহিত্য ভঁৰালৰো একো একো খোঁটালি ঠাহি ভৰাব পাৰিব।" আমাৰ সমাজত যে প্ৰতিভাৱান লোকৰ অভাৱ নাই এয়া ঠিক, ( অম্বিকাগিৰিৰ ভাষাতে ) "সকলো আছে। নাই কিন্তু আত্মশ্ৰদ্ধা, আত্মচেতনা, আত্মবিশ্বাস আৰু আত্ম সাধনা।"

ভৰতৰ আন আন শ্ৰমজীৱি মানুহৰ দৰেই সহজ, সৰল হোজা মধ্যপ্ৰদেশৰ ছত্তিশগড়ী মানুহখিনি। দিনজোৰা পৰিশ্ৰমৰ অন্তত হাতে হাতে ধোলক, তাম্বুৰা লৈ সকলো একগোট হয়, নাচগানৰ মাজেৰে নিজৰ দুখ-ভাগৰ খন্তেকলৈ পাহৰিবৰ বাবে। এওঁলোকৰ ইতিহাস বঞ্চনাৰ ইতিহাস, অভাৱ-অনাটন, মহাজনৰ শোষণৰ কাহিনী। তিজন বাইৰ দৰে বিশ্বখ্যাত শিল্পীৰ জন্ম হৈছে ছত্তীশগড়ী সংস্কৃতিপ্ৰাণ চহা সমাজত। এনে ছত্তিশগড়ী শিল্পীৰে গঠিত নাট্যগোষ্ঠী 'নয়া থিয়েটাৰ'। বিশ্ববিখ্যাত পৰিচালক পিটৰ ব্ৰুকে এই নাট্যগোষ্ঠীৰ সম্পৰ্কে কৈছে, "........এওঁলোক সকলোৱে ওপজা অভিনেতা। অত্যন্ত মৌলিকভাৱে বিভিন্ন কাহিনী এওঁলোকে মঞ্চস্থ কৰে, ব্ৰেখ্ট, মলিয়েৰ নাইবা লোক কাহিনী, যি নহওক কিয়, এই নাট্যগোষ্ঠী নিজৰ অভিজ্ঞতা অনুযায়ী ৰূপায়ন কৰে।" ১৯৫৯ চনত গঠিত এই নাট্যগোষ্ঠীৰ মূল মানুহজন হ'ল হাবিব তনবীৰ, যিজন ভাৰতীয় নাট্যজগত প্ৰতিষ্ঠাতা স্বৰূপ Berliner Ensemble ত আঠ মাহ ধৰি প্ৰায় তিনিবছৰ ( ১৯৫৫-৫৮ ) বিদেশত নাটকৰ অভিজ্ঞতা অৰ্জ্জন কৰা তনবীৰ প্ৰকৃতাৰ্থত এজন ভাৰতীয়। জন্মভূমি ভাৰতৰ লোকনাট্যই হাত বাউলি দিয়া তনবীৰ প্ৰচেষ্টাৰ ফলতে 'নয়া থিয়েটাৰ'ৰ জন্ম।

অলপতে ( ৫ জানুৱাৰী '৯৮ ) ডিব্রুগড় বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত হাবিব তনবীৰৰ পৰিচালনাত 'নয়া থিয়েটাৰ'ৰ 'জামাদাৰীন' নাটকখন চোৱাৰ সৌভাগ্য হৈছিল। তেওঁলোকে এইদৰে বিভিন্ন বিশ্ববিদ্যালয়ত নাটক প্ৰদৰ্শন কৰে। ইয়াৰ ওপৰিও **N. S. D, I. P. T. A.** আদিৰ **WORKSHOP; SEMINER** আদিত অংশ গ্ৰহণ কৰে। হাস্য, ব্যংগৰ মাজেৰে তিনিটা চৰিত্ৰৰ নাটকখনে দৰ্শকক মুগ্ধ কৰি ৰাখিছিল। এইখিনিতে নাটকখনৰ কাহিনীটো কোৱাৰ লোভ সামৰিব নোৱাৰিলো।

কাহিনীটো এজনী অস্পৃশ্য জামাদাৰণীৰ। তাইৰ কাম আৱৰ্জনা চাফা কৰা। সমাজখনত তাইৰ স্থান অতি তলত। তাই স্পৰ্শ কৰা প্ৰতিটো বস্তুৱেই 'চুৱা' বুলি ত্যাগ কৰা হয়। ভগৱানৰ পূজাৰ প্ৰসাদকনো তাইৰ বাবে দুৰ্লভ। যাৰভাগত এই প্ৰসাদবোৰ পৰে সিহঁতে পূজাৰ অৰিহনা নিদিলেও হয়। অথচ তাই প্ৰসাদৰ ভাগ নোপোৱাজনীয়ে অৰিহনা দিব লগা হয়। পূজাৰীয়ে টকা পইচাত চুৱা নাই বুলি অৰিহনা হস্তগত কৰে। তৎস্বত্বেও তাইৰ ভাগত প্ৰসাদ নপৰিল, চল কৰি পূজাৰীৰ লগত থকা মানুহজনে প্ৰসাদ খাই শেষ কৰিলে। নানা হাস্য, ব্যংগেৰে কাহিনীভাগ এইদৰে আগবাঢ়ি যায়। শেষত তাই প্ৰসাদ খোৱাজনক বাঢ়নীৰ কোব দিছে। পূজাৰীৰ মুখত আৱৰ্জনাৰ ধূলি সানি বাঢ়নীৰে চাফা কৰি দিছে। যিহেতু তাই স্পৰ্শ কৰা বস্তু মাত্ৰেই চুৱা, তাৰেই সুবিধা লৈ তাই পূজাৰীৰ পূজাৰ সামগ্ৰীসমূহ আনকি ভগৱানৰ মুৰ্তিটোও কাঢ়ি লৈছে। অৱশেষত পূজাৰীৰ হাতত মন্ত্ৰৰ পুথিখনহে ৰৈ গৈছে। মুৰ্তিটো হাতত লৈ তাই কৈছে যে তাই সুন্দৰ আসনত বহুৱাই ভগৱানক নিজেই পূজা কৰিব আৰু তেতিয়া পূজাৰীৰ প্ৰয়োজন নোহোৱা হব। ইয়াতেই নাটকখন শেষ হৈছে। ইয়াত মন কৰিবলগীয়া কথা এয়ে যে তনবীৰে দৰ্শকক বিচাৰকৰ আসনত বহুৱাই গোটেই ঘটনাটোৰ ভাল বেয়া চালি জাৰি চোৱাৰ সুবিধা দিছে। হাস্য, ব্যংগৰ মাজতেই দৰ্শকে চিন্তা কৰিবলৈ বাধ্য হৈছে। যিহেতু তেওঁ বিশ্বাস কৰে যে নাটক খন শিক্ষাৰ মাধ্যম, সেয়েহে, তেওঁ নিবিচাৰে যে দৰ্শকে এঘণ্টা বা দুঘণ্টা নিৰ্বিকাৰ চিত্তে নাটক চাই ঘূৰি আহক, তেওঁ বিচাৰে দৰ্শকে ভাবক, চিন্তাকৰক, তেওঁক সক্ৰিয় সহযোগ কৰক।

তবলা, হাৰমনিয়াম আদি সাধাৰণ বাদ্যযন্ত্ৰেৰে ফ্লাডলাইটতে কোনো মঞ্চ সজ্জা নোহোৱাকৈ 'জামাদাৰীনি' নাটকখনে দৰ্শকক মন্ত্ৰমুগ্ধ কৰি থলে। গীতৰ ওপৰিও নাটকখনত নাচৰ প্ৰাধান্য দেখা গ'ল ( যিটোক তনবীৰৰ নাটকৰ বৈশিষ্ট বুলি কোৱা হয় )। এইক্ষেত্ৰত তনবীৰে কোৱা কথা এষাৰ প্ৰণিধান যোগ্য, "গানত তথাপি কিছুমান কথা আছে। নাচৰ ভাষা সকলোয়ে বুজি পায়।" এই নাটকখনৰ পৰা নাট্যকৰ্মীয়ে শিকিবলগীয়া গুৰুত্বপূৰ্ণ কথাটো হ'ল কঠোৰ অনুশীলন, দীৰ্ঘম্যাদী অনুশীলন। Bertal Brecht ৰ "Whatever the actor renders by way of gesture and verse speaking must be ready and bear the stamp of readiness, finishedness, the stamp of reharsal." কথাষাৰৰ প্ৰমাণ বেখ্‌টৰ শিষ্য পৰিচালিত নাটকখনেই দিলে। মন পৰশা অভিনয়, বাদ্যযন্ত্ৰৰ সুন্দৰ সহযোগত এটা সৰু কাহিনীও কিমান সুন্দৰকৈ আগবাঢ়ি যাব পাৰে, দৰ্শকক সফলতাৰে Message দিব পাৰি এই নাটকখনৰ দ্বাৰা তনবীৰে দেখুৱালে।

মানুহজনৰ মুখত ধপাত খোৱা 'পাইপ' অনবৰতে লাগি থাকে, বোধহয় তেওঁক 'ভাৰতীয় চাহাব' বুলি কোৱাৰ এইটোও অন্যতম কাৰণ 'প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা ৭৫ বছৰীয়া মানুহজনৰ সৰল হাঁহিটো দেখিলে কবলৈয়ে টান যে এৱেঁই হাবিব তনবীৰ। পত্নী মণিকাও তেওঁৰ দৰেই সপ্ৰতিভ। মৰমীয়াল চেহেৰাটোৰে যেন এগৰাকী সৰ্বসাধাৰণ ভাৰতীয় আইতা। আমেৰিকাৰ পৰ Drama ত M. A. পাচ কৰা এই আইতা গৰাকী দলৰ Manager বৰেণ্যলোকৰ ব্যৱহাৰ ইমান অমায়িক ; বিনয় যেন জ্ঞানৰ ভূষণ! তেওঁলোকৰ চেহেৰাত তিলমানো অহংকাৰ, গৰ্বৰ ভাব নাথাকে। সঁচাকৈয়ে এইবোৰ গুণেই মানুহক অমৰ কৰে। ১৯২৩ চনত মধ্যপ্ৰদেশৰ ৰায়পুৰত হাবিব তনবীৰৰ জন্ম হয়। বিদেশলৈ যোৱাৰ আগতে প্ৰায় ৮ বছৰ কাল I. P. T. A. ৰ লগত জড়িত আছিল, আৰু 'হিন্দুস্থানী থিয়েটাৰ' নামেৰে এটা 'নাট্যগোষ্ঠী' প্ৰতিষ্ঠা কৰিছিল। এই নাট্যগোষ্ঠীয়ে প্ৰযোজনা কৰিছিল 'আগ্ৰা বজাৰ' 'মিট্টি কা গাড়ী' আদি নাটক 'নয়া থিয়েটাৰ' প্ৰতিষ্ঠা হোৱাৰ পিচত ছত্তিশগড়ী শিল্পীসকলৰ মাজত তনবীৰে নিজৰ প্ৰাণ স্পন্দন বিচাৰি পায়, যি স্পন্দনৰ আহ্বানত তেওঁ বিদেশৰ পৰা ভাৰতলৈ উলটি আহিল। "দেশৰ গাৱঁলীয়া সাহিত্যকো শিক্ষিত সকলে অৱহেলা কৰিলে নচলিব। সেইবিলাকেই সাহিত্যৰ গা-গছ ফলে-ফুলে পল্লবিত সু-শোভিত হৈ উঠাৰ জোখাৰে ৰস টানিব পৰা ঘাই শিপাৰ পালি শিপা। সেই শিপা কাটি পেলালে বা কোনো কাৰণত শুকাই গ'লে গা-গছডালো লেৰেলি বলী হৈ উঠা টান হৈ পৰে। গাৱঁলীয়া সাহিত্যত জাতীয় জীৱনৰ বহুতো গভীৰ তথ্য পোত খাই থাকে। তাক উলিয়াই ঘঁহি-পিহি চকচকীয়া কৰি ল'লে সিয়েই সাহিত্যৰ ডিঙিত আকৌ গলপতা হৈ জিলিকি উঠে (নীলমণি ফুকন ) তনবীৰে এই চহা মানুহখিনিক কেতিয়াও অৱহেলা কৰা নাছিল। অন্যাখৰী মানুহখিনিৰ স্বগত কাম কৰোতে যথেষ্ঠ কষ্ট কৰিব লগীয়া হৈছিল। শিল্পীসকলেও সম্পূৰ্ণ সঁহাৰি জনাই কামবোৰ নিয়াৰিকৈ সম্পন্ন কৰিছিল। তেওঁলোকে নিজৰ নিৰক্ষৰতাৰ হেতু সংলাপ শুনি শুনিয়েই মুখস্থ কৰিছিল। এয়ে হ'ল 'নয়া থিয়েটাৰ'ৰ কৰ্মী। তনবীৰ, দলৰ মেনেজাৰ পত্নী, দলৰেই অভিনেত্ৰী জী নাগিন আৰু বিলাসপুৰ, ৰামপুৰ অঞ্চলৰ শিল্পীসকলক লৈ তনবীৰৰ পৰিয়াল। এই পৰিয়ালটোক চৰকাৰে আবাসগৃহ, বিদ্যুৎ, পানী আদিৰে সহায় কৰাৰ ওপৰিও শিল্পীৰ দৰমহাৰ বাবে মোটা অংকৰ অৰ্থ সাহায্য দিয়ে। এই প্ৰিয় মানুহখিনিৰ মাজত কাম কৰি তনবীৰ অতিশয় সুখী। তেওঁৰ মন্তব্য, "ছত্তিশগড়ী ভাষাত নাটক কৰি মই আটাইতকৈ ভাল পাওঁ।" দলৰ শিল্পীসকলে তেওঁক গুৰুৰ মান দি 'বাবা' বা 'চাহাব' বুলি সম্বোধন কৰে।

ওপৰত কৈ অহা হৈছে যে তনবীৰৰ নাটকে মানুহক চিন্তা কৰিবলৈ শিকায়। চহা জীৱনৰ পৰম্পৰাগত লোককাহিনীৰ মাজেৰেই আধুনিক বিষয়বস্তুৰ ওপৰত তেওঁ দৰ্শকক চিন্তা কৰিবলৈ বাধ্য কৰে, যিটোক নীলমণি ফুকনে ঘঁহি-পিহি জিলিকা গলপতা কৰাৰ লগত তুলনা কৰিছে। জৰ্জ বাৰ্ণাৰ্ড শ্বই কৈছিল, "আধুনিক যুগত কেৱল এক প্ৰকাৰ নাটক টিকিব পাৰে, সি হ'ল চিন্তাশীল নাটক ( Drama of thought ) হাস্য ৰসে নাটকত দৰ্শকক হাঁহিৰ খোৰাকৰ লগতে চিন্তাৰ খোৰাক দি চৰিত্ৰৰ আভ্যন্তৰীন সত্য ব্যক্ত কৰে। "জামাদাৰীন" নাটকখনতে আমি দেখিবলৈ পালো তনবীৰে ব্যংগৰ আশ্ৰয় লৈ কবলগীয়া বহুত কথা কৈ পেলাইছে। যি দৰ্শকে অভিনয়ৰ মুখামুখি হৈ নিজকে বিশ্লেষণ কৰিবলৈ ইচ্ছা কৰে তেওঁলোকৰ বাবে তনবীৰৰ নাটক উপযুক্ত মাধ্যম।

বাহুল্যৰ ভয়ত তনবীৰৰ কেইখনমান নাটকৰ কেৱল নাম উল্লেখ কৰা হ'ল (১) 'চৰণ দাস চোৰ' (২) 'বাহাদুৰ কালাৰীন', (৩) 'গাওঁ কা নাম শশুৰাল, মেৰা নাম দামাদ' (৪) হিৰমা কি অমৰ কাহানী', (৫) 'লালা শোহৰত ৰাঈ', (৬) চাজাপুৰ কী শান্তিবাঈ ( বেখ্‌টৰ Good woman of Setzuan ), (৭) জিসনে লাহোৰ নহি দেখিয়া ওহ জন্মেয়াহি নহি, । ইয়াৰে 'চৰণ দাস চোৰ' খন International Drama Festival ত প্ৰথম ভাৰতীয় 'ফ্রিঞ্জফাষ্ট' পুৰস্কাৰ পোৱা নাটক। ১৯৮২ চনত পদ্মশ্ৰী উপাধি লাভ কৰা এইজনা নাট্যকাৰৰ দীৰ্ঘ জীৱন কামনা কৰি এই প্ৰবন্ধ সামৰা হ'ল।

**চমু পৰিচয়—**

Berliner Ensemble— ব্ৰেখ্‌টে প্ৰতিষ্ঠা কৰা বাৰ্লিন থিয়েটাৰ।

N. S. D— ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়।

I. P. T. A— ভাৰতীয় গণ-নাট্য সংঘ।

**তথ্যৰ সহায়ক উৎস—**

[১] "সাহিত্যই জাতিৰ দাপোন" (প্ৰবন্ধ), নীলমণি ফুকন।
[২] "তিজন বাঈ" (প্ৰবন্ধ), অনুৰাধা শৰ্মা পূজাৰী।
[৩] "পম খেদি" হেমেন দাস।
[৪] "সাম্প্ৰতিক ভাৰতীয় থিয়েটাৰ আৰু অসম" (প্ৰবন্ধ), নয়ন প্ৰসাদ।
[৫] তনবীৰ সম্পৰ্কে কাকত-আলোচনীৰ বিভিন্ন তথ্য।
[৬] লেখকৰ লগত তনবীৰৰ মত বিনিময়।
[৭] "বিশ্ব বিশ্ৰুত নাট্যকাৰ" ৰাম গোস্বামী।

১। প্ৰথমে নিজৰ ওপৰতহে শ্ৰদ্ধা আৰু বিশ্বাস ৰাখিব লাগে, তেতিয়াহে আনৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস ৰাখিব পাৰিবা।

—স্বামী বিবেকানন্দ।

২। মহত্ব নাম বা অৱয়বত নিহিত নাথাকে। ই হ'ল মানৱ জীৱনৰ এটা বিশিষ্ট গুণ। যি সকলৰ কৰ্মীস্থলী নিতান্তই পৰিসীমিত তেওঁলোকৰ মাজতো মহত্ব থাকিব পাৰে।

—ফিলিপছ ব্ৰুকছ।

৩। হৃদয়ত যি আছে সেয়া মন্দিৰতো নোপোৱা, মছজিদতো নোপোৱা। সেই হৃদয়ত যদি একো নাথাকে তেন্তে জানিবা যে কতোৱেই একো নাই।

—জাফৰ।

৪। উদ্দেশ্য যদি মহৎ হয়, কৰ্ত্তব্যত যদি শিথিলতা নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে।

—ৰবীন্দ্ৰ নাথ ঠাকুৰ।

সংগ্ৰাহকঃ— শ্ৰীমতী বীতা ডিহিঙীয়া।
বি, এ, ১ম বাৰ্ষিক





# প্ৰেম, কৰুণা আৰু মানৱসেৱাৰ প্ৰতীক —মাদাৰ টেৰেছা—

শ্ৰীমতী ৰ'জী চেতিয়া। (মালা)
স্নাতক ২য় বাৰ্ষিক (কলা)
অসমীয়া বিভাগ।

আজি গোটেই পৃথিৱীখনৰ বেছি ভাগেই আত্মকেন্দ্ৰিক, স্বাৰ্থপৰ, ঠেক মনোবৃত্তিৰ আৰু পৰিশ্ৰমতে অৰ্থ উপাৰ্জ্জনৰ বাট বিছৰা লোক। লোকৰ বা দেশৰ যিমানেই অনিষ্ট হওঁক সেইফালে কাৰো লক্ষ্য নাই, কেৱল নিজ স্বাৰ্থ পূৰণ হলেই হ'ল। তাৰ মাজতো দুই চাৰিজন যে উদাৰ, দয়ালু, পৰোপকাৰী লোক এই পৃথিৱীত নাই তেনে নহয়। সেই সকলৰ ভিতৰতো আকৌ দুই এজন অতি মহৎ হৃদয়ৰ লোক এই পৃথিৱীত জন্ম গ্ৰহণ কৰে। তেওঁলোকৰ পৰোপকাৰীতাৰ কামবোৰ ভৌগলিক কোনো এখন দেশ বা মহাদেশৰ সীমাৰেখাৰ মাজত আৱদ্ধ নহয়। গোটেই পৃথিৱীৰ মানৱ কল্যাণৰ বাবেই তেওঁলোকে জন্ম গ্ৰহণ কৰে। তেওঁলোকক ভগৱানৰ দূত বা ভগৱানৰ আংশিক অৱতাৰী লোক বুলি কব পাৰি।

সমগ্ৰ জগতৰ মাতৃ মাদাৰ টেৰেছাও তেনে এগৰাকী মহীয়সী মহিলা। গোটেই পৃথিৱীৰ মানৱ জাতিকেই যে ভাল পাব পাৰি, প্ৰেমেৰে জয় কৰিব পাৰি সেইটো তেওঁ বাস্তৱ দৃষ্টি ভঙ্গীৰে দেখুৱাইছে। নিষ্ঠা, ক্লান্তিহীন আৰু ঈশ্বৰৰ ওপৰত এক গভীৰ আস্থাৰে তেওঁ জগতক বিলাইছিল শান্তিৰ বাণী। মাতৃস্পৰ্শৰে মানৱক দিছিল সংগ্ৰামী জীৱন যুঁজত সাহসেৰে জীয়াই থকাৰ প্ৰেৰণা, দুঃস্থ, নিপীড়িত, মুমূৰ্ষু জনৰ বাবে আশাৰ ৰেঙনি, বয়সৰ আঁচোৰে বিদীৰ্ণ কৰা কোচ-মোচ গালত প্ৰতি মুহূৰ্তে নিৰ্মল হাঁহি বিৰিঙাই মাদাৰে নিজস্ব গতি-পথত কাম কৰি গৈছিল অক্লান্তভাৱে। চিৰসত্য মৃত্যুৱে আমাৰ মাজৰ পৰা কাঢ়ি নিয়াৰ আগলৈকে তেওঁ আছিল কৰ্মপটু। সেয়ে নিস্প্ৰাণ যন্ত্ৰচালিত প্ৰতিযোগিতাৰ এই যুগত যেতিয়া মানবীয় অনুভূতি বিপন্ন হৈ যায়, তেতিয়া মমতাময়ী মাতৃয়ে ফুটপাথৰ পৰা তুলি আনে সৰ্বহাৰা নিঃস্বজনক। সঁচা তেওঁ আছিল সত্যৰ 'মা'। এই পৃথিৱীত যেন নৰকৰ দেৱদূত। শুভ্ৰবসনা বিশ্বজননীয়ে গৰ্ভত সন্তান ধাৰণ নকৰাকৈও হৈছিল বিশ্বৰ অগনন জন-গনৰ মাতৃ। পৰিণত হৈছিল এক জীৱন্ত কিম্বদন্তি। বিশ্ব-বাসীৰ মহৎ জীৱনৰ প্ৰেৰণা শক্তি।

১৯১০ চনৰ ২৭ আগষ্ট। সেই সময়ৰ যুগো-শ্লোভিয়াৰ অন্তৰ্গত মেছিডোনিয়াৰ স্কপজে নগৰৰ এক আল-বানিয়ান পৰিয়ালত জন্ম হৈছিল এটি কণমাণি দেৱশিশুৰ। চাৰিজনীয়া পৰিয়ালতো উলাহত উথলি উঠিছিল কণমাণি জনীৰ আগমনত। আদৰতে নাম থ'লে এগ নিছ-এগ-নিছগনঝ' ৰউঝিউ। মধ্যবিত্ত পৰিয়ালটোত কণমাণিজনী ককায়েক লেজাৰ আৰু বায়েক এজ'ৰ লগত লৰবি-ঢাপৰি ক্ৰমাৎ ডাঙৰ হ'ল। দোকানী দেউতাক নিকোলাছ ৰউঝিউৰ তাই আছিল আলাসৰ লাক। কিন্তু পিতৃত্বৰ

মৰমৰ আও-ভাও বুজি নৌ উঠোতেই পিতৃয়ে পৃথিৱীৰ পৰা বিদায় মাগিলে, তেতিয়া এগ্‌নিছৰ বয়স আছিল মাথো তিনিবছৰ । জীৱনৰ উৱাদিহ বুজি নুঠা কণমাণি জনীয়ে মাতৃ ড্ৰাণাফিল বৰ্ণাৰ আচলত ধৰি লৰালিৰ বাট বুলিব ধৰিলে । বছৰ নৌ ঘূৰোতেই আৰম্ভ হ'ল প্ৰথম বিশ্বযুদ্ধ । যুদ্ধৰ বিভীষিকাই যুগোশ্লোভিয়াক ধ্বংস স্তূপত পৰিণত কৰিলে । লৰালি কালৰ অভাৱ অনাটনৰ অভিজ্ঞতা আৰু যুদ্ধৰ বিভীষিকাই এগ্‌নিছক ভাবুক কৰি তুলিছিল । ক্ৰমাৎ আতৰাই নিছিল পাৰ্থিৱ জগতৰ পৰা ।

এগ্‌নিছৰ শিক্ষাজীৱনৰ আৰম্ভ চেক্ৰেড হাৰ্ট চাৰ্চত । পিছত কেথলিক চাৰ্চৰ ৰাষ্ট্ৰীয় বিদ্যালয়ত ভৰ্তি হয় । ধৰ্মীয় শিক্ষা অৱশ্যে ঘৰতে গ্ৰহণ কৰিছিল । যুগোশ্লোভিয়াত স্কুলীয়া শিক্ষা শেষ কৰি ওঠৰ বছৰীয়া এগ্‌নিছে এক কঠোৰ সিদ্ধান্ত ল'লে । তেওঁ "নান" হ'ব । সমাজৰ বঞ্চিতজনৰ সেৱাত জীৱন উৎসৰ্গিত কৰিব । ইতিমধ্যে তেওঁক ভাৰতৰ বিশেষকৈ বঙ্গদেশত সমাজ সেৱাৰ কামত ব্ৰতী হোৱাৰ তুৰীৰ আকাংক্ষাই হাত বাউল দি মতিব ধৰিলে । সেইবাবে বংগত থকা লৰেটোৰ নান সকলৰ সৈতে যোগ দিবলৈ তেওঁ সিদ্ধান্ত ল'লে । প্ৰথমে ইয়াৰ প্ৰস্তুতি হিচাপে আয়াৰ লেণ্ডৰ ডাবলিনত থকা আশ্ৰমত ন-শিকাৰুৰূপে যোগদান কৰিলে। এসময়ত প্ৰস্তুতি সম্পূৰ্ণ হ'ল আৰু কাংক্ষিত লক্ষ্যক পূৰ্ণ কৰাৰ বাবে ১৯২৮ চনত পৰিয়ালৰ আপোনজন, স্বদেশ এৰি পদাৰ্পন কৰিলে ভাৰত ভূমিত । কলিকতাৰ ছেণ্টমেৰিজ স্কুলত শিক্ষয়িত্ৰী হল আৰু তাতেই সূত্ৰপাত এগ্‌নিছৰ মানৱ সেৱাৰ কণ্টকময় অথচ আলোকৰ জয়যাত্ৰা । আকৰ্ষণীয় ব্যক্তিত্ব আৰু মৰমীয়াল স্বভাৱৰ বাবে স্কুলখনত সহজতে তেওঁ সকলোৰে প্ৰিয় হৈ পৰিল । ১৯৪৬ চনৰ ১০ ছেপ্টেম্বৰৰ দিনা তেওঁ হিমশীলত হিমালয়ৰ বুকুৰ কাৰ্শিয়াঙত থকা ছেণ্টমেৰিজ সন্ন্যাস আশ্ৰমলৈ যোৱাৰ পথত অকস্মাতে অনুভৱ কৰিলে যীশুৰ আহ্বান । মনৰ নিভৃত কোণত গুপুতে সাঁচি থোৱা বাসনাক সাৰ্থক ৰূপ দিয়াৰ উদ্দেশ্যেৰেই তেওঁ লৰেটো নানৰ বগা-ক'লা সাজযোৰ একাষৰীয়া কৰি

নীলা পাৰীৰ কপাহী সূতাৰ শাৰী পিন্ধি ওলাই আহিল । তেতিয়া মাদাৰৰ সম্বল মাথো এখন বাইবেল, কান্ধত ক্ৰুছ-পিন, গাঠিত পাঁচ টকাতকৈ কম । সেই সম্বলকে সাৰথি কৰি মাদাৰৰ আগবাঢ়িল নিঠৰুৱা সকলক আপোন কৰিবলৈ । খ্ৰীষ্টান মিছনেৰীত প্ৰথম বাৰৰ বাবে ভাৰতীয় শাৰী পিন্ধিলে মাদাৰ টেৰেছাই ।

ইয়াৰ মাজতে মাদাৰে অনুভৱ কৰিলে যে তেওঁক অলপ নাৰ্চিং শিক্ষাৰ আৱশ্যক সেয়েহে তেওঁ বিহাৰৰ পাটনা চহৰত থকা আমেৰিকান ট্ৰেইনিং চেণ্টাৰ ফৰ মেডিকেল মিছনেৰিজত নাৰ্চৰ প্ৰশিক্ষণ ললে । ১৯৪৮ চনত ভাৰত চৰকাৰে নাগৰিকত্ব প্ৰদান কৰিলে মাদাৰক ।

মাদাৰৰ অন্তৰে সদায় বেলেগ কিবা এটা বিছাৰিছিল যাৰ বাবে তেওঁক এনে এক নিশ্চিন্ত জীৱনেও শান্তি দিব পৰা নাছিল । ভুখীয়া ৰোগক্ৰান্ত, অনাহাৰী নিঠৰুৱা সকলৰ বাবে তেওঁ প্ৰাণে সদায় কান্দিছিল । ১৯৪৯ চনত মাদাৰে অনুভৱ কৰিলে নিজে থকাৰ বাবে এক বাসস্থানৰ প্ৰয়োজন আৰু তেওঁৰ দৰে সাধাৰণৰ জীৱন উৰ্চগ কৰা কেইগৰাকীমান সহায়কাৰী । ১৯৪৯ চনত মাৰ্চ মাহত মাদাৰৰ প্ৰথম গৰাকী সহায়িকা আছিল সুভাষিনী দাস । নাম দিলে ছিষ্টাৰ এগ্‌নিছ । ১৯৫০ চনত কলিকতাত স্থাপন কৰা হ'ল 'অৰ্ডাৰ অব দ্য মিছনেৰীজ অৱ চেৰিটী' আৰু মাদাৰ হাউচ । মাদাৰৰ আদৰ্শৰে বাট বুলিবলৈ ধৰিলে তেওঁৰ সহচৰী চিষ্টাৰসকলে তেওঁলোকে দান বৰঙনি তুলি নিজাববীয়াকৈ এটা ঘৰ কিনি ললে । পুৱা চাৰে চাৰি বজাতে উঠি দিনটোৰ বাবে আৰম্ভ হয় তেওঁলোকৰ জীৱন কলিকতা মহানগৰীৰ পুতিগন্ধময়ৰ পথত । তেওঁলোকে বিছাৰিফুৰে অনাহাৰি নিঠৰুৱা, মৃতপ্ৰায় সকলক । দুৰ্গন্ধময় জাবৰৰ দমৰ পৰাও উদ্ধাৰ কৰে পেলনীয়া শিশু । তেওঁলোকৰ বাবেতো জীৱন মানেই পৱিত্ৰ । কেৱল আশ্ৰয়েই প্ৰদান নকৰিছিল তেওঁলোকক হিয়া উজাৰি স্নেহ যাচিছিল শতাব্দীৰ জননীয়ে । মাদাৰে কেৱল অনাথ জনকহে সহায় কৰিছিল এনে নহয়, তেওঁ বিপথে যোৱা সকলকো দিছিল শুদ্ধ

পথৰ সন্ধান । মাদাৰ টেৰেছা বিশ্ববাসীৰ মাজত পৰিচিত হ'ল শতাব্দীৰ জননীৰূপে । মাদাৰৰ প্ৰতিষ্ঠানবোৰত নীলা পাৰীৰ শাৰী পিন্ধা চিষ্টাৰবোৰে ৰুগ্ন, দুৰ্গন্ধময় গলিত মৃতপ্ৰায় লোকবোৰৰ পৰিচৰ্য্যা কৰি থকাৰ সময়তো যদি চিষ্টাৰবোৰক সোধা হয় যে এই পৰিবেশটো মাজে মাজে অসহনীয় নহয়নে ? মিচিকিয়া হাঁহি মাৰি চিষ্টৰবোৰে কয়– "নহয়, এইটো কিয় হব আমি যেতিয়া কোনো ৰুগ্ন, আতুৰক সেৱা কৰো আচলতে এইভাৱে ভগৱানকে সেৱা কৰাৰ দৰে হয় । কোনো মৃতপ্ৰায় ভোকাতুৰক যেতিয়া নিজহাতে খুৱাই দিওঁ তেতিয়া ভগৱানকে খুৱাই দিয়াৰ দৰে অনুভৱ কৰো । এইবোৰ কাম কৰি আমি বৰ আনন্দ পাওঁ ।" মাদাৰে গোটেই জীৱনটোৱেই দিন ৰাতি নিজৰ সুখ স্বাচ্ছন্দ্য জলাঞ্জলি দি দীন দৰিদ্ৰবোৰৰ বাবে কাম কৰিলে । তথাপি তেওঁৰ মনত, তেওঁ যি কৰিছে সেইখিনি মহাসমুদ্ৰৰ বিৰাট জলধিৰ এটা বিন্দুমাত্ৰ । কিন্তু এই বিন্দুটি যদি নেথাকিলহেতেন তেন্তে সমুদ্ৰ এই বিন্দুটোৰ পৰা বঞ্চিত হ'লহেতেন ।

পৃথিৱীৰ প্ৰায় সকলোৱে জীৱনত উন্নতি কৰিবলৈ যত্ন কৰে । ভাগ্যৰ বলত বুদ্ধিৰ বলত, বা চেষ্টা যত্নৰ দ্বাৰা কিছুমানে আগুৱাই যায় । কিছুমানে দুৰ্ভাগ্য-ক্ৰমে চেষ্টা যত্নৰ ত্ৰুটিৰ বাবে বা এলাহৰ বাবে উন্নতিৰ জখলাত পিচলি পৰে । তীব্ৰ প্ৰতিযোগিতাত হাৰ মানে মাদাৰৰ মতে আমি এই পিচলি পৰা হাৰ মনা মানুহবোৰক অৱহেলা নকৰি বুটলি লোৱা উচিত । সৌভাগ্য আৰু দুৰ্ভাগ্য ভগৱানৰ দান । এই হতভাগাবোৰক অন্তৰেৰে ভাল পাব লাগিব । মাদাৰে সদায় ভগৱানক প্ৰাৰ্থনা কৰে "হে প্ৰভু, দাৰিদ্ৰ আৰু ক্ষুধাৰ বাবে যিবোৰে মৃত্যুৰ ক্ষণ গণিছে, সেইবোৰক সেৱাৰ আমাক যোগ্য কৰি তোলা । আমাৰ হাতত সেইবোৰৰ বাবে অন্ন তুলি দিয়া । সেইবোৰক ভাল পাবলৈ, আনন্দ আৰু শান্তিত ৰাখিবলৈ আমাক শক্তি দিয়া ।"

১৯৭১ চনত বাংলাদেশ আৰু পাকিস্তান বিভক্ত হ'ল । ভাৰতত স্থাপন কৰা শিবিৰত তেতিয়া সহস্ৰাধিক শৰনাৰ্থী । এই শৰনাৰ্থী শিবিৰত উপস্থিত হ'ল মাদাৰ

আৰু তেওঁৰ দল । উল্লেখ্য সেইবছৰৰ ছেপ্টেম্বৰত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বোষ্টনত 'গুড চামাৰিটান' বঁটাটি পালে । এমাহৰ পিছতে সম্মানিত হ'ল জন এফ কেনেডী অন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰেৰে । ১৯৭২ চনত জৱাহৰলাল নেহৰু পুৰস্কাৰ আৰু ১৯৭৩ চনত ইলেণ্ডৰ প্ৰিন্স ফিলিপা ধৰ্মৰ প্ৰসাৰতাৰ বাবে টেম্পলটন বঁটা প্ৰদান কৰিলে । ১৯৭৪ ত এক সম্মানীয় পুৰস্কাৰ আগবঢ়াইছিল আমেৰিকা যুক্তৰাষ্ট্ৰই । ১৯৭৯ চনত তেওঁ লাভ কৰিলে শান্তিৰ ন'বেল বঁটা । শান্তিৰ ন'বেল বঁটা লাভ কৰাৰ সময়ত মাদাৰে এইদৰে ঘোষণা কৰিছিল যে, "ক্ষুধাৰ্ত, নগ্ন, নিঃস্ব, কোঙা, কুষ্ঠৰোগী, দৰিদ্ৰ তথা সমাজৰ বোজা বুলি জ্ঞান কৰা সকলৰ হৈ এই বঁটা লবলৈ পাই মই গৰ্বিত ।" ১৯৮০ ত বিলম্বিতভাৱে চূড়ান্ত কৃতজ্ঞভাৱে ন'বেলটো বঁটা লাভ কৰাৰো বহু পিছতহে তেওঁলৈ আগবঢ়োৱা হয় দেশৰ সৰ্বোচ্চ সন্মান 'ভাৰত ৰত্ন' । এনে একাধিক পুৰস্কাৰেৰে বিভূষিত হৈছিল শান্তিদূত মাদাৰ । কিন্তু ব্যক্তিগত জীৱনৰ প্ৰতি জননীৰ যি নিস্পৃহতা সদা বিৰাজমান । এই পুৰস্কাৰ সমূহ গ্ৰহনৰ সময়তো মাদাৰৰ সেই অভিব্যক্তিৰ সলনি হোৱা নাছিল । যাৰ দেহৰ প্ৰতি বিন্দুৰক্ত কণিকা আৰ্তজনৰ সেৱাত উৎসৰ্গীত, তেওঁৰ ক্ষেত্ৰত ইয়েই হয়তো অতি স্বাভাৱিক । বাস্তৱিকতে অতি নিস্পৃহভাৱেই এবাৰ মাদাৰে ঘোষণা কৰিছিল – "কোনো পুৰস্কাৰেই মই নিজৰ বাবে গ্ৰহণ কৰা নাই; গ্ৰহণ কৰিছো বিশ্ব মানৱতাৰ নামত ।" তেওঁৰ জীৱন বীক্ষা এই বক্তব্যৰেই অন্তিম সাক্ষ্য । দীৰ্ঘদিনৰ পৰাই তেওঁৰ শাৰীৰিক ৰোগে জুৰুলা কৰিছিল । অসুখীয়া দেহাৰেও জননীয়ে দেখুৱাই গৈছিল কৰ্মস্পৃহা তুবাৰকৈ হৃৎপিণ্ডৰ অস্ত্ৰোপচাৰ কৰি পেছমেকাৰো সংস্থাপন কৰা হৈছিল । দেহৰ প্ৰতিটো ভাঁজে ভাঁজে পৰিছিল বয়সৰ আঁচোৰ । এক কথাত সকলো নিশ্চিত হৈছিল, শতাব্দীৰ জননী গৰাকীৰ জীৱন বেলি অস্তমিত হবলৈ আৰু বেছি পৰ নাই । সেই কথা মাদাৰেও যেন উপলব্ধি কৰিছিল । সেয়েহে হয়তো ছিষ্টাৰ নিৰ্মলাক কিছুদিনৰ পূৰ্বে মিশ্যনেৰীজ অৱ চেৰিটিৰ নিজৰ পদাভিষিক্ত কৰিছিল । তথাপি সকলোৱে আশা কৰিছিল,

মমতাময়ী মাতৃ গৰাকী অন্ততঃশতায়ু লাভ কৰক । কিন্তু জীৱনক জয় কৰিব খোজা মাতৃৰ এই সকলো উদ্যম, বিশ্ব সন্তানৰ সকলো আশাৰো যতি পৰিল । হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়াৰ বন্ধ হৈ ১৯৯৭ চনৰ ৫ ছেপ্তেম্বৰ তাৰিখে তেওঁ মৃত্যুক আঁকোৱালি লয় । মাদাৰ টেৰেছা সচাকৈয়ে ত্যাগ আৰু সেৱাৰ মহিমাৰে উজ্জ্বলি থকা এক অন্যান্য নাৰী । জীৱনত বহু লাঞ্ছনা-গঞ্জনা মূৰ পাতি লৈও নিঃশব্দে, নীৰৱ অভিমানেৰে মাদাৰ টেৰেছাই মেলানি মাগিলে । সমগ্ৰ বিশ্বকে শোকাহত কৰি নিৰ্বাপিত হ'ল ভাৰতৰ গৌৰৱ জ্যোতি ।

## —সুবচন—

১। শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা, কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ ।
—এৰিষ্টটল

২। আমি যি জানো সি অতি সামান্য । আমি যি নাজানো তাৰ সীমা নাই । এতেকে নিজকে জ্ঞানী বুলি ভবা অনুচিত ।
—পাপলেচ

৩। বাস্তৱতা যিমানে ভয় লগা বা প্ৰতিৰোধহীন যেন নালাগক কিয় দৃঢ়তা আৰু আত্মবিশ্বাস অটুট ৰাখিব পাৰিলে জয়লাভ সুনিশ্চিত ।
—পিয়েৰ টেলহাৰ্ড দ্য চাৰছিল ।

৪। মানুহৰ হাতত অহিংসা শক্তিয়েই সৰ্ব্বশ্ৰেষ্ঠ শক্তি ।
—গান্ধীজী

৫। এখন ভাল কিতাপ নষ্ঠ কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা ।
—শিলটন

৬। ক্ৰোধ মানুহৰ প্ৰধান শত্ৰু । ক্ৰোধ কৰা মানুহে যুদ্ধৰ বাহিৰে অন্য কাম ভাগ লব নোৱাৰে ।

৭। হিংসা কেতিয়াও নকৰিবা, জুইয়ে যেনেকৈ খৰি পোৰে । হিংসাই তেনেকৈ পুণ্য সমুহ নাইকীয়া কৰে ।
—বাইবেল

৮। ঈশ্বৰ মন্দিৰত নাই, অৰন্যত নাই, গুহাত নাই । ঈশ্বৰ আছে মানুহৰ অন্তৰত । বিচাৰিব জানিলেই হ'ল ।
—হজৰত মহম্মদ

৯। তুমি নিজকে যেনেকৈ আনৰ পৰা ভাল ব্যৱহাৰ আশা কৰা সোচকো তেনে ব্যৱহাৰ কৰিবা ।
—তুলসী দাস ।

১০। যি জনে সুবিধা পালেই পৰনিন্দা পৰৰ্চ্চাত মতলীয়া হয় সেইজন লোক বাস্তবিকতে ফেটি হাপতকৈ কোনো গুণে কম বিষাক্ত নহয় ।
—চীনা দাৰ্শনীক কন ফুচিয়াচ

১১। শিক্ষা হ'ল জীৱন ব্যাপী চলা এক বিকাশ মূখী প্ৰক্ৰিয়া ।
—উপনিষদ
—শিক্ষাবিদ ডিউচ



সংগ্ৰাহিকা—প্ৰীতিমণি সোনোৱাল ।





# স্বাস্থ্য ৰক্ষাত ব্যায়াম আৰু ৰোগ নিৰাময়ত যোগাসন ।

শ্ৰীবসন্ত কুমাৰ চাংমাই
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

স্বাস্থ্য আমাৰ পৰম সম্পদ । সেয়ে স্বাস্থ্য ৰক্ষাৰ বাবে আমি যত্নপৰ হোৱা অতি প্ৰয়োজন । এটা সু-স্বাস্থ্যৰ অধিকাৰী হবলৈ হলে নিয়মিত ব্যায়ামৰ একান্ত প্ৰয়োজন । ঠিক এনেদৰে বিভিন্ন ৰোগৰ পৰা হাত সাৰি থাকিবলৈ অথবা বিভিন্ন ৰোগৰ নিৰাময়ৰ বাবে নিয়মিত যোগাসন কৰাটোও স্বাস্থ্য ৰক্ষাৰ এক অবিচ্ছেদ্য অংগ । যোগব্যায়ামৰ দ্বাৰা সুদীৰ্ঘ যৌৱন আৰু দীৰ্ঘদিনীয়া সৌন্দৰ্য্য ধৰি ৰাখিব পাৰি ।

আমাৰ মাজত এটা ভুল ধাৰণা আছে যে ব্যায়াম কৰা বুলিলেই সাধাৰণতে এডাল স্প্ৰিং লৈ টনা-আঁজোৰা কৰা বা এডাল বুল ওৱাকাৰ লৈ উঠা বহা কৰা । নতুবা বাৰবেলৰ প্লেট এসোপা লৈ উঠা-বহা কৰা । কিন্তু প্ৰথম অৱস্থাত আমি এইদৰে যিহকে পাই তাকে কৰিলে আমাৰ স্বাস্থ্যৰ উন্নতিৰ ঠাইত অৱনতিহে দেখা যায় । কিয়নো প্ৰথম অৱস্থাত আমাৰ হাত ভৰি বিলাক দুৰ্বল অৱস্থাত থাকে । দুৰ্বল হেতুকে আমি হঁামিয়াৰ ব্যায়ামৰ ক্ষেত্ৰত নিয়মৰ মাজেদি যাব নোৱাৰো আৰু আমাৰ দেহৰ ভিতৰৰ অংশ বিলাকৰ অৱনতিহে ঘটে । কিন্তু আমি যদি প্ৰথম অৱস্থাত খালি হাতে ব্যায়াম আৰু যোগাসনৰ অভ্যাস কৰো তেনেহ'লে আমাৰ হঁা-মিয়াৰ ব্যায়ামাৰ ক্ষেত্ৰত কষ্ট নহয় । অন্ততঃ একবছৰ যোগাব্যায়াম/যোগাসণ কৰাৰ পাছতহে হঁামিয়াৰ ব্যায়াম ব্যৱহাৰ কৰিব ।

ব্যায়ামৰ বাবে প্ৰয়োজনীয় কেইটামান কথা :

প্ৰথমতে, ব্যায়াম কৰাৰ আগমুহূৰ্তত জপি-য়াই অথবা দৌৰি বা Skipping কৰি গা গৰম কৰি দেহত তেজৰ সঞ্চালন বৃদ্ধি কৰি লোৱাটো অপৰিহাৰ্য্য । দ্বিতীয়তে, ব্যায়াম কৰাৰ পাছত শৱ আসণ কৰাটো নিতান্ত আৱশ্যকীয় । কিয়নো ব্যায়াম কৰাৰ সময়ত আমাৰ দেহত আৰু মগজুত ৰক্তচাপ বৃদ্ধি পায় । সেয়ে শৱ আসণ কৰি আমাৰ দেহ আৰু মনক সম্পূৰ্ণ জিৰনী দি ব্যায়ামৰ পূৰ্বৰ অৱস্থালৈ আনি লব লাগে । এইক্ষেত্ৰত বিশেষ সতৰ্ক হব লাগে নহলে আমাৰ ছাত্ৰ বয়সত পঢ়াত ব্যাঘাট জন্মে । তৃতীয়তে, ব্যায়াম বা আসণ কৰোতে উশাহ-নিশাহ নিয়ন্ত্ৰণৰ কথাও মনত ৰখা দৰ-কাৰ । আনহাতে আমাৰ দেহৰ অপকাৰ হোৱাৰ ভয় থাকে । চতুৰ্থতে, ব্যায়াম কৰি শেষ হোৱাৰ পাছত দেহৰ উষ্ণতা স্বাভাৱিক হোৱাৰ পাছতহে গা ধুব লাগে । পানীত কিছু-সময় সাতুৰিব পাৰিলে দেহৰ কাৰণে বিশেষ উপকাৰী । খালীহাতে কৰা ব্যায়ামৰ ভিতৰত সাতুৰেই সৰ্বোত্তম । যিহেতু সাতুৰিলে আমাৰ দেহৰ সকলো অংশৰে ব্যায়াম হয় ।

আমাৰ এটা ভুল ধাৰণা আছে যে ব্যায়াম কৰিলেই খোৱা-বোৱা ঠিক হব লাগে । তাৰমানে কোনোৱে কেইথালমান ভাত খায়, কোনোৱে কেইটা কেইটা কণী খায় অথবা কোনোৱে প্ৰতি সাজতে মাছ মাংস ইত্যাদি খায় । কিন্তু আচল কথা কবলৈ গলে ব্যায়াম কৰিলেই যে এগালিমান উধাই মুধাই খাব লাগে তাৰ কোনো মানে নাই । আমাৰ শৰীৰ বাবে যিমান প্ৰটিন, কাৰ্বহাইড্ৰেড আদি দৰকাৰ সেইখিনি পাই থাকিলেই যথেষ্ট । অৱশ্যে হ ঁামিয়াৰ ব্যায়াম কৰা সকলৰ খাদ্য বাকীবোৰতকৈ কিছু বেলেগ হোৱাটো স্বাভাৱিক । খালীপেটত ব্যায়াম কৰাটো অনুচিত, আনহাতে এগাল-মান খাইও ব্যায়াম কৰা উচিত নহয় । অলপ পাতলীয়া আহাৰ খাই আসন কৰাৰ আধা ঘণ্টা পাছত গধুৰ আহাৰ খাব লাগে ।

ব্যায়াম ১০/১২ বছৰ বয়সৰ পৰাই খালীহাতে কৰিব পাৰে । কিন্তু ১৫ বছৰৰ পূৰ্বে কেতিয়াও হ ঁামি-য়াৰ ব্যায়াম কৰিব নালাগে । ব্যায়াম কৰাৰ সময়ত যি পোছাকেই নিপিন্ধক মাথো ঢ়িলা হব লাগে ।

ব্যায়াম কৰাৰ সময়ত মুখেৰে কেতিয়াও উশাহ লব নালাগে। ৰাগীয়াল বস্তু একেবাৰে নিষিদ্ধ । সপ্তাহত এদিন ব্যায়াম কৰাতো বন্ধ ৰাখি দেহক জিৰণি দিব লাগে।

ব্যায়ামৰ ক্ষেত্ৰত কোনো ধৰাবন্ধা নিয়ম নাই যদিও পুৱা আৰু আৱেলিয়েই ব্যায়াম কৰাৰ উৎকৃষ্ট সময় বুলি কব পাৰি । ৰাতি পুৱা শৌচ কৰ্ম কৰিহে ব্যায়াম কৰা উচিত । যত মুক্ত বায়ু চলাচল কৰে তেনে ঠাই ব্যায়ামৰ বাবে উপযুক্ত ; ব্যায়াম কৰি শেষ হোৱাৰ ১৫/২০ মিনিটৰ পাছত এগিলাছ গোল নেমুৰ চৰবত খাব পৰিলে ভাল ।

উপবাস ঃ আমাৰ দৈনিক জীৱনত ব্যৱহৃত কল কাৰখানা মেচিন, ইঞ্জিনক জিৰণি দিয়াৰ কথা সকলোৱে জানো। একেৰাহে কোনো কাম কৰিলে আমাৰ ভাগৰ লাগে আমাৰ ভিতৰত থকা অংগ প্ৰত্যঙ্গ বোৰও জিৰণিৰ অতি প্ৰয়োজন । সিহঁতেনো অনবৰতে কিমান বস্তু হজম কৰি থাকিব । গতিকে সপ্তাহত এদিন নহেলেও এসাজ ভাত লঘোন দি উপবাসে থকাতো স্বাস্থ্যৰ বাবে বৰ উপকাৰী ।

মই নিজে আসন কৰি যি অভিজ্ঞতা লাভ কৰিছো । উক্ত অভিজ্ঞতাৰপৰা লিখা কথাখিনিয়ে ডিক্ৰয়ান সকলে যদি গুৰুত্ব সহকাৰে লয় তেনেহলে তেখেত সকল উপকৃত হব বুলি মোৰ দৃঢ়বিশ্বাস ।





## “ক্ৰীয়াজগতত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ”

শ্ৰীচন্দ্ৰজিৎ দেউৰী (জোনটি)
স্নাতক তৃতীয় বাৰ্ষিক ( বাণিজ্য শাখা )

উনৈশ শতিকাৰ পৰা আমাৰ দৈনন্দিন জীৱনত বিজ্ঞানে এটি অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। আজি আমি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অবিহনে আমাৰ জীৱন সফল বুলি ক'ব নোৱাৰো । বিজ্ঞানৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ পৰা আমাৰ ক্ৰীয়াজগতখনো কোনোমতে বাচি যাব পৰা নাই। খেলৰ জগতখনত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ হোৱাৰ লগে লগে খেলজগতখনৰ এক বিৰাট আমূল পৰিৱৰ্তন ঘটিছে।

আজিৰ পৰা ২০ বছৰ আগৰ কোনো বিশ্ব অভিলেখেই আজি আৰু অভিলেখ হৈ থকা নাই। এই সকলোবোৰ ৰেকৰ্ড ভঙ্গ হৈছে। আজিকালি নিতৌ একো একোটা নতুন অতিলেখ স্থাপন হৈ আছে। এই নতুন নতুন অভিলেখবোৰ স্থাপন হোৱাৰ দুটা প্ৰধান সাম্ভাব্য কাৰণ হৈছে –

A) ক্ৰীয়াজগতলৈ আধুনিক সা-সৰঞ্জামৰ আগমণ আৰু

B) খেলুৱৈসকলৰ শাৰিৰীক বিকাশ।

ক্ৰীয়াজগতলৈ আধুনিক সা-সৰঞ্জামে এক উল্লেখযোগ্য পৰিৱৰ্তন আনিলে। ১৯৪২ চনৰ পৰা ১৯৯৬ চনলৈ Pole Vault ৰ কোনো অভিলেখ ১৬ ফুটৰ ওপৰত স্থাপন হোৱা নাছিল। কিন্তু যেতিয়াৰে পৰা ষ্টীলৰ Pole ৰ ঠাইত এলুমিনিয়াম, ফাইবাৰ গ্লাছ, আৰু গ্ৰেফাইটৰ মিশ্ৰিত Pole আহে, তেতিয়াই মাত্ৰ দুবছৰতে তিনিফুট বাঢ়ে। ১৯৯৬ চনৰ আটলাণ্টা অলিম্পিকত আমেৰিকাৰ সাঁতোৰ দলটোৱে এবিধ কৃত্ৰিম ভাৱে নিৰ্মিত পোছাক পিন্ধিছিল। এই পোছাকযোৰ মানুহৰ ছালতকৈ মসৃণ আছিল। এই পোছাকযোৰে দিয়া সুবিধাৰ ফলত আমেৰিকাৰ সাঁতোৰ দলটিয়ে ১৩ টাকৈ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

দ্বিতীয়তে ব্যাহ্যিক ৰূপত খেলুৱৈসকলৰ শৰীৰৰ কোনো পৰিৱৰ্তন নহ'লেও বিজ্ঞানৰ প্ৰয়োগৰ ফলত সেই শৰীৰৰ নতুন নতুন বিকাশ ঘটিছে। শৰীৰৰ এই নতুন বিকাশৰ ফলত খেলুৱৈসকলে সফলতাৰ শিখৰত আৰোহণ কৰিবলৈ সমৰ্থ হৈছে। খেল বিজ্ঞানীসকলে কম্পিউটাৰত খেলুৱৈসকলৰ শৰীৰটোৰ বিশ্লেষণ কৰি কোন কোন অংশত অধিক বিকাশৰ সম্ভাৱনা আছে তাক ঠিৰাং কৰে। এই বিজ্ঞানীসকলে খেলুৱৈ সকলৰ বাবে প্ৰশিক্ষণৰ নতুন নতুন দিশ আৰু কৌশল ভাবি উলিয়ায়। বিজ্ঞানী-সকলে খেলুৱৈ এজনৰ শৰীৰটোৰ পৰা খেলুৱৈজন কি খেলৰ বাবে বেছি উপযোগী হ'ব পাৰে তাক স্থিৰ কৰি উলিয়াব পাৰে।

ফুটবল খেলৰ বাবে আমাৰ উত্তৰ পূৰ্বাঞ্চল আৰু আন্দামানৰ খেলুৱৈসকলৰ উচ্চতা নিয়মীয়া। উচ্চতা বেছি হ'লে খেলুৱৈসকলৰ Bicycle kick ৰ দৰে কিছুমান শ্বট লবৰ বাবে অসুবিধাৰ সৃষ্টি হয়। নিয়মীয়া উচ্চতাৰ ফুটবলখেলুৱৈৰ ড্ৰিবলিং ক'ৰাটো সুবিধা হয়। বিশ্ব-ফুটবলৰ

ইতিসাহৰ ফুটবল সম্রাট পেলে আৰু বিশ্ব শ্ৰেষ্ঠ-ফুটবল খেলুৱৈ মাৰডোনা হ'ল নিয়মীয়া উচ্চতাৰ খেলুৱৈ।

আমাৰ ভাৰতবৰ্ষৰ আটাইতকৈ জনপ্ৰিয় খেল "ক্ৰিকেটতো বিজ্ঞানৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। গতি জোখা যন্ত্ৰৰ সহায়ত আলান ডনাল্ড, ব্লাকাৰ ইউনিচৰ নিচিনা বেগী বলাৰৰ গতি জুখিব পৰা যায়। বেটচমেন-সকলৰ অনুশীলনৰ বাবে কিছুমান বলিং যন্ত্ৰ উলিওৱা হৈছে। এই যন্ত্ৰৰ সহায়ত বেটছমেনক যিমান গতিৰ বলৰ দৰকাৰ সিমান গতিৰ বলেৰে অনুশীলন ক'ৰোৱা হয়।

টেনিছ খেলত প্ৰধান পৰিৱৰ্তনটো আহিছে ৰেকেটত। আগৰ দিনৰ টেনিছ খেলৰ খেলুৱৈসকলে গধুৰ কাঠৰ ৰেকট ব্যৱহাৰ ক'ৰোতে বহুতো অসুবিধাৰ সৃষ্টি হৈছিল। বৰ্তমান যুগত ব্যৱহাৰ হোৱা পাতল কাৰ্বনৰ ৰেকেটৰ ফলত খেলৰ গতি বহুত পৰিমাণে বৃদ্ধি পাইছে।

আগৰ দিনত বৰঘুন দিলে হকী খেলৰ পথাৰ বোকাময় হৈ প'ৰাত খেলোতে বহুত অসুবিধাৰ সৃষ্টি হৈছিল। কিন্তু আজিকালি হকীখেলৰ পথাৰখন আগৰ ঘাঁহৰ ঠাইত ASTROTURF হোৱাত বৰষুণৰ বতৰতো হকী খেলুৱৈসকলৰ বিশেষ একো অসুবিধাৰ সৃষ্টি নহয়।

পঞ্চাশৰ দশকত দৌৰৰ ট্ৰেকবোৰ কয়লাৰ গুড়ি দি তৈয়াৰ ক'ৰা হৈছিল। কয়লাৰ গুড়িয়ে দৌৰ প্ৰতিযোগীতাৰ প্ৰতিযোগীসকলৰ গতিবেগ কমাই দিছিল। কিন্তু আজিকালি কৃত্ৰিম ট্ৰেক বনোৱা হয়। এই কৃত্ৰিম ট্ৰেকবোৰ অহাৰে পৰা দৌৰ প্ৰতিযোগীতাৰ প্ৰতিযোগী-সকলৰ গতিবেগ তুলনামূলকভাৱে বৃদ্ধি পাইছে।

আজিকালি সকলো দৰা খেলুৱৈৰ লগতে এটা কম্পিউটাৰ থকাটো প্ৰয়োজনীয় হৈ পৰিছে। খেলুৱৈ-সকলে নিজৰ কম্পিউটাৰত নিৰ্বাচিত কিছুমান খেল সুমুৱাই লৈ পিছত বিশ্লেষণ কৰি তাৰ শক্তিশালী দিশবোৰ আয়ত্ব কৰে আৰু দুৰ্বল দিশবোৰৰ উন্নতি সাধন কৰিবলৈ প্ৰচেষ্ঠা ক'ৰে।

আমাৰ দৈনন্দিক জীৱনত আমি টেলিভিছনত প্ৰায়ে খেল ধেমালি উপভোগ কৰো। সেইয়া সম্ভৱ হৈছে কৃত্ৰিম উপগ্ৰহৰ সহায়ত। কৃত্ৰিম উপগ্ৰহৰ সহায়ত খেলবোৰ টেলিভিছনৰ দ্বাৰা প্ৰচাৰণ ক'ৰাটো এক যুগান্তকাৰী পৰিৱৰ্তন।

৩০ ৰ দশকত অলিম্পিকত মাৰাথান দৌৰৰ খবৰ দি থাকিবলৈ গোটেই পথটোতে কিছুমান স্কাউটক নিযুক্তি দিয়া হৈছিল। স্কাউটসকলে ফোনৰ সহায়ত খবৰবোৰ অনাতাঁৰ কেন্দ্ৰলৈ প্ৰেৰণ কৰিছিল। বৰ্তমান কৃত্ৰিম উপগ্ৰহৰ সহায়ত এইকামবোৰ কৰিবলৈ সহজ হৈ পৰিছে। মানুহৰ এই কামবোৰ কৰিবলৈ অধিক সময় ব্যয় কৰিবলগীয়া হোৱা নাই। কৃত্ৰিম উপগ্ৰহৰ সহায়ত টেলিভিছনৰ দ্বাৰা খেলবোৰৰ প্ৰচাৰণ হোৱাৰ লগে লগে আমাৰ খেলজগতৰ এক বিৰাট আমূল পৰিৱৰ্তন ঘটিছে।

আমাৰ ভাৰতৰ সৰ্বাধিক জনপ্ৰিয় খেল ক্ৰিকেটৰ খেলতো বহুতো পৰিৱৰ্তন আহি পৰিছে। বৰ্ত্তমান ক্ৰিকেটত এজত তৃতীয় আম্পায়াৰ থাকে। এই আম্পায়াৰজনে খেপথাৰৰ বাহিৰত সন্মুখত বহি থাকি তেখেতৰ কাৰ্য্যনিৰ্বাহ কৰে। খেলপথাৰৰ ভিতৰত থকা আম্পায়াৰ দুজনৰ কিবা সিদ্ধান্ত লোৱাত অসুবিধা হ'লে এই তৃতীয় আম্পায়াৰজনৰ সহায় লয় আৰু তৃতীয় আম্পা-য়াৰজনে টেলিভিছনত Replay চাই সিদ্ধান্ত দিয়ে। আজিকালি Run-out ৰ প্ৰায়বোৰ সিদ্ধান্তই তৃতীয় আম্পায়াৰে লোৱা দেখা যায়। তৃতীয় আম্পায়াৰ জনে টেলিভিছনত Reply চাই Run-out ৰ নিখুত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

দৌৰ প্ৰতিযোগিতাত কেতিয়াবা কেইবাগৰাকী প্ৰতিযোগীয়ে একেলগে সীমাৰেখা অতিক্ৰম কৰিলেও বৰ্ত্তমান এটা স্থিৰ সিদ্ধান্ত লৈ প্ৰকৃত বিজেতাক বিচাৰি উলিয়াব পাৰি। প্ৰতিযোগীসকলে সীমাৰেখা অতিক্ৰম কৰাৰ সময়ত পোহৰৰ এটা অদৃশ্য ৰশ্মি পাৰ হৈ যাব লাগে আৰু তেতিয়াই প্ৰতিযোগীজনে লোৱা সময়টো নিজে নিজে লিপিবদ্ধ হয়। তাৰপিছত কম্পিউটাৰত বিশ্লেষণ কৰি প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়।





মুঠৰ ওপৰত আমি নিশ্চিতভাবে ক'ব পাৰো যে আজিৰ ক্ৰীয়াজগতখনৰ ওপৰত বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যাৰ প্ৰভাৱ সৰ্বগ্ৰাসী। কিন্তু সৰ্বগ্ৰাসী পৰিবৰ্তণৰ বহুতো ঋণাত্মক দিশ নথকা নহয়। চিকিৎসা বিজ্ঞানৰ শেহতীয়া পৰিবৰ্ত্তনে দিয়া সুবিধাৰ গইনা লৈ আজি কালি বহুতো খেলুৱৈয়ে কেতবোৰ উত্তেজক ড্ৰাগছ ব্যৱহাৰ ক'ৰে। এই উত্তেজক ড্ৰাগছবোৰ ব্যৱহাৰ কৰাৰ ফলত খেলুৱৈ-সকলে অধিক দক্ষতা প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হয়। পৃথিৱীৰ আটাইতকৈ জনপ্ৰিয় খেল ফুটবলৰ নয়নমণি. বিশ্ববিখ্যাত খেলুৱৈ, একালৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ, আৰ্জেন্টিনাৰ ডিয়েগো মাৰডোনা উত্তেজক ড্ৰাগছ ব্যৱহাৰ ক'ৰাৰ অভিযোগত অভিযুক্ত আজিলৈকে বহিস্কৃত হৈ আছে। ১৯৮৮ চনৰ চিউল অলিম্পিকত প্ৰখ্যাত দৌৰবিদ বেন-জনচনো এই উত্তেজক ড্ৰাগছ লোৱাৰ অভিযোগত ধৰা পৰিছিল। বেন-জনচনৰ পৰা তেখেতৰ সোণৰ পদক কাঢ়ি লোৱা হৈছিল। খেলুৱৈসকলে এই ড্ৰাগছ ব্যৱহাৰ কৰিছে নেকি এইটো তেওঁলোকৰ সূত্ৰ পৰীক্ষণৰ দ্বাৰা ধৰা পেলাব পাৰি।

যিবোৰ দেশ আৰ্থিক ভাৱে দুৰ্বল অধাৎ যিবোৰ দেশে এতিয়াও এই নতুন সা-সঞ্জামবোৰ পোৱা নাই তেনেবোৰ দেশৰ প্ৰতিযোগীতামূলক খেলত ভাল প্ৰদৰ্শন কৰা অতি কঠিন হৈ পৰিছে। উদাহৰণস্বৰূপে নেপাল, ভাৰত, ভূটান ইত্যাদি।

বিগত দশক কেইটাত বিজ্ঞান আৰু প্ৰযোক্তি-বিদ্যাৰ ব্যৱহাৰ ফলত আমি যিমানবোৰ পৰিবৰ্তন লক্ষ্য কৰিছো তাৰ পৰা এইটো আশা কৰিব পাৰি যে আহিব লগীয়া দশককেইটাত আমি আজিৰ খেলজগতৰ এক আমূল পৰিবৰ্তন দেখিবলৈ পাম। ●

## জানিবলগা সংবাদ

**সংগ্ৰাহক—** শ্ৰীতীক্ষ্ম দাস
স্নাতক ১ম বৰ্ষ

১। কোন খেলুৱৈয়ে ১৯৭২ চনৰ মিউনিক অলিম্পিকত সোণালী-ল'ৰা আখ্যা লাভ কৰে—
উঃ— আমেৰিকা সাঁতোৰবিদ মাৰ্কপিজে এই খ্যাতি লাভ কৰে। তেওঁ সাঁতোৰ প্ৰতিযোগিতাত সাতোটা বিভাগত বিশ্ব ৰেকৰ্ড ভংগ কৰে।

২। ক্ষুদ্ৰতম আখৰৰ লিখক আখ্যা কোন মানুহজনে পায়?—
উঃ— পশ্চিমবঙ্গৰ বৰিহাট মহকুমাৰ টাটৰা গাৱঁৰ — শ্ৰীমান শংকৰ চেটাৰ্জী। এওঁ এটা কণী বাকলিত দহহাজাৰ শব্দ লিখিছে, আৰু এটা মাচু দাইলৰ ওপৰত ভাৰতৰ মানচিত্ৰখন অংকন কৰিছে।

৩। ভাৰতীয় বৈজ্ঞানিকৰ এণ্টৰ্কটিকা অভিযানটোৰ গোপন নাম কি?
উঃ— প্ৰজেক্ট গংগোত্ৰী।

৪। পৃথিৱীৰ সবাতোকৈ শক্তিমান মানৱ কোন?—
উঃ— চোভিয়েত ইউনিয়নৰ চুলতান ৰামমানেভ। এওঁ ১৯৮০ চনৰ মস্কো অলিম্পিকত স্নেচত ১৫৯ কিলগ্ৰাম আৰু জাবকত ২৪৫ কিল' মুঠ ৪৫০ কিল ওজন তুলি পৃথিৱীৰ সবাতোকৈ শক্তিমান মানৱ ৰূপে খ্যাতি লাভ কৰে।

# "আধুনিক ব্যৱসায় জগতত বিজ্ঞাপনৰ ভূমিকা"

ডঃ মহেশ কুমাৰ জৈন
প্ৰৱক্তা, বাণিজ্য বিভাগ

আজিৰ যুগ ব্যৱসায়-বাণিজ্যৰ যুগ। ব্যৱসায়-বাণিজ্যক বাদ দি আজি বিশ্বৰ কোনো দেশেই উন্নতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰে। জাপানৰ দৰে দেশে এই ক্ষেত্ৰত উদাহৰণ ডাঙি ধৰিছে। আজি জীয়াই থাকিবলৈ খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ বাদেও আমি ভিন-ভিন বস্তুৰ প্ৰয়োজনীয়তা অনুভৱ কৰো। টি-ভি, ৰেডিঅ, গাড়ী, টেলিফোন, বিজুলী-বাতি, গেছ, ঘড়ী, বিভিন্ন আচবাব পত্ৰ বিবিধ প্ৰসাধনৰ সামগ্ৰী ইত্যাদি বস্তু আজি আমাৰ অতি প্ৰয়োজনীয় হৈ পৰিছে। আজি আমি দেখা পাইছো যে দেশ-বিদেশৰ বিভিন্ন কোম্পানীয়ে নিজৰ উৎপাদিত বস্তু সমূহ দেশীয় তথা আন্তৰ্জাতিক বজাৰত বিক্ৰী কৰিবলৈ উঠিপৰি লাগিছে। এনে কোম্পানীবোৰে নিজৰ উৎপাদিত বস্তু সমূহৰ দেশীয় তথা আন্তৰ্জাতিক বজাৰত চাহিদাৰ সৃষ্টি কৰিবলৈ বিভিন্ন বিজ্ঞাপন মাধ্যমৰ সহায় লৈছে। উদাহৰণ স্বৰূপে আমাৰ দেশত বি,পি,এল, ডান'-লপ, টাটাষ্টীল, স্মিথলাইন এণ্ড বিছম, প্ৰক্টাৰ এণ্ড গেম্বল, ফিলিপছ, টাইটান. হিন্দ মটৰছ, ত্ৰচৰ্কট, হিন্দুস্থান লিভাৰ চিয়েট. ৰাইমণ্ড আদি কোম্পানীবোৰে নিজৰ উৎপাদিত বস্তুৰ চাহিদা বৃদ্ধি কৰিবলৈ দৈনিক লাখ-লাখ টকা মাত্ৰ বিজ্ঞাপনৰ বাবেই খৰছ কৰে। ইয়াৰ একমাত্ৰ কাৰণ এই যে বিজ্ঞাপন হৈছে 'বিক্ৰীবাৰ্তা ( Sales Message ) প্ৰেৰণ কৰাৰ এক সৰ্ব্বোৎকৃষ্ট মাধ্যম। এই মাধ্যমে ক্ৰেতাক দৈনন্দিন নতুন-নতুন সামগ্ৰীৰ লগত পৰিচয় কৰায় আৰু 'ক্ৰেতা-সজাগতা' ( Buyer's Awareness ) বৃদ্ধি কৰে। সেয়েহে বিজ্ঞাপনক বাৰ্তা-ৰাহাক ( Message Carrier) বুলিও কোৱা হয়।

**বিজ্ঞাপনৰ মাধ্যমসমূহ :–**

বিজ্ঞাপনৰ মাধ্যম সমূহক কেইবাটাও ভাগত বিভক্ত কৰিব পাৰি সেই ভাগবোৰ হৈছে—

১। আভ্যন্তৰিণ বিজ্ঞাপন আৰু
- ক) বাতৰি কাকত
- খ) আলোচনী
- গ) ৰেডিঅ'
- ঘ) টেলিভিছন
- ঙ) কেবুল টি, ভি.
- চ) বোলছবি ( Cinema )

২। বাহ্যিক বিজ্ঞাপন–
- ক) পোষ্টাৰ ( Poster )
- খ ছবিগত প্ৰদৰ্শনী ( Painted Display )
- গ) ভ্ৰমনগত প্ৰদৰ্শনী ( Travelling Display )
- ঘ আলোক লেখন ( Electric Sign )
- ঙ) আকাশ লেখন ( Sky writing )





বিজ্ঞাপনৰ এই মাধ্যম সমূহৰ বিষয়ে তলত সংক্ষেপত আলোচনা কৰা হ'ল :–

**১। আভ্যন্তৰিণ বিজ্ঞাপন :–**

**ক) বাতৰি কাকত :–**

বাতৰি কাকত সমূহ হৈছে বিজ্ঞাপনৰ এক শক্তিশালী মাধ্যম। বাতৰি কাকতক বিজ্ঞাপনৰ মেৰুদণ্ড বুলিও কোৱা হয়। বাতৰিকাকতৰ জড়িয়তে আমি স্থানীয় ৰাজ্যভিত্তিক দেশীয় তথা আন্তৰাষ্ট্ৰীয় স্তৰৰ বিভিন্ন বাতৰি তথা বিজ্ঞাপন বাৰ্তা দৈনিক পাব পাৰো। এই বাতৰি কাকত সমূহ দৈনিক, সাপ্তাহিক, পষেকীয়া ইত্যাদি বিভিন্ন ভাগত ভগাব পৰা যায়। ৰাতিপুৱাৰ চাহ-কাপৰ লগত বাতৰি কাকত এখন পঢ়িবলৈ পালে ইয়াৰ বিষয় বস্তু সমূহ আমাৰ মনত গভীৰ সাঁচ বহুৱায়। বিভিন্ন কোম্পানীবোৰে নিজৰ উৎপাদিত সামগ্ৰীৰ বিজ্ঞাপন এনে বাতৰি কাকতসমূহত দিয়ে যাতে পঢ়ুৱৈবিলাকৰ মনত এনে সামগ্ৰী সমূহৰ বিষয় বস্তু সমূহ যথেষ্ট সাঁচ বহুৱায় আৰু এনেসামগ্ৰীৰ প্ৰতি বৃদ্ধি পায় তেওঁলোকৰ আকৰ্ষন বৃদ্ধি পায়।

**খ) আলোচনী :**

বিজ্ঞাপনৰ মাধ্যম হিচাপে আলোচনী বিলাকৰ ভূমিকাও উল্লেখনীয়া। আলোচনী বিলাক পষেকীয়া, মাহেকীয়া, দ্বিমাহিক অথবা ত্ৰিমাহিকো হ'ব পাৰে। এই আলোচনীবিলাক ৰাণিজ্য, উদ্যোগ, বেংক ব্যৱসায় খেল-ধেমালি ৰাজনীতি, ধৰ্ম্ম, কৃষি, বীমা, যাতায়ত, শিক্ষা, আদিৰ দৰে বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হয়। এই আলোচনী বিলাকত কাৰটুন, ক্ৰছ-পাজল, জ্যোতিষ শাস্ত্ৰ আদিৰ বিজ্ঞাপনো ঠাই পায়। ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এনে কিছুমান আলোচনী হৈছে ফেমিনা, ইমপ্ৰিণ্ট মিৰৰ, স্পান, টাইম, ৰিডাৰ্চ ডাইজেষ্ট, ষ্টাৰ এণ্ড ষ্টাইল।

**গ) ৰেডিঅ'**

ৰেডিঅ'ৰ দ্বাৰা প্ৰচাৰিত বিজ্ঞাপনক "Word of mouth advertising on a wholesale Scale" বুলিও কোৱা হয়। ইয়াত বিজ্ঞাপনদাতাই মৌখিক বিজ্ঞাপন বাৰ্তা প্ৰেৰণ কৰে। ভাৰতবৰ্ষত ১৯৬৭ চনৰ ১ নৱেম্বৰত পোনপ্ৰথমে 'বিজ্ঞাপন বাৰ্তা' প্ৰেৰণ কৰা হৈছিল। বৰ্ত্তমান দিল্লী, কলিকতা, বোম্বাই, পুনে, নাগপুৰ আৰু বাঙ্গালোৰৰ অনাতাঁৰ কেন্দ্ৰৰ পৰা এনে বাণিজ্যিক বিজ্ঞাপন বাৰ্তা প্ৰচাৰ কৰা হয়।

**ঘ) দূৰদৰ্শন ( Television or T. V. )**

বৰ্ত্তমান বিজ্ঞাপন জগতত আলোড়নৰ সৃষ্টি কৰা এক শক্তিশালী মাধ্যম হৈছে টেলিভিছন তথা দূৰদৰ্শন। এই মাধ্যমৰ প্ৰধান সুবিধা হৈছে এই যে ইয়াৰ জড়িয়তে আমি নৱ-নতুন উৎপাদিত সামগ্ৰীৰ কথা জানিব পাৰো তথা তেনে সামগ্ৰীবিলাক নিজ চকুৰে টি,ভি,ৰ পৰ্দাত চাব পাৰো। এই মাধ্যমৰ যোগেদি বিভিন্ন কোম্পানীবোৰে নিজৰ উৎপাদিত সমগ্ৰীসমূহ নিমিষতে আমাৰ চকুৰ আগত ডাঙি ধৰিব পাৰিছে। বিজ্ঞাপনৰ এই মাধ্যম প্ৰায় ৪০ বছৰ পুৰণি যদিও আমাৰ দেশৰ বাবে ই সিমান পুৰণি নহয়।

**ঙ) কেবুল টি,ভি, ( Cable T.V. )**

আজিকালি বিশ্বৰ ডাঙৰ ডাঙৰ চহৰ সমূহত কেবল টি,ভি,ৰ প্ৰচাৰ বহুলভাবে হৈছে। এই কেবল টি ভিৰ সহায়েৰে বিশ্বৰ অনেক কোম্পানীবোৰে নিজৰ উৎপাদিত সামগ্ৰী সমুহ বিশ্ববাসীৰ চকুৰ আগত টি,ভি, চেটৰ পৰ্দাত ডাঙি ধৰিব পাৰিছে। আমাৰ ভাৰতবৰ্ষতো কেবুল টি,ভি, প্ৰচাৰ অলপতে আৰম্ভ হৈছে। স্থানীয় দোকানীবোৰেও নিজৰ বিক্ৰীজাত সামগ্ৰীৰ বাৰ্তা লোকেল চেনেলৰ'ৰ সহায়ত আমাৰ আগত ডাঙি ধৰিবলৈ সক্ষম হৈছে। আমাৰ দেশত প্ৰচাৰিত এনে কিছুমান চেনেল হৈছে - জি,টি,ভি, হম টি,ভি, কাৰটুন নেটৱৰ্ক, জি, চিনেমা, বি,বি,চি, ডিছক'ভাৰি, এনিমেল প্লেনেট, চ'নি, ষ্টাৰ প্লাছ, ই, এচ, পি, এন ইত্যাদি। বিজ্ঞাপনৰ মাধ্যম হিচাপে এই কেবুল টি,ভি,ৰ অৱদান গুৰুত্বপূৰ্ণ।

**চ) বোলছবি**

বোলছবি হৈছে বিজ্ঞাপনৰ অন্যএক জনপ্ৰিয় মাধ্যম। বৰ্তমান আমাৰ দেশত বোলছবি গৃহ ( Cinema-

Hall ) থকা চহৰৰ সংখ্যা হৈছে ৪৫৭০ আৰু বোলছবি গৃহৰ সংখ্যা প্ৰায় ৯০০০। প্ৰায় ৮৫০ জন দৰ্শকে গড় হিচাপে প্ৰত্যেক বোলছবি গৃহত দৈনিক বোলছবি উপভোগ কৰে। বোলছবি সমূহত প্ৰচাৰ কৰা বিজ্ঞাপনক আমি তিনিভাগত বিভক্ত কৰিব পাৰো। যেনে ফিল্মলেট ছোলাছ ফিল্ম আৰু মেগজিন টাইপ। কিছুমান শ্লাইৰ্ডৰ সহায়েৰে বোলছবি গৃহ সমূহত বাণিজ্যিক বিজ্ঞাপন প্ৰচাৰ কৰা হয়। ইয়াৰ বাবে প্ৰয়োজন হয় তিনিৰ পৰা পাঁচমিনিট সময় মাত্ৰ।

ছ) বাহ্যিক বিজ্ঞাপন :

ক) পোষ্টাৰ :

'পোষ্টাৰ' হৈছে বহিঃবিজ্ঞাপনৰ এক অতি সহজ মাধ্যম। এখিলা কাগজত বিজ্ঞাপনৰ বাবে পচন্দ কৰা সামগ্ৰীৰ নাম আৰু বিজ্ঞাপনদাতাৰ নাম আৰু ঠিকনা-লিখি চহৰৰ দেৱাল কাঠৰ বেৰ, টিংপাত আদিত মানুহৰ দৃষ্টি পৰাকৈ আঠা লগাই আঁৰি দিলেই হয়। এনে বিজ্ঞাপন সুবিধা এই যে ই কম খৰছি তথা ইয়াৰ বাবে কম ঠাইৰ প্ৰয়োজন হয়।

খ) ছবিগত প্ৰদৰ্শনী ( Painted Display ):

ছবিগত প্ৰদৰ্শনীৰ অৰ্থ হৈছে ছবিগত বাৰ্তা তথা দেৱাল প্ৰদৰ্শনী। এনে প্ৰদৰ্শনীত কেইজনমান চিত্ৰ শিল্পীয়ে চহৰৰ দেৱাল বেৰ আদি বিজ্ঞাপন সামগ্ৰীৰ ছবিৰ চিত্ৰাংকণ কৰে। এনে প্ৰদৰ্শনীসমূহ সৰু ডাঙৰ সকলো চহৰতে প্ৰদৰ্শন কৰা হয় বিভিন্ন কোম্পানীৰ চিমেণ্ট, ডিটাৰ্জেণ্ট, বেটাৰী, টি, ভি, চফ্‌ট্‌ড্ৰিংক, চাবুন, টুথপেষ্ট ৰেফ্ৰিজাৰেটৰ ইত্যাদিৰ চিত্ৰ প্ৰদৰ্শনী আমি প্ৰায়ে সৰু ডাঙৰ চহৰত দেখিবলৈ পাওঁ। এই চিত্ৰ-প্ৰদৰ্শনীবিলাকত ব্যৱহৃত 'বিজ্ঞাপন বাৰ্তা' প্ৰায়ে মনোগ্ৰাহী হয়।

গ) ভ্ৰমনগত প্ৰদৰ্শনী ; (Travelling Display) :

ভ্ৰমণগত প্ৰদৰ্শনী বুলিলে সাধাৰণতে আমি বাচ, ট্ৰাক, টেক্সি, অটো-ৰিক্সা, হাতঠেলা, ৰিক্সাবিলাকৰ জৰিয়তে কৰা বিজ্ঞাপন প্ৰদৰ্শনীকে বুজো। এনে প্ৰদৰ্শনীত বিজ্ঞাপনদাতাই উক্ত বাহনসমূহৰ বহিঃভাগত বিজ্ঞাপন বাৰ্তা অতি মনোগ্ৰাহী ধৰনেৰে লিখাই দিয়ে। কিছু কিছু ক্ষেত্ৰত এটুকুৰা প্লেইন চিটত বিজ্ঞাপনৰ বাৰ্তা লিখাই তাক বাহনসমূহৰ বহিঃভাগত সুবিধাজক স্থানত লগাই দিয়ে। উক্ত বাহনসমূহ দৈনিক এঠাইৰ পৰা আন ঠাইলৈ অহাযোৱা কৰা বাবে ইয়াৰ লগতে বিজ্ঞাপন বাৰ্তাও এঠাইৰ পৰা আনঠাই পায়গৈ। এনে বিজ্ঞাপন সুবিধা এই যে ভিন ভিন স্থানৰ মানুহে ইয়াৰ দ্বাৰা উপকৃত হ'ব পাৰে।

ঘ) আলোক লেখন : Electrical Sign )

'আলোক লেখন' বিজ্ঞাপন আধুনিক বিজ্ঞাপন জগতৰ এক অমূল্য অৱদান। বিশ্বৰ ডাঙৰ ডাঙৰ চহৰ সমূহত আজি এনে বাণিজ্যিক বিজ্ঞাপনৰ জোৱাৰ উঠিছে। 'আলোক লেখন' বিজ্ঞাপনত বিজ্ঞাপন বাৰ্তাক বৈদ্যুতিক আখৰৰ দ্বাৰা নিশাৰ সময়ত দোকান পোহাৰ ৰেষ্টুৰেণ্ট বাৰ আদিত আলোকময় কৰি তোলা হয়। সাধাৰণতে ৰঙা, সেউজীয়া অথবা নীলা ৰঙৰ পোহৰময় বিজ্ঞাপন বাৰ্তা এনে ক্ষেত্ৰত যথেষ্ট মনোগ্ৰাহী হয়। আমাৰ দেশৰ মোম্বাই, বাঙ্গালোৰ, দিল্লী, চেন্নাই, কলিকতা আদি মহানগৰীত এনে আলোক লেখনৰ জৰিয়তে বিজ্ঞাপন যথেষ্ট সফল হৈছে।

ঙ) আকাশ লেখন ( Sky writing )

'আকাশ লেখন' বিজ্ঞাপনত 'বিজ্ঞাপন বাৰ্তাক ডাঙৰ ডাঙৰ বেলুন অথবা বিভিন্ন চাইজ আৰু ডিজাইনৰ চিলাৰ সহায়ত আকাশত উৰুৱাই ফুৰা হয়। এই ধৰণৰ বিজ্ঞাপন যথেষ্ট মনোগ্ৰাহী হয়। সাধাৰণতে ক্ৰিকেট, ফুটবল অথবা হকী খেলৰ সময়ত এনে ধৰণৰ কৰা বিজ্ঞাপন আনাৰ চকুত পৰে। বহিঃ বিজ্ঞাপনৰ মাধ্যম হিচাপে 'আকাশ লেখন' বিজ্ঞাপনৰ ভুমিকাও প্ৰশংসনীয়।

উপৰোক্ত বিজ্ঞাপনৰ মাধ্যমবোৰৰ বাদেও আজিকালি সৰু সৰু কেলেণ্ডাৰ, ডাইৰী, পোষ্টকাৰ্ড, পম্পালেট, ফল্ডাৰ আদিও বিজ্ঞাপন মাধ্যম হিচাপে ব্যৱহাৰ কৰা দেখা যায়। সুদূৰ ভৱিষ্যতে এনে আৰু কিমান মাধ্যম দেখা পোৱা যায় সেইটো কোৱাহে কঠিন হ'ব।





# "কেৰিয়াৰ"

শ্ৰীযোগসুন্দৰ গগৈ।
উঃ মাঃ ২য় বাৰ্ষিক, কলা শাখা।

বৰ্ত্তমানৰ যুগটো হল Compitition ৰ যুগ। এই যুগত খাপ খাই চলিবলৈ আমি Compitition ত Participate কৰিব লাগিব আৰু তেতিয়াহে এখন সুন্দৰ পৃথিৱী উপভোগ তথা অন্তঃ দৃষ্টিৰে পৃথিৱী-খনক জানিব পৰা যাব।

এখন ধুনীয়া ধৰণী উপভোগ কৰিব খুজিলে যোগ্য হব লাগিব অৰ্থাৎ শাৰীৰিক দক্ষতা, মানসিক তৎপৰতা, জীৱন যাত্ৰাৰ সঠিক ষ্ট্ৰেটজি, ধৈৰ্য্য সকলোতে আমি পাৰদৰ্শিতা দেখুৱাব পাৰিব লাগিব। তাৰ বাবে লাগিব নেৰানেপেৰা চেষ্টা। চেষ্টাৰ অসাধ্য একো নাই।

আমি এইটো জানো যে Without ambition is a boat without rudder লক্ষ্য-বিহীন জীৱনৰ গতি এখন বঠা নোহোৱা নাঁৱৰ দৰে। ইয়াৰ পৰা হাত সাৰিবলৈ আমি নিজৰ কেৰিয়াৰ গঢ়াৰ প্ৰয়োজন। জীৱনৰ এটি উন্নত স্থানত উপনীত হবলৈ কেইটিমান কেৰিয়াৰৰ চমু বিৱৰণ দিয়া হ'ল।

## I.F.S. Officer ( Indian Foreign Officer)

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে যি কোনো শাখাতে স্নাতক উপাধি লাভ কৰাৰ পিছত চিভিল ছাৰ্ভিচেছ এক্সামিনেশান দি Indian Foreign Service ত প্ৰবেশ কৰিব পাৰে। ইণ্ডিয়াৰ ফৰেষ্ট ছাৰ্ভিচত প্ৰবেশ কৰিবলৈ উদ্ভিদ বিদ্যা বা প্ৰাণীবিদ্যা বা ভূ-তত্ত্ব বা কৃষি বা অভিযান্ত্ৰিক বিজ্ঞানৰ স্নাতক হব লাগিব।

## I.D/C.B.I.

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে স্নাতক উপাধি পোৱাৰ পিছত চিভিল ছাৰ্ভিচেছ এক্সামিনেশ্যন দি ইয়াত ৰাজ-পত্ৰিত অধিকাৰী হ'ব পাৰি। অৰাজ-পত্ৰিত কৰ্মচাৰীৰ বাবে সংস্থা দুয়োটাই বাতৰি কাকতত বিজ্ঞাপন দিয়ে। সেইমতে আবেদন কৰিলে অৰাজ-পত্ৰিত বিষয়া বা কৰ্মচাৰী হব পাৰি।

## C.I.D

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে বি এ ডিগ্ৰী পোৱাৰ পিছত চিভিল ছাৰ্ভিচৰ পৰীক্ষা দি ইণ্ডিয়ান পুলিচ ছাৰ্ভিচ বা অসম পুলিচ ছাৰ্ভিচত ভৰ্তি হব পাৰিলে চি আই ডি বিভাগত সোমাৰ সুযোগ পাব।

## আৰ্কিটেক্ট

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত পদাৰ্থ বিজ্ঞান, ৰাসায়ন বিজ্ঞান আৰু গণিতত ৫০ শতাংশ নম্বৰ পালে আৰ্কিটেক্ট হবলৈ যি কোনো ইঞ্জিনীয়াৰিং কলেজত নাম লিখাব পাৰি। চৰকাৰী বৃত্তিলৈ পঢ়িব খুজিলে কাহিলীপাৰা গুৱাহাটীত থকা অসম চৰকাৰৰ কাৰিকৰী শিক্ষা সঞ্চালকালয়ত খা-খবৰ কৰিব। প্ৰায়ভেটকৈ পঢ়িব খুজিলে অসমৰ বাহিৰত থকা ইনষ্টিউটৰ লগত যোগাযোগ কৰিব লাগে।

এনে শিক্ষানুষ্ঠানৰ নাম ঠিকনা থকা গাইড বুক গুৱাহাটীৰ কিতাপৰ দোকানত পোৱা যায়। এই বিষয় পঢ়ি ছাত্র-ছাত্রী নিবনুৱা হৈ থকা নাই।

### এৰ'নটিকেল ইঞ্জিনীয়াৰ

ইচ্ছুক ছাত্র-ছাত্রীয়ে পদাৰ্থবিদ্যা, ৰসায়ন বিদ্যা, গণিতত নিম্নতম ৫০ শতাংশ নম্বৰ লৈ হায়াৰ ছেকেণ্ডৰী পাছ কৰি উঠি আই আই টিৰ জে ই ই পৰীক্ষা দি আই আই টি খড়গপুৰ বা কাণপুৰত এৰ'নটিকেল ইঞ্জিনীয়াৰিঙৰ বি ই কোৰ্ছ পঢ়িব পাৰি।

### বিচাৰপতি

বি এ পাছ কৰাৰ পিছত এল এল বি পৰীক্ষা পাছ কৰি উঠি APSC এ অনুষ্ঠিত কৰা Assam Judicial Service ৰ প্ৰবেশ পৰীক্ষা দি সফল হ'লে বিচাৰপতি হব পাৰি।

### Hotel Managment

Hotel Managment পঢ়িবলৈ National Council for Hotel Managment and Catering Teachnology, Library Avenue Pusa, New Delhi - 110005 বা Oberoi School of Hotal Managment, 1 Sham Nath Nagar, New Delhi-110054 লৈ চিঠি লিখিলে সকলো জানিব পৰা যাব।

### Computer Managment

ইচ্ছুক ছাত্র-ছাত্রীয়ে বি. এছ. চি. পৰীক্ষাত নিম্নতম ৫০ শতাংশ নম্বৰ পালে দেবী অহল্যা বাই বিশ্ববিদ্যালয় ইন্দোৰত Master of Computer Managment পঢ়িব পাৰি। বিজ্ঞাণ্ট যিমানেই ভাল হয় সিমানেই ভাল ইনষ্টিটিউটত পঢ়িব পাৰি।

### ডি,এছ,পি ( D.S.P. )

ইচ্ছুক ছাত্র-ছাত্রীয়ে যি কোনো শাখাতে স্নাতক উপাধি পোৱাৰ পিছত ইউ. পি. এছ. চিয়ে পতা চিভিল ছাৰ্ভিছেছ এক্সামিনেশ্যন দি আই পি এছ আৰু সংশ্লিষ্ট সেৱাৰ পৰীক্ষত উত্তীৰ্ণ হৈ এ. পি. এছত ভৰ্তি হলে Deputy Superintent of Police হব পাৰি। শিক্ষাগত অৰ্হতা তেনেই সাধাৰণ যদিও আই পি এছ/এ পি এছৰ চাকৰীৰ ভৰ্তি পৰীক্ষা অতিশয় প্ৰতিযোগিতা মূলক হোৱা বাবে প্ৰায় ১০০০ ঘণ্টামান মনপুতি পঢ়িব লাগিব।

### কমাৰ্চিয়েল পাইলট

ফ্লাইং ক্লাবৰ পৰা দূৰৈত থকা মফচলীয়া ঠাইৰ ছাত্ৰৰ বাবে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় উৰণ একাডেমী, ফুৰসংগঞ্জ ৰায়বেৰেলী ( ইউ পি ) জিলা এক উপযুক্ত পাইলট ট্ৰেইনিং কলেজ। ইয়াত ছিট পাবলৈ গণিত আৰু পদাৰ্থবিদ্যাসহ ১০+২ পৰ্য্যায়ৰ পৰীক্ষা পাছ কৰা হ'ব লাগিব। ইয়াত থকা খোৱাৰ বাবদ মাহিলী ২০০ টকা আৰু মাচুল হিচাপে বছৰি ৩ লাখ টকা দিব লাগে। চৰকাৰী বৃত্তিৰ সংখ্যা তেনেই তাকৰীয়া বাবে অসমৰ ছাত্র-ছাত্রীয়ে বেংকৰ পৰা ধন ধাৰে লোৱা ব্যৱস্থা কৰিহে নাম লিখাৰ যো জা কৰিলে সুবিধা হব বুলি ভবা যায়।

### Nursing ( নাৰ্চ )

ইচ্ছুক ছাত্রীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত জীৱবিদ্যা, ৰাসায়ন বিদ্যা আৰু পদাৰ্থ বিজ্ঞানত নিম্নতম ৫০ শতাংশ নম্বৰ পালেহে বি নাৰ্ছিং পঢ়িব পাৰি। কলা শাখাৰ ছাত্রীয়ে Associated Nurse Cam Midwife শিক্ষা লব পাৰে। তাৰ বাবে গুৱাহাটীত ৰেডক্ৰছ হাস্পাতালৰ লগত যোগাযোগ কৰিলে ভাল হয়। গুৱাহাটীত থকা Regional College of Nursing, Bhangarh, Gowahati- 781005 ত নাৰ্চিঙৰ বিভিন্ন পাঠ্যক্ৰম পঢ়াৰ সুবিধা আছে।

### হোমিঅ চিকিৎসক

ইচ্ছুক ছাত্র-ছাত্রীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আৰু ৰাসায়ণ বিজ্ঞানত অতি কমেও ৫০ শতাংশ নম্বৰ পালেই হোমিঅপেথি চিকিৎসাৰ স্নাতক বা ডিপ্লমা কোৰ্হত পঢ়িবলৈ আবেদন কৰিব পাৰি।





### বি ফাৰ্ম

ইচ্ছুক ছাত্র-ছাত্রীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত পদাৰ্থ বিদ্যা, ৰাসায়ন আৰু গণিতত অতি কমেও ৫০ শতাংশ নম্বৰ পালে আৰু ইংৰাজী ভাষা বাধ্যতামূলক বিষয় হিচাপে পঢ়িলে বি ফাৰ্ম পঢ়িব পাৰে। অসমৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি ভাৰতৰ প্ৰায়বিলাক বিশ্ববিদ্যালয়তে বি ফাৰ্ম পঢ়াৰ সুবিধা আছে। অসম চৰকাৰৰ বৃত্তি লৈ পঢ়িব পৰা বি ফাৰ্ম কলেজৰ নাম ঠিকনা বিচাৰি গুৱাহাটী কাহিলিপাৰাত থকা ডাইৰেক্টৰ অৱ টেকনিকেল এডুকেশ্যন, অসম চৰকাৰৰ লগত যোগাযোগ কৰিব পৰা যায়।

### নাৰ্ছাৰী টিচাৰ্ছ

ইচ্ছুক ছাত্র-ছাত্রীয়ে যি কোনো শাখাত উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰা পিছত Diploma in Pre-School Education নামৰ নাৰ্ছাৰী স্কুলৰ শিক্ষক প্ৰশিক্ষণ পাঠ্যক্ৰম MS University of Baroda, Vadodra, Gujrat, Madurai Kamraj University, Madurai, Tamil Nadu, Osmania University, Hyderabad, Panjab University, Chandigarh ত পঢ়িব পাৰি।

### Metallurgical Eagg বা Oil Technology

মেটেলাজি বা ধাতুশাস্ত্ৰ তন্ত্ৰজ্ঞান পঢ়িবলৈ হলে উচ্চতৰ মাধ্যমিক পৰীক্ষাত পদাৰ্থ বিদ্যা, ৰাসায়ন আৰু গণিতত নিম্নতম ৫০ শতাংশ নম্বৰ পোৱা হ'ব লাগিব। VRCE, Abhyankar Nagar P.O. Nagpur 440011 ত এই বিষয়ৰ চাৰি বছৰীয়া পাঠ্যক্ৰম পঢ়াৰ সুবিধা আছে।

অইল টেকন'লেজিৰ বাবে ৰসায়ন বিজ্ঞানসহ প্ৰথম শ্ৰেণীৰ বি, এছ, চি পৰীক্ষা পাছ কৰি উঠি Laxminarayan Institute of Chemical Technology Anaravati Road, Nagpur- 440001 বা UDCT. University of Bombay, Matunga, Mumbai ত পঢ়িব পাৰি।

### ফৰেষ্ট ৰেঞ্জাৰ

অসম ফৰেষ্ট লোকসেৱা আয়োগে ফৰেষ্ট ৰেঞ্জাৰৰ খালী ঠাই পূৰণৰ অৰ্থে প্ৰবেশ পৰীক্ষা পৰিচালনা কৰে। ৰাজ্যিক বন বিভাগৰ পৰা অনুৰোধ পালেই বাতৰি কাকতত বিজ্ঞাপন দিয়া হয় বিজ্ঞাপন দেখিয়েই আবেদন কৰিব। সাধাৰণতে নিঘূণীয়া আৰু নিৰোগী শৰীৰৰ, অবিবাহিত আৰু স্নাতক উপাধি থকা ভাৰতীয় নাগৰিক ৰেঞ্জাৰৰ পদবীৰ অগ্ৰাধিকাৰ দিয়া হয়।

### এয়াৰক্ৰেফট মেইনটেনেন্স ইঞ্জিনীয়াৰিং

ইচ্ছুক ছাত্র-ছাত্রীয়ে এই ঠিকনাত যোগাযোগ কৰিব পাৰে—

i) Hindusthan Academy of Engineering and Applied Sciences, 61 Cambridge Road, Ulsoor, Bangalore- 560008.

ii) Hindusthan Institute of Engineering Technology, 40 North Prade, St Thomas Mount Chennai-600016.

iii) Nehru College of Aeronantics and Applied Sciences, Kaniamuther Coimbatore 641008.

### আৰক্ষী বিষয়া

ইচ্ছুক ছাত্র-ছাত্রীয়ে UPSC এ অনুস্থিত কৰা IAS/IPS বা APSC এ অনুস্থিত কৰা SCS/APS পৰীক্ষাত উত্তীৰ্ণ হলে পুলিচ সেৱাত ভৰ্তি হ'ম বুলি আগ্ৰহ দেখুৱালে Indian/Assam Police Service ৰ ওচ্চ বিষয়া হব পাৰি।

### M.V.I.

ইচ্ছুক ছাত্র-ছাত্রীয়ে মেকানিকেল ইঞ্জিনীযাৰিঙৰ ডিপ্লমা বা স্নাতক উপাধি থকা মানুহে ৰাজ্যিক লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত বাহান পৰীক্ষাত উত্তীৰ্ণ হ'লে ৰাজ্য চৰকাৰে এম, ভি, আই এজনে আত্যন্তৰীণ চয়নৰ দ্বাৰা জিলা পৰিবহণ বিষয়া হব পাৰে।

Company Secretoryship

ইচ্ছুক ছাত্ৰ ছত্ৰীয়ে Company Secretoryship পঢ়িব খুজিলে —

Institute of Company Secretories of India, ICSI House, 22 Institutional Area, Lodi Road. New Delhi- 110003 ৰ লগত যাগাযোগ কৰিলে ভালদৰে জনা যাব।

Actor ( অভিনেতা )

যি কোনো শাখাত স্নাতক উপাধি পোৱাৰ পিছত Film and Television Institute of India Law College road, Pune- 411004 বা National School of Drama. Bhawnlpur House. Bhagawandas Road, New Delhi- 110001 ত পঢ়িলে বৃত্তিশীল অভিনেতা হ'ব পাৰি।

ইণ্টেৰিয়ৰ ডিজাইনিং ( Interior Designing )

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক বিজ্ঞান চূড়ান্ত পৰীক্ষাত অতি কমেও ৬০ শতাংশ নম্বৰ পালে— Centre of Environmental Plannig and Technology School of Interior Design, University Road, Navarang Pure, Ahmedabad-380009 ত ইণ্টেৰিয়ৰ ডিজাইনৰ ৪ বছৰীয়া ডিপ্লমা কোৰ্ছ পঢ়িব পাৰি। নামভৰ্তিৰ বাবে ইংৰাজী মাধ্যমত বাছনি পৰীক্ষা হয়।

ক্ৰিকেট খেলুৱৈ

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে খেলৰ অভ্যাস নেৰাকৈয়ে ভালদৰে স্নাতক উপাধি লোৱাৰ পিছত ৰেলৱে, ইণ্ডিয়ান এয়াৰ লাইন্স আদি ৰাজহুৱা খণ্ডৰ ক্ৰীড়ানুৰাগী প্ৰতিষ্ঠানত যোগদান কৰিব পাৰিলে ভৱিষ্যতে ভাল সুযোগ পোৱা যাব অথবা Sports Authority of India ৰ লগত যোগাযোগ কৰিলেও ভালেমান লাগতিয়াল কথা জানিব পাৰি। সেয়েহে Netaji Subhash National Institute of Sports Authority of India, Mati bagh, Patiala- 147001 লৈ চিঠি দ্বাৰা যোগাযোগ কৰিব পাৰি।

ৰবটিক বিজ্ঞানী

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে ইলেক্ট্ৰনিক্সৰ বি ই বা টেক ডিগ্ৰী পোৱাৰ পিছত ৰবটিক বিজ্ঞানত স্পেচিয়েলাইজ কৰিব পাৰি। তাৰ বাবে বিজ্ঞান শাখাত +২ পৰ্য্যায়ৰ পৰীক্ষা ভালদৰে পাছ কৰি ইঞ্জিনিয়াৰিং কলেজত পঢ়িব লাগিব।

( সহায় লৈ )



# আশাহত পক্ষীৰ ক্ৰন্দন

শ্ৰীযোগেন্দ্ৰ নাথ দাস
স্নাতক ২য় বৰ্ষ ( বিজ্ঞান )
প্ৰাণী বিজ্ঞান বিভাগ।

অনামিকা বৰুৱা, চমুকৈ "অনু"। এটা মৰম লগা নাম। উজনি অসমৰ এখন কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা। অনন্য তথা অতুলনীয় ৰূপ আৰু গুণৰ অধিকাৰিণী। সৰগৰ পৰীৰ দৰেই ধুনীয়া তাই। এপাহ পৱিত্ৰ সদ্য-প্ৰস্ফুটিত ফুলৰ দৰেই মৰমলগা। ঘন-ক'লা চেলাউৰিৰে সৈতে হৰিণৰ দৰে এযোৰি চকু। অনবৰতে ওঁঠত লাগি থকা সলজ্জ মিচিকিয়া হাঁহিটোৱে তাইক আৰু মোহনীয় কৰি তুলে। এই হাঁহিটো সকলোৰে অতি প্ৰিয়, পৰিচিত। চালে চাই থাকিবৰে মন যায়, হেঁপাহ নপলায়। তাইৰ এই ৰূপটোৱে সকলোকে অন্যমনস্ক ক'ৰি তোলে। মনটোক কল্পনাৰ ৰঙীন ৰাজ্যত ভ্ৰমিবলৈ যেন বাধ্যহে কৰে।

অনামিকা বৰুৱা কলেজত "অণু বাইদেউ" নামেৰেই জনপ্ৰিয় আৰু পৰিচিত। তাই কলেজৰ সকলো ছাত্ৰ-ছত্ৰীৰে অতিকৈ আদৰৰ—শ্ৰদ্ধাৰ অণু বাইদেউ। কেতিয়াবা কলেজৰ ছাত্ৰ-ছাত্ৰী, আনকি সহকৰ্মীৰ মাজতো অণুৰ ৰূপ তথা গুণৰ চৰ্চা হ'য়।

বহুদিনৰ মূৰত অজয়ৰ পৰা এখন চিঠি পাই অণুৱে নিজৰ শ্ৰেণী আধাকুৱা কৰি গুচি আহিছে। বৰ আগ্ৰহেৰে তাই চিঠিখন পঢ়ি শেষ কৰিছিল। চিঠিখন পঢ়ি উঠি তাইৰ বেদনাৰে সিক্ত হৃদয়খন অধিক ভাৰাক্ৰান্ত হৈ পৰিছিল। সেইয়ে তাই নিজৰ কমৰ বিচনাত পৰি কান্দিছে, ওলাই অহা কান্দোনবোৰক তাই আজি বাধা দিয়া নাই। হৃদয়ৰ পাৰ ভাঙি বৈ অহা বেদনাৰ নৈ খনক ভেটা দিবলৈ তাই বৃথা চেষ্টাও কৰা নাই। তাই যেন হেপাঁহ পলুৱাই কান্দি লব। দুখ-বেদনাৰে পৰিপূৰ্ণ হৈ থকা ভগ্ন হৃদয়খন নিকা কৰি ল'ব। একমাত্ৰ কান্দিলেই যদি দুখ-বেদনাৰ উপশম ঘটে, শান্তি পোৱা যায়, তেন্তে তাই কান্দিয়েই থাকিব।

তাই মনত পৰাৰ দিনৰ পৰা কোনো দিন, কোনো পৰিস্থিতি, কোনো কথাতেই তাই ইমান দুৰ্ব্বল হৈ পৰা নাছিল। তাইৰ আছিল প্ৰচণ্ড আত্মবিশ্বাস। কিন্তু তাই ভাবি নাপালে আজিৰ এই দুৰ্ব্বলতা কিহৰ বাবে, কাৰ বাবে? ইয়াৰ উৎসনো কি?

সদ্য প্ৰস্ফুটিত যৌৱনৰ দুৱাৰ দলিত, কলেজীয়া জীৱনৰ আৰম্ভণিতে তাই লগ পাইছিল অজয়ক। তাইৰ অতিকৈ আপোন "জয়দা" বা তাৰ সম্পূৰ্ণ নাম অজয় কাকতি। তাইতকৈ এবছৰৰ ছিনিয়ৰ আছিল। প্ৰথম দৃষ্টিতেই তাইৰ অজয়ক ভাল লাগিছিল। দুদিনৰ পাছত চিনাকিও হৈছিল। সিহঁতৰ মাজত গঢ়ি উঠিছিল আত্মীয়তা আৰু বন্ধুত্ব। তেনেদৰেই এদিন সিহঁত পৰিবৰ্তিত হৈছিল জয় আৰু অণুলৈ। অণু নামটোও অজয়েই দিছিল তাইক। ক'ব নোৱাৰাকৈয়ে অজানিতে পৰস্পৰে পৰস্পৰক ভাল পাই পেলাইছিল।

সপোন দেখাটো স্বাভাৱিক। দেখিবই। সকলোৱে সপোন দেখে। প্ৰেমে ভালপোৱাৰ প্ৰথম পুৱাতেই সিহঁতেও দেখিছিল ভৱিষ্যতৰ সুন্দৰ সুখী জীৱনৰ বহু ৰঙীন সপোন। সাজিছিল কল্পনাৰ বালিঘৰ। সিহঁতেও কল্পনা কৰিছিল এখন ৰঙীন পৃথিৱীৰ য'ত সিহঁত, অজয় আৰু অণুৰ বাহিৰে নাথাকিব অন্য কোনো।

প্ৰকৃতিৰ দৰেই সিহঁতৰ জীৱনলৈও পৰিৱৰ্তন আহিল। বহুত সলনি হ'ল। প্ৰকৃতিৰ দৰেই সিহঁতৰ জীৱনলৈও বসন্তৰ আগমন ঘটিল, শীত সৰ্বস্বান্ত কৰা গছবিৰিখলৈও কুঁহিপাতৰ আগমন হ'ল, ন-ৰূপেৰে সজ্জিত হ'ল। সিহঁতৰ ৰঙীন সময়বোৰ বিস্মৃতিৰ অটল গহ্বৰত পৰি ৰ'ল। সিহঁতৰ জীৱন ইতিহাসত নতুন পৃষ্ঠাৰ সংযোজন ঘটিল।

হায়াৰ ছেকেণ্ডৰীৰ শিক্ষা সম্পূৰ্ণ কৰি এদিন ডাক্তৰ হোৱাৰ ইচ্ছাৰে অজয় অনিচ্ছা সত্বেও গুচি গৈছিল কলিকতালৈ। সেই দিনা অণুৰ বৰ দুখ লাগিছিল। নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিছিল। ভৱিষ্যত জীৱনৰ প্ৰতি লক্ষ্য ৰাখিয়েই তাই নিজকে শান্ত্বনা দিয়াৰ চেষ্টা কৰিছিল। সিহঁতে সঘনে যোগা যোগ ৰক্ষা কৰি চলিছিল। অজয়েও চিঠি দিছিল— তাইও প্ৰত্যুত্তৰত লিখিছিল। অলপ দিন খবৰ নাপালেই তাই অজান আশংকাত ভুগিছিল, চিন্তিত হৈ পৰিছিল। সহপাঠী, বন্ধু-বান্ধৱৰ মাজতো তাই ধৰা পৰি গৈছিল।

অণুৱেও এদিন হায়াৰ ছেকেণ্ডৰী পাছ কৰিলে। স্থানীয় কলেজত নপঢ়ি তাই ইচ্ছা কৰিয়েই ডিব্ৰুগড়ত এখন কলেজত নাম ভৰ্ত্তি কৰিলে। মাক-বাপেকৰ আগত ধৰা নপৰিবলেই তাই বাছি লৈছিল হোষ্টেলৰ জীৱন ঘৰ এৰি আহিবৰ পৰত তাই যন্ত্ৰনাত উচুপি উঠিছিল। হোষ্টেলত প্ৰথম দিনা অণুৰ যিমান ভাল লাগিছিল, সিমান বেয়াও লাগিছিল। একালে নিজ পিতৃ-মাতৃ, আপোন জনৰ লগত বিৰহৰ বেদনাত তাইৰ যিমান দুখ লাগিছিল, হোষ্টেলত ভিন্ন ঠাইৰ ভিন্ন বান্ধৱী সকলৰ লগত মিলিত হৈ তাই সিমানেই আনন্দও লভিছিল।

হোষ্টেলৰ জীৱনৰ প্ৰথম কেইদিন মান তাই বৰ অস্বস্তিত কটাইছিল। অলপো মন ৰহা নাছিল। তাই নিজকে চম্ভালি লৈছিল। ৰাতি বিছনাত পৰাৰ সময়ত তাইৰ ঘৰলৈ বৰ মনত পৰিছিল। ঘৰত এৰি অহা অকণমানি ফুলনিখন, পদূলিৰ শেৱালি জোপালৈ বৰকৈ মনত পৰিছিল নিজৰ প্ৰিয়জনলৈ অজয়লৈ। তাই তাক পাবলৈ অতি ব্যাকুল হৈ পৰিছিল। ডিব্ৰুগড়ৰ নতুন পৰিবেশত হোষ্টেলৰ নতুন জীৱনত অলপ দিনৰ ভিতৰতেই তাই অভ্যস্ত হৈ পৰিছিল। অজয়ৰ পৰামৰ্শ মতেই তাই প্ৰাণীবিদ্যাকে "সন্মানীয় বিষয়" হিচাপে বাছি লৈছিল।

দিনৰ পাছত মাহ, মাহৰ পাছত বছৰ পাৰ হৈ গ'ল। অণুৱেও শিক্ষাৰ ক্ৰমবৰ্ধমান জখলাৰে আগুৱাই গ'ল। এদিন ইউনিভাৰ্চিটিৰ "বেষ্ট গ্ৰেজুৱেট" হিচাপে স্নাতক উপাধি ললে। অনুৰূপ ধৰণে স্নাতকোত্তৰ ডিগ্ৰীও ল'লে। আনফালে অজয়েও ডাক্তৰি পাছ কৰি ঘূৰি আহিল। সমাজত নিজকে ডাক্তৰ হিচাপে প্ৰতিষ্ঠা কৰিছিল। অণুৱেও এখন কলেজত অধ্যাপিকা হিচাপে যোগদান কৰিলে। সিহঁতৰ মাজৰ সম্বন্ধও ক্ৰমাৎ গভীৰৰ পৰা গভীৰতৰ হ'ল। প্ৰকৃতিৰ নিয়ম অনুসৰিয়েই গতানুগতিক ভাৱে দিনবোৰ পাৰ হৈ গ'ল।

কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীয়েই অণুক বৰ ভাল পাইছিল। অতি কম দিনৰ ভিতৰতে তাই জনপ্ৰিয় হৈ পৰিছিল। ছাত্ৰ-ছাত্ৰী সকলে তাইক যিমান ভাল পায়, সিমান ভয় তথা শ্ৰদ্ধাও কৰিছিল। অণুৰ জীৱনত ইতিমধ্যে চৌবিশটা বসন্তৰ পৰশ পৰিল, শেৱালি জোপাৰ ক'ত পাত সৰিল, ক'ত ফুল ফুলি মৰহি গ'ল, প্ৰকৃতিৰ বুকুলৈ বহু পৰিবৰ্ত্তন নামি আহিল। তথাপি অজয় আৰু অণুৰ মনৰ কোনো পৰিৱৰ্ত্তন নহ'ল। সিহঁত আগৰ দৰেই ৰৈ গ'ল। ইটোৱে সিটোৰ বাবে সঁচা হৈ ৰ'ল।

কিন্তু অণুৰ ঘৰখনে অজয়ক জোঁৱাই হিচাপে সমৰ্থন নকৰিলে, সিহঁতৰ সঁচা প্ৰেমক স্বীকৃতি নিদিলে। কিন্তু ঘৰখনে নিবিচৰা অজয়ক তাই পাহৰিব নোৱাৰিলে





তাৰ জীৱনৰ পৰা আতঁৰিও আহিব নোৱাৰিলে। বহু কষ্টেৰে বহু দিনৰে পৰা বহু বাধা বিঘিনি নেওচি আবৃত কৰি ৰখা, হৃদয়ত ৰূপন কৰা অজয়ৰ ছবিখন অণুৱে উভালি পেলাব নোৱাৰিলে।

অণুৱে ভাবি নাপাইছিল— কিয় জানো তাইৰ ঘৰখনে অজয়ক বিচৰা নাছিল? এই প্ৰশ্নৰ উত্তৰ বিচাৰি ব্যাকুল হৈ পৰে তাই। উদগ্ৰীৱ হৈ থাকে। কেতিয়াবা তাই নানা কথা ভাৱে। নিজকে প্ৰশ্ন কৰে ".... ....অজয়ৰ অতীতত ঘটা কিছুমান ঘটনা কাহিনীয়েই তাৰ বাবে দায়ী নেকী?" কিন্তু তাইতো অজয়ৰ তেনে কোনো কাহিনী নাজানে। দিন যোৱাৰ লগে লগে এই প্ৰশ্নবোৰ তাইৰ বাবে সাঁথৰ হৈ ধৰা দিলে। এই প্ৰশ্নৰ উত্তৰ অণুৱে আজিও জনা নাই, হয়তো তাই এই জীৱনত নাজানিবও পাৰে। অণুৱে কিন্তু ঘৰখনৰ অজ্ঞাতেই অজয়ক ভাল পাই থাকিল। কেতিয়াবা তাইৰ মনে-প্ৰাণে যন্ত্ৰনাত কান্দি উঠে, পিতৃ মাতৃক তেনেদৰে ফাঁকি দিয়াৰ বাবে, আভুৱা ভৰাৰ বাবে। এনেতেই এদিন সুদূৰ মুম্বাইৰ পৰা তাইলৈ বিয়াৰ প্ৰস্তাৱ আহিছিল— যাক তাই পোনচাটেই নাকচ কৰিছিল। তাই যিমান ডাঙৰ হৈ আহিল, জনা বুজাও হ'ল, সিমানে অভিজ্ঞতাও লাভ কৰিলে। নতুনকৈ জীৱনটোক মূল্যায়ন কৰিবলৈ শিকিলে। বেদনাই তাইক অস্থিৰ কৰি তুলিলে।

এনেদৰেই দিনবোৰ পাৰ হৈ গ'ল। বহুত চেষ্টা কৰিলে তাই মাক-দেউতাকক মান্তি কৰাবলৈ। তাইৰ সকলো চেষ্টা অনুৰোধ অথলে গ'ল। বহু কষ্টেৰে তাই এখাৰ অজয়লৈ লিখিছিল— ".... .... .... জয়দা, মই আজি তোমাৰ ভালপোৱাৰ মূল্য দিবলৈ অপাৰগ দিয়াত ব্যৰ্থ। তুমি তোমাৰ ভাল লগা দ্বিতীয় এজনী অণুক বিয়া কৰোৱা। তোমাৰ জীৱনটো ধ্বংস নকৰিবা। মই এইদৰেই থাকি সুখী হ'ম। " .... ...." কিন্তু অজয় আছিল সুউচ্চ হিমালয়ৰ দৰেই দৃঢ় স্থিৰ। সি নিজৰ স্থিতিত অটল হৈয়ে ৰ'ল সি যেন অজেয়? পৰাজয় কেতিয়াও স্বীকাৰ নকৰে।

অজয়েও তাইৰ চিঠিৰ উত্তৰত লিখি পঠাইছিল ".... .... .... শুনা অণু, মই এনে ভুল কেতিয়াও নকৰো। গোটেই জীৱনটো চিৰকুমাৰ হৈয়ে কটাম। চিৰদিন তোমাৰেই হৈ ৰ'ম অণু। তোমাৰ পৰা দূৰত থকিলেও চকুৰ আতঁৰ হলেও তুমি মোৰ মনৰ আতঁৰ হোৱা নাই। আতঁৰ হ'ব নোৱাৰা। মোৰ নিচেই কাষতেই আছা। ইয়াৰ বাবে মই কেতিয়াও দুখ নাপাওঁ, আনন্দহে লাগিব। মই কি ভাবো জানা অণু? এইখন পৃথিৱীত নহলেও মৃত্যুৰ পিছত ইখন পৃথিৱীত নিশ্চয় আমাৰ মিলন হবই। এই জনমত নহলেও ইটো জনমত। পুনৰ জন্মৰ পতীক্ষাত, মই অধীৰ আগ্ৰহেৰে বাট চাই ৰম তোমালৈ। আমাৰ পৱিত্ৰ ভাল পোৱাক কেতিয়াও অপমান নকৰো মই অণু। কেতিয়াও নকৰো। .... ....!" আৰু বহুতো কিবা কিবি লিখিছিল। অণুৰ বৰ দুখ লাগে অজয়ৰ দৰে এটা লৰাই এনেদৰে জীৱনটো পাৰ কৰিব লগা হোৱাত। তাৰ বাবে তাইয়েই দায়ী নহয় জানো?

অণুৱে কেতিয়াবা বৰ দুৰ্বল হৈ পৰে। নীড়-হাৰা পক্ষীৰ দৰেই তাই বেদনাত চট-ফটাই মৰে। অজয়ৰ কাষলৈ গুচি যাব বিচাৰে, কিন্তু নোৱাৰে। তাই যে পিতৃ-মাতৃ, ঘৰখনৰ মৰমৰ মায়াজালত বন্দী। এৰিব নোৱাৰে ঘৰখনক, এৰিবও নোৱাৰে অজয়ক। তাই নিৰুপায়, শূণ্যতে ডেউকা ভগা চৰাইৰ দৰেই যে তাই! পদূলি মূৰৰ শেৱালি জোপাত চকু পৰিলেই তাইৰ হৃদয়ে হাঁহাকাৰ কৰি উঠে— শেৱালি জোপাত ক'ত বসন্তই গৰকি গ'ল, ক'ত ফুল ফুলিল, ক'ত যে ফুলফুলিও মৰহি গল. সৰি পৰিল! তাইৰ কল্পনাৰ ফুলপাহৰ কলিটোহে ঠন ধৰিছিল, ফুলিবলৈ নাপালেই। কাৰোবাৰ অতি নিষ্ঠুৰ হাতেৰে ছিঙি পেলালে।

অণুৱে এবাৰ পুনৰ অন্য কাৰোবাক বিয়া কৰাবলৈ অনুৰোধ জনাই অজয়লৈ এখন চিঠি লিখিছিল। আজি তাৰেই উত্তৰ পাইছে তাই। অণুৰ এই চেষ্টা, এই অনুৰোধো অথলে গ'ল। তাই কেতিয়াও সহ্য

কৰিব পৰা নাছিল। তাইৰ বাবেই অজয়ৰ জীৱনটো অথলে যোৱাটোক। তাই বিচৰাও নাছিল। এই মূহুৰ্ত্তত তাইনো কি কৰিব পাৰে? তাইৰ চিঠিৰ প্ৰত্যুত্তৰত অজয়ে লিখিছিল "......... তোমাৰ চিঠিয়ে আচৰিত কৰি তুলিছে মোক অণু। কোনো দিনেই আশা কৰা নাছিলো তোমাৰ পৰা পুনৰ এনে এটা অনুৰোধ পাম বুলি। তুমি কিয় ইমান দুৰ্ব্বল হৈ পৰিছা? আগতেতো কেতিয়াও নাছিলা। বহুদিনৰ আগতে কোৱা কথাবোৰ পাহৰি নাযাবা। এনেদৰেই জীৱনটো পাৰ কৰি ভাল লাগিছে মই বৰ সুখী অণু। তুমি থকা দিনলৈকে মই কোনো দিনে অকলশৰীয়া অনুভৱ নকৰো। মই চিৰদিনা তোমাৰেই হৈ ৰম অণু। এই জীৱন তোমাক মৰম – ভালপোৱাক লৈয়েই কটাই দিম। অতীতৰ স্মৃতিবোৰেই মোক জীয়াই থাকিবৰ বাবে প্ৰেৰণা যোগাব। তুমি মোক তেনে অনুৰোধ নকৰিবা। মোক বুজিবলৈ চেষ্টা কৰা অণু ........"

আজি কান্দিছে, খুব কান্দিছে তাই। অজয়ৰ চিঠি পাই। কিন্তু এই কান্দোন, বেদনাৰ চকুলো তাইৰ নিজৰ বাবে নহয়, "আপোনজন", অজয়ৰ মৰমৰ বাবেই কান্দিছে তাই। এইদৰেই অজয়ে যেন নিজৰ ওপৰতেই প্ৰতিশোধ লৈছে। আত্মহননৰ পথ বাছি লৈছে। স্বপ্নভংগৰ বেদনাত তাই ধৰফৰাই আছে বিচনাত পৰি। তাইৰ মন অস্থিৰ, বহুতো প্ৰশ্নৰ উত্তৰ বিচাৰি। এটা সময়ত তাই কান্দি কান্দি ভাগৰি পৰিল। কি কৰিব এতিয়া তাই? হাঁহিবনে আৰো কান্দিব? তাইৰ, এই আশাহত পক্ষীৰ করুণ বিননি মাকদেউতাকে শুনিছে নাই তাই নাজানে। নাই নাই, তাই আৰু নাকান্দে। মাথো হাঁহিব, চিৰজীৱন হাঁহিয়েই থাকিব। তাইৰ কানো দুখ নাই, নাই কোনো অভিমান। তাইৰ এই জীৱনৰ বাবে ভগৱানক ধন্যবাদ জনাইছে, নিজকে ধন্য-মানিছে। গৌৰৱত তাইৰ বুকু ফুলি উঠিছে– অজয়ৰ নিচিনা আকাশৰ দৰে এখন বিশাল হৃদয়ৰ, সাগৰৰ দৰে গভীৰ– বহল মনৰ মৰম – ভালপোৱাৰ গৰাকী হৈ।

অজয়ৰ অৱস্থাতো মনত পৰি পিচমূহূৰ্তত তাইৰ পুনৰ দুখ লাগে। তাৰ কি হ'ব এতিয়া. চিৰজীৱন সি কি এইদৰেই মাথো তাইৰ বাবেই কটাই দিব? হয়তো সেয়ে হ'ব, অজয়ে তাকেই কৰিব। এই শক্তি অজয়ৰ আছে। অজয়ক ইমান ওচৰৰ পৰা পোৱা, জনা-বুজাৰ সৌভাগ্য এই পৃথিৱীত হয়তো তাইৰেই ঘটিছিল। মানুহক এই সংসাৰত জীয়াই থাকিবলৈ লাগে এধানিমান সঁচা – পৱিত্ৰ মৰম। অজয়ৰপৰা তাই, আৰু তাইৰ পৰা অজয়ে তেনে মৰমেই পাইছিল। সেয়ে দুয়োটাই ইজনে সিজনৰ মৰম ভালপোৱাৰ মাজেদিয়েই জীৱনটো পাৰ কৰি নিয়াৰ কল্পনা কৰিছিল, সপোন দেখিছিল। কিন্তু সেই কল্পনা, সেই সপোন সপোন, হৈয়েই ৰ'ল। সময়ৰ নিষ্ঠুৰ পৰশত কল্পনাৰ বালিঘৰ খহি পৰিল। সিহঁতৰ সপোন কল্পনা ৰাজ্যৰ সীমা অতিক্ৰম কৰিব নোৱাৰিলে। কিন্তু কিয় তাই নিজৰ ঘৰখনক মান্তি কৰাব পৰা নাই? তাইৰ এই দুৰ্ব্বল দিশটোনো কি? এনে কিছুমান প্ৰশ্নৰ উত্তৰ তাই আজিও যে পাব পৰা নাই।

আজিৰ আবেলিটো অণুৱে কান্দি কান্দিয়েই পাৰ কৰি দিলে। কিন্তু তাই নাজানে। কিহৰ বাবে কান্দিছে তাই। এই কান্দোন আনন্দ নে দুখৰ? এই কান্দোনক কোনেও নুবুজিব বুজিবলৈ চেষ্টাও নকৰিব। তাই আজি ইমান ভাগি পৰাৰ কাৰণ কি? আজি যেন তাই হেঁপাহ পলোৱাই কান্দি ললে। বহুদিনৰ পৰা সঞ্চিত হৈ থকা দুখ – বেদনাবোৰ চকুলোৰ আশাৰে ধাৰাষাৰে বৈ আহিছিল। কিন্তু একমাত্ৰ কংক্ৰিটেৰে গঢ়া কোঠাটোৰ নিৰ্জীৱ বেৰ কেইখনৰ বাদে আন কোনোৱে শুনা নাই, দেখাও নাই। অৱশ্যে এই দুৰ্ব্বলতা আনৰ আগত প্ৰকাশ পোৱাটোও তাই নিবিচাৰে।

দিনমণিয়ে নিজৰ কৰ্ত্তব্য পালন কৰি যেন ঘূৰিগল। প্ৰকৃতিৰ বুকুলৈ আন্ধাৰ নামি আহিল। এটা ভয়ংকৰ দানৱৰ দৰেই কোঠাটোক আন্ধাৰে এফালৰ পৰা গ্ৰাহ কৰি আনিলে।

অণুৱে ইচ্ছা কৰিয়েই লাইটটো নজ্বলালে। এই সময়ত তাই পোহৰতকৈ আন্ধাৰহে বেছি ভাল লাগিল। ৰঙা গোলাপ ফুল পাহিতকৈ কেতিয়াবা তাৰ কাঁইত বোৰকো ভাল লাগে, তেনেদৰেই। ঘৰৰ পৰা নাতিদূৰতে থকা নামঘৰৰ পৰা ডবা – শংখৰ ধ্বনি ভাঁহি আহিল। সুদূৰৰ মজজিদৰ পৰা অহা আজানৰ কণ্ঠ ৰিণ্ৰিণ্কৈ তাইৰ কাণত পৰিছেহি। চহৰৰ গীজাঘৰৰ ঘণ্টাৰ কোবেবোৰ কোনোবাই তাইৰ বুকুত হাতুৰীৰে কোবোৱাৰ দৰে লাগিল। তাই ৰিক্ত হৃদয়ৰ যন্ত্ৰনাত বিচনাতে পৰি ৰ'ল। অন্ধকাৰতে চকুলোবোৰ মচি ল'লে। এই-সময়ত তাই অনুভৱ কৰিছে – তাইযেন আজি বৰ ভাগৰ কৰা অতিকৈ ক্লান্ত। তাইৰ জীৱন নদীৰ গতিপথ কৰবাত হেৰাই গ'ল, ছন্দৰ পতন ঘটিল। কোনোবাই জানো শুনিব তাইৰ বেদনাৰে পূৰ্ণজীৱন গাঁথা, তাইৰ করুণ বিননি। এইয়াযে আশাহত পক্ষীৰ ক্ৰন্দন।

# জানিবলগা সংবাদ

সংগ্ৰাহক – শ্ৰীতীৰ্থ দাস
স্নাতক ১ম বৰ্ষ

১। কোন দেশৰ এগৰাকী ১৭ বছৰীয়া যুৱতীয়ে ৭ বাৰ বিশ্ব ভ্ৰমণ কৰে?

উঃ– ইংলেণ্ডৰ কুমাৰী ওৱেলণ্ডীৰেৰীয়ে।

২। সকলোতকৈ অধিক ওজন সম্পন্ন মহিলাগৰাকী কোন?

উঃ– মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কুমাৰী পাচি পাল। ওজন ৩৯৯ কি. গ্ৰাঃ।

৩। সমগ্ৰ বিশ্বৰ ভিতৰতে বেগী বুলি জনা ধুমুহা কোন ঠাইত হৈছিল আৰু এই ধুমুহাটো গতিবেগ কিমান অছিল?

উঃ– মাৰ্কিন যুক্তৰাষ্ট্ৰৰ টেকচাচ্ অঞ্চলৰ ওপৰেদী ১৯৫৮ খ্ৰীষ্টাব্দৰ ২ এপ্ৰিলত বৈ যোৱা ধুমুহাটো। ইয়াৰ গতিবেগ অছিল ঘণ্টাত ৪৪৮ কিলোমিট।

৪। সবাতোকৈ দীৰ্ঘ সময় ধৰি বক্তৃতা দিয়া ব্যক্তি জন কোন?

উঃ– শ্ৰীলঙ্কাৰ শ্ৰীমান ডাবলিউ দাহানায়ক। এওঁ ১৯৪৫ চনত সিংহল (এতিয়া শ্ৰীলংকা) ষ্টেট্ কাউন্চিলত একেৰাহে ১২ ঘণ্টা বক্তৃতা দি এই বিশ্বৰেকৰ্ড স্থাপন কৰিছিল।

৫। পৃথিৱীৰ কত ইতিহাসৰ সবাতোকৈ ডাঙৰ জাহাজ দূৰ্ঘটনা ঘটিছিল?

উঃ– ১৮৯২ খ্ৰীঃ ১০ এপ্ৰিলৰ দিনা আটলান্টিক মহাসাগৰত টাইটানিক নামৰ যাত্ৰীজাহাজখন সাগৰত ভাহি থকা তুষাৰ পাহাৰৰ সৈতে ইমান জোৰে খুন্দা খাইছিল যে জাহাজডুবাৰ ফলত সেই জাহাজখনৰ শত শত যাত্ৰী আৰু চালক সকলৰ সলীলসমাধি ঘটে। প্ৰসঙ্গতঃ সেই যাত্ৰাটেৱে আছিল জাহাজখন প্ৰথম সমুদ্ৰযাত্ৰা।

# অস্ত সূৰুযৰ ৰং

শ্ৰীভাস্কৰজিৎ বৰা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান )

প্ৰাৱিতা ......................... প্ৰাৱিতা বৰুৱা ! হয়, তাইৰ নামেই প্ৰাৱিতা; যাৰ দেহৰ ভাঁজে ভাঁজে আছে যৌৱনৰ পূৰ্ণ প্ৰাচুৰ্য্য ! যিকোনো যুৱকক আকৰ্ষিত কৰিব পৰাকৈ গোলাপৰ পাপৰিহেন এযোৰি লৱণু কোমল ওঠ; হৰিণিৰ দৰে বৈ পৰা নীলাভ দুচকু; য'ত লুকাই আছে প্ৰেমৰ অযুত ভাষা । তিলফুলযেন নাকটি আৰু পিঠিলৈকে পৰা ঘন ক'লা চুলিটাৰিৰ সৈতে এগৰাকী অপৰূপ সুন্দৰী যুৱতী. যাক দেখিলে প্ৰত্যেকজন যুৱকৰ অন্তৰত ক্ষন্তেকৰ কাৰণে হলেও তাইৰ হৃদমন্দিৰত এভুমুকি মৰাৰ প্ৰৱল হাবিয়াস জাগি উঠিব।

এটা এৰিষ্টকেটিক পৰিয়াল নহলেও প্ৰাৱিতাহঁতৰ পৰিয়ালটো একেবাৰে ছালছিগা বিধৰো নহয় । দুজনী ছোৱালীৰ সৈতে চাৰিটি প্ৰাণীৰে এটি সুখী পৰিয়াল। বায়েক কবিতা প্ৰাৱিতাতকৈ তিনিবছৰ ডাঙৰ। অবশ্যে দুইজনী একেলগে থাকিলে সিহঁতক বাই-ভনী বুলি নকয় ! প্ৰাৱিতা সৰুৰে পৰাই চকুত লগা জনী আছিল ! কিন্তু কবিতা সিমান ধুনীয়া নাছিল সকলোৰে মুখে মুখে প্ৰাৱিতা সম্পৰ্কে যাৰ মাথোন কথা আছিল. "এনেকুৱা এজনী ৰূপৱতী ছোৱালী সমগ্ৰ চহৰ খনত আৰু দ্বিতীয় জনী নোলাব। "বয়সত তাইযে কিমান ধুনীয়া হ'ব ভাবিবই নোৱাৰি ।".......... .. .......... " বৰুৱা আপোনাৰ ঘৰত স্বয়ং লক্ষ্মীয়ে জনম লভিছে । চাব, এই ছোৱালীটিয়ে এদিন আপোনাৰ ঘৰখনলৈ গৌৰৱ কঢ়িয়াই আনিব ! ......... ......... ... প্ৰাৱিতাৰ দৰে ৰূপহী ছোৱালী এজনীৰ পিতৃ হবলৈ পোৱাটো আপোনাৰে সৌভাগ্য । সকলোৰে মুখত আপোন সন্তানৰ প্ৰশংসা শুনি দেউতাকৰ বুকুখন ফুলি উঠে ! আনন্দত গৌৰৱত শিশু প্ৰাৱিতা কৈশোৰৰ ফালে আগবাঢ়িল । জগৎ বৰুৱাৰ চোতাল মজিয়া দিনক দিনে নতুন নতুন ৰূপ আৰু সৌন্দৰ্য্যৰ ঐশ্বৰ্য্যেৰে উপচি পৰিবলৈ ধৰিলে । বৰুৱাৰ বাবে ঘৰখনত কেৱল প্ৰাৱিতা........... প্ৰাৱিতা ...........প্ৰাৱিতা........... .. ........... । যেন প্ৰাৱিতাৰ ৰূপৰ প্লাৱনত প্লাৱিত হ'ল ।

প্ৰাৱিতা এপাহ ফুল ! প্ৰাৱিতা এটা জোন ! প্ৰাৱিতা এটা স্বপ্ন । প্ৰৱিতা অনন্যা । তাইৰ যেন একোৰে লগতে তুলনা নহয় ।

মাজে মাজে মাকে সাৱধান কৰি দিয়ে ; লৰা-ছোৱালীক ইমান বেছি মৰম কৰা ভালহোৱা নাই । মাকৰ কথাত দেউতাকে কেৱল মুখ টিপ হাঁহিছিল ; প্ৰাৱিতাৰ নিচিনা এজনী ছোৱালীক মৰম নকৰাকৈ থাকিব পৰাটো নিশ্চয় মানুহৰ কাম হ'ব নোৱাৰে ! তেওঁ কাকো বুজাই কব নোৱাৰে প্ৰাৱিতাৰ নিচিনা এজনী ছোৱালীৰ দেউতাক হোৱাটো এখন ৰাজ্যৰ অধীশ্বৰ হোৱাতকৈ কিমান গৌৰৱৰ কথা ।

লাহে লাহে প্ৰাৱিতা যিমানে ডাঙৰহৈ আহিল, সিমানেই তাই নিজৰ ৰূপ সৌন্দৰ্য্যৰ প্ৰতি সজাগ আৰু সচেতন হৈ আহিল। তাইৰ চকু-মুখত নিজৰ ৰূপৰ কাৰণে এটা গোপন অহংকাৰ সাৰপাই উঠিল । সাৱধানে বা অসাৱধানতাৰে তাই নিজক দেখনিয়াৰ কৰি তুলিবৰ বাবে ৰূপ সাধনাত লাগিল । প্ৰাৱিতাৰ সকলো আব্দাৰ দেউতাকে বিনাপ্ৰতিবাদে হাঁহিমুখে মানি চলিব ধৰিলে, যেন তাই মূহূৰ্তৰ বাবেও উপলব্ধি নকৰক যে তাই কম দৰ্মহা পোৱা জগৎ মাষ্টৰৰ ছোৱালী । তাই "এম, এল, এ;" মিনিষ্টাৰ"ৰ জীয়েক নহয়, মধ্যবিত্ত বাপেকে তাইক ভাত – কাপোৰ খিনি দিব পাৰিলেও হীৰা, মুকুটা দিব নোৱাৰে ।

যেতিয়া দেউতাকে দেখিলে যে তাই দেখাই মেলাই যিমান ধুনীয়া পঢ়া—শুনাতো সিমানেই ভাল, তেতিয়া তেওঁৰ আনন্দৰ সীমা নোহোৱা হ'ল । প্ৰাৱিতাৰ কাৰণে তেওঁৰ সৰ্বস্ব উজাৰ কৰিদিবলৈ তেওঁ হাঁহি মুখে প্ৰস্তুত হ'ল । সৰু জীয়েক প্ৰাৱিতাৰ মৰমত দেউতাক ইমানেই অন্ধ হৈ পৰিল যে ডাঙৰ জীয়েক কবিতাৰ প্ৰতিওযে তেওঁৰ সমানেই কৰ্তব্য আছে তেওঁ পাহৰি গ'ল ! কবিতাই নীৰৱে চকুলো টোকে । কোনেও নেদেখাকৈ ! কিন্তু কিয়........? তাই নিজেও নাজানে। তাইৰতো কোনো অভাৱ নাই। খাবলৈ পাইছে, পিন্ধিবলৈ পাইছে. দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সকলো বস্তুৰেই । তথাপি ক'ৰবাত যেন কিবা এটা ক'ম ক'ম ভাৱ হয় । ........কিয় বাৰু........?

এদিন ফাগুন মহীয়া জোনাক ৰাতি কোনোবা গছৰ ডালত পৰি এটা কুলীয়ে মাতিলে, ক'ৰবাৰ পৰা বতাহত বনৰীয়া ফুলৰ মৃদু গোন্ধ উৰি আহিল; ৰূপালী জোনাকবোৰত কোনোবাই সোণগুড়ি ছটিয়ালে; ৰিব্ৰিব্কৈ বলা বতাহ জাক কিবা কিছুমান অৰ্থনোহোৱা কথাৰে গীতমুখৰ হৈ উঠিল; মাটিৰ বুকুৰ পৰা এটা আদিম কেঁচা গোন্ধ উৰি আহিল; চোতালৰ আগৰ বৰ গোলাপ জোপাৰ থোপা এটা এপাহ ফুল হৈ গ'ল । খিড়িকীৰ জলঙাইদি সোমাই আহি এধানি ৰূপালী জোনাকে প্ৰাৱিতাৰ টোপনি যোৱা কাণত কিবা এটা মধুৰ সম্বাদ ঢালি দিলে । তাইৰ আউলি-বাউলী চুলিৰ আঁহে আঁহে সোমাই ৰাতিৰ কোমল বতাহ জাকে আশীৰ্বাদৰ আঙুলি বুলালে ।

ৰাতিপুৱা এখন সৰল সুন্দৰ কিশোৰ মুখ কিছুমান অবুজ ভয়, শংকা, উদ্বেগ আৰু আনন্দৰে উপচি পৰিল । প্ৰাৱিতাৰ গোটেই জীৱনত প্ৰভাতৰ পূৱালী আকাশ খনক ইমান ৰক্তাভ, ইমান বৰ্ণলীৰে কাহানিও দেখা নাছিল । লাজত প্ৰাৱিতাৰ গাল-মুখ, বকু-কাণ এপাহ তেজ গোলাপ যেন ৰাঙলী হৈ উঠিল ।

আনন্দত জগৎ বৰুৱাৰ হৃদয় উপচি পৰিল তেওঁৰ আনন্দ চেষ্টা কৰিও ঢাকি ৰাখিব নোৱাৰা হ'ল প্ৰাৱিতাৰ যৌৱন লাভ যে তেওঁৰ জীৱনৰেই চৰম সাফল্যৰ স্বাক্ষৰ। কণমাণি ছোৱালী জনী কেতিয়া কেনেকৈ ইমানজনী হ'ল, গাভৰু হ'ল, ভাবিলেও আচৰিত লাগে ।

ফল বেছি পকিলে গেলিযোৱাটোৱেই প্ৰকৃতিৰ নিয়ম । প্ৰাৱিতাৰও সেইয়াই হ'ল । সকলোৰে লগতে দেউতাকৰ মৰম আৰু তাইৰ ৰূপৰ প্ৰশংসা শুনি শুনি গপতে ওফন্দি গঙ্গাটোপ যেন হৈ পৰিল । ঘৰুৱা কাম বুলিবলৈ আজি ১৮-১৯ বছৰে কুটা এগছিও দাঙি পোৱা নাই। কেৱল চৌব্বিছ ঘণ্টাই প্ৰকাণ্ড আইনা খনৰ সন্মুখত বহি ৰূপ সাধনাত মগ্ন । বায়েক কবিতাই পুৱাৰ পৰা গধূলি লৈকে ঘৰখনৰ সকলো আউল মাৰি ফুৰিব লাগে । যেন তাই চাকৰণিহে । প্ৰাৱিতাক সামান্য কাম এটা কৰিবলৈ কলেও দেউতাকৰ ৰঙা চকু দেখিব লাগে । এই বিলাক কথালৈয়েই মাক-দেউতাকৰ মাজত প্ৰায়ে বাক-বিতন্দা চলি থাকে । মাকে প্ৰায়ে কয়—আপুনি তাইক মূৰৰ ওপৰত তুলিলৈছে সঁচা । কিন্তু, চাব যাতে নাক কাণ কেইটা ৰক্ষা পৰে । তেতিয়া দেউতাকে গহিনাই কয় – তুমি মিছাতে কেপ্‌কেপাই নাথাকিবাচোন । চোৱা. তাই ঘৰখনৰ নুমলীয়া ছোৱালী; অকনমান বেছি মৰম কৰিলোৱেই যেনিবা, কিনো মহাভাৰতখন অশুদ্ধ হ'বহে ? বয়স হ'লে তাই নিজেই বুজিব নহয় মাকে জল্‌জলাই উঠে নহয় মহাভাৰত খন অশুদ্ধ নহয় । অশুদ্ধ হাব পিতৃ মাতৃ আৰু সন্তানৰ মাজৰ সম্বন্ধটোহে । ঘৰখনত সন্তান বুলিবলৈ মাত্ৰ দুজনী ছোৱালী; বাপেকটো হৈ আকৌ তাৰে এজনীক ক'লা, এজনীক বগা দেখে ।

হোঁহ, নুমলীয়া জীয়েৰে এতিয়া পানীকেঁচুৰা জনী হৈ আছেন হয় বয়স হলে আপোনি বুজিবলৈ ? যিদিনা সমাজৰ আগত মুখ উলিয়াব নোৱাৰা হ'ব সেই দিনাহে বুজিব জীয়েকে সৰুহৈয়ে আছে নে ডাঙৰ হ'ল। এনেয়েজানো এদিন এটাৰ পিছত, এদিন এটাৰ পিছত ঘূৰি ফুৰে ? জীয়েকৰ কথা আমি কলে আকৌ জগৰেই লাগে। দেউতাকে তীব্ৰ প্ৰতিবাদ কৰি কয়—কবিতাতকৈ প্লাৱিতা বেছি সাহসী আৰু মনোৰম থকা ছোৱালী; আৰু তাই পঢ়াশুনাতো ভাল, এজনী জ্ঞানী ছোৱালী। আজিকালি আৰু দুৱাৰ-ঘৰ মাৰি ছোৱালীক ভিতৰত খুমুৰাই ৰখাৰ দিন নাই। মৰমৰ শাসনেই আটাইতকৈ উত্তম শাসন। তুমি চিন্তা নকৰিবা। মাক নিৰস্ত্ৰ হয় দুশ্চিন্তা বাঢ়ি যায়।

দুশ্চিন্তাতকৈ দেউতাকৰ গৰ্ব্বই হৈছিল বেছি। য'তে যেয়ে তেওঁক লগ পায় কিবা নহয় কিবা উলিয়াই প্লাৱিতাৰ কথা কয়। —প্লাৱিতাৰ ৰূপ আৰু গুণৰ কথা উলিয়ায়। বাপেকৰ আগত জীয়েকৰ বিষয়ে তোষামোদজনক কথা অতি কমেই কয়। নিঃস্বাৰ্থভাৱেই তেওঁলোকে প্লাৱিতাৰ কথা কয়। আত্মতৃপ্তিত তেওঁৰ মনটো ভৰি উঠে।

প্লাৱিতা ধুনীয়া, প্লাৱিতা ৰূপহী, প্লাৱিতা অপৰূপা, প্লাৱিতা অনিন্দ্য সুন্দৰী ......।

সকলোৰে মুখে মুখে এই প্ৰশংসা বাণী। কোনোৱে সৰল ভাৱে কয়, কোনোৱে সামান্য তোষামোদ কৰে, অৱশ্যে নিঃস্বাৰ্থ ভাৱেই। প্লাৱিতাৰ পিতৃহিচাপে কেওঁৰ মন আনন্দেৰে ভৰি উঠে।

প্লাৱিতাৰ মাক কিয়জানো কিছু ভীতা। যেন ভালৰ কাৰণে প্লাৱিতা ইমান ৰূপহী হোৱা নাই। প্লাৱিতাৰ ৰূপ যৌৱনৰ প্ৰাচুৰ্য্যৰ অন্তৰালত যেন কিবা এটা ভয়াবহতাৰ গোপন সম্ভাৱনা লুকাই আছে আৰু তেওঁলোক সাৱধান আৰু সতৰ্ক হোৱা দৰকাৰ। দেউতাকে যিমানে মাকৰ শঙ্কা অমূলক বুলি হাঁহি উৰাই দিবৰ প্ৰয়াস কৰিলে, সিমানে মাক যেন বেছি সন্ত্ৰস্ত হ'ল।

হওঁতে মাকৰ দুশ্চিন্তা অমূলক নহয়। প্লাৱিতাৰ স্বভাৱ চৰিত্ৰৰ বহু পৰিৱৰ্তন হৈছে। আজি কালি তাইক যিকোনো সময়তে যিকোনো লৰাৰ লগত যিকোনো স্থানতে দেখিবলৈ পোৱা যায়। কেতিয়াবা ৰেষ্টুৰেণ্টত যদি কেতিয়াবা চিনেমা হলত: কেতিয়াবা বাইকৰ পিছফালে যদি কেতিয়াবা মাৰুতিৰ ভিতৰত। তাইৰ লগত এনি দেখা লৰা জন আৰু দ্বিতীয়দিনা দেখিবলৈ পোৱা নাযায় লবাবিলাক যেন তাই পৰিধান কৰা পোছাকহে, মনগলেই সলাইৰ অন্য এযোৰ পিন্ধি লব। এইবিলাকেই হয়তু তাইৰ ভাষ্যত প্ৰেমিক। আধুনিক যুগৰ প্ৰেম! চহৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ এনে এজন যুৱক নাই যাক তাইৰ কণ্টেকীয়া প্ৰেমৰ মায়াজালত বন্দী কৰিব পৰা নাই। কথাটো প্ৰত্যেকৰে জ্ঞাত যদিও লৰাবিলাক তাইৰ কাষলৈ আহে প্ৰেম (?) ভিক্ষা মাগিবলৈ। যেন ৰূপহী গাভৰু এজনী এদিনৰ বাবে কাষত লৈ ঘূৰিব পৰাটোও এটা গৌৰৱৰ কথা।—সৌভাগ্যৰ কথা।

দেউতাকে এটা চকু কণা আৰু এখন কাণ কলা কৰি সকলো দেখিও নেদেখা আৰু সকলো শুনিও নোশুনাৰ দৰে থাকিব লগা হৈছে। বৰ্ত্তমান যে প্লাৱিতা দেউতাকৰ শাসনৰ সীমাৰ পৰিধিৰ পৰা আশাতীত ভাৱে আঁতৰি গৈছে।

কলেজৰ আন দহজন লৰাই দৰেই কোনোবা এটা দুৰ্বল মুহূৰ্তত প্ৰীতমৰো হৃদয়ৰ গোপন কক্ষৰ দুৱাৰত প্লাৱিতাৰ প্ৰেমে টুকৰ মাৰিছিল। সি নিজকে সংযত কৰি ৰাখিবৰ বাবে আপ্ৰাণ চেষ্টা কৰিলে; কিন্তু বিফল প্ৰচেষ্টা। সি তাৰ হৃদয়ৰ গোপন কক্ষৰ দুৱাৰখন খুলি দিবলৈ বাধ্য হ'ল। কিন্তু কিয় .... ....? ইয়াৰ উত্তৰ হয়তু তাৰ ওচৰতো নাই। জীৱনত সি বহুত ছোৱালীকেই লগ পাইছে। বহুতে তাৰ ওচৰত প্ৰেমৰ ভিক্ষা মাগিছিল। সৌ সিদিনা সেইজনী ৰশ্মিয়ে তাৰ পৰা উপযুক্ত সঁহাৰি নাপাই এই বিচিত্ৰ পৃথিৱীৰ পৰা চিৰদিনৰ কাৰণে বিদায় মাগিলে। কিন্তু; .... .... কিন্তু সিহঁতৰ প্ৰতি কিয় তাৰ এনে ভাৱ নহৈছিল?— সি নিশ্চিত ভাৱে উপলব্ধি কৰিলে— যে সি প্লাৱিতাৰ প্ৰেমত পৰিছে। ইয়াত কোনো ভুল নাই। এইটো বুজিব পাৰি সি আচৰিত হ'ল। আচৰিত হল ভাবি— এই সকলোবোৰ কেনেকৈ সম্ভৱ হ'ল .... .... .... কথাটো ভাবি তাৰ লাজ লাগি গ'ল।

এদিন সি প্লাৱিতাক কেণ্টিনলৈ মাতিনি তাৰ মনৰ ভাৱ ব্যক্ত কৰিলে। প্ৰীতমৰ কথা শুনি তাই উন্মাদৰ দৰে হাঁহিবলৈ ধৰিলে। সেই হাঁহি যেন কোনোদিন বন্ধ নহব। হাঁহি হাঁহি যেন তাই নদীৰ পাৰৰ কহুঁৱাৰ দৰে হালি জালি মাটিতে বাগৰি পৰিব। —হাঁহি সামৰি প্লাৱিতাই তাচ্ছিল্যৰ সুৰত কলে—তোমাৰ দৰে ছালছিগা ভিকহু এটাই মোৰ দৰে ৰূপহী গাভৰু এজনীক ভালপাওঁ বুলি কবলৈ অলপো লাজ নালাগিল? ..........কি আছে তোমাৰ .....? ঘৰ-দুৱাৰ মাটি-বাৰী, টকা-পইচা, গাড়ী-ঘোঁৰা কি আছে তোমাৰ....? ....কি দিব পাৰিবা তুমি মোক? প্ৰীতমে করুণ অথচ দৃঢ় স্বৰে কলে—আন একো দিব নোৱাৰিলেও তোমাক মই দিব পাৰিম, এবুকু অকৃত্ৰিম মৰম। মোৰ বুকুত তোমাক দিবৰ জুখাৰ মৰম আছে।—মৰম দিবা? মৰম দিবৰ বাবে আন ছোৱালী বিচাৰিবা যোৱা। ফাল্টু কথা কৈ মোৰ সময় নষ্ট নকৰিবা। উপহাস মিশ্ৰিত কণ্ঠে কথাষাৰ কৈ প্লাৱিতা যাবলৈ উদ্যত হ'ল। প্ৰীতমে তাইক বাট ভেটি ধৰিলে— যোৱা প্লাৱিতা, যোৱা। কিন্তু যোৱাৰ আগতে এষাৰ কথা শুনি যোৱা। জীৱনত এই প্ৰীতম ৰাজকোঁৱৰে এজনী ছোৱালীকেই ভাল পাওঁ বুলি কৈছে। তাইৰ বাবে সি অনন্ত কাললৈকে প্ৰতীক্ষা কৰিব। .... ........ মই তোমাৰ বাবে অনন্ত কাললৈকে অপেক্ষা কৰিম। ...... .... মনত ৰাখিবা।

অসম্ভৱ ভাৱে সেই দিনটোৰ পৰা প্ৰীতম চহৰখনৰ পৰা অন্তৰ্ধান হ'ল। বহুতো বিচাৰ-খোচাৰ কৰিও তাৰ কোনো শুংসূত্ৰ পোৱা নগল। সকলোৱে প্ৰীতম মৰিল বুলি ভাবিলে, আৰু এসময়ত ঘটনাটো পাহৰি পেলালে। এই ঘটনাটোৱে প্লাৱিতাৰ হৃদয়ত কোনোধৰণৰ ৰেখাপাত কৰিববৈ সক্ষম নহল। আত্ম গৌৰৱত তাই আজি সকলো পাহৰি পেলাইছে। হৃদয় হৈ পৰিছে পাষাণ সদৃশ। তেনেকুৱা এটা কিয় হাজাৰটা প্ৰীতম চহৰখনৰ পৰা হেৰাই গলেও সেইয়াযে তাইৰ গৌৰৱৰহে কাৰণ। .... .... বিচিত্ৰ পৃথিৱীৰ বিচিত্ৰ লীলা, তাতোকৈ বিচিত্ৰ মানুহৰ মন

প্লাৱিতাৰ বাবেই বায়েকৰ বিয়াখনতো বাধা আহি পৰিছে। কাৰণ বায়েক প্লাৱিতাৰ দৰে দেখনিয়াৰ নহয়। তাতে মাকৰ অসুখ হোৱাৰেপৰা ঘৰৰ সকলো কামৰ হেঁচা তাইৰ ওপৰতে পৰাত বয়সৰ চাপ সুস্পষ্ট হৈ পৰিছে। সমস্যাটো হ'ল কবিতাক চাবলৈ অহা সকলে প্লাৱিতাকহে পছন্দ হোৱা বুলি কয়। প্লাৱিতাৰ বিয়াৰ আগতে কবিতাৰ বিয়া হোৱাটো অসম্ভৱ যেন দেখি অৱশেষত মাক-দেউতাকে প্লাৱিতাকে বিয়া দিয়াৰ কথা ঠিক কৰিলে। কিন্তু প্লাৱিতাই অসম্মতি প্ৰকাশ কৰিলে। তাই বোলে বি,এ পাছ নকৰালৈকে বিয়াত নবহে। মাক-দেউতাক বিমোৰত পৰিল; যেন তেওঁলোকৰ মূৰত সৰগহে ভাগি পৰিল। তাইৰ সম্মতি অবিহনেতো ধৰি-বান্ধি বিয়া দিব নোৱাৰি।

কবিতাৰ অদৃষ্ট সুপ্ৰসন্ন হ'ল। এদিন হঠাতে স্থানীয় কলেজ এখনৰ অধ্যাপক এজনে কবিতাৰ বিয়া হৈগল। মাক-দেউতাকে স্বস্তিৰ নিস্বাস পেলালে। এটি পুত্ৰ সন্তানৰ সৈতে কবিতাৰ এতিয়া এখনি সুখৰ সংসাৰ।

প্লাৱিতা আজি অনুতপ্ত; কিন্তু তাইৰ বহুত পলম হৈ গ'ল। বয়স জানো কাৰোবাৰ বাবে ৰৈ থাকিব? যৌৱনৰ আকাশত ৰঙীন পখিলা জনী হৈ উৰি ফুৰোতে তাই ভৱিষ্যতৰ কথা চিন্তা কৰিবলৈ আহৰিকে নাপালে। সময়ৰ দুবাৰ গতি; পাঁচ বছৰ হ'ল প্লাৱিতাই বি,এ পাছ কৰি ঘৰতে বহি থকা। কলেজীয়া জীৱনতে কত ডাক্তৰ, ইঞ্জিনিয়াৰ আহিল বিয়াৰ প্ৰস্তাৱ লৈ; তাই সকলোকে উপেক্ষা কৰিলে। নাজানো কিহৰ আশাত ...... আৰু বহুত আহিল। মাক-দেউতাকে কত কাবৌ কাকুতি কৰিলে! কিন্তু তাই বিয়াত সম্মতি নিদিলে। বৰ্ত্তমান সিহঁতৰ ঘৰলৈ বিয়াৰ প্ৰস্তাৱলৈ অহা মানুহৰ সোত বন্ধ হৈ পৰিছে। এতিয়া যে তাই সকলোৰে উপেক্ষিতা।

সমালোচনাৰ পাত্ৰী। যিখন প্ৰকাণ্ড আইনাৰ সন্মুখত বহি তাই ৰূপসাধনা কৰিছিল। নিজৰ ৰূপত অভিভূত হৈ ঘণ্টাৰ পিছত ঘণ্টা ধৰি তন্ময়হৈ নিজৰ প্ৰতিবিম্বটো চাই ৰৈছিল। সেইখন আইনা চাবলৈও তাইৰ আজি-কালি ভয় লাগে। আইনাখনেও যেন তাইক ইতিকিং কৰে। তাইৰ সেই ৰূপ দেখি আইনা খনেও যেন মনে মনে হাঁহে। যেনেকৈ হাঁহে ওচৰ চুবুৰীয়াই। তাই আজি সেই কলেজীয়া প্লাৱিতাজনী হৈ থকা নাই। সেই কমনীয়তা, সেই ৰূপ, সেই যৌৱন কালৰ বুকুত হেৰাইয়োৱাৰ উপক্ৰম হৈছে। তাইৰ হাঁহিটোৱে আজি ডেকালৰাৰ বুকুত অযুত তৰংগৰ সৃষ্টি কৰিব পৰা শক্তি আৰু নাই। তাই আজি মৰ্মে মৰ্মে উপলব্ধি কৰিছে— যে তাইক জীৱনটো অতিবাহিত কৰিবৰ বাবে এজন পুৰুষ সঙ্গী; এখন পুৰুষ হৃদয়ৰ মৰম আৰু সহানুভূতিৰ নিতান্তই প্ৰয়োজন। যাৰ অবিহনে তাই জীৱণৰ পূৰ্ণতা উপলব্ধি কৰিব নোৱাৰে। কিন্তু,·······যৌৱনৰ বলীয়া বা ছাটিয়ে যে তাইৰ অপূৰণীয় ক্ষতি কৰিথৈ গ'ল। সেই সময়ত তাই এবাৰো ভাবিছিল নে বাৰু তাইৰ অহংকাৰেই যে এদিন তাইৰ জীৱনলৈ বাৰিষাৰ প্লাৱন মাতি আনিব? —যিজন দেউতাকে তাইক কান্তি-পৰহিলৈকে এটা কাঁইটৰ আঁচোৰ নলগাকৈ মৰমৰ পাখিৰে আবৃত কৰি ৰাখিছিল। সেইজন দেউতাক আজি তাইৰ প্ৰতি তেনেই উদাহীন। যিজন দেউতাকৰ মৰম ছাঁয়াত কৈশোৰৰ পৰা যৌৱন অতিবাহিত কৰিলে সেইজন দেউতাকৰ চকুলৈ চোৱাৰ সাহসকণও যে তাই হেৰুৱাই পেলাইছে। কেতিয়াবা তাইৰ চিঞৰি চিঞৰি কান্দিবৰ মনযায়; কিন্তু কান্দিবও নোৱাৰে। —আজি তাই তেনেই অকলশৰীয়া। তাইৰ বেদনাৰ সমভাগী আজি কোনো নাই অজস্ৰ বেদনা চেপি-খুন্দি বুকুৰ মাজতে ধৰি ৰাখিছে। অব্যক্ত বেদনা ·······।

যৌৱন স্বপ্নৰ সোণালী কাৰেংটো চকুৰ আগতে জহি খহি, ধ্বংসস্তুপত পৰিণত হৈ পৰিব ধৰিছে। ....পুনৰ নিৰ্মান জানো সম্ভৱ ...? — কথাবিলাক ভাৱি ভাৱি প্লাৱিতা বিচনাতে বাগৰি আছে। — ক্ৰিং ....ক্ৰিং .... এনেতে ফোনটো বাজি উঠিল। ঘৰত মাক দেউতাক কোনো নথকাত তাই নিজৰ কমৰ পৰা ওলাই আহি ৰিছিভাৰটো দাঙি ধৰিলে — হেল্ল' ....। আগন্তুকৰ কণ্ঠস্বৰ শুনি প্লাৱিতা থৰ লাগি ৰ'ল। তাই যেন নিজৰ কাণকে বিশ্বাস কৰিব পৰা নাই। —এইয়া কি সম্ভৱ ....? — প্লাৱিতাৰ মুখমণ্ডলত এক অপৰূপ জ্যোতি পৰিস্ফুত হৈ উঠিল, যেন তাই কোনোবা এটা গুৰুত্বপূৰ্ণ পৰীক্ষাৰ ফলাফলহে পালে। খট্ কৈ ৰিছিভাৰটো ক্ৰেডেলত থৈ প্লাৱিতা এজনী ষোড়ষী গাভৰুৰ দৰে নিজৰ কমলৈ দৌৰি গ'ল। তাইৰ যেন আজি আনন্দৰ সীমা নাই। আনন্দত আত্মহাৰাহৈ যেন চঞ্চল হৰিণিৰ দৰেই দেও দি নাচি-বাগি গান গাব। কিছুসময়ৰ পিছত এটি গীতৰ কলি গুণগুনাই তাই দেউতাকৰ কমত প্ৰৱেশ কৰিলে। হাতত এটা লেফাফা। দেউতাকৰ টেবুলত পেপাৰ প্ৰেচাৰটোৰ তলত "লেফাফাটো থৈ তাই কমৰ পৰা ওলাই আহিল। য'ত লিখা আছিল মাত্ৰ তিনিটা বাক্য — "দেউতা, মই তোমালোকৰ বোজাহৈ থাকিব নিবিচাৰো। চিৰদিনৰ বাবে তোমালোকৰ কাষৰ পৰা আঁতৰি আহিলো। আশাকৰো, সৰুজী বুলি অজানিতে কৰা সকলো ভুল ক্ষমা কৰিব। তোমালোকৰ আশীৰ্বাদ বিচাৰি — 'প্লাৱিতা'!" তাইৰ চকুৰ কোণত দুটোপাল অশ্ৰুকণা জিলিকি উঠিল। নাজানো হেৰুৱাৰ বেদনাৰ নে পোৱাৰ আনন্দত। চকু পানীয়ে হৰ্ষ - বিষাদ দুয়োৰে লগৰী। কাপোৰ-কানি সলাই তাই ধীৰ পদক্ষেপেৰে বাহিৰ ওলাল। ৰাজপথত ভৰি দিয়েই তাই ৰিক্সা এখনত উঠি পৰিল।— "গামেৰিকাৰ পৰা পাছ কৰি অহা এজন নামজ্বলা চিকিৎসক ডাঃ প্ৰীতম ৰাজকোঁৱৰ। যাক মই এদিন মনেপ্ৰানে ঘৃণা কৰিছিলো। কলেজৰ সকলো লৰা-ছোৱালীৰ আগত কেন্টিনত অতি বেয়াকৈ তিৰস্কাৰ কৰিছিলো। —মোলৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়োৱাৰ বাবে। আৰু আজি মই প্ৰীতমৰ ওচৰলৈ দৌৰি আহিছো, তেওঁ আগবঢ়োৱা বিয়াৰ প্ৰস্তাৱত সন্মতি জনাবলৈ। --সঁচাকৈয়ে মই বৰ স্বাৰ্থপৰ নেকি বাৰু...............?" বাৰে বাৰে তাইৰ চকুৰ আগত কলেজীয়া প্ৰীতমৰ সেই নিস্পাপ সহজ-সৰল মৰমিয়াল মুখখন ভাঁহি উঠিল। "আজি অত বছৰৰ মূৰত ডাক্তৰহৈ উলটি আহিছে। তেওঁবা কেনেকুৱা হৈ আছে ..............?" হয়তু মোৰ দৰেই কাণৰ কাষৰ দুই এডাল পকা চুলিয়ে বয়সৰ কথা সঁকিয়াই দিছে।" মন্দিৰৰ ওচৰত ৰিক্সাখন ৰৈ যোৱাতহে তাই বাস্তৱলৈ ঘূৰি আহে। ৰিক্সাৰ ভাড়াটো দিয়েই তাই মন্দিৰৰ চৌহদত প্ৰবেশ কৰিলে। বুকুখন দুৰু দুৰুকৈ কঁপি উঠিল: অজ্ঞান আশংকাত। মন্দিৰৰ সন্মুখৰ খাঁহনি ডৰাত এজন মানুহ ৰাস্তাৰ ফালে পিঠিদি বহি আছে, —হয়তু— প্ৰীতম। প্লাৱিতাৰ কাণত অবিৰত ভাৱে প্ৰতিধ্বনিত হ'বলৈ ধৰিলে কলেজীয়া প্ৰতীমৰ সেই অন্তিম কথাষাৰ — জীৱনত এই প্ৰীতম ৰাজকোঁৱৰে এজনী ছোৱালীকহে ভালপাওঁ বুলি কৈছে। তাইৰ বাবে— সি অনন্ত-কাললৈকে প্ৰতীক্ষা কৰিব। ....... মই তোমাৰ বাবে ~~~~~~~~~~।

# "অমৃত বাণী"

"দেশৰ দৰিদ্ৰতা, অজ্ঞানতা গুচাবৰ প্ৰধান উপায়
হ'ল শিক্ষা। শাৰীৰিক আৰু মানসিক, অধ্যাত্মিক
আৰু আৰ্থিক উন্নতিৰ উপায় শিক্ষা
জ্ঞানতকৈ পবিত্ৰ, ক্ষমতাৱন্ত
বস্তু এই জগতত
একো নাই।"

আনন্দচন্দ্ৰ আগৰৱালা।

"সুস্থদেহত সুস্থমনৰ বিকাশ কৰাই শিক্ষাৰ উদ্দেশ্য"

এৰিষ্টটল।

"সত্য সদায় সমাজ আৰু জীৱনৰ লগত জড়িত থাকে ই জীৱন আৰু সমাজক নকল নকৰে; কেৱল ইয়াৰ উদ্দেশ্যৰ ফালে ধাৱমান হয়।"

অস্কাৰ ৱাইল্ড।

"খং নকৰিবা নিজৰে সৰ্বনাশ হ'ব; অহংকাৰ নকৰিবা পতন হ'ব; কাকো ঘৃণা নকৰিবা নিজেই ঘৃণীত হবা।"

স্বামী বিবেকানন্দ।

"তুমি নোপোৱা বস্তুৰ বাবে অসন্তোষ নকৰিবা আৰু যি পাইছা তাকোলৈ অহংকাৰ নকৰিবা।"

কোৰাণ শ্বৰিফ।

"যিমান কিছুপৰিমানে হলেও আনৰ কথা নৈভাৱে তেওঁ জীয়াই থকাটো অৰ্থহীন।"

মণ্টেইন।

"এজনে কোৱা কথাৰ ওপৰত বিচাৰ নকৰিবা; তেওঁ কিয় সেই কথা কলে সেইটোহে বিচাৰ কৰিবা।"

পেন।

"যি শিক্ষাই নিজক আনৰ হাতত বিক্ৰী কৰিবলৈ শিকাই তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ অধা মূৰ্খ হোৱাই বহুগুণে ভাল।"

হেম বৰুৱা।

"পৃথিৱীত ভৌতিক যদি কোনোবাই অতিক্ৰম কৰিব পাৰে; বিপদক তুচ্চ কৰিব পাৰে; ক্ষমতাক অগ্ৰাহ্য কৰিব পাৰে; মৃত্যুক উপেক্ষা কৰিব পাৰে তেন্তে সেয়াই হৈছে প্ৰেম।"

ৰবীন্দ্ৰ নাথ ঠাকুৰ।

"কিতাপে মানুহক মহৎ কৰে, কিন্তু কিতাপেই মানুহক ধ্বংসও কৰে।"

বিষ্ণুপ্ৰসাদ ৰাভা।

## ৰস ৰচনা

# "ত্যাগ"

শ্ৰীদিব্যজ্যোতি দত্ত
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান,

ত্যাগ, ত্যাগ বুলি কলে এৰি দিয়াকে বুজা যায় । অৰ্থাৎ মনৰ পৰা স্বাৰ্থ নিঃশেষ কৰি বস্তুবোৰ এৰিদিয়া । শ্ৰদ্ধেয় পাঠক বৃন্দ, এই বিষয়টোৰ ওপৰত ৰচনা লিখি ত্যাগৰ অৰ্থ ভাঙি নিজকে জ্ঞানি বোলাবলৈ মই নাজাওঁ । মাথো উদ্দেশ্য, সমাজত চলিত দুই এফাঁকি কথা মনত পেলাই তাক ইয়াত উপস্থাপন কৰা । ত্যাগ বুলি কলে ৰবলৈ সময় নাই, এই পৃথিৱীত মানুহে বা জীৱ জন্তুৱে বিভিন্ন সময়ত বিভিন্ন ধৰণে ত্যাগ কৰি আহিছে । যেনে মই এই গল্পটো লিখিবৰ বাবে ভাল সময় কণ ত্যাগ কৰিছো। আকৌ আপোনালোকে এইটো পঢ়োতেওঁ ( মানে মোৰ অনুৰুধ পঢ়ি চাইযেন ) অলপ সময় ত্যাগ কৰিব লগা হ'ব । সেইদৰেই আৰু, ইটোৰ পিচত সিটোকৈ ওলাই গৈ থাকিব আপুনি কবই নোৱাৰিব । কাম, ক্ৰোধ, লোভ-লালসা ত্যাগ কৰাৰ পৰা আৰম্ভ কৰি গৃহত্যাগ, পদত্যাগ লৈকে অলেখ ত্যাগ সোমাই আছে । আপুনি লগৰ জনৰ কাৰ্য কলাপ বোৰ ভাল নেপালে, তেওঁৰ সংগ ত্যাগ কৰিব পাৰে । আকৌ দাম বৃদ্ধি পাইছে বুলি আপুনি আহোঁতে যাওঁতে খাইযোৱা ইন্দ্ৰপুৰি হোটেলৰ চাহ-টোপাও ত্যাগ কৰিব পাৰে । চাহটোপা ত্যাগ কৰাৰ লগে লগে হোটেলৰ সন্মুখতে উজুতি খোৱাকৈ বহোৱাই থোৱা পান দোকান খনো ত্যাগ কৰিব পাৰে । মুঠতে ত্যাগ কৰাৰ মানস থকা লোকক ৰবলৈ সময় নাই । কোনো বাই ভাতৃ ত্যাগ. মাতৃ ত্যাগ, পিতৃ ত্যাগ কৰি পত্নীৰ ওচৰলৈ আহিব পাৰে । কোনোবাই বাক স্বাধীনতা ত্যাগ, আকৌ কোনোবাই বিয়াখন পাতিয়েই পত্নী ভক্ত হৈ, গৃহ ত্যাগ কৰি শহুৰ শাহুৰৰ ঘৰলৈকে গুছি আহিব পাৰে। তাত আপোনাৰ, মূৰ ঘূমাব লগীয়া কোনো কাৰণ নাই । যাক যেনেকৈ ঈশ্বৰে দিছে সেইয়া ঘটিবই ।

সেইদৰে আমাৰ চাৰিও কাষে বিছৰণ কৰি থকা জীৱ জন্তু বোৰৰ ত্যাগও মন কৰিব লগীয়া । যেনে প্ৰতিবছৰে শই শই গড় চোৰাং চিকাৰীৰ উৎপাতত দেহা ত্যাগ কৰিব লগা হৈছে। এই গড়বিধৰে মল ত্যাগৰ কথা আপুনি হয়তো শুনিছে। কাৰণ গড়ে সদায় একে ঠাইতে মল ত্যাগ কৰে । এই ত্যাগৰ বাবেই সিহঁতে মৃত্যুমুখী হব লগা হৈছে। কাৰণ চোৰাং চিকাৰীয়ে গড়ৰ মলৰ ওচৰত খাপ পাতি কথা বাৰ্তা পতা ত্যাগ কৰি বৈ থাকিলেই হল । "কাৰোবাৰ আকৌ মনগহে নীতি নিয়ম ত্যাগ কৰি আপোনাৰ হাহঁটোকে ধৰি নি জিভাৰ জুতি বঢ়াব পাৰে। তাৰোপৰি আকৌ বিহুৱে সংক্ৰান্তিয়ে তো হাহঁ, কুকুৰা, ছাগলী পাৰ চোৰৰ পৰা আদি কৰি জেৰুৱা চোৰলৈকে অনেক চোৰ আছে । সেইয়া যেনিবা ত্যাগৰ কথা নপৰে । কাৰণ মাঘ বিহুৰ উৰুকাৰ দিনাইযে এই অমংগলীয় কাম বোৰ কৰি ভোগালী বিহুটোক আদৰি আনিব লাগে তাক নীতি নিয়মৰ ভিতৰত পৰে বুলিয়েই আমাৰ জাতি ভাই সকলৰ বিশ্বাস । নীতি নিয়মৰ ভিতৰত নপৰে মাথোএই উৰুকাৰ নিশা হৈ যোৱা ক্ষয় ক্ষতিৰ হিচাপ পিছাদিনা তিলনী লৈ গৈ গৰখীয়া ৰাইজৰ আগত গোচৰ তৰাতহে ।





ত্যাগৰ আৰু এটা মন কৰিব লগীয়া দিশ হৈছে অফিছিয়েল ত্যাগ । তাৰমানে ধৰক আপোনাৰ মাষ্টৰৰ চাকৰি এটা হৈ আছে, কিন্তু হোৱা নাই । কথাটো বুজাবলৈ টান লাগিছেনেকি বাৰু ? চাওক, লাগিৱও পাৰে, কাৰণ হৈ আছে আৰু হোৱা নাইত বোধকৰো বিশেষ পাথৰ্ক্য দেখা নাযায় । উদাহৰণ স্বৰূপে কব লাগিলে কল্পনা কৰক আপুনি ত্ৰিক্ৰম এখন বনাবলৈ অৰ্দাৰ দিলে । আৰু বিক্ৰম খন বৰ্তমানে আপোনাৰ বাবে সাজু হৈ আছে । কিন্তু বাটত ভৰাব লগীয়া তেল খৰচৰ অভাৱৰ বাবে আনিব পৰা নাই । তেনেদৰেই আপুনি চাকৰিটোৰ বাবে টেবুলৰ তলেদি সৰকি মহাশয়ৰ ভৰি দুটাতে পৰি মাটি বাৰী বেছি অনা টকা বিছ হাজাৰ মান দি দিয়ক, দেখিব; হৈ থাকিব দৰকাৰ নাই, আপুনাৰ নোহোৱা চাকৰিও নিমিষতে হৈ যাৱ । কিন্তু আপুণি তাকে কৰিবলৈ গলে চিধা চিধিকৈ মাটিবাৰি কেইদৰা বিনা দোষে ত্যাগ কৰিব লাগিব । এটা কথা, সদ্যসতে এইবোৰ কথা নপতা টোৱেই মঙ্গল । এইবোৰ কথা বৰকৈ পাতি থকা জনৰো আৰু শুনি থকা জনৰো বিপদত পৰিব লগীয়া হব পাৰে । আপুনি কিন্তু এইবোৰ কথা কাৰো আগত প্ৰকাশ নকৰিব দেই । নহলে কিন্তু আপুনাৰ লগতে মোৰো বিপদ হব পাৰে । মুঠৰ ওপৰত এইটোক জানি থওক যে এই অফিছিয়েল ত্যাগৰ কথা লেকপিয়লৰ দৰে গণনা কৰাতো বৰ কঠীন । কাৰণ গণনাকৰী যদি পাতে পাতে তেন্তে ত্যাগ বোৰ থাকিব ডালে, ডালে । সেইদৰে কৰপাৰি গাঁৱে, গাঁৱে, চহৰে, চহৰে. ইত্যাদি ।

আপুনি বাৰু কেতিয়াবা ঔষধ খাই পাইছেনে ? মানে বেমাৰ নোহোৱাকৈ দিয়া ঔষধ । যাক অমৰ বৰিক বুলিবও পাৰি । খাইছে যদি কবলগীয়া একো নাই । নাইখোৱা যদিহে কথাতো চিন্তা কৰিব লাগীয়া । ভালকৈ বুজা নাই চাগে আপুনি ? নুবুজিলেও কল্পনা কৰকচোন বাৰু এইযে ৰাষ্টালৈ ওলালেই লানি নিচিগাকৈ ফাৰ্মাচীবোৰ লগ পায়, সেইবোৰ যানো আপোনাৰ মোৰ প্ৰেৰণাতে জীয়াই থকা নাই । উদাহৰণ স্বৰূপে মোৰ নিজৰ কথা এটাকে কওঁ বেয়া নাপায় যদি । এবাৰ মোৰ বুকুৰ আৰু প্ৰেচাৰৰ বেমাৰ দেখুৱাবলৈ মেদিকেললৈ গলো । অ' তাৰ পিছত চাইমেলি কলে যে এই দৰব খিনি খাওক ভালহৈ যাব । খালো আৰু এবছৰ মান । তাৰ পিছত কলে যে আপোনাৰ বেমাৰ নাই মনৰহে চিন্তা । এইযে মনৰ চিন্তা তাৰ বাবে কিন্তু মোক দৰব দিয়া নাছিল, দিছিল কেৱল বেমাৰৰ বাবেহে । দেখিলে নহয় এতিয়া এই কথাষাৰ ত্যাগ কৰিবলৈকে অথাৎ মুখৰ পৰা এৰি দিবলৈকে এবছৰৰ সময় ললে ।

অ' আৰু এটা ঘটনা এইখিনিতে শুনকচোন । ঘটনাটো আমাৰ ঘৰৰ বৰ বেছি দূৰৰ নহয় । জীৱন নামৰ লৰা এটাই মৌচুমি নামৰ ছোৱালী এজনীক ভাল পায় । জীৱনত এবাৰ বিয়া কৰোৱাতো মানুহৰ চিৰা চৰিত নিয়ম । কিন্তু কাৰোবাৰ যদি বিয়া কৰোৱা টোৱেই প্ৰধান উদেশ্য হয় তেন্তে এইটো বৰ দোষণীয় কথা । আৰু তাকেই ঘটিছিল জীৱন আৰু মৌচুমিৰ জীৱনত । জীৱনে এদিন মৌচুমীকগৈ কলে যে -- মৌচুমী, "মই তোমাক ভাল পোৱাত বাধা আছে । এইয়া ঘৰৰ আপত্তি গতিকে তোমাক ভাল পাবও নোৱাৰো আৰু বিয়া কৰাবও নোৱাৰোঁ । তুমি তোমাৰ যি ইচ্ছা কৰা" । মৌচুমী জনী পাহাৰত থেকা খাই বৈ যোৱা মৌচুমী বতাহৰ দৰে নিথৰ হৈ ৰ'ল । সেই মূহুৰ্ততে জীৱনও আতঁৰি গল । বেহেৰি মৌচুমীজনীয়ে এই সাধাৰণ কথাষাৰকে মনৰ পৰা ত্যাগ কৰিব নোৱাৰি গধুলিলৈ ঘৰৰ সকলোৰে অজ্ঞাতে ৰছীত ওলমি নিজৰ সুন্দৰ জীৱনটোকে অৱাবতে ত্যাগ কৰি পেলালে । সংসাৰলৈ প্ৰতিজন ব্যক্তি আহে জীৱনটো পৰিপূৰ্ণ ভাৱে উপভোগ কৰাৰ উদেশ্যে । কিন্তু এইদৰে আদ বাটতে সামৰণি মৰাতো যানো মানি লব পাৰি ।

আজি কালি প্ৰায়ে শুনাযায়, চুৰ চাৰৰী বিষয়ে, ডকাইট সোপাধৰাৰ বিষয়ে । প্ৰধানতঃ চোৰ দুবিধ, এবিধে ৰাতি কৰে আৰু আনবিধে দিনত কৰে। দিনত

কৰা চোৰৰ পৰা উশাহ পাবলৈ নিজে সৰ্তক হেৱাৰ বাদে আন উপায় বোধ কৰো নাই। কিন্তু ৰাতি বুলিলে অসুবিধা হয়। কাৰণ ৰাতি সকলোৱে লাল কাল দি থকা অৱস্থাতে চোৰে চুৰি কৰিবলৈ আহে। চোৰ সকলোৰো টোপনি আছে কিন্তু সেই টোপনি ত্যাগ কৰিব পৰা ক্ষমতা থকাৰ বাবেই আজি এই অৱস্থা।

ডকাইতৰ কথা অলপ বেলেগ। ডকাইত সকলক ভগৱানে এটা বিশেষ ক্ষমতা দি পঠিয়াইছে। গতিকে সিহঁতে তাক পালন কৰিবই। ডকাইত ক'ত থাকে বুলি যদি কাৰোবাৰ প্ৰশ্ন হয়, তেন্তে তাৰ উত্তৰ হব সকলোতে থাকে, যি দৰে থাকে ভগবান। মই ভাবো ডকাইত সকল ভগবানৰে এটা বিকৃত ৰূপ। কাৰন ধৰক, আপোনাৰ ঘৰৰ আটাইতকৈ মৰমৰ ভাইটি বা ভন্টি জনীৰ মৃত্যু হওঁতে যদি ভগৱানে অকালতে কাঢ়ি নিলে বুলি ক্ষোভ প্ৰকাশ কৰে তেন্তে, সেই মৰমৰ জনক কেইটা মান মূল্যবান বস্তুৰ বাবদ ডকাইতে জোৰ দবস্তি দেহা ত্যাগ কৰালেও একেই ক্ষোভ প্ৰকাশ হব। এই ক্ষোভ আপোনাৰ লাহে লাহে ডকাইতৰ পৰা ভগৱানলৈ বাগৰি যাব। দুখৰ কথা যে অপুনি তাৰ প্ৰতিকাৰৰ বাট বিচাৰি নাপাব। আপুনি ৰাষ্টালৈ ওলালেই বাটে পথে, দোকানে পহাৰে, চিটিবাছে নাইটচুপাৰে, অফিছে কাছাৰীয়ে অনেক প্ৰকাৰৰ ডকাইত লগ পাব। একে আষৰে কবলৈ গলে আপুনি ত্যাগশীল ব্যক্তি নহলে ক্ষমতাশালী কিছু ডকাইতৰ দ্বাৰা বন্দুকৰ নলিয়েদি দুটা বা তিনিটা গুলী ত্যাগ হৈ আহি আপোনাৰ জীৱন টোকে ত্যাগ কৰোৱাই দিব পাৰে। ●

## মানৱ শৰীৰৰ কেইটামান বিচিত্ৰ তথ্য

বীতা চুতীয়া
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

* মানৱ দেহৰ সকলোবোৰ সিৰা যদি ইডালৰ পিছত সিডালকৈ জোৰা লগোৱা হয়, তেতিয়া দৈৰ্ঘ্য হ'ব ১,৬০,০০০ কিলোমিটাৰ। অৰ্থাৎ ইমান দীঘল হ'ব যে বিষুব ৰেখাৰ চাৰিওফালে চাৰি পাক দিব পৰা যাব।
* মানুহৰ মগজুত থকা স্নায়ুকোষৰ সংখ্যা ১০০ ৰ পৰা ১৫০ কোটিৰ ভিতৰত। এই কোষবোৰ এটাৰ পাছত এটাকৈ লগ লগালে ইহঁতৰ দূৰত্ব হব চন্দ্ৰ আৰু পৃথিৱীৰ দুৰত্বৰ দুগুণ। চন্দ্ৰ আৰু পৃথিৱীৰ গড় দূৰত্ব হ'ল ৩,৮২,৪০০ কি: মি:।
* পৃথিৱীত বহুকোটি মানুহ আছে যদিও পৃথিৱীৰ কোনো এজন মানুহৰেই আঙুলীৰ চাপ আন এজনৰ সৈতে একে নহয়। আনকি সদৃশ-যমজ দুটি সন্তানৰো আঙুলীৰ চাপ ইজনৰ লগত আনজনৰ নিমিলে।
* জীয়াই থাকিবলৈ গড় হিচাপে এজন প্ৰাপ্তবয়স্ক মানুহক দিনে প্ৰায় ১৪ কি: মি: বায়ু, ১.৫ কিলো গ্ৰাম আহাৰ আৰু ২.২৫ লিটাৰ পানী লাগে। এজন সুস্থ মানুহে আহাৰ নোখোৱাকৈ ৫ সপ্তাহ আৰু পানী নোখোৱাকৈ ৫ দিন জীয়াই থাকিব পাৰে। কিন্তু বায়ু অবিহনে ৫ মিনিটহে বাচি থাকিব পাৰে।
* দক্ষিণ গোলাৰ্ধৰ এজন মানুহে তেওঁৰ ৭০ বছৰীয়া জীৱন কালত ৭০ ৰ পৰা ১৫০ টন ঘাম ত্যাগ কৰে। এই পানীৰে তিনিটা ডাঙৰ ডাঙৰ ৰেলৰ ডবা ভৰ্তি কৰিব পৰা যায়।



## শেষ সিদ্ধান্ত

শ্ৰীপ্ৰদ্যুৎ প্ৰকাশ দুৱৰা
বি; এছ, চি, ১ম বাৰ্ষিক

ৰাজে অফিচৰ দিনটোৰ কাম শেষ কৰি যেতিয়া অনুপমৰ লগত ওলাই আহিছিল তেতিয়া সন্ধিয়া হৈছিল। ব্যস্ত ৰাজপথত মানুহৰ ভিৰ ৰাজহঁত পান দোকান এখনৰ সন্মুখ পোৱাৰ লগে লগে অনুপমে বাইক ৰখাই ৰাজক চিগাৰেট কিনিবলৈ কলে। দুখন ১২০, এপেকেট ফিল্টাৰ দোকানী জনক কৈ সি সোঁহাতেৰে চুলি খিনি থিক কৰি থাকোতে তাৰ কথা এটা মনত পৰি গল। পান খাই সি অনুপমক কলে – মই এবাৰ ড: বৰুৱাক লগ কৰিব লাগিছিল হে জৰুৰী কাম এটা আছে, অনুপমে কলে – তুমি যোৱা, মই খেমকা মাৰ্কেটত সোমাব লাগিব। বুলি কৈ অনুপমে বাইক ষ্টাৰ্ট কৰি লৰালৰিকৈ গলগৈ। ৰাজে বাচৰ বাবে অপেক্ষা কৰিবলৈ ধৰিলে হঠাৎ মাৰুতি জেন এখন তাৰ কাষত জোৰেৰে ব্ৰেক মাৰি ৰৈ গল। ৰাজে গাড়ী খনৰ ফালে চালে। সি দেখিলে গাড়ী খনৰ পাছৰ চিটত বহি থকা ছোৱালী জনীয়ে তাৰ ফালে একে হাৰে চাই আছে। ছোৱালী জনী বৰ চিনাকী চিনাকী লাগিল ৰাজৰ। কৰবাত যেন লগপাইছে সি। ছোৱালী জনী গাড়ীৰ পৰা নামি তাৰ কাষত থিয় হ'ল। চুটি ব'ব কাট চুলি, ওঁঠত কাঢা লিপিষ্টিক। হঠাৎ ৰাজৰ চকুত পৰিল ছোৱালীজনীৰ কপালত থকা ডাঙৰ তিলটোলৈ কাৰেক্ট, ইমান ভূল তাৰ নহয়। এইজনী নেহা। নেহা দত্ত। যৌৱনৰ পুৱতি বেলাতেই যাৰ প্ৰেমত পৰি, যাৰ বাৰে সি কবিতা, গল্প লিখিছিল। সেই নেহা। ৰাজৰ নাকত লাগিছিল বিদেশী পাৰফিউম এটি মিঠা সুবাস। নেহা তুমি? চিনি পালা? সেইয়াৱেই বহুত, মইতে ভাবিছিলোতুমি মোক চিনি নাপাবা? প্ৰথমতে ধৰিব পৰা নাছিলো; কিন্তু তোমাৰ কপালত থকা তিলটোৰ বাবে ভূল নহল চিনি পোৱাত। ক'ত দেখিছিলা? হোটেল মনালিছাৰ বাৰত। ৰাজে নেহাক এইবাৰ ভালদৰে লক্ষ্য কৰিলে। তুমি একেই আছা ৰাজ। অকনো সলনি হোৱা নাই। তুমি কিন্তু বহুতো সলনি হলা নেহা। নকলে ৰাজে নেহাৰ চুটি চুলিখিনিৰ কথা অথবা ওঁঠৰ কাঢ়া লিপিষ্টিক আৰু উগ্ৰ প্ৰসাধনেৰে ৰঞ্জিত কৰা মুখৰ কথা। এতিয়াৰ নেহা আৰু সাত-আঠ বছৰৰ আগৰ নেহাৰ মাজত ৰাজে বিচাৰি পালে আকাশ পাতাল প্ৰভেদ। যেন বহু ব্যক্তিগত। যি কোনো পুৰুষকে আৰ্কষন কৰিব পৰা এটা সুন্দৰ দেহ নেহাৰ এতিয়াও আছে। চিটি বাচ এখন চকুৰ আগতে গুচি গল। তাৰ পাছত মিনি বাচ দুখনো। ৰাজে কিন্তু ঘূৰিও নাচালে। গাড়ী মটৰৰ শব্দ আৰু মানুহৰ কোলাহলৰ মাজত সি যেন বিৰক্ত হৈছিল। কৰবাত অকন মান সময়ৰ বাবে অকলশৰে লগ পাব বিছাৰিছিল নেহাক। সি নেহাক সুধিলে – "তুমি এতিয়া কলৈ যাবা নেহা"? হোটেললৈ। বলা – মোৰ লগত কথা পাতিম। তোমাৰ লগত মোৰ বহু কথা আছে ৰাজ। কি কথা? কম বুলি তাক প্ৰায় টানি নি গাড়ীত বহাই দিলে আৰু কলে – তুমি চাগৈ এতিয়াও লেখা মেলা কৰি আছা। বিয়া চিয়া কৰাইছা চাগৈ? বিয়া? জোৰেৰে হাঁহি ৰাজে কলে – ছোৱালী পোৱা নাই। থানা চাৰিয়ালিত দীঘলীয়া ট্ৰেফিক জাম। গাড়ী ৰৈ গৈছিল। হঠাৎ মনত পৰাৰ দৰে ৰাজে কলে – প্ৰতিমৰ খবৰ লোৱা নাই নহয়? কোৱাচোন তাৰ

খবৰ। কথাটো কোৱাৰ লগে লগে নেহাই তাক এনেদৰে চালে সি যেন নকব লগীয়া কথা এটাহে এই মাত্ৰ সুধিলে। মুখত তাইৰ বিষাদৰ ভাব ফুটি উঠিছিল। তাই খঙত কলে—তাৰ কথা মোক নুসুধিবা। সি এটা ইডিয়ত। পুলিছে গাড়ী বোৰ যাবলৈ চিগনেল দিছে। ৰাজৰ মনৰ ভিতৰ খনো ৰহস্যৰে ভৰি পৰিছে। ৰাজৰ মনত পৰিছে প্ৰতিমলৈ। প্ৰতিম বৰুৱা ডিব্ৰুগড়ৰ প্ৰখ্যাত ব্যৱসায়ী অমৃত বৰুৱাৰ একমাত্ৰ লৰা। সেই প্ৰতিমৰ লগত নেহা কেনেদৰে পলাই গৈছিল ৰাজে নেজানে। সি তেতিয়া উপলব্ধি কৰিছিল ছোৱালী বোৰৰ বিচিত্ৰ মনৰ কথা। একো ধাৰিব নোৱাৰি বাহিৰৰ পৰা। নেহাই বাৰু জানিছিল নে তাৰ কথাবোৰ? পঢ়িছিল নে সি লিখা গল্প কবিতাবোৰ? এইবোৰ কথা চিন্তা কৰি থাকোতেই পুলিছ পইণ্টত গাড়ী বোৰ ৰৈ গল। আকৌ ট্ৰেফিক জাম। য়ামহা এখন আহি ঠিক ৰাজৰ কাষেদি বাওঁকালে ৰৈ গল কৰ্কশ শব্দৰে। ৰাজে ঘূৰি চাই দেখে অচিন্ত্য দত্তক পিছফালে বনালী। বনালী আৰু অচিন্ত্য আজিকালি বৰকৈ ঘূৰা হৈছে। ইয়াৰ আগতে বনালীয়ে এজিলকো কম ঘূৰোৱা নাছিল। আকৌ পুলিচে গাড়ী বোৰ যাবলৈ চিগনেল দিলে এইবাৰ গাড়ী গৈ হোটেল মনালিচাৰ সমুখত ৰৈ গল। নেহা আৰু ৰাজ গাড়ীৰ পৰা নামিল। ৰিচেপচনিষ্টৰ পৰা চাবিটো লৈ ২০৫ নম্বৰ ৰুমৰ দুৱাৰ খুলি নেহাই ৰাজক কলে-ডিব্ৰুগড় পাই তোমালৈ খুউব মনত পৰিছিল। তোমাক এবাৰ লগ পাবলৈ ভীষন ইচ্ছা আছিল। আজি সেই ইচ্ছা পূৰন হল। ৰাজে আচৰিত হৈ সুধিলে—মোক লগ পাবলৈ? ও, তোমাক এনেদৰে মাতি অনাত তুমি বেযা পোৱা নাইতো? ৰাজে কলে-নাই কিয় বেয়া পাম। হঠাৎ ৰাজৰ চকু পৰিল টেবুলৰ ওপৰত এটা দামী স্কটচৰ বটল। দুটা গিলাচ এচট্ৰেত চিগাৰেটৰ ছাই। প্ৰতিমে নিশ্চয় ড্ৰিংচ কৰে কিন্তু দুটা গিলাচ? নেহাই কৰে নেকি বাৰু? ন কোনোবা বন্ধু আহিছিল? মনে মনে ভাবিলে ৰাজে। নেহাই লৰা লৰিকৈ মদৰ বটলটো আলমাৰিৰ ভিতৰত থৈ বলে লৰা লৰিকৈ ওলাই গৈছিলো। ঠিক কৰি থবলৈ নহল। এইবাৰ নেহাই ষ্টেৰিওটো লগাই দিয়াত জগজিৎ সিঙৰ গজল "অব খুচি হে না কয়ি ড'ড ৰুলা নেৱালা"। গানটো বাজি উঠাত মনটো কিবা বিষাদেৰে ভৰি উঠিল ৰাজৰ। তাৰ চকু পৰিল বিচনাৰ ষ্টেণ্ডত ওলমাই থোৱা চাৰ্ট, পাইজামা আৰু টাই এডাল। সি নেহালৈ চালে। লাহে লাহে তাৰ মনটো নেহাৰ প্ৰতি দূৰ্বল হৈ উঠিছে। ডিম লাইটৰ পোহৰত নেহাক অপূৰ্ব সুন্দৰী লাগিছিল। নেহা বুলি আছে মূৰ্ত্তি এটাৰ দৰে তাৰ সন্মুখত। বহু সময়ৰ নিস্তব্ধতা ভংগ কৰি সি নেহাক সুধিলে-প্ৰতিমৰ খবৰ কোৱা নেহা। নেহাই তালৈ মূৰ তুলি একেহাৰে চাই আছিল। লাহে লাহে তাইৰ দুচকুৰ পৰা চকুলো ওলাবলৈ ধৰিলে। সৰু ছোৱালী এজনীৰ দৰে নেহাই ফেঁকুৰি ফেঁকুৰি উচুপিবলৈ ধৰিলে। ৰাজ বিমূঢ় হৈ পৰিল। কি হল নেহাৰ? তাৰ কথাই কিবা দুখ দিলে নেকি তাইক। কিন্তু সিটো মনত আঘাত পাব পৰা কোনো কথা কোৱা নাছিল। হোটেলৰ বন্ধ কোঠাত নেহাৰ উচুপনিয়ে তাক বিবুধিত পেলালে। সি তৎক্ষনাৎ চোফাখনৰ পৰা উঠিল আৰু নেহাৰ কাষত থিয় হৈ তাইৰ উদং হৈ থকা পিঠি খনত ওপৰত আলফুলেৰে হাত বুলাই আবেগেৰে মাতিলে - নেহা। নেহাই গাটো সামান্য লৰচৰ কৰিলে যদিও একো নামাতিলে। তাইৰ উচুপনি এইবাৰ কান্দোনত পৰিনত হল। ৰাজ কিংকৰ্তব্য বিমূঢ় হৈ পৰিল। এই সময়ত প্ৰতিম যদি ওলাইহি সি বাৰু কি ভাবিব? কথাষাৰ ভবাৰ লগে লগে পিঠিলৈথোৱা তাৰ হাতখন ৰৈ গল। নেহা পৰস্ত্ৰী। মূহুৰ্তৰ তাৰ একো নহয়। কিন্তু ইয়াৰ বাবে জগৰীয়া হব নেহা। সি তাইৰ চকুৰ আগত পৰি থকা অবিন্যস্ত চুলি বোৰ দুহাতেৰে আঁতৰাই মৰমেৰে আকৌ মাতিলে-নেহা। তোমাৰ কি হল? কিয় কান্দিছা? মোৰ কথাই যদি তোমাৰ অন্তৰত আঘাত দিছে, তেন্তে মোক ক্ষমা কৰিবা নেহা। নেহাই শাৰীৰ আঁচলেৰে চকুপানী বোৰ টুকি কলে-তোমাৰ কথাই মোক কিয় দুখ দিব ৰাজ। মইহে তোমাক ইয়ালৈ মাতি আনি অপৰাধ কৰিছো। অপৰাধ? নাই নাই। বহুতো দিনৰ পাছত তোমাক লগ পাইছো নেহা। কিন্তু তুমি কান্দিছা





কিয়? প্ৰতিমৰ লগত তোমাৰ নিশ্চয় ... খঙতে তেতিয়া নেহাই কলে-প্ৰতিমৰ কথা মোক নুসুধিবা প্লিজ। সি মোৰ জীৱনটো শেষ কৰি দিলে। ৰাজৰ মনটো বেয়া লাগি গল। প্ৰতিমৰ চৰিত্ৰ সি সৰুৰে পৰা জানে। কিন্তু নেহা! নেহা এজনী শান্ত স্বভাৱৰ ছোৱালী আছিল। এইবাৰ ৰাজে পেকেটৰ পৰা চিগাৰেট এটা উলিয়াই অগ্নি সংযোগ কৰিবলৈ লৈ নেহাক সুধিলো এটা খাওঁ দেই। আগৰ পৰাই অভ্যাস এটা আছে ৰাজৰ। সি অলপ আন ইঙ্গিত কৰিলেই চিগাৰেট ছোপে। নেহাই কলে-খোৱা ইচ্ছা কৰিলে ড্ৰিংকচো কৰিব পাৰা। এতিয়া ইয়ালৈ কোনো নাহে। কিন্তু? একো কিন্তু নাই। আই এক্সপেক্ট উইল উইথ ইউ। সেই হৃদয়লীয়া বেনী গোঠা শান্ত ছোৱালী জনী এতিয়া আধুনিকতাৰ শীৰ্ষতম নাৰী কেনেকৈ হল? ৰাজে ভাবি নাপালে। প্ৰতিমৰ কথা মনত পৰাৰ লগে লগে তাৰ মনৰ ভিতৰত কথবোৰ পাক খাইছে। এই পাক অথবা ৰহস্য এনেয়ে খুলিব পৰা নাযাব। নেহাৰ লগত সহজ হোৱা এতিয়া মাত্ৰ এটাই উপায় আছে তাইৰ লগত একমপেনি কৰা। নেহাই বিচনাৰ পৰা নামিল আৰু বেচ নিপুনতাৰে গিলাচত মদ ঢালি গিলাচ এটা ৰাজলৈ আগবঢ়াই দি আনটো নিজে ওঁঠত লগালে। এঢোক খাই নেহাই সুধিলে - এজনী ছোৱালীয়ে যে কিমান দুখত নিজৰ জীৱনৰ আটাইতকৈ গুপুত কথাবোৰ আনৰ আগত ব্যক্ত কৰিব পাৰে তুমি নিশ্চয় জানা ৰাজ। ৰাজে কলে-মই নাজানো, কিন্তু স্বীকাৰ কৰিছো সেই নাৰীৰ দুখৰ বোজা সহ্য কৰিব পৰা নাযাব। ঠিক কৈছা। অসহ্য সেই দুখ। নিজৰ মাক-দেউতাক, ভাই ভনী, আত্মীয় স্বজন কোনে যেতিয়া সেই ছোৱালীজনীৰ দুখৰ সমভাগী নহয় তেতিয়া দুখৰ কোনো সীমা নাথাকে। এনেহেন সুন্দৰ পৃথিৱীত বোধ হয় প্ৰতিগৰাকী নাৰীয়েই বেছি দিন জীয়াই থাকিবলৈ আগ্ৰহ কৰে। কিন্তু যেতিয়া সেই নাৰীয়ে আত্মহত্যাৰ কথা চিন্তা কৰে তেতিয়া জানিবা সেই নাৰীৰ দুখ কিমান বেদনাদায়ক। কিন্তু মই, মই মৰিবলৈ বিচৰা নাই ৰাজ। মোক যি জনে আজি এইদৰে মৰি, মৰি জীয়াই থাকিবলৈ বাধ্য কৰালে, তেওঁহে মোতকৈ আগতে এই পৃথিৱীক বিদায় দিব লাগিব। ৰাজে গিলাচৰ পেগটো তৎক্ষনাৎ শেষ কৰিবলৈ লওঁতে চৰিবলৈ খালে ... সি তৎক্ষনাৎ আন এটা পেগ ঢালি ললে। সি জানে দুটা পেগ খালে তাৰ একো নহয়। দুটা পেগ খাই সাহ পাই উঠিছে। ইমান দিনে নিমাতে থকা তাৰ মনৰ ভিতৰৰ মানুহটো। তাৰ সমুখত নেহা। যি জনী নেহাই তাৰ প্ৰেমক অৱজ্ঞা কৰি পলাই গৈছিল প্ৰতিমৰ লগত। যি জনী নেহাই এদিনো সময় নাপালে কি লিখা গল্প, উপন্যাস, কবিতা বোৰ পঢ়িবলৈ। এইবাৰ সি সম্পূৰ্ণ স্বাভাৱিক ভাৱে নেহাক প্ৰশ্ন কৰিলে "তোমাৰ কথাবোৰ মই বুজিব পৰা নাই। তুমি আৰু মানে প্ৰতিমৰ লগত নাই? যদি তাৰ লগত নাই তুমি আকৌ কাক বিয়া কৰালা নেহা? ৰাজৰ আকৌ চকু পৰিল বিচনাৰ ষ্টেণ্ডত ওলমাই থোৱা চাৰ্ট, পাইজামা আৰু টাইডাললৈ। নেহাই খালি হোৱা গিলাচটো টেবুলত থৈ সহজ ভাৱেই কলে- বিয়া? মোৰ নিচিনা এজনী ছোৱালীক কোনে বিয়া কৰাব। কোনোবাই বিয়া কৰাব খুজিলেও মোৰ এতিয়া সেইবোৰ মন নাই এতিয়া। এতিয়া মোৰ মনত অকল এটা কথাই খোপনি পুতি আছে। যেনে তেনে প্ৰতিমৰ ওপৰত প্ৰতিশোধ লোৱা। এদিন নহয়, এদিন মই প্ৰতিশোধ লম ৰাজ। প্ৰতিমৰ লগত মই কিয় পলাই গৈছিলো সেই কথা আজি মোক নুসুধিবা ৰাজ। হয়তো প্ৰতিমে মোক মোহিত কৰিছিল। আৰু সেই মোহত মই ছগা জুইত জাহ যোৱাৰ দৰে জাহ গৈছিলো। প্ৰথমে আমাৰ সংসাৰ বৰ সুখৰ আছিল। কিন্তু এটা সন্তান জন্ম হোৱাৰ পাছত তেওঁ লাহে মোৰ পৰা আঁতৰি থাকিব বিচাৰিলে। মোৰ যেন কোনো প্ৰয়োজন নাই। স্বাভৱ চৰিত্ৰতো বহুতো পৰিৱৰ্ত্তন হল প্ৰতিমৰ। তেওঁ স্বাভাৱ চৰিত্ৰৰ কথা মই বহুতো মানুহৰ মুখত শুনিবলৈ পালো। মই কপালৰ দোষ বুলি মনটোকে নানা ভাবে সান্তনা দিছিলো। কিন্তু এদিন মোক ওলোটাইহে কলে-কেঁচুৱাটো হোৱাৰ পৰা তোমাৰ মোলৈ খবৰ লবলৈ সময় নাই। কিমান ধৈৰ্য্য ধৰি থাকিম? ইমানেই যদি সময় নাথাকে গুচি যাব পাৰা মোৰ



প্ৰচবৰ পৰা প্ৰেমেবোৰ তকা তকি শুনি তুমি এদিন অসহ্য হৈ ঘৰৰ পৰা কি ওলালো আৰু এদিনো যোৱা নাই। তেতিয়াৰ পৰা মই গুৱাহাটীত আছোঁ। শুনামতে প্ৰতিম বৰ্ত্তমান বহেত। তাত সি ব্যৱসায় কৰে। সি হেনো পুনৰ বিয়া কৰালে। এই বুলি কৈ নেহাই তললৈ মুৰ কৰিলে। তাই শাৰী খনৰ আগচটো পিটিকি থাকিল। ৰাজে গিলাচৰ পেগটো শেষ কৰিলে। ৰাজৰ গাত সামান্য নিচা লাগিছিল। সি নেহাক সুধিলে-তুমি ডিব্ৰুগড়লৈ কিবা কামত আহিছিলা নেকি? নেহাই কলে-প্ৰতিমৰ দেউতাকৰ মৃত্যুৰ খবৰ মই পেপাৰত পঢ়িবলৈ পাইছিলো। মই জানো প্ৰতিম ডিব্ৰুগড়লৈ আহিবই আৰু এই সুযোগ মই গ্ৰহন নকৰাটো মূৰ্খামী হ'ব। তেন্তে তুমি প্ৰতিমক লগ পাইছা? পাইছো বুলি নেহাই কলো। এতিয়া তুমি যোৱা ৰাজ। তেতিয়া ৰাতি বহুতো হৈছিল। ৰাজে পুনৰ সুধিম বুলি ভাবিছিল তাৰ অতীতৰ প্ৰশ্নৰ উত্তৰটো। কিন্তু কিবা ভাবি যেন ৰৈ গল সি। নেহাই তাক বিদায় দি কলে-কেতিয়াবা আকৌ এনেদৰেই লগ পাম। বিনা বাক্য কয়ে সি চোকা খনৰ পৰা থিয় হল আৰু এটা সময়ত নেহাৰ পৰা বিদায় লৈ ওলাই আহিল। বাস্তালৈ আহি ৰাজে এটা দীঘলীয়া উশাহ ললে। তাৰ পাছত সি ওপৰলৈ চালে। তাৰ সন্মুখত সগৌৰৱেৰে থিয় হৈ আছে অভি-জাত্যৰে ভৰা হোটেল মন্দালিচা। যত অভিজাত্যৰ মুখা পিন্ধা কিছুমান পুৰুষ মহিলাই উপভোগ কৰি আছে। জীৱনৰ সকলো সুখ আৰু আনন্দ আৰু দুৰ্বিসহ জীৱনলৈ মষি মষি জীয়াই আছে এক দুৰ্ভগীয়া নাৰী, যাৰ নাম নেহা। যাৰ কোনো পৰিজনগত এটা ভৱিষ্যত নাই। এটত আহোতে ৰাজৰ মনত পৰিছিল ড: বৰুৱাক লগ কৰাৰ কথাটো। কিন্তু এতিয়া তাক লগ কৰাৰ মন নাই ৰাতি। তাৰ মন এতিয়া কেৱল নেহাৰ কথাই ভৰি আছে।

ৰাজে ৰাতিপুৱা সাৰ পাই প্ৰাতঃ ভ্ৰমনৰ বাবে ঘৰৰ পৰা ওলাই গেট খুলিবলৈ ধৰোতেই হকাৰ জনে পেপাৰ খন তাৰ হাতত দিলে। সি পেপাৰ খনৰ প্ৰথম পৃষ্ঠাতেই দেখিবলৈ পালে প্ৰতিমৰ ফটো। তলত লিখা আছে ডিব্ৰুগড়ৰ প্ৰখ্যাত ব্যৱসায়ী ৺অমৃত বৰুৱাৰ পুত্ৰ প্ৰতিম বৰুৱা অচিনাক্ত আততায়ীৰ গুলিত নিহত। হত্যাকাৰি পলাতক। খবৰটো পঢ়ি সি জিকাৰ খাই উঠিল। সি কাপোৰ পিন্ধি লগে লগে হোটেললৈ বুলি ৰাওনা হল। হোটেলত সি গম পাইছিল ২৮৫ নম্বৰ কমৰ নেহা বৰুৱা গুৱাহাটীলৈ উভতি গৈছে। তেতিয়া তাৰ নৈহাই কোৱা এটা কথাই মনত পৰিছিল - মই থিভেঞ্জ লম ৰাজ। এদিন নহয় এদিন মই থিভেঞ্জ লম।



# SOME ONE SOME WHERE

Miss Barsha Borah
H. S. 1st Year

: হায় প্ৰাত্যুত্ত দা
: হেল্লো ! অ মেঘনা তোমাক যে যোৱাকালি কাৰ্ডখন দিবলৈ দিছিলো তুমি দিলা নে নাই ?
: ওঁ আজি ৰাতিপুৱা টিউচনত দিলো।
: তাই কিবা কৈছে নেকি ?
: কি কব আৰু অ, তাই আপোনাক চিনাকি কৰি দিবলৈ কৈছে। বাৰু প্ৰত্যুত্ত দা, মই এতিয়া যাওঁ। "গেলেৰী ওৱান"ত Physics" ৰ ক্লাছ এটা আছে। ক্লাছৰ পিছত মই আপোনাক অলকাৰ লগত চিনাকি কৰি দিম। কিন্তু আপুনি কেন্টিনত চাহ খোৱাব লাগিব। বুলি কৈ তাই গেলেৰী ওৱানৰ ফালে খোজ ললে।

অলকা বৰুৱা। প্ৰথমদিনা তাইক দেখাৰে পৰা মনে বাৰে বাৰে কৈ উঠিল সেইজনী ছোৱালীয়ে মোৰ হৃদয় জুৰ পেলাব। হায়াৰ ছেকেণ্ডৰী প্ৰথম বৰ্ষৰ নাম ভৰ্ত্তি হৈ আছে। মই, ময়ুৰ, ললিত, বিতু, ৰভিজিত, ৰাহুল গোটেই কেইতাই ছাত্ৰ একতা সভাৰ ফাণ্ডৰ বাবে প্ৰত্যেক জন নতুন ছাত্ৰ - ছাত্ৰীৰ পৰা পাঁচ টকাকৈ কালেকচন কৰিছো। মই পইছা লৈ আছো আৰু কাষতে বহি ৰাহুলে ৰচিদ লিখি আছে। এনেতে এজনি ছোৱালী মোৰ কাষলৈ আহি ক'লে "অলকা বৰুৱা" – এইবুলি দহটকীয়া নোটখন মোৰ ফালে আগবঢ়াই দিলে। মই তাইক পাঁচ টকাৰ নোটখন ঘূৰাই দি তাইক ৰচিদলৈ যাবলৈ কলো। ৰচিদ লৈ ঘূৰি আহি মোক "থেংকচ" বুলি কৈ তললৈ নামি গ'ল। মইয়ো ৰভিজিতক ক'লো ৰভিজিত, তই অলপ দেৰি ইয়াত থাকচোন। মই অলপ তলৰ পৰা আহো। এইবুলি মই তললৈ নামি আহি দেখিলো তাই ইতিমধ্যে "চিটিৰাছত" উঠিলেই। মই তাইৰ কাষ চপাৰ কোনো সুযোগ নাপালো। এটা ভাঁৰ ক্ৰান্ত মনলৈ পুনৰ ভিতৰ সোমালোহি। তাৰ পিছত তাইক কিমান বাৰ লগ পাইছো হিচাপ নাই। মোৰ কিন্তু তাইক মাতিবলৈ অলপো সাহস হোৱা নাই।

মেঘনা, মোৰ বান্ধৱী ময়ুৰীৰ ভনীয়েক। সেই সূত্ৰেই তাইৰ লগত মোৰ চিনাকি। তাইক মই মোৰ ভণ্টিৰ দৰে মৰম কৰো। তাই মোৰ লগত খুব ফ্ৰি। একেবাৰে বন্ধুৰ দৰে আমি কথা পাতো। তাই অলকা আৰু মোৰ মধ্যস্থকাৰী হিচাপে সহায় কৰিছে। মেঘনায়ে অলকাহঁতৰ লগত একেলগে "Biology"ৰ টিউচন কৰে। আমাৰ গ্ৰুপৰ "চেনিৰাম" ৰভিজিতৰ পৰামৰ্শমতে যোৱা কালি লুইজীক দিবলৈ মেঘনাৰ হাতত এখন "Friend Ship"ৰ কাৰ্ড দি পঠাইছিলো। আমাৰ চেনিৰামৰ মতে এজনী ছোৱালি ভাল পাবলৈ হলে প্ৰথমতে তাইৰ এজন অন্তৰংগ বন্ধু হৈ সময় সুবিধা বুজি নিজৰ মনৰ কথা কব লাগে। নহলে প্ৰথমবাৰ চিনাকি হৈ লগে লগে "প্ৰপোজ" কৰিলে কেনেবাকৈ "No" হৈ গলে সেই ছোৱালীজনীয়ে কেতিয়াও ভাল চকুৰে আৰু নাচায়।

এনেতে বেল মাৰিলে। কথাবোৰ ভাবি থাকোতে কেতিয়া ৪০ মিনিত পাৰ হৈ গ'ল কবই নোৱাৰিলো। দেখিলো মেঘনাই বাহিৰলৈ ওলাই মোক হাতবাউলি মাতিছে। কেইজনিমান ছোৱালিৰ সৈতে অলকাই তাত থিয় হৈ হাঁহি হাঁহি কিবা কথা পাতি আছে। মই লাহে লাহে খোজকাঢ়ি মেঘনাৰ ওচৰ পালোহি। তাই হাঁহি মাৰি অলকাক মাতিলে আৰু কলে – অলকা এয়া মোৰ দাদা। নাম প্ৰদ্যুত বৰা। এইবাৰ ডিগ্ৰী 1 st year। মই 'হায়' বুলি কলো আৰু লগে লগে তায়ো 'হেল্লো' বুলি হাতখন আগ বঢ়াই দিলে। মইয়ো বাধ্যত পৰি তাইৰ হাতত ধৰি হাঁহি এটা মাৰি দিলো। তাই মোক মোৰ কাৰ্ডখন পোৱাৰ বাবে ধন্যবাদ জনালে। মেঘনাই সময়ৰ সৎ ব্যৱহাৰ কৰি কলে প্ৰদ্যুতদা অলকা কেন্টিনলৈ যাওঁ। নে কি কোৱা অলকা? তাই কলে যে মোৰো কফি একাপ খাবলৈ মন গৈছে। তাত কফিও খাম আৰু কথাও পাতিম বলা বুলি মোৰ হাতত ধৰি টানি আনিলে। তাই ইমান সোনকালে ফ্ৰি হোৱাৰ বাবে মই আচৰিত হলো।

সেয়ে চিনাকি তাৰ পিছত কেন্টিন, লাইব্ৰেৰীৰ আগত, অডিটৰিয়ামৰ কাষত প্ৰায়ে তাইৰ লগত কথা পাতো। তাই মোৰ লগত ইমাই ফ্ৰি হোৱাত প্ৰায় বোৰে তাই মোৰ প্ৰেমিকা বুলি ধৰিয়ে ললে আৰু কিছুমানৰ বাবে মই ইৰ্ষাৰ পাত্ৰ হৈ পৰিলো। শেষত মইয়ো ভাবিবলৈ বাধ্য হলো যে তাইৰো মোৰ প্ৰতি অলপ হলেও দুৰ্বলতা আছে।

তাৰ পিছত দিনৰ পিছত দিন বাগৰি গৈ আছে। মই কিন্তু কেতিয়াও মোৰ সাঁচতীয়া কথাফাঁকি কবলৈ সাহস কৰা নাই। সেইদিনা আছিল বৃহস্পতিবাৰ মই, ৰভিজিত, ময়ুৰ, ললিত চাৰিওটাই "ছাত্ৰ একতা সভাৰ" কাৰ্য্যালয়ৰ বাৰাণ্ডাত বহি আড্ডা পিটি আছো। ৰভিজিতে তাৰ পৰা কৰ্মাচৰ ছোৱালী কেইজনাৰ লগত 'চেনি' খাই আছে। ললিতে আগদিনা কণিকাৰ লগত মৰা ডেটিংৰ বিৱৰণ দি আছিল। এনেতে ৰাহুল আৰু মন্টুৱে বাপুলৰ নতুন 'ইয়ামাহা RX-Z' খন লৈ ওচৰতে ব্ৰেক মাৰি দিলে। ৰাহুলে পকেটৰ পৰা চিগাৰেট টো উলিয়াই জ্বলাই কাল প্ৰদ্যুত্ত, কনগ্ৰেচুলেচন, বল EAST ENDত পাৰ্টি দিবি। মই অবাক হৈ সুধিলো কি পাৰ্টিৰ কথা কৈছা' আৰু তই কালি চিগাৰেট খোৱা এৰিলো বুলি শপত খোৱা নাচিলি কুকুৰ। এতিয়া চিগাৰেট খায় থাক আৰু ৰাতি কাঁহিবি?) মই চিগাৰেট নাখাওঁ বুলিহে শপত খাইছিলো, নোহোপো বুলিতো কোৱা নাছিলো। বাৰু এইবোৰ কথা বাদ দি ৰাতিলৈ পাৰ্টি দে তোৰ অলকাই যোৱাকালি "INDIA CLUB' ত পতা "Miss Personallity Contest"ত "Miss Personallity" হৈছে। আজিৰ পৰা তই আমাৰ "Mr. Personallity" নে কি কও ললিত? ৰাহুলে একে উশাহতে কথাখিনি কৈ চিগাৰেটটো ললিতৰ ফালে আগবঢ়াই দিলে। ললিতে সন্মতিসূচকভাৱে "হ" বুলি কৈ চিগাৰেট টোত টানি ধোঁৱাখিনি নাকে মুখে উলিয়াই দিলে। তাৰ পিছত ললিতৰ পৰা মই চিগাৰেটটো কেইটামান সোপা মাৰি কলো– তাইতো মোক কমচে কম কব পাৰে তাই যে মডেলিং কৰে! "INDIA CLUB"ত হোৱা "Contest"ৰ বিষয়ে তহঁতিওতো মোক কব পাৰ মইযো যোৱাকালি তহঁতৰ লগত গলোহেঁতেন। ৰভিজিতে মোৰ ওচৰ চাপি বহি কলে চা, তাইৰ আজি মন ভালহৈ আছে আৰু তই যদি সাহস কৰি তাইৰ ওচৰত তোৰ মনৰ কথা খুলি কৈ দিব পাৰ তেন্তে তোৰ কথাই নাই। তাই "Yes" বুলিও কব পাৰে। তোক তাই "চাৰ প্ৰাইজ" এটা দিম বুলিহে চাগে ইমানদিনে মডেলিং কৰাৰ কথাতো কোৱা নাছিল। ৰাহুলক বাইকৰ চাবি ক'ত আছে বুলি মই সুধিলত সি বাইকতে লাগি আছে বুলি ক'লে, বাইকত বহি কলো —'ৰ' ৰাণিংগেটৰ পৰা চিগাৰেট আনি খাই খাই কেনেকৈ প্ৰপোজ কৰিম তাৰ প্লেন বনাম। এনেতে বাইকৰ কিক্ মাৰিবলৈ লৈছোৱে তেনেতে মন্টুৱে পিছৰ পৰা মাত দিলে -- "ঐ প্ৰদ্যুত্ত তোৰ বায়েৰে আহিছে। ঘূৰি চাই দেখিলো যে শিখা বা আৰু আশা বা হোষ্টেলৰ পৰা আহিছে বহঁতক দেখি ললিতে আৰু ময়ুৰে খাই থকা চিগাৰেট দুটা লুকুৱাই দিলে। শিখাৰা আৰু আশাবাক কোনফালে যাব সোধাত বজাৰলৈ যাম বুলি ক'লে আৰু ৰিক্সা এখন মাতি দিবলৈ ক'লে। মন্টুক মই ৰিক্সা এখন আনিবলৈ পঠিয়াই বাহঁতক গেটৰ ওচৰত ৰবলৈ কৈ মই ৰাণিং গেটৰ ফালে অগ্ৰহৰ হলো। পাঁচমিনিট মানৰ পাছত ঘূৰি আহি বাইকত বহিয়েই ৰভিজিত হঁতক অলকাৰ ওচৰলৈ যাওঁ বুলি কৈছো।

এনেতে মেঘনা আহি আমাৰ ওচৰ পালে আৰু অলকাই মোক মাতিছে বুলি ক'লে। ৰভিজিতে মোৰ ফালে চাই হাঁহি এটা মাৰি কলে— গ্ৰীণাচিগনেল, "বেষ্ট অফ লাক্"। মই ধেৎ বুলি কৈ সিহঁতৰ কাষৰ পৰা আতৰি কলেজৰ ভিতৰলৈ বুলি খোজ দিলো। : "কংগ্ৰেচুলেচন" বুলি তাইৰ ফালে হাতখন আগবঢ়াই দিলো।

: থেংকচ্ বুলি তাইও মোৰ হাতত ধৰি কলে বলা কেন্টিনলৈ যাওঁ। লগৰ ছোৱালী কেইজনীমানে পাৰ্টি লাগে লাগে কামুৰি আছে। তুমি আৰু মেঘনাগৈ কেন্টিনত বহাচোন মই ইমন, বিপাশা, চবিনা হঁতক মাতি আনো। অলপসময় পিছত সিহঁতৰ গোটেই কেইজনীয়ে হাঁহি হাঁহি কেন্টিনৰ বেঞ্চকেইখনত বহিলহি। অলকাই নিজেই গৈ চাহ, কণী আৰু চপৰ অৰ্ডাৰ দিলে। মই বহুত পৰ তাইৰ অলক্ষিতে তাইৰ ফালে চাই থাকিলো। হঠাৎ তাইৰ চকুৱে চকুৱে পৰাত কি হ'ল সোধাত মই ভগৱানৰ নাম লৈ বহুত সাহস গোটাই কলো যে তাইৰ লগত মোৰ এটা দৰকাৰী কথা আছে। তাই তাতে কবলৈ কোৱাত মই কলো যে ইয়াত বহুত ল'ৰা ছোৱালী আছে সেইবাবে নতুন গেলেৰীৰ ওচৰত কম। তাই মেঘনাহঁতৰ ফালে চাইক'লে তইঁত পাঁচমিনিট বহাচোন। এই বুলি তাই মোৰ পিছে পিছে মই ৰৈ থকা ঠাইটুকুৰাত ৰৈ ক'লে – কোৱা কিনো ইমান দৰকাৰী কথা আছে যিটো কবলৈ মোক ইয়ালৈ মাতি আনিছা?: মই শেষৰবাৰ ভগৱানৰ নাম লৈ ক'লো ".চোৱা অলকা তোমাৰ বন্ধুত্বই মোক ইমান আনন্দ দিছে যে তাক মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম। তথাপিও মোৰ অবুজ মনটোক শান্তনা দিবলৈ তোমাক কৈছো যে মই তোমাক ভাল পাওঁ আৰু তোমাক মোৰ আৰু কাষত থকাতো বিচাৰো। তুমি এই বিষয়ে যি সিদ্ধান্ত লোৱা সেইটো তোমাৰ ব্যক্তিগত কথা। তোমাৰ সিদ্ধান্ত যিয়ে নহওক তুমি মোৰ বন্ধু আছিলা বন্ধু হৈ আছা আৰু বন্ধু হৈয়ে থাকিবা।

তাইৰ চকু লগে লগে চলচলীয়া হৈ গ'ল আৰু থোকাথুকি মাতেৰে মোক ক'লে — প্লিজ, প্ৰদ্যুত্ত, তুমি মোক ভূল নুবুজিবা। মই কোনো দিনে তোমাক এই দৃষ্টিৰে চোৱা নাছিলো। মই তোমাক খুব ভাল পাওঁ মাত্ৰ মোৰ এজন বন্ধু হিচাপে। মই এইটো নকও যে তুমি মোক আৰু মোৰ বন্ধুত্বক প্ৰেমৰ নাম দি বিশ্বাস ঘাতক কৰিছা। মই তোমাক বন্ধু বুলি স্বীকৃতি দিয়াৰ পাছতো যিমান ভাল পাব লাগিছিল সিমান ভাল পাব নোৱাৰাৰ বাবে হয়তো তুমি মোক এনে প্ৰস্তাৱ দিছা। ইমানদিনে তুমি মোক সোধা নাছিলা বাবে কোৱা নাছিলো কিন্তু আজি এই বিষয়টো আমাৰ মাজত আহিছে বাবে মই কওঁযে মই এজন ল'ৰাক ইতিমধ্যে ভাল পাওঁ। তেওঁ বৰ্তমান পুনেত N.D.A.ত পঢ়ি আছে। তুমি মোক তোমাৰ এই প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰাৰ বাবে ক্ষমা কৰিবা।

তাই তেনেদৰে কোৱাৰ বাবে মোৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। যিজনী ছোৱালীয়ে এজন তাইৰ বন্ধু হিচাপে ইমানদিনে অন্তৰত স্থান দিছিল তাইকে মই আজি কন্দোৱাই পেলালো।

চৰি, অলকা – তুমি ইমান যে মোক ভাল পোৱা মই কল্পনাই কৰিব পৰা নাছিলো। বন্ধুত্ব আৰু প্ৰেমৰ ব্যাখ্যাও ইমানদিনে মই জনা নাছিলো। অলকা মই এতিয়া যাওঁ তোমাৰ পাৰ্টি কাইলৈ মই খাম। যোৱা সময়ত মই কও যে তুমি মোৰ বন্ধুহৈয়ে থাকা। আজিৰ পৰা তোমাৰ দৰে মইয়ো এক বন্ধুসুলভ আচৰণ তোমাৰ সৈতে কৰিম। তুমি আমাৰ দুয়োৰে মাজৰ এই কথাবোৰ আন কাকো নকবা নহলে সকলোৱে

আমাৰ বন্ধুত্বৰ ওপৰত সন্দেহ কৰিব। বাৰু অলকা মই যাওঁ দেই।

ফিল্ডখন কেনেকৈ খোজকাঢ়ি পাৰহৈ আহিলোঁ একো মনত নাই। বাৰে বাৰে তাই কোৱা কথাখিনিয়ে মোৰ মনৰ ভিতৰতে প্ৰতিধ্বনি হৈ আছে। গেটৰ ওচৰ পাইছোহি মাত্ৰ এনেতে ইহঁত কেইটাই ছাত্ৰ একতা সভাৰ অফিছৰ বাৰাণ্ডাৰ পৰা হাতবাউলি দি আৰু চিঞৰি মাতিছে। তাঁহাতি অলকাৰ লগত কি কি কথা পাতিলো আদি এহাজাৰ এটা প্ৰশ্ন কৰিব। তাতকৈ সিহঁতৰ ওচৰলৈ নোযোৱাটোৱেই মংগল বুলি ভাবিয়ে সিহঁতক গেটৰ পৰাই "বাই- বাই" দি ওলাই "বিক্ৰম"ৰ বাবে অপেক্ষা কৰিলো।

এনেতে বেলৰে পাৰাৰ হাউচৰ বেৰখনত মাৰি থোৱা "Dil to pagol Hai"ৰ পোষ্টাৰখন দেখি তাৰ শেষ দৃশ্যটো লৈ মনৰ পৰি গ'ল যত একেবাৰে প্ৰথমতে আৰু শেষত লিখি দিছিল যে

"Some one - - - Some where - - - is made for you.

# ৰুদ্ধ হৃদয়ৰ ক্ৰন্দন

মিচ সঙ্গীতা সোনোৱাল
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

বাহিৰত ভীষণ মেঘৰ গাজনি, ৰতাহ বৰষুণ। মাজে মাজে বিজুলিৰ চমকনিয়ে আন্ধাৰ কোঠাটো পোহৰ কৰি তুলিছে। হয়তো আজি কৰবাত বজ্ৰপাত পৰিছে নীলাৰ টোপনি অহা নাই। এইটো অৱশ্যে নীলাৰ বাবে কোনো নতুন কথা নহয়। প্ৰতিদিনে নিশা উজাগৰে কটোৱাটো নীলাৰ এতিয়া অভ্যাসলৈ পৰিবৰ্ত্তন হৈ গৈছে। বেৰত ওলমাই থোৱা প্ৰকাণ্ড ঘড়ীৰ কাটডোল টিং টিং কৰি নিশাৰ দুটা বজাৰ ঘণ্টা মাৰিলে। নিচেই কাষতে শুই থকা কনমানি বাবুক নীলাই ওচৰলৈ টানি বুকুৰ মাজত সোমোৱাই ললে। নিজৰ আপোন বুলিবলৈ নীলাই এতিয়া বাবুৰ বাহিৰে কাৰো কথাই ভাবিব নোৱাৰে দেখোন। চাবি দিয়া এটা পুতলাৰ নিচিনাকৈ গতানুগতিক জীৱন এটা লৈহে মাথো নীলা এতিয়া জীয়াই আছে। জীৱনটোৰ প্ৰতি কেতিয়াবা নীলাৰ তিক্ততা উপজে। জীয়াই থাকিবৰ মন নাযায়। শেষ কৰি পেলাবৰ মন যায় নিজক। কিন্তু আকৌ বাবুৰ মুখখন দেখিলে মনটো কোঁচ খাই যায়।

সীমান্ত চৌধুৰী – এই সৰু চহৰখনৰ বিৰাট সম্পত্তিৰ মালিক বুলি সকলোৰে বাবে পৰিচিত। চহৰৰ বাহিৰতো তেওঁ ডাঙৰ ডাঙৰ কোম্পানী গঢ়ি তুলিছে। আজিৰ পৰা প্ৰায় ৬ বছৰৰ আগতে সীমান্ত চৌধুৰী আৰু নীলাঞ্জনা বৰুৱা সামাজিক ভাৱে বিবাহ পাশত আৱদ্ধ হয়। বিয়াৰ চাৰি বছৰৰ পিছত নীলা আৰু সীমান্তৰ জীৱনলৈ কনমানি বাবু আহিল। ইয়াৰ পিছত... কাৰোবাৰ... এই খালী খালী লগা ঘৰখনত অশ্ৰু...

আকমাৰ মাত এবাৰিকৈ শুনিবলৈ পাব। পাহৰিব খোজা অতীতটোৱে আহি নীলাক বাৰে বাৰে আমনি কৰে। ক'ব নোৱাৰাকৈ অতীতৰ বহুতো স্মৃতিয়ে মানুহৰ মনৰ মাজত এক মচিব নোৱাৰাকৈ সাঁচ বহুৱাই যায়। নীলাৰ জীৱনতো সেয়ে হ'ল। কেতিয়াবা নীলাই জোৰকৈ ওলাই আহিব খোজা কান্দোনটোক বুকুৰ ভিতৰতে হেঁচা মাৰি থয়। বুকুতলৈ থকা এই গধুৰ বোজাবোৰ কেতিয়াবা বাৰু কোনোবাই অকমান পাতলাবলৈ চেষ্টা কৰিছিলনে? নাই। তেনেকুৱা এটা মূহুৰ্ত আহিব কেতিয়াও মনত নপৰে।

ঘৰৰপৰা প্ৰায় ৪ কিলমিটাৰ দূৰত নীলাই এখন হাইস্কুলত শিক্ষকতা কৰিছিল। দেউতাকৰ মৃত্যুৰ পিছত তাইৰ ৰুগীয়া মাক, এটা ভায়েক আৰু এজনী ভনীয়েকক পঢ়োৱাৰ বাবে নিজৰ শিক্ষা আধকৰাকৈ হ'লেও তাই দেউতাকৰ চাকৰিটো লব লগা হৈছিল। দেউতাকৰ ইচ্ছা আছিল তিনিওটা ল'ৰা-ছোৱালীকে পঢ়াই-শুনাই মানুহ হিচাপে গঢ়ি তোলাৰ। কিন্তু দেউতাকৰ জীৱিত অৱস্থাত সেই আশা পূৰণ নহল যদিও নীলাই এতিয়া দেউতাকৰ সেই ইচ্ছা পূৰণ কৰিবলৈ ভায়েক ভনীয়েকক পঢ়োৱাৰ দায়িত্ব ললে। ভায়েক অপু হায়াৰ ছেকেণ্ডেৰী পাচ কৰি ইঞ্জিনিয়াৰিং কলেজত নাম ভৰ্তি কৰিলে। তাৰ এবছৰ পিছত ভনীয়েক আভায়েও মেডিকেল কলেজত চিট পালে। ৰাতিপুৱা বিছনা এৰাৰ পিছৰপৰা নীলাৰ কথা এটা কবলৈকো সময় নাই। গোটেই ঘৰখন অটাই মাকে হাত মেলিলেই যাতে সকলো বস্তু পোৱাকৈ

ডিক্ৰয়ান ডিক্ৰয়ান

গোটাই থৈ তাই স্কুললৈ বুলি ঢাপলি মেলে। আকৌ স্কুলত গৈ পোৱাৰ মাত্ৰই স্কুলৰ পিয়নৰপৰা আদি কৰি পিঞ্চিপাললৈকে সকলো ক্ষেত্ৰতেই নীলাকেই লাগে। প্ৰহ্লাদ শইকীয়া সেইখন স্কুলৰে বিজ্ঞানৰ শিক্ষক। প্ৰহ্লাদ আৰু নীলাৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কৰ কথা সেই বিদ্যালয়ৰ কোনেও নজনা নহয়। এই প্ৰহ্লাদৰ আগতেই যে নীলাই নিজ মনৰ কথাবোৰ খুলি কব পাৰে। কেতিয়াবা স্কুল চুটিৰ পাছত প্ৰহ্লাদ আৰু নীলা দুয়ো গৈ নদীৰ পাৰত বহেগৈ। প্ৰহ্লাদে কেতিয়াবা কয়— নীলা এনেকৈ আৰু কিমান দিন পাৰ কৰিবা? বিয়াৰ আগতে যেনেদৰে তুমি ঘৰখন চলাই আছা বিয়াৰ পাছতো তুমি ঠিক তেনেদৰেই থাকিবা বাৰু। মাথো মই তোমাক সোনকালে নিজৰ কৰি লব বিচাৰো। - হয়, নীলায়ো এই কথা নভবা নহয় কিন্তু পিছ মূহূৰ্ত্ততে দেউতাকে কোৱা কথা কেইষাৰলৈ মনত পৰে। তাইৰ বিয়াৰ পিছত যদি ক'ৰবাত কেনেবাকৈ ভুল হৈ যায়। ভায়েক, ভনীয়েক কেইটাৰ পঢ়া আধৰুৱা হৈ ৰ'ব। নাই তাই এইবোৰ কথা এতিয়া ভাবিবই নোৱাৰে। মাহেকৰ মূৰত দৰমহাটো পালে এইবাৰ তাই চেণ্ডেল এযোৰ লব দেউতাক জীয়াই থাকোতেই লোৱা চেণ্ডেল মেৰামতি কৰি কোনোমতে পিন্ধি আছে তাই। চোৰেটাৰ এটাও লব তাই। দিনটো চুটি বাবে স্কুলৰপৰা আহোতে আন্ধাৰ হৈ যোৱাত ঠাণ্ডাও অলপ লাগে আজিকালি। ভায়েক অপুৰ পৰা চিঠি আহিছে এইবাৰ বোলে কলেজত ফ্ৰম-ফিলাপ সোনকালে হ'ব গতিকে যিমান সোনকালে পাৰে এইবাৰ তালৈ টকা সোনকালে পঠিয়াব লাগিব। ভনীয়েকেও খবৰ পঠিয়াইছে তাই বোলে কলেজৰ পৰা পিকনিকত যাব, সেই বাবে অলপ টকা তাইলৈও পঠিয়াব লাগিব। এইকেইদিন ঠাণ্ডাটো অলপ বেছি পৰাৰ বাবে মাকৰ অসুখটো আগতকৈ অলপ বেছি হৈছে। আগৰ দৰব কেইটাও প্ৰায় শেষ হলেই, সেইকেইটাও আনিব লাগিব। থাওঁক আৰু এইবাৰ। আকৌ অহা মাহতহে দেখা যাব তাই বস্তুকেইটা লব পাৰিবনে নাই। এদিন হঠাত প্ৰহ্লাদে আহি নীলাক কলেহি — চোৱা নীলা সময় কাৰো বাবে ৰৈ নাথাকে। কালি মাৰপৰা চিঠী পাইছো। এইবাৰ যেনে তেনে বোৱাৰী এজনী ঘৰত সোমোৱাবগৈ লাগে বুলে। গতিকে তুমি যদি মত দিয়া ............ নীলাই প্ৰহ্লাদক বাধা দি কয় — নাই প্ৰহ্লাদ মই কেতিয়াও ইমান স্বাৰ্থপৰ হ'ব নোৱাৰো। অপু আৰু আভাক আধাৰুৱাকৈ পঢ়া এৰি মই কেতিয়াও বিয়াত বহিব নোৱাৰো. প্ৰহ্লাদে একো নকৈ লাহেকৈ আতঁৰি যায়।

এৰা, সময় কাৰো বাবে ৰৈ নাথাকে। এবছৰৰ ভিতৰত প্ৰহ্লাদেও বিয়া পাতিলে মাকে ঠিক কৰি দিয়া ছোৱালী এজনীৰ লগত। নীলাক চিঠিৰে নিমন্ত্ৰণ জনাইছিল। নীলাই সেইদিনাখন প্ৰহ্লাদলৈ বুলি দূৰৰপৰাই চকুলোৰে বিয়াৰ শুভেচ্ছা জনালে। সঁচাকৈ, নীলাই সেইদিনাখনহে অনুভৱ কৰিলে তাইৰ কথা ভাবিবলৈ; মনৰ কথাবোৰ বুজিবলৈ এই পৃথিৱীত জানো কাৰোবাৰ বাবে অকণমান সময় আছে!

দুবছৰৰ পিছত অপুও ইঞ্জিনিয়াৰিং পাচ কৰি কোম্পানি এটাত জইন কৰিলে আৰু তাৰ এবছৰৰ পিছত ভনীয়েক আভায়েও মেডিকেল পাচ কৰিলে। সিদিনাখন মাকে নীলাক জনালে আভাৰ কাৰণে বোলে ভাল ল'ৰা এটা ওলাইছে। মাকৰ কথাটো শুনি নীলাৰ আনন্দত চকুলো ওলাল। তাইৰ অকমানি ভনিয়েক আভাজনী চাওঁতে চাওঁতে ইমান ডাঙৰ হ'লনে? কিন্তু আভাৰো এটা জিদ। বায়েক বিয়াত নবহালৈকে বোলে তাইও বিয়াত নবহে। অপুৱে সেইদিনা লৰা এজনৰ কথা কৈছিল। লৰা মানে অৱশ্যে তেওঁ ৫০ ৰ দেওনা প্ৰায় পাৰ হৈ গৈছে। বিৰাট সম্পত্তি থকা মানুহ। বায়েকে ৰাজৰাণী হৈ খাব পাৰিব। কিন্তু নীলাই এই প্ৰস্তাৱটোত মান্তি নহ'ল। জীৱনত কাৰোবাৰ বাবে সাঁচি থোৱা মৰমবোৰ দেখুন সময়ৰ লগত কেতিয়াবাই শুকাই গ'ল। খং আৰু দুখত বহু কথা কম বুলিভাবিও নীলাই মাক, ভায়েক আৰু ভনীয়েকৰ বাবেই একমাত্ৰ বিয়াত সন্মতি জনালে। মহা ধুম ধামেৰে নীলা আৰু সীমান্তৰ বিয়াখন হৈ যায়। সেয়ে যি ঘৰৰ পৰা ওলাই অহা-




ডিক্ৰয়ান ডিক্ৰয়ান

আৰু ঘৰলৈ বুলি এবাৰো যোৱা হোৱা নাই নীলাৰ। নীলাৰ বিয়াৰ পিছতে ভনীয়েক আভাৰো বিয়া হৈ গ'ল। বাহিৰৰ পৰা দেখাত গহীন-গম্ভীৰ সীমান্ত চৌধুৰীৰ প্ৰকৃত চৰিত্ৰটো বিয়াৰ পিছতহে নীলাই বুজি পালে। ৰাতি এপৰৰ লৈকে ঘৰৰ বাহিৰত থাকি মুখত মদৰ গোন্ধ লৈ মাজনিশা ১/২ বজাত আহি ঘৰ সোমাইহি। টেবুলত ঢাকি থোৱা ভাতৰ থালি লৈ নীলাই সীমান্তলৈ ৰৈ ৰৈ গোটেই নীশাটো তেনেদৰেই কটাই দিয়ে। এয়ে মানুহৰ ভিতৰৰ প্ৰকৃত চৰিত্ৰ। যিটো বাহিৰৰপৰা দেখা নাযায়। কেতিয়াবা মাক ভনীয়েক ভায়েক সকলোৰে ওপৰত তীব্ৰ ঘৃণা ভাব জন্মে। যাৰ বাবে নীলাই গোটেই জীৱনটোৱে ত্যাগ কৰিলে তাৰ প্ৰতিদানত তেওঁলোকে নীলাক জীৱনত দিলেই বা কি!

হঠাৎ ঘড়ীটোৰ টং টং কৈ ৬ বজাৰ ঘণ্টাত নীলা উচপ খাই উঠিল। কণমানি বাবু তেতিয়াও টুপনিত লালকাল। বহুত ভাবিলে—নাই আৰু নাভাবে নীলাই। জীৱনত এৰি থৈ অহা অতীতটো নীলাই পাহৰিবলৈ যত্ন কৰিব। তাই জীয়াই থাকিব লাগিব আন নহলেও বাবুৰ কাৰণে তাক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিব লাগিব। জীয়াই থাকিবলৈ হ'লে মানুহে সংগ্ৰাম কৰিবই লাগিব। জীৱনত যদি ঘাট, প্ৰতিঘাট, দুখ বেজাৰেই নাথাকে সুখৰ আনন্দই বা কত? নীলাই জীৱনটোক নতুনকৈ উপলব্ধি কৰিবলৈ শিকিব। নাই, বাহিৰত সেই ৰাতিৰ বতাহজাকো এতিয়া নাই। বিছনাৰ পৰা উঠি গৈ নীলাই লাহেকৈ খিৰিকীখন খুলি দিলে, এচেৰেঙা ৰদ কোঠাটোলৈ সোমাই আহিল। ●



# অবুজ বেদনা

শশীকান্ত শইকীয়া

বগা মাৰুতিখন অনাদিহঁতৰ জপনামুখত ৰোৱাৰ লগে লগে কণ কণ ল'ৰাছোৱালী কেইটামানে আহি গাড়ীখন আগুৰি ধৰিলেহি। তাৰে কেইজমানে গাড়ীখন চুবলৈ সাহস নকৰি দূৰতে ভেবা লাগি চাই ৰ'ল তাৰ তুঙ্গনমানে চুচুক চামাক কৈ একেবাৰে গাড়ীখনৰ কাষৈ আহি ওপৰে ওপৰে চুই চাই আঁতৰি গ'ল।

গাড়ীখনৰ দৰজাখন খুলি অখিলে হাতত এটা বেগ লৈ অনাদিহঁতৰ বাঁহৰ জপনাখন খুলি লাহে লাহেকৈ চৌহদৰ ভিতৰলৈ সোমাই আহিল। জপনামুখত গাড়ীখন ৰোৱা দেখাপাই অনাদিৰ মাক-দেউতাকে কোনোবা আহিছে বুলি ডিঙি মেলি মেলি বাৰাণ্ডা খনৰ পৰা পূৰ্ব্বৰে পৰা চাই আছিল। অনাদিহঁতৰ ঘৰটো জোকতলি গাঁৱৰ চাৰিআলিটোতে হোৱাবাবে গাঁৱলৈ অহা অচিনাকী আলহীয়ে কাৰোবাৰ ঘৰ বিচাৰি উলিওৱাত অসুবিধাত পৰিলে অনাদিহঁতৰ ঘৰতে জানি বুজি লৈ নিজ গন্তব্য স্থানলৈ গতি কৰে। আজিও অনাদিৰ মাকে কোনোবা অচিন মানুহ আহিছে বুলি ভাবিয়েই জপনাখন খুলি আগবাঢ়ি যোৱা নাছিল। পিছত যেতিয়া অখিলক দেখা পাই তেতিয়া "আইঔ দেহি" বুলি চিঞৰ এটা মাৰি অনাদিৰ মাকে অখিলক আগবঢ়াই নিবলৈ দৌৰি ওলাই আহিল।

জোকতলি গাঁৱৰ অনাদি পেচাত এজন কনিষ্ঠ অভিযন্তা থাকে ডিব্ৰুগড়ত। তুবছৰ মানৰ আগলৈকে, শিলচৰত আছিল যদিও এতিয়া ডিব্ৰুগড়লৈ বদলি হৈ স্থায়ী ভাবে থকাৰ সিদ্ধান্ত লৈছে। অনাদিয়ে ডিব্ৰুগড়লৈ বদলি হোৱাৰ চেষ্টা বহুদিনৰ পৰা কৰি আছিল যদিও আজিকালি মন্ত্ৰী আমোলাক সন্তুষ্ট কৰিব নোৱাৰিলে এধানিও কাম নিসিজে বুলি বহু পলমকৈহে বুজিলে। শেষত যেনিবা গুৱাহাটীৰ, অফিচলৈ মাকো মাৰি মাৰি চাকৰীটো যেনে তেনে ডিব্ৰুগড়লৈ বদলি কৰি আনিবলৈ সক্ষম হ'ল। সেইফেৰা কৰিবলৈ যাওঁতে ক'ত-লাঞ্চনা ভুগিবলগীয়া হ'ল সেই কথা মনত পৰিলে অনাদিৰ বুকুখন তুক তুককৈ কঁপি উঠে।

"উস ভীষণ গৰম"— টি, ভিৰ ভলিওমটো লাহেকৈ কমাই অনাদিয়ে মুখতে ভুৰ-ভুৰালে। বিচনাখনতে ওপমুখখন কৰি চিন্তাত বিভোৰ হৈ পৰিল। অতীতৰ কথাবোৰ ৰূমন্থন কৰিবলৈ ধৰিলে—। আকৌ বেছ আমোদজনক হৈ পৰে। কেতিয়াবা সেই যে ল'ৰালিৰ দিনত ফোটোকানিৰ মাজে মাজে লুকা ভাকু কৰা দিনবোৰ। জিৰণীৰ সময়ত শৰ্মাদেউৰ দোকানত খোৱা মুখবিলাস মিহলোৱা তামোল খনৰ কথা হয়তু অনাদিয়ে এতিয়াও স্মৃতিৰ সফুঁৰাত আলফুলকৈ ধৰি ৰাখিছে।

"অনাদি দা - অনাদি দা" ভিতৰত কিনো কৰি থাকে অ' এই উৎপত্তিয়া গৰম খনত।

অনাদিৰ স্মৃতিৰ ৰূমন্থনৰ যাত পৰাত মেখেলাৰ দৰে চিলাই কোৱা লুঙিখন ভালকৈ গাত এটা দি বাওঁহাতেৰে আগটো অকণমান ওপৰলৈ তুলি দি দুৱাৰখন খোলাৰ আগতেই মিণ্টুৱেই দৰজাখন ঠেলি ভিতৰলৈ সোমাই আহিল।

"অ' মিণ্টু"

কোৱাছোন কৰ পৰা কেনেকৈ আহি ওলালহি। মই ইয়াত আছো বুলি, তুমি কেনেকৈ জানিলা।

এহ্ নকৰ আৰু অনাদি দা, আৰু আপুনি যে ডিব্ৰুগড়ৰ আছে সেইটো অৱশ্যে জানো কিন্তু ডিব্ৰুগড়ত ক'ত থাকে সেইটো যোৱাকালিলৈকে জনা নাছিলো।

যোৱাকালিলৈকে, মানে? অনাদিৰ চকুত প্ৰশ্নবোধক চিন।

নাই, নাই আপুনি ইমান আচৰিত হ'ব লগা কোনো কাৰণ নাই। মোৰ ডিব্ৰুগড়ত লাচিত নগৰত এগৰাকী মাহী থাকে নহয়। সেই মাহীয়েই মোক আপোনাৰ ঠিকনাটো দিলে।

ওৱা, তোমাৰ মাহী? লাচিত নগৰত থাকে। মোক চিনি পায়। মিছা কথা সব মিছা। তুমি ফাঁকি দিবলৈ আৰু মানুহ নাপালা।

অনাদি দা, আপুনি বিশ্বাস কৰক বা নকৰক লাচিত নগৰত মোৰ সঁচাকৈ এগৰাকী মাহী থাকে। মই মাহীৰ ঘৰত থাকিয়েই এইবাৰ হায়াৰ চেকেণ্ডাৰী ফাইনেল পৰীক্ষা দিছো।

মিণ্টুৰ কথাখিনি শুনি অনাদি আচৰিত হৈ এপলক নিথৰ হৈ ৰ'ল। কথাছবিৰ ৰিলৰ দৰে এফালৰ পৰা কথাবোৰ মনত পৰিবলৈ ধৰিলে। জীৱনত পাই অহা ঘাট প্ৰতিঘাটৰ কথাবোৰ ভাবিলে এতিয়াও গাৰ নোম শিয়ৰি উঠে। আৰু আজি মানুহ নামৰ প্ৰাণীবিধৰ ওপৰত অনাদিৰ ঘৃণা ভাবৰে ওপচি পৰিল।

'কি হ'ল অনাদি দা, — নিশ্চুপ হৈ থাকিল যে। জানে অনাদি দা, মই আজি আপোনাৰ ওচৰলৈ এনেয়ে অহা নাই। মাহীয়ে আপোনাক লৈ যাবলৈ পঠাইছে একেবাৰে জৰুৰী। কওঁক যাবনে?

ছেঃ তুমি মোক বৰ ঝেমেলাত পেলালা। জানা মিণ্টু, মই যদিও আজি ডিব্ৰুগড়ত তথাপি মোৰ সম্পৰ্কীয় বুলি জনাৰ পিছুতো ইঘৰ সিঘৰ ফুৰা নাই। মাতোতে অৱশ্যে ভাল্লে কেইবৰে মাতিয়েই আছে। হ'লে কি হ'ব, যাবলৈ দেখুন অকণো ইচ্ছা নাযায়।

না, নাই অনাদি দা, সেই ৰামায়ণ আপুনি সামৰি থওঁক। আৰু আপুনি মোৰ লগত ওলাওক। আপোনাক মাতিছে, আপুনি যাব লাগিব। বছ, কথা চিধাচিধি।

মিণ্টুৰ আদেশ মিশ্ৰিত কথাখিনি শুনি তললৈ মুৰ কৰি ক্ষন্তেক কিবা ভাবিলে। ফৎকৰি ভিতৰ কোঠালৈ সোমাই ফ্ৰি চাইজৰ চাৰ্ট এটা আৰু মতিয়া ৰঙৰ লং-পেণ্টটো পিন্ধি অনাদিয়ে সাজু হৈ মিণ্টুক ক'লে বলা। মিণ্টুৰ পাছে পাছে অনুসৰণ কৰি অনাদিয়ে অৱশেষত লাচিত নগৰ পালেগৈ।

কলিংবেলটো টিপি দিয়াৰ লগে লগে এজনী ক্ষীণ ওখ ছোৱালী ওলাই আহি অনাদিক ড্ৰয়িং ৰুমতে বহিবলৈ দিলে। লগে লগে গতানুগতিক ধৰণে মিণ্টুৱে এফালৰ পৰা সদস্য সকলক চিনাকী কৰি দিলে। এইয়া মাহি, এইয়া সৰু ভণী, আৰু এইয়াই হ'ল অখিল। সকলোলৈকে হাতযোৰ কৰি অনাদিয়ে এফালৰ পৰা চিনাকী হৈ গ'ল। ক্ষন্তেক বহি সকলোৱে এমহলা কথা মাৰি অনাদিৰ জয়গান গাবলৈ ধৰিলে।

কথাৰ মাজতে হাতত এখন ট্ৰে লৈ হালধীয়া চুৰিদাৰ পৰিহিতা শতক চাপৰ এজনী মৰমীয়াল ছোৱালীয়ে অনাদিলৈ বুলি চাহলৈ আহিল। চাহৰ কাপটো টেবুলত থৈয়ে নমস্কাৰ দিয়াৰ ভংগীত "আপোনাৰ কথা শুনিছো। মাহিয়ে আপোনাৰ নাম লৈয়ে থাকে! ভাগ্য ভাল আজি আপোনাক দেখা পালো।"

: আপুনি ভাড়াঘৰত অকলে থাকে নহয়?

: হয়, অকলে থাকো। কি কৰিবা ভগবানে এতিয়ালৈকে জীৱন সংগী ঠিক কৰি দিয়াই নাই। নহবগৈ যেনহে পাইছো। কথাষাৰ কৈয়ে অনাদিয়ে মিছিকীয়া হাঁহিৰে ছোৱালীজনীলৈ চাই ৰ'ল।

আৰে, তোমাৰ নামটোৱেই দেখুন মই সোধা নাই। কোৱাছোন তোমাৰ ভাল নামটো?

এঞ্জেলিকা। এঞ্জেলিকা ববী। অৱশ্যে ঘৰত মোক সকলোৱে ববী বুলিয়েই মাতে। আপুনিও মোক ববী বুলি মাতিলেই বেছি ভাল পাম।

সেয়াই অখিলৰ ববীহঁতৰ ঘৰখনৰ লগত প্ৰথম চিনাকী । অনাদিয়ে ববীৰ মাকক নিজৰ মাহীৰ দৰেই সম্বোধন কৰিবলৈ ধৰিলে । সেইঘৰখনৰ লগত অতি ঘনিষ্ঠতা গঢ়ি উঠাত মাহেকত পষেকত এদিন হ'লেও যোৱাটো অভ্যাস হৈ গৈছিল অনাদিৰ । অনাদিয়ে বেয়াও পোৱা নাছিল । নিৰলস অভিযন্তা চাকৰীটোৰ দিনটোৰ ব্যস্ততাৰ ভাগৰখিনি ৰবীহঁতৰ ঘৰতে উজাৰি দিছিল অনাদিয়ে । হাঁহি ধেমালী তথা মধুৰ ক্ষণেৰে । লাহে লাহে অনাদি ববীহঁতৰ পৰিয়ালৰ এজন হৈ পৰিল । ববীহঁতৰ যি কোনো পূজা পাৰ্বনত অনাদি কেতিয়াবা অনুপস্থিত থাকিলে উচপিচাই সময়বোৰ অতিবাহিত কৰিছিল ।

: অনাদি •

কিবা কব নেকি মাহী ? তোমাৰ লগত এটা জৰুৰী কথা আছিল অ'

: আপোনাৰ লগত মই যেতিয়াই আহো তেতিয়াই দেখুন জৰুৰী কথাকেই পাতো আৰু নো কি জৰুৰী কথা থাকিব পাৰে মাহী ।

: তুমি অনবৰতে পেংলাইখন কৰি নাথাকিবা ছোন । তুমি অহাকাইলৈ অকলে আহিবা । মই তোমাক কবলগীয়া কথাটো কম । কোৱা, আহিবানে ?

: অ' কে মাহী বুলি অনাদিয়ে একেজোৰে আহি ভাৰাঘৰত উঠিলহি ।

অফিচৰ পৰা অনাদিয়ে আজি কিছু সোণকালে আহিল । মনতে ভাবিলে " মাহীৰ সৈতে তাৰ আকৌ কি জৰুৰী কথা থাকিব পাৰে। " কৰবাত সি কিবা ভুল কৰি পেলাইছে নেকি যিটো কেৱল মাহীয়েই জানে । মাহীৰ জৰুৰী কথাটো যোৱা কালিয়েইতু কব পাৰিলেহেতেন, কিন্তু নোকোৱাৰ কি ৰহস্য থাকিব পাৰে। পেটতো বিচনাখনতে পেলাই বাগৰি ইটোৰ পিছত সিটো প্ৰশ্নই আহি অনাদিক জুমুৰী ধৰিলহি ।

: অনাদি। তোমাক এটা মই সম্পূৰ্ণ ব্যক্তিগত কথা কব বিচাৰিছো। বেয়া নাপাবা । কওঁক মাহী । আপোনালোকৰ লগত চিনাকী হোৱাৰ দিনধৰি মই মোৰ ব্যক্তিগত জীৱনৰ এখিলা এখিলাকৈ জীয়া পাতৰ কাহিনী কৈয়েই আহিছো । কেতিয়াবা প্ৰকাশ কৰিছো বেদনাসিক্ত কৰুণ কাহিনী নতুবা কেতিয়াবা প্ৰকাশ কৰিছো মোৰ আনন্দ ভৰা জীৱনৰ সফল অভিজ্ঞতা সেয়া সকলো জীয়া অথচ নিভাজ কাহিনী ।

: নহয়। সেয়া নহয়। সেইয়া আছিল জীৱনৰ— কাইটিয়া বাট - অতিক্ৰম কৰি আহোতে পোৱা তোমাৰ অতীত ৰুমন্থন । তোমাৰ বাবে সেয়া আছিল তিতা, মিঠা মধুৰ অভিজ্ঞতা । আৰু মই । মইতো তোমাক কব খুজিছো তোমাৰ সোণালী ভৱিষ্যতৰ কথা । য'ত কেৱল থাকিব এবুকু মৰম ভালপোৱা । থাকিব সুখৰ পাপৰি। থাকিব এখন মনোমোহা সংসাৰ । জাৰ হৃদয়ে হৃদয়ক আঁকুল আহ্বান। তৃপ্ত হ'ব দুখন পবিত্ৰ হৃদয় এক হৈ .... : আৰু নালাগে মাহী । বন্ধ কৰি থওঁক আপোনাৰ দাৰ্শনিক উপমাৰ ব্যাখ্যা। মই বুজিব পাৰিছো মাহী, কিন্তু মই নিৰুপাই । মোৰ কিছু টেকনিকেল অসুবিধা আছে । : ওহো । মই তোমাৰ কথা আৰু শুনিব নিবিছাৰো মোৰ মাজু ছোৱালী ববীৰ সৈতে তোমাৰ এখন সুখী সংসাৰ গঢ়ি উঠাতো বিচাৰো যদি তোমাৰ মাহীৰ প্ৰতি সঁচাকৈ মৰম ভক্তি শ্ৰদ্ধা অক্ষুন্ন ৰখাতো বিচৰা তেনেবোৰ প্ৰস্তাৱক অপমান নকৰিবা বুলিয়েই মই ভাবো ।

মাহীয়ে নিসংকোচে অকপট ভাবে প্ৰকাশ কৰা কথাবোৰ শুনি অনাদিয়ে সংগোপনে এক বেহুৰ মাজত সোমাই পৰিল । এখন্তেক মৌনভাবে থাকি এই সম্পৰ্কত একো সিদ্ধান্ত এতিয়াই দিব নোৱাৰিম বুলি কৈ অনাদিয়ে একে উশাহতে তাৰ পৰা গুচি আহিল ।

ছিঃ এনেকোৱা মানুহো থাকিব পাৰেনে । নিজ ছোৱালীৰ বাবে মাকে – নিজে – নাই নাই । বৰ স্বাৰ্থপৰ মাহঁহঁত । নিস্বাৰ্থ ভাৱে মৰম ভালপোৱা যাচিব পৰা মানুহ নিশ্চয় কমি আহিছে ।

– আৰু এদিন তেনেকৈয়ে অনাদিয়ে পৰাজয় স্বীকাৰ কৰিছিল মাহীৰ ওচৰত । জীৱনৰ ঘাটপ্ৰতি ঘাটৰ যুদ্ধত অকণো বিচলিত নোহোৱা অনাদি দাৰ্শনিক ভাবে আগবঢ়োৱা মাহীৰ ব্যাখ্যা শুনি যেন হৈ পৰিছিল শ্ৰান্ত ক্লান্ত । এক ভাগৰুৱা পথিক । যিগৰাকী মাহীৰ শ্ৰদ্ধাত গদ গদ হৈ মৌনভাবে সমৰ্থন জনাই খোজ দিছিল জীৱনৰ অন্য এক পিচল বাটক সেই গৰাকী মাহীয়েই অনাদিৰ হাজাৰ সপোন দিঠকত পৰিণক হোৱাৰ পূৰ্বে ৰবীক সমৰ্পনৰ বাবে উঠিপৰি লাগিল আকাশ নামৰ এজন খাদ্য পৰিদৰ্শকৰ হাতত। কাৰণ আকাশ হাজাৰ হাজাৰ দুৰ্নীতিৰে দুইহাতে ধন ঘটিব পৰা গুণেৰে বিভূষিতা । ইফালে অনাদি । নিশকটীয়া হৈ পৰা চৰকাৰী বিভাগ এটাৰ এজন কনিষ্ঠ অভিযন্তা মাত্ৰ । তেওঁৰ ধন নাই সঁচা, কিন্তু আছে এখন বহল পবিত্ৰ হৃদয় । ভোগবাদী সমাজত হৃদয় মৰম আদিৰ মুল্যই ক'ত ? ধন দৌলতৰ বলত মত্ত হৈ থকা সমাজত অনাদিৰ দৰে মানুহবোৰে হয়তু অচল টকা । বগা মাৰুতিখনেৰে অখিলে জোকতলি গাঁৱৰ অনাদিহঁতৰ ঘৰলৈ কঢ়িয়াই আনিছিল আকাশ আৰু ববীৰ শুভ প্ৰণয়ৰ খবৰ । অনাদিৰ মাক দেউতাকে যাতে ভুল নুবুজে তাকে বুজনি দি পুনৰ ঘুৰি গৈছিল গাঁৱৰ ধুলিয়তী বাটতোৰে এসোপা ধুলি উৰুৱাই । ঠিক যেন অনাদিৰ ৰঙীন সপোন বোৰহে ধুলিসাৎ কৰি । গাড়ীখন আঁতৰি যোৱাৰ লগে লগে শিল পৰা কপৌৰ দৰে নিথৰ হৈ পৰিল অনাদিৰ মাক দেউতাক । এক অবুজ বেদনাৰে ভাৰাক্ৰান্ত হৈ । ●



# সন্ধ্যাৰ চিনাকি

মানবেন্দ্ৰ গগৈ
বি, এ, ১ম বাৰ্ষিক

আজিও সেই একেই জিন্স একেই টিচাৰ্ট মাথো মনৰ পাৰ্থক্য। পাৰ্থক্য থাকিবই দিয়কচোন কালিৰ এম্বেচাদৰ গাড়ি আজি 'থাওজেন' কিমান পাৰ্থক্য কিন্তু তথাপিও কওঁ গাড়ি পেট্ৰল বা ডিজেল বেই চলি আহিছে। ৰূপে কি সংসাৰ তৰে শুনেহে তৰে। কিন্তু মই যদি কওঁ গুণে কি সংসাৰ তৰে ৰূপেহে তৰে প্লাছ যদি অলপ পকেট গৰম হৈ থাকিবলৈ হয় তেতিয়াটো কথাই নাই তেতিয়া হয়টো মোৰ যুক্তি আজিৰ যুগত হব অকট্য। উদাহৰণটো আছেই ৰূপেশ্বৰীয়ে ৰূপৰ বলত নতুন হিৰহণ্ডাৰ পিছত সদায় উঠে। চলতীকা নাম হে জিন্দগী ভাই মোৰে। ঠিকেই চলিছে নিবনুৱা হলেও ৰূপে কীকমাইত ফকটিয়া মাৰি চলি আছো। এল-এম এল খনটো আছেই তাতেই মন গলে উঠে কোনোৱা সোনালিৰ কোনো গুণো কম নহয় পিন্ধনত টাইট জিন্স আৰু টি চাৰ্ট। আমাৰ একেবাৰে ইনটিমেট ফ্ৰেণ্ড দৰে হাত ডাঙি ৰাখিলে। ধুনীয়া ছোৱালী তাতে আধুনিকা হায় ৰাম কতে মৰো। চাৰিওফালে নিজম পৰিবেশ মাথো বাইক ৰখোৱা ব্ৰেকৰ কোঁকোৰনি। মই এবাৰ ৰাকেশ আৰু এবাৰ আধুনিকা কেইগৰাকীৰ ফালে চালো। আমি ৰখা দেখি ভেনভেথ হঁতো আতৰি গ'ল। আমাৰ অৱস্থা তেতিয়া মিৰিণ্ডাৰ জোৰ কা ঝটকা খিৰে সে লগাৰ নিচিনা। কোনোদিনে ছোৱালিৰ লগত কথা নপতা ৰাকেশৰ অৱস্থা পানীত হাঁহ নচৰা, জোকত নিমখ পৰাৰ নিচিনা কোঁচ খাহৈ আছে। মনতে ৰাকেশক সান্তনা দিয়াৰ অভিপ্ৰায়েৰে পাগুলিলো 'টেক ইট ইজি য়াৰ'! ছোৱালী ভাব্যৰ পৰা বুজিলো ভেমভেৰহঁতে গুলচন গ্ৰোভাৰক নকল কৰিব বিচাৰিছে মানে ছোৱালী ভাল দেখি প্ৰপজেল দিবলৈ আহিছে। ছেঃ বেচেৰা কেইটা। আমাক দেখিহে ছোৱালীৰ বোলে মুখলৈ পানী আহিছে, ঘৰলৈ মনত পৰিছে, ঘৰত থৈ আহিবলৈ কৈছে। ভাবিলো আজি ঘৰত থৈ আহিম কিন্তু কালিলৈ তো মই এইফালে নাহো, গতিকে হোঁ----। মইওতো চিনেমা দস্তুৰমত চাওঁ, কাৰনো হিৰ হবলৈ মন নাজায় তাতে লগত সুন্দৰী। মনো কম নহয় ৰাপেকে, লৰা কেইজনক দেখা লগে লগে বাইক ৰখাই দিলো পাছত বহি অহা সুন্দৰীও নামিল, চলিগল খিচুম-ধাচাম। মোৰ মুখত ঘোঁচা এটা পৰিল অলপ কেৱাৰিয়েদ তেজ বৈ আহিল লৰা কেইজনৰ গাতো উত্তম মাধ্যম পৰিল!

'144' ডিব্ৰুগড়ত লাগি আছে, গতিকে এখনত এটা ৰাকেশৰ নতুন বাইকখন লৈ মোৰখন তাক দি টাকৰ এটা দিয়াৰ মানসেৰে ৰাস্তাত উঠিলো। যেন আমি স্বয়ং 'বিল গেটচ' হে ৰাজপথলৈ ওলাই আহিছো তেনে থলোকাৰোৰ কাৰো কথা পাত্তা নিদি বাইকৰ চিএৰ বৃদ্ধি কৰি শব্দ প্ৰদুষণত সহায় কৰিলো। ৰাকেশৰ পৰা লোৱা চিগাৰেটটো মুখত গুজি লৈ ডেম কেয়াৰ ভাৱত বিশেষ কৌশলেৰে ধোঁৱাখিনি এৰিলো। ৰাকেশৰ একেই স্থিতি মেৰ্ষ্ঠস চিগাৰেটৰ দামি ধোঁৱাই চকু মুখ চুই গৈছে। আগলৈ মন দিলো দেখিলো পৰম আধুনিকাত দুজনী ছুৱালী আৰু কাষত কেইজনমান 'ভেন-বেথ' আৰু "ক্ৰুচলী" আধুনিকাত পূজা ভাট্টা আৰু

সিহঁত কেইটা ফৰিং চিটিকা দিলে। ছোৱালীকেইজনীয়ে অশেষ ধন্যবাদ জ্ঞাপন কৰিলে। ছোৱালী কেইজনীৰ ঘৰৰ পৰিচয় ললো, নাম সুধিলো আৰু ঘৰত থবলৈ ওলালো।

আমোলাপট্টি পোৱাৰ পাচতে ছোৱালী কেই-জনীয়ে তাত নমাই দিলেও হব বুলি কোৱাত তাতে নমাই দিলো সিহঁতে পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিলে। ঘুৰিলো অলপদুৰ আগবাঢ়িছোহে এনেতে বায়েক বন্ধ, খংডাল ঘপহকৰে উঠি গল, ছাল্লা, তেল এটোও নাই, ঠেলি মৰিব লাগিব এতিয়া। ৰাকেশে কলে 'বাতৰ কচু গাত ঘঁহিবলৈ গলো এনেকুৱা অৱস্থা হয়েই মইন যোগ্য পত্যোত্তৰ দিব নোৱাৰি কালো দুজনী বিপদত পৰা ছোৱালীক সহায় কৰিছো কিমান ডাঙৰ কাম কৰিছো আৰু আৰু কি ভুল কৰিলো হঁ। ৰাস্তাৰে কবলৈ মাত নাছিল শেষত কলে ঠেলি মৰ। তেতিয়া হ'লে, সি আগলৈ বুলি স্কুটাৰ চেকুৰালে, কিন্তু বৈ গ'ল তাৰো একেই অৱস্থা তেল নাই। ঠেলি ঠেলি ডিপো পালেহি তেল লবলৈ বুলি পকেটত হাত ভৰালো, নাই গ'ল মণিবেগ খালাচ। মিৰাকোল, বিভূতি বুজিলো ছোৱালী কেইজনীৰ কাৰণে। তাক কলো সি আকৌ গালি পাৰিবলৈ চান্স পাইগ'ল। গালি পাৰি পাৰি সি পকেট চালে, নাই আৰু নাই, গ'ল শেষ। সি উধাই মুধাই গালি পাৰিলে। ভাবিলো "বিপদ আহিলে অকলে নাহে" বুলি কয় কথাষাৰ সত্য। ৰাকেশে কলে সিহঁতক সহায় কৰ' নহয়, ঘোচাও খালি, কষ্টও খালি মিঠা মাতো শুনিলি, এতিয়া মোৰ গালি শুনিবলৈ টান লাগিছে নহয়। মই কলো চলতি কা নাম হে জিন্দগী ভাই। দুয়োটাৰ হাঁহিত গোটেই সন্ধিয়াটো ওপচি পৰিল। ●

# আকাংখ্যা তোমাৰেই নাম

শ্ৰীমতী হেমাঞ্জলী বৰা
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

ট্ৰেইনৰ সকলো যাত্ৰীয়েই লাহে লাহে, শুই পৰিছে। সাৰে আছো মাত্ৰ মই। অলপ সময় আগলৈকে চানা, চতপৰ্তি বিক্ৰিবলৈও দুই এটা মানুহ আহি আছিল। এতিয়া সিহতৰঁও কোনো মুখ-ঘাম নাই। বেচেৰাহঁত, গোটেই দিনটো চানা বিক্ৰি-বিক্ৰি হয়তু ভাগৰি পৰিছে। মোৰ কাষতে থকা মুন্না খুৰাও এতিয়া ঘোৰ টোপনিত। টোপনিতে চক্ খাই সাৰ পাই উঠি কয় "মাতু,শুই থাকা আক।" মই সহজ ভাবেই কওঁ মোৰ টোপমি নাই তুমিয়েই শুৱাচোন। মোৰ কথাটো শেষ হোৱাৰ আগতেই খুৰা আকৌ লাহে লাহে শুই পৰে। এই কেইদিন খুৰাৰ মোৰ কাৰণেই বৰ কষ্ট হৈছে। অৱশ্যে; তেওঁ আগতেও কেইবাবাৰও বাঙ্গালোৰলৈ আহিছে। হলেঁও তেতিয়া নিজৰ কামত আহিছিল। দেউতাৰ কথা পেলাব নোৱাৰিহে খুৰা মোৰ লগত আহিছে। মই অকলেই আহিব পাৰিলোহেঁতেন। কিন্তু মা-দেউতাইহে পঠিয়াবলৈ নিবিচাৰিলে। সকৰে পৰা এটা প্ৰৱহ হেঁপাহ আছিল কম্পিউতাৰ কৰ্চ এটা কৰা। প্ৰথমতে ভাবিছিলো গুৱাহাটীতে কৰিম, কিন্তু কিয় জানো পিছত মন নগল গুৱাহাটীত কৰিবলৈ। গতিকে গুচি আহিলো বাঙ্গালোৰলৈ। মই জানো মা-দেউতাই মোক বাঙ্গালোৰলৈ পঠীয়াবলৈ বিচৰা নাছিল—কাৰণ তেওঁলোকেও বিচাৰিছিল আন দহজনী ছোৱালীৰ দৰে মোকও এজন সু-ব্যক্তিৰ লগত এটা সুখৰ সংসাৰ পাতি দিয়াৰ কথা। কিন্তু মইটো আন ছোৱালীৰ দৰে হৈ থকা নাই। এটা সময়ত মইও দেখিছিলো ভৱিষ্যতৰ কিছুমান ৰঙিন সপোন। যিবিলাক মই বাস্তৱত ৰূপ দি জীৱন্ত কৰি তুলিম বুলি ভাবিছিলো, আশাকৰিছিলো, সেইবিলাকটো মোৰ হৃদয়ৰ পৰা কেতিয়াবাই শেষহৈ গৈছে। এই সত্য স্মৃতিবিলাক পাহৰি আকৌ জানো মই এটা জীৱন্ত ভূল কৰিবলৈ যাম। হয়তু, এইটো ভূল নহবও পাৰে, কিন্তু মই যে মানুহৰ প্ৰতি থকা বিশ্বাস নামৰ বস্তুটো হেৰুৱাই পেলাইছো। যি জনী ছোৱালীক মই মোৰ জীৱণৰ সকলো কথা কৈছিলো, যিজন লৰাক মোৰ আটাইতকৈ প্ৰিয়জন বুলি সকলো মৰম হৃদয় ওজাৰি দি দিছিলো বিশ্বাসৰ বলত—তেওঁলোকেই মোক বুলিবলৈ চেষ্টা নকৰিলে। বিশ্বাসঘাতকতা কৰি আঁতৰি গ'ল। তেনেস্থলত কাৰবাৰ, কোনোবা এজন, কেইদিনমানৰ চিনাকী মানুহে জানো বুজিব, বিশ্বাস কৰিব। তেনে এজন মানুহৰ লগত গোটেই জীৱনৰ দ্বায়ীত্ব আন কোনোৱাই ললেও অন্ততঃ মই লব নোৱাৰো। তেওঁ হয়তু মোক সকলো সুখ দিব পাৰিলেও মানসিক সুখ দিবলৈ, তেওঁ নিজকেই প্ৰস্তুত কৰিব নোৱাৰিব।

অনুপমকে মই কিমান ভাল পাইছিলো হয়তু নিজতকৈও বেছি। অন্তৰত আলফুলে সাঁচি ৰখা সকলো মৰমেই মই তেওঁক ওদঙাই দিছিলো। শেষত সি কি দিলে মোক, এটা সৰু কথাত ভূল বুজি মোৰ পৰা আঁতৰি গ'ল মই তাক চাৰিটা বছৰ ওচৰতে থাকিও তাৰ মনৰ পৰা দুৰন্ত ভাববিলাক উলিয়াই আনিবলৈ চেষ্টা কৰিও সক্ষম নহ'লো। আমাৰ ৰিলেচনটো আৰম্ভ হঁওতে মই আছিলো T.D.C. 1st year ত। আমাৰ চিনাকী হঁওতে মই H.S.2nd year তহে পঢ়িছিলো। সি M.B.B.S'3rd yearত আছিল। আমাৰ প্ৰথম চিনাকী নিবেদিতাৰ বায়েকৰ বিয়াত। তাই আহি কৈছিল- আকাংখ্যা, মোৰ কাজিন অনুপম। হেল্লো, বুলি কৈ সি হাতখন আগবঢ়ায় দিছিল। মইও লাহেকৈ হাতখন আগবঢ়াই দিছিলো। সেইদিনা বিয়াত আমি বহুত ফুৰ্ত্তি কৰিছিলো। পিছদিনা আহিবৰ সময়ত অনুপমে কৈছিল—আকাংখ্যা তোমাৰ ঘৰলৈ নামাতা।" যাবা আৰু নিবেদিতাৰ লগতে যাব পাৰিবা"। মই সহজ হবলৈ চেষ্টা কৰিছিলো তেতিয়া। সঁচাকৈয়ে, এদিন দেওবাৰে নিবেদিতাৰ লগত অনুপম আমাৰ ঘৰ পালেহি। সেইদিনাই মা, দেউতা আৰু ভন্টিৰ লগত অনুপম একেবাৰে ফ্ৰি হৈ পৰিছিল। গোটেই দিনটো ফুৰ্ত্তি কৰি সেইদিনা গধুলী দেউতাই সিহঁতক হোষ্টেলত থৈ আহিছিলগৈ। তেতিয়াৰে পৰা অনুপম মাজে মাজে আমাৰ ঘৰলৈ আহি থাকে। লাহে লাহে সি দেউতাৰ বাধ্য লৰা বুলি পৰিগণিত হৈছিল। ভন্টিয়েও খুউব ভালপাইছিল অনুপমক। মা—দেউতাই বিশ্বাস কৰা কাৰণেই নে কিয় জানো মোৰও তাক লাহে লাহে ভাল লাগি আহিছিল।

H.S. পাচ কৰাৰ পাছত মই Englishত মেজৰ লৈ T.D.C.1st year নাম ভৰ্ত্তি কৰিলো। অনুপমে তেতিয়া নিবেদিতাক কলেজত লগ কৰিবলৈ আহে, লগতে মোকও লগ কৰি যায় সি। দিনবিলাক গতানুগতিক ভাবে পাৰ হৈ গৈছিল! এদিন হঠাতে নিবেদিতাই ক'লে—আকাংখ্যা তোক অনুপমে লগ কৰিব বিচাৰিছে' আজি আহিব বুলি কৈ তাই দৌৰা-দৌৰিকৈ ক্লাচ কৰিবলৈ গুচি গ'ল। মোৰ ভাৱ হ'ল কিয় বাৰু অনুপমে মোক লগ কৰিব বিছাৰিছে। মোৰ ক্লাচ সেইদিনা সোনকালেই শেষ হৈছিল। ঘৰলৈ আহো বুলি চিৰিটোৰ পৰা নামি সোহাঁতৰ কৰিডৰৰে দি আহি ৰাস্তাত উঠিছিলো হে, তেনেতেই পিছফালৰ পৰা অনুপম আহি মোৰ কাষতে তাৰ বাইকখন ৰখাই দিলেহি। আকাংখ্যা, তোমাক মই বহুত কথা কবলৈ আছে-পাৰিবা শুনিব। কি কথা? —কোৱা ইয়াতে। "বলা কৰবাত গৈ বহি লওঁ তেতিয়াহে তোমাক সকলো কথা খোলা-খুলিকৈ কব পাৰিম। "বলা তেন্তে সেই পাৰ্কখনতে বহোগৈ।" পাৰ্কখনৰ উত্তৰ-পশ্চিম দিশত এটা চুকত আমি দুয়োটা বহি পৰিলো। অলপ সময় সি তললৈ মূৰটো কৰি কিবা এটা ভাবি আছিল। মোক কব লগা কথাখিনিয়েই সি জুকিয়াই আছিল যেন লাগিল। ওচৰতে কেইটামান লৰা-ছোৱালীয়ে খেলি আছিল। আকাংখ্যা, মই আজি যিবোৰ কথা কম বুলি ভাবিছো সেইবিলাক সকলো আমাৰ দুয়োটাৰ জীৱণৰ লগত জড়িত হৈ আছে। মোৰ বিশ্বাস তুমি এই কথাবোৰ তৃতীয় ব্যক্তিক নকয় গোপন কৰি ৰাখিব পাৰিবা। মোৰ কথাবিলাক শুণাৰ পাছত তুমি কি ভাবা মই নাজানো হয়তু, তুমি মোক বেয়া লৰা বুলি ভাবিবও পাৰা। সেইটো তোমাৰ ইচ্ছাৰ কথা। কিন্তু, মোৰ মণটো ষ্টেবোল (Stable) কৰিব কাৰণে এই কথাখিনি মই তোমাক কবয়েই লাগিব, নহ'লে মই কতো মণবহাৰ পৰা নাই। আকাংখ্যা; মই কথাখিনি কোৱাৰ আগতেই হয়তু তুমি কি কব বিচাৰিছো বুজি পাইছা? আকাংখ্যা .... তোমাক মই প্ৰথম দেখাৰ দিনাৰে পৰা কিয় জানো মোৰ তোমাৰ প্ৰতি এটা ভাল ভাব সোমায় গৈছিল কব নোৱাৰো। লাহে লাহে বেছি ভাল লাগি আহিছে। এইটো জৰুৰি নহয় যে মোৰ তোমাক ভাল লাগিলেই, তুমিও মোক ভাল লাগিব। কাৰন তোমাৰো এটা মণ আছে, ইচ্ছা অনিচ্ছা আছে। তুমিও বিচাৰা তোমাৰ মণে বিচৰা মানুহজনৰ লগত ভৱিষ্যৎ জীৱণ অতিবাহিত কৰিবলৈ। মই এই ক্ষেত্ৰত তোমাক ফৰ্চ (Force) কৰা অধিকাৰ নাই। এইয়া সম্পূৰ্ণ তোমাৰ ইচ্ছা-অনিচ্ছা কথা। কিন্তু এইটো সঁচা যে মই সদায় তোমাকেই ভালপায় যাম। কথাকেইটা কৈয়ে অনুপমে বাইকখন লৈ গুচি আহিছিল। মই থৰ হৈ তাৰ ফালৈকে চাই আছিলো, কিমান সময় কব নোৱাৰো। ঘৰলৈ আহি বহুত কান্দিছিলো, ভাবিছিলোও। প্ৰথমতে মই তাক না কম বুলিয়েই ভাবিছিলো। আকৌ পিছ

মূহুতেই ভাবো, যদি সি মোৰ কাৰণে তাৰ জীৱনৰ গতি সলনি হয় তাৰ দায়ী কোণ হ'ব। এটা সময়ত যেতিয়া বেদান্তৰ কাৰণে মই পাগলীৰ দৰে হৈ পৰিছিলো, তেতিয়া মোক শান্তনা দিবলৈ কোনো নাছিল। নাজানো সি মোৰ মণৰ কথা বুজি পাইছিল নে নাই? এদিনটো সি জানিছিল তেতিয়াও দেখুন তাৰ কোনো সহাঁৰিয়েই নাই। তেতিয়াই মই ভাবিছিলো লৰাবিলাকক কেতিয়াও বিশ্বাস কৰিব নোৱাৰি—ইহঁত এটা এটা মস্ত জলন সেই কাৰণে মই আগতকৈ বহুত ৰাফ হৈ গৈছো এই খন পৃথিৱী ৰাফ নহ'লে কোনো মানুহেই সুখ-শান্তিত জীয়াই থাকিব নোৱাৰে। সকলোৱেই মাত্ৰ নিজৰ স্বাৰ্থৰ পিছত ঘূৰে। কোনেও আনৰ কথা বুজিবলৈ চেষ্টা নকৰে। মই কিয় .... .... .... .... ?

"আকাংখ্যা ........।" অনুপমক দেখাৰ লগে লগেই মোৰ টিঙিচকৈ খংটো উঠি গৈছিল। তথাপিও মানৱতাৰ খাতিৰত চিচিকীয়া হাঁহি এটা মাৰি ক'লো — "ভাল তোমাৰ।" মুৰ তুপিয়াই সি ক'লে — 'কি লৈছা।" তুটামান সৰু সুৰা, বস্তু লৈছো।"তাৰ লগতে মই গোটেই বজাৰ খন কৰিলো। সি কোনোবা এখন ৰেষ্টুৰেণ্টলৈ লৈ গৈছিল মোক। চাহ খায় থাকোতেই সি ক'লে — "আকাংখ্যা, মই কোৱা কথাবিলাক নিশ্চয় তোমাৰ মনত আছে। আকৌ এবাৰ ভালকৈ ভাবিচাবাচোন। তুমি যদি মোক আন লৰাৰ দৰে ভাবিছা, তেন্তে ভূল কৰিছা।" ইতিমধ্যে আমাৰ চাহ খোৱা প্ৰায় শেষ হৈছিল। অটো এখন মাতি মোক উঠাই পইচা দিব খোজোতেই মই মানা কৰিছিলো। গোটেই ৰাস্তাতো মই তাৰ কথায়েই ভাবি আহিছিলো। বুকুৰ কোনোবা এখিনিত এটা জঘন্য বিষ অনুভৱ কৰিছিলো। কেতিয়ানো ঘৰ পালোহি কবয়েই নোৱাৰিলো।

মই আগতকৈ অ'প চিৰিয়াচ হৈ পৰিছিলো। কাৰণ Part I final পৰীক্ষা প্ৰায় ওচৰ চাপি আহিছিল। অনুপমেই মোৰ লগত আগৰ নিচিনাকৈ লাগি নাথাকে। তথাপিও সি মোৰ পৰা বহুখিনিয়েই অধিকাৰ আদায় কৰি লৈছিল। অনুপমৰ গাত মই এটা সুকীয়া ব্যক্তিত্ব দেখা পাইছিলো। যিটো আন লৰাৰ গাত নাই। যেতিয়া মই এনেদৰে ভাবো তেতিয়া মোৰ অনুপমক ভাল লাগি যায়। এনেলাগে যেন অনুপমে মোক বহুত ভাল পায় আৰু সি মোৰ অন্তৰৰ প্ৰতিটো কথাই বুজিবলৈ সক্ষম হ'ব। তেতিয়াই, মই অনুপমক পালে বহুত সুখী হম যেন লাগিছিল। অজানিতে মই তাক ভাল পাই পেলাইছিলো। তাৰ মৰম, ভালপোৱাৰ যাদুত মই সাৰি গৈছিলো। এদিন সম্পূৰ্ণভাবে পাহৰি পেলাইছিলো বেদান্তৰ কথা। তাৰ মোৰ ৰিলেচনক এখন উচ্চ আসনত স্থান দিছিলো। ইয়াক যদি কোনোবাই বেয়া বুলি কয় মই সহজে সহ্য কৰিব পৰা নাছিলো। এনেদৰে আমাৰ ভৱিষ্যতৰ লক্ষ্যত উপনিত হোৱাৰ আশাৰে এখোজ দুখোজকৈ প্ৰেমৰ কণ্টকময় বাটত হাতত ধৰা ধৰিকৈ আগবাঢ়িছিলো।

মানুহৰ জীৱণটো সদায় দুখৰ হয় জানো? সুখৰ লগতে দুখও মানুহৰ চিৰলগৰী। মোৰ এনে ভাব হয় মোৰ ক্ষেত্ৰত সুখৰ তুলনাত দুখ অলপ বেছি নেকি? সেই কলা মেঘাচ্ছন্ন ধুমুহা জাক আহি মোৰ লক্ষ্যৰ দিশ সলনি কৰি কৰবাত হামখুৰি খাই পেলাব বুলি মই সপোনত ভবা নাছিলো। তেতিয়া আছিলো মই ইউনিভাৰছিটি ছাত্ৰী। আমি দুয়োটাই প্ৰায়ে ফুৰিছিলো — ৰেষ্টুৰেন্ট, পাৰ্ক, ......। এদিন মইয়ে কলো — "অনুপম আমিটো সদায়ে এই বিলাকত ফুৰো। ভগবানৰ ওচৰলৈটো এদিনো যোৱা নাই। অকল আমি সন্তুষ্ট হ'লেই নহ'ব নহয়। ভগবাণতো সন্তুষ্ট হব লাগিব, নে কি কোৱা ?" "থোৱা থোৱা ভগবানৰ কথা, মইটো এটা মস্ত নাষ্টিক" তুমি কি কৰা কৰিবা আমাৰ ৰিলেচনৰ কাৰণে।" মোৰ লগে লগেই খং উঠি গৈছিল "মুখখন ফুলাই, বোৱা তুমি শব ক্ষেত্ৰত ধেমালী কৰি থাকা, কোনো কথাই চিৰিয়াচলি নাভাবা। অন্তত ভগবানৰ ক্ষেত্ৰত তুমি এনেকুৱা কৰিব নালাগিছিল। আমাৰ যদি এই পৱিত্ৰ সম্বন্ধ ভাঙি যায় তুমি জানো নিজকে ক্ষমা কৰিবা পাৰিবা। লগে





লগেই সি হাঁহি দিছিল — " তোমাৰ চাগে খংটো উঠিলেই। হব বাৰু, অহা দেওবাৰে যাম, হব। এতিয়া ভাল ছোৱালীৰ দৰে হাঁহি দিয়া। মোৰ লাজ লাগি গৈছিল নিজকে — মই ইমান সৰু কথাতে অভিমান ক'ৰো তাৰ ওচৰত। দেওবাৰৰ দিনা ৰাতিপুৱাই মই গা পা ধুই উলাই আহিলো। নিবেদিতাৰ ওচৰৰ পৰা আহো বুলি ৰাতিপুৱাই মাক মিছা মাতি আহিলো। মাৰ সৰলমনা মুখখন মণত পৰিলেই মোৰ দুখ লাগি যায়। মায়ে কিমান বিশ্বাসত গোটেই দিনটোলৈ পঠিয়াইছে মোক। কিন্তু মই এইবোৰ কি কৰিছো। লগে লগেই মোৰ ভাব হয় — মইটো একো ভূল কৰা নাই, অনুপমেই মোৰ বাবে উপযুক্ত। মাহতেওঁ অনুপমৰ দৰে এজন বুজা লৰা বিচাৰে ........। সেইদিনা মন্দিৰ পাইছিলো গৈ ৮ মান বজাত। চাকি লৈ মন্দিৰলৈ সোমাই গৈছিলো। চাকি দি ওলাই আহিছোহে, তেনেতেই বেদান্ত বিদিশাই চাকিলৈ মন্দিৰৰ ফালে আহি থকা দেখিলো। বিদিশাক দেখা লগে লগেই মই চিঞৰি ছিলো বিদিশা .......। বিদিশাই দুখী দুখী ভাব এটা লৈ ক'লে — " ভাল তোমাৰ,,। মই তাইৰ কথালৈ কাণ নিদি আমি পাঁচবছৰৰ আগতেই জ্বলী জুইকুৰা, যিউ ঢালী আকৌ দপ দপ কৈ জ্বলাই যেন লাগিল ....... বিদিশাই। এটা ঠাট্টা মূচক হাঁহি মাৰি কৈ দিলো — "তোমালোকৰ বিয়াৰ খবৰ পায় সুখী হলে, সুখী হোৱা তোমালোক।" "আকাংখ্যা ........।" অনুপমৰ মাতত মই আকৌ বাস্তবলৈ ঘুৰি আহিলো। অনুপম চোৱা মোৰ ক্লাচ মেত বিদিশা আৰু এইয়া বেদান্তদা। অনুপমৰ লগত দুই এটা কথা পাতিছিল সিহঁতি। কি কথা পাতিলে মোৰ কাণত নোসোমাল। আমি দুয়োটাই আহি মন্দিৰৰ পৰা অলপ দূৰৈত থকা ঘাঁহনি দৰাত বহি পৰিলো। বহুত কথাপাতিলো সেইদিনা। মাজতে মই বিদিশা বেদান্তৰ কথাও উলিয়ালো। মই কলো তাক — অনুপম মোৰ মুখত

হয়তু তুমি বিদিশাৰ কথা শুনিছা। "তাইটো এক সময়ত মোৰ বেচ ফেণ্ড আছিল, কিন্তু এতিয়া তাই মোৰ আটাইতকৈ ডাঙৰ শত্ৰুলৈ পৰিগণিত হ'ল।" " মানে .... ? কি কৈছা এইবোৰ।" চোৱা অনুপম মই আজি মোৰ জীৱণৰ আটাইতকৈ ডাঙৰ সত্যটো কবলৈ ওলাইছো। আজি চাৰি বছৰে যিটো কোৱা নাছিলো। মোৰ ভয় হৈছিল যদি তুমি আঁতৰি যোৱা। কিন্তু, এতিয়া মোৰ এনেকুৱা লাগিছে — বিয়াৰ পাছত যদি তুমি কথাটো জানা, তেতিয়া তুমি সহজভাবে লব নোৱাৰিলে কি হব আমাৰ জীৱণটো তেতিয়া। কেই দিনমানৰ পাছত তুমি পৰীক্ষা দি গুচি যাবা, তেতিয়াটো তোমাৰ মোৰ মাজত বিশ্বাস আৰু বুজা বুজিৰ প্ৰয়োজন হব, নহ'লে দেখোন সৰু সৰু কথাতেই জটিল সমস্যাৰ সৃষ্টি কৰিব। সেই কাৰণেই তোমাক মোৰ সকলো কথা কবলৈ ইয়ালৈ লৈ আহিছো। তুমি কথাবিলাক বুজিবলৈ সক্ষম হবা বুলি আশা কৰিলো। " অনুপম ........, মই এসময়ত বেদান্তক ভাল পাইছিলো।" " কি ........?" "অ' ভালপাইছিলো হয়তু মোৰ নিজতকৈও বহুত বেছি।" তেতিয়া আছিলো মই H. S. 1st Year ত। মোৰ প্ৰথম চিনাকী আছিল বিদিশাৰ যোগেদি, লাইব্ৰেৰিত। বিদিশাৰ লগতে মইও বেদান্তদাৰ লগত ফ্ৰি হৈ পৰিছিলো খুওব কম সময় ভিতৰতে। মইয়ে এদিন বিদিশাক কৈছিলো বেদান্তদাক ভাল লাগে বুলি। তাই তেতিয়া কৈছিল — লাগিব নেকি ? মই লাজতে তাইক ঢকা এটা মাৰি আঁতৰি আহিছিলো। তেতিয় ও যে বিদিশা বেদান্তৰ ৰিলেচনটো চলি আছিল মোক কেতিয়াও জানিবলৈ নিদিলে বিদিশাই। বেদান্তৰ কথা কৈ মোৰ মণটো জেকায় থাকে। মই কিমান ভালপাওঁ বুজিবলৈ চেষ্টা কৰে। লাহে লাহে দিনবোৰ গৈ আছিল। এদিন তাইয়ে কৈছিল — " আকাংখ্যা, মই তোৰ কথা বেদান্তদাক কবলৈ বহুত চেষ্টা কৰো, কিন্তু মোৰ দেখুন তাক কথাটো সাহসেই নহয়, পাৰিলে তইয়ে কৰিচোন। আচলতে কি জান বেদান্তদা তেনে-

কুৱা লৰা নহয়।” মই বিদিশাক একো কোৱা নাছিলো মোৰ এনেকুৱা লাগিছিল তাই যেন আগতকৈ বহুত সলনিহৈ গৈছে। নিজৰ বাহিৰে যেন তাই আৰু কাৰো কথা বুজিবলৈ সময় নাই। হয়, মই বেদান্তক ভাল পাওঁ, কিন্তু সেই বুলি মই নিজেই যদি এইটো প্ৰস্তাব দিব নোৱাৰো নহয়। এজনী ছোৱালীয়ে যদি এইটো কৰে, কোনেও ভাল চকুৰে নাচায় সদায় ছোৱালী জনীকেই দোষ দিয়ে। লৰা এটাই যদি দিব পাৰে, কিন্তু ছোৱালী এজনীয়ে দিলে কিয় সমজখনে সহজ ভাবে লব নোৱাৰে। এজন লৰাৰ মণত যদি আবেগ, অনুভূতি থাকিব পাৰে কিন্তু এজনী ছোৱালীৰ মণত কি থাকিব নোৱাৰে? খং উঠিছিল সেইদিনা গোটেই সমাজ ব্যৱস্থাক; বিদিশাক, নিজকেই ........। কিন্তু কাকো একো কব পৰা নাছিলো। গুচি আহিছিলো ঘৰলৈ। বহুত কান্দিছিলো নিজৰ ৰূমত, কিন্তু কাৰ কাৰণে — সমাজৰ কাৰণে, বিদিশাই কৰা ব্যৱহাৰৰ কাৰণে নে বেদান্তৰ কাৰণে। মই নিজেই ধৰিব নোৱাৰিলো প্ৰকৃততে মই কাৰ কাৰণে কান্দিছো।

লাহে লাহে মই সহজ হবলৈ চেষ্টা কৰিলো। মাজে মাজে টুকুৰা-টুকুৰি স্মৃতিবোৰে মোক আমনি কৰেহি। তথাপিও মই অন্টৰ খন শিল বুলি ভাবি পাহৰিবলৈ যত্ন কৰিলো। এতিয়া মোৰ আৰু বিদিশাৰ সম্বন্ধ আগৰ দৰে নহয়। আঁতৰি ফুৰে মোৰ পৰা তাই। অৱশ্যে তাইৰ মেজৰ ইকনমিকচত। প্ৰতিকে লগ পাবলৈও অলপ অসুবিধাও হয়। এদিন মই আৰু নিবেদিতা ক্লাচ নোহোৱাৰ কাৰণে বাৰাণ্ডাত বৈ আছিলো। বিদিশাক দেখাৰ লগে লগেই নিবেদিতাই চিঞৰি দিলে — “বিদিশা পাৰ্টি।” মোৰটো ঘূৰাই দেখো মোৰ পিছফালেই বিদিশা বৈ আছে। “ঐতহুঁতৰ ৰিলেচন এভাৰ লাচ টিং কৰিব বিছাৰিছ যদি বেদান্তক কৈ দিবি সোনকালে পাৰ্টিটো দিবলৈ।” নিবেদিতাই কাৰো কথাকেইটা শুনাৰ লগে লগেই কোনোবাই মোৰ বুকুত প্ৰচণ্ড আঘাত কৰা যেন লাগিছিল। ভৰি তলৰ পৃথিৱীখন কৰবালৈ আঁতৰি যোৱা যেন অনুভৱ হৈছিল। চাৰিওফালে আন্ধাকাৰ দেখিছিলো। ওচৰত থকা খুটা এটাত ভেজা দি চকুকেইটা মুদি দিছিলো। অলপ পাছত নিজকেই চম্ভালিলৈ সিহঁতৰ ওচৰৰ পৰা আঁতৰি আহিছিলো। বহুত দুখ লাগিছিল কান্দিছিলোও, সেইদিনা। কিন্তু, বিদিশাই বেদান্তক ভালপোৱাৰ বাবে নহয়, বিদিশাই কৰা ব্যৱহাৰৰ বাবে বিশ্বাসঘাটকতা কৰাৰ বাবে। কিন্তু কান্দি লাভ আছিল তেতিয়া। মই নিজকেই নিজে শান্তণা দিছিলো — কাৰণ তেতিয়া মোক বুজিবলৈ কোনো নাছিল। কিছুদিনৰ পাছত তুমি মোৰ জীৱনলৈ আহিছিলা — “সেইকাৰণেই মই তোমাক সহজ ভাবে লব পৰা নাছিলো। কোনে জানে তুমিও এটা নিষ্ঠুৰ আঘাত দি আঁতৰি যোৱা।” লগে লগেই মই অনুপমৰ মুখলৈ চাইছিলো। সি তললৈ মূৰ কৰি কিবা এটা ভাবি আছিল। কোৱা অনুপম মই তাক ভালপায় কিবা ভুল কৰিছিলো। “মই কি জানো .... .... ? সেইটো তোমাৰ প্ৰব্লেম, তেতিয়াটো মই নাছিলো।” “কি....? তোমালোক লৰা বিলাকৰ সদায়ে এইটোৱেই ভূল ধাৰণা — কোনো এজনী ছোৱালীয়ে যদি কাৰোবাক আগতেই ভালপায় পেলাই তাই হৈ পৰে তোমালোকৰ হাঁহিৰ পাত্ৰ। তোমালোকে সদায় ছোৱালীবিলাকক ডমিনেট (Domirote) কৰি ৰাখিব বিচাৰা।” “নহয় আকাংখ্যা তুমি ভুল কৰিছা — কাৰণ লৰা এটাই এই ৰিলেচনটো বৰ সহজ ভাবে লয় কেনেবাকৈ লক্ষ্যত উপনিত হোৱাৰ আগতেই পিচলি পৰিলেও নিজকে কনট্ৰল কৰিব পাৰে। কিন্তু ছোৱালী বিলাকে (কিছুমান ছোৱালীয়ে) কাৰোবাক ভাল পালে, নিজতকৈও বহুত বেছিকৈ ভাল পায়, হৃদয়ৰ একোনত সাঁচি ৰখা সকলো মৰমেই তেওঁকেই ওজাৰি দি দিয়ে। কেনেবাকৈ যদি গতিপথ ৰুদ্ধ হৈ পৰে তাই দিশহাৰ পথিকৰ দৰে হৈ যায়। নিজকে কনট্ৰল কৰিব নোৱাৰা হৈ পৰে। তাই কোনটো ষ্টেজত আছিল কলৈ যায় কব নোৱাৰে।” তাৰ কথাবোৰ মই মনে মনে শুনি গৈছিলো। গধূলী হোৱাৰ লগে লগে গুচি আহিছিলো। ঘৰলৈ আহি ভাবিছিলো অনুপমে বাৰু মোক ভুল বুজিছে নেকি? লগে লগেই মোৰ মুখৰ পৰা ওলাই আহিছিল নাই অনুপম কেতিয়াও তেনেকুৱা হব নোৱাৰে।





মন্দিৰৰ পৰা অহাৰ পাছত অনুপম মোৰ পৰা প্ৰায়ে আঁতৰি ফুৰিছিল। মই কিন্তু একোৱেই কোৱা নাছিলো। — কাৰণ মানুহৰ পৰা ঠগ খায় খায় মোৰ হৃদয়খন এটুকুৰা কঠিণ শিললৈ ৰূপান্তৰিত হৈছিল। মোৰ এনে ভাব হৈছিল — আৰু এজন মানুহেয়ে থগাব, মোৰ একো অনিষ্ট নহয়। দুখ লাগিব আৰু অকণমান লগতে এটা নিষ্ঠুৰ সত্যকও জানিব পাৰিম।

এদিন দুদিন কৈ তাৰ পৰীক্ষাৰ ওচৰ পালেহি ব্যস্ত হৈ পৰিল সি। এদিনাখন তাৰ পৰীক্ষা শেষ হৈছিল গুচি গৈছিল দিল্লীলৈ। যোৱা খবৰও দি যাবলৈ তাৰ সময় নহল, নিবেদিতাইহে মোক ফোন কৰি সি যোৱাৰ কথা কলে। অনুপম দিল্লী পোৱা কেইদিনমানৰ পাছতে মোৰলৈ ফোন কৰি কৈছিল — আকাংখ্যা, আহিবৰ সময়ত তোমাক কৈ আহিব নোৱাৰিলো। P.G. মই ইয়াতে কৰিম মোলৈ বেছিকৈ আশা কৰি নাথাকিবা। লগে লগেই সিফালৰ ফোনৰ কানেকচন কাটি দিছিল সি। অনুপমও যে এনেকুৱা হব পাৰে মই নিজকেই বিশ্বাস কৰাব পৰা নাছিলো। শেষত সিটো মোক বৰ অকলশৰীয়াকৈ এৰি থৈ গুচি গ'ল। লাহে লাহে মোৰ ভিতৰৰ মানুহজনী মৰি শেষ হৈ গ'ল।

M.A. পাছ কৰি গুৱাহাটিতে কিবা এটা কৰিম বুলি ভাবি আছিলো আগৰে পৰা, কিন্তু এতিয়া আৰু মোৰ ইয়াত থাকিবলৈ একেবাৰে মণ নোযোৱা হৈ পৰিল। মই মনে মনে এটা বেলেগ পৰিবেশ বিচাৰিছিলো, য'ত মই নিজকে খাপ, খুৱাই চলাই নিব পাৰিম। প্ৰচণ্ড উকী এটা মাৰি ট্ৰেণখন প্লেট্ ফৰ্মত ৰৈ গ'ল। সময় চাৰি বাজি পোন্ধৰ মিনিট মান গৈছে। পোহৰ হবলৈ আৰু অলপ সময় বাকী আছিল। মানুহ বিলাকে উঠা-নমা কৰিবলৈ শুলস্থুল লগাই দিলে। “মাতু বলা পালোহি” — খুৰাৰ মাতত মই চক্ খাই বাস্তৱলৈ ঘূৰি আহিলো। লাগেজ পত্ৰলৈ খুৰাৰ লগত মইও ট্ৰেণৰ পৰা নামিলো। ট্ৰেকচি এখন লৈ আগতেই বুক কৰি থোৱা হোটেল লহাৰাষ্ট লৈ গ'লো। ৰিচিপচনাৰ গৰাকীৰ পৰা ৰূম নাম্বাৰটো জানি নিজৰ ৰূমলৈ আহিলো। ৰূমটোত দুখন পালেং এখন ফুল চাইজ মিৰৰ, এটা ফোন আৰু এটা T.V. আছে। খুৰাই ফোনৰ নাম্বাৰ ডায়েল কৰাত ব্যস্ত। মই বেলকনিৰ পৰা বাহিৰলৈ চাই আছিলো। আকাশ খনলৈ চালো — পূৱ আকাশত লাহে লাহে সূৰ্য্যটো ওলাই আহিছে। আকাশখনও মেঘযুক্ত হৈ আছে। নীল আকাশৰ বহল বুকুত কৰপৰা এটা চৰাই আহি ঘূৰি ফুৰিছিল। বহু সময় ধৰি তাকেই চাই থাকিলো। মোৰ ভাব হ'ল এই বিশাল পৃথিৱীত মইও এই চৰাইটোৰ দৰেই আগোৱাই যাব লাগিব, অকলশৰে........... একেবাৰেই অকলশৰে: .......।



# ধুমুহাৰ অন্তত

মিচ পাপৰি চেতিয়া
বিঃ এচঃ চিঃ দ্বিতৃয় বৰ্ষ

আবেলি কলেজৰ পৰা আহিয়েই অনামিকাই বাহিৰৰ বাৰাণ্ডাৰ বেতৰ আৰামী চকীখনতে বহিপৰিল। এইয়া তাইৰ পুৰনা অভ্যাস। দিনটো ব্যস্ততাৰ মাজত কটাই আবেলিসময়কন এই নিৰ্দিষ্ট চকীখনতে বহিয়েই সুন্দৰভাৱে কাটি যায় অনামিকাৰ। কাম কৰা জেতুকীয়ে কেতিয়াবা আজৰিসময়ত তাইৰ লগতে বহেহি দুই এটা কথা পতাৰ বাদে প্ৰায়খিনি সময় নীৰৱতাৰে অতিবাহিত হৈ যায়। সেয়ে অনামিকাই ভাৱে এই সময়কনতো যেন জেতুকীয়ে তাইক সংগ নিদিয়ক। আজি-কালি কিয় জানো অনামিকাই অকলশৰীয়াকৈ কিবাকিবি বোৰ ভাৱি থাকিয়ে ভাল পায়। কেতিয়াবা বাতৰি এখনকে বা আলোচনী এখনকে মেলি লয় নিসংগতা দূৰ কৰিবৰ বাবে। আজি এনেয়ে সন্মুখৰ বাটেদি অহাযোৱা কৰি থকা গাড়ী-মটৰ বোৰকে নীৰিক্ষণ কৰি বহি থাকিল তেনেতে জেতুকীয়ে আবেলিৰ চাহকাপ কিবা-কিবি খোৱাবস্তুৰ প্লেটেৰে সৈতে কাষৰ টেবুলখনতে থলেহি। তাই এখন সৰু চিঠি অনামিকাৰ হাতত তুলি দিলে।

"বাইদেউ', এখন চিঠি আছিল ?"

"কাৰ ? কোনে দিলে ?'

"অথনি আপুনি কলেজলৈ ওলাই যোৱাৰ অলপ পাছতে মানুহ এজন আহিছিল আপোনাক বিচাৰি। মোক বিশেষ একো নকলে ক্ষন্তেক সময় ড্ৰয়িংৰুমতে বহি এই চিঠিখন লিখিলে আৰু আপোনাক দিবলৈ কৈ গুচি গ'ল।"— এইবুলি কৈ জেতুকীয়ে অনামিকাৰ মুখলৈ চাই ৰ'ল। অনামিকাই জেতুকীৰ পৰা চিঠিখন লৈ তাইক যাবলৈ ইংগিত দিলে। জেতুকীয়ে চাহ খোৱা কাপ প্লেটযোৰ লৈ আঁতৰি গ'ল। অনামিকাই লৰালৰিকৈ চিঠিখন মেলি চালে। এখন সৰু চিঠি। আখৰ কেইটা চিনাকী চিনাকী যেন লাগিল। ঠিকনাটো চাইয়েই তাই আচৰিত হৈ গ'ল। এয়া দেখোন সৌৰভৰ চিঠি। আজি ইমানদিনৰ মূৰত ? কিবা লিখিছে সৌৰভে। অনামিকাই চিঠিখন পঢ়ি গ'ল—

মৰমৰ মিকা,

বোধকৰো কুশলে আছা। আচৰিত হৈছা নহয় আজি অতদিনৰ মূৰত মোক চাগে পাহৰি গ'লা। মই কিন্তু তোমাৰ সকলো খবৰ ৰাখি আছো। আজি এটা অনুৰোধ লৈ তোমাৰ ওচৰলৈ আহিছিলো। মই অহাৰ দহ মিনিটমানৰ আগেয়ে তুমি কলেজ ওলাই গ'লা। সন্ধ্যা পুনৰ আহিম। যদি অসুবিধা নহয় সন্ধ্যাৰ আহাৰ তোমাৰ সৈতে একেলগে গ্ৰহণ কৰিম। কিবা আপত্তি আছে নেকি ? শেষৰ মৰমেৰে— তোমাৰ

সৌৰভ

অনুৰোধ ? কি অনুৰোধ লৈ সৌৰভ আহিব ? অনামিকা ভীষণ আচৰিত হৈ গ'ল। সৌৰভ আহিব ? এটা অনুৰোধ লৈ তাকো আজি অত বছৰৰ মূৰত ? কি অনুৰোধ হব পাৰে বাৰু ? তাই বৰ দোধোৰ মোধোৰত পৰিল।

সৌৰভৰ চিঠিখনে অনামিকাক অতীতলৈ টানি লৈ গ'ল। সৌৰভৰ সতে বন্ধুত্ব তাইৰ ইউনিভাৰচিটিত পঢ়ি থকা কালৰে। দুয়ো দুয়োকে নিবিড়ভাৱে ভাল পাইছিল। যৌৱনৰ ৰ'দকাচালিত বহি অনামিকাৰ গাভৰুমনে মধুৰ সপোন ৰচনা কৰিছিল। সৌৰভৰ মৰমৰ সান্নিধ্যতেই তাইৰ কল্পনাবোৰ গঢ়লৈ সজিব হৈ উঠিছিল। দুয়ো কোনোবা বিলাসী ৰেষ্টুৰেণ্টত বহি ৰঙীন ভৱিষ্যতৰ সপোন দেখিছিল। এখন ঘৰ, এধানি মৰম, এধাৰি চেনেহৰ মাতগুনাৰ মধুৰ সপোন দেখিছিল দুয়ো। কিন্তু বাস্তৱত ? বাস্তৱত জানো সেয়া হ'ল ? এ'ম, এছ, ছি ফাইনেল পৰীক্ষা দিয়াৰ পাছতেই অনামিকাক গুৱাটীৰ দেউতাকৰ বন্ধুৰেকৰ এক মাত্ৰ সন্তান ড' অয়নজিৎ ফুকনলৈ বিয়া দিবলৈ যো-জা চলিল। এই কথা জানি তাইৰ মূৰতে আকাশী সৰগ ভাগি পৰিল। তাই সাহসেৰে সৌৰভক ভালপোৱাৰ কথা ঘৰত সকলোকে জনাই দিছিল। কিন্তু কোনেও তাইৰ কথাক গুৰুত্ব সহকাৰে বিবেচনা নকৰিলে। তাই এইবিষয়ে জনাই সোৰভলৈ চিঠি লিখিছিল আৰু পাৰিলে বিহিত ব্যৱস্থা ল'লৈ অনুৰুধ কৰিছিল। কিন্তু সৌৰভৰ পৰা কোনো খা-খবৰ নাপায় তাই হতাশাত ভাগি পৰিছিল। অৱশেষত উপায়ান্তৰ হৈ তাই অয়নজিতৰ লগত বৈবাহিক জীৱনৰ পাতনি মেলিছিল।

সময় বাগৰিছিল। অয়নজিতক স্বামীহিচাপে পাই অনামিকা সুখি হৈছিল। জীৱনটো ইমান মধুৰ, সুখৰ হ'ব পাৰে বুলি তাই কল্পনাই ক'ৰা নাছিল। স্বামীৰ এবুকু মৰম, শাহু - শহুৰৰ স্নেহ, ননদৰ মিঠা আব্দাৰে তাইৰ জীৱনটো অনাবিল সুখ শান্তিৰে ভৰাই তুলিলে। বিয়াৰ পাছতেই তাই সুখ্যাতিৰে এম এছ ছি পাছ কৰিলে। তাই চাকৰি কৰাৰ কথা ভাৱিছিল কিন্তু অয়নজিৎ আৰু ঘৰখনে তাইক চাকৰি কৰিবলৈ দিয়াৰ পক্ষপাতী নাছিল। ঘৰ গাড়ী- মটৰ টকা পইচাৰে উভৈনদী তেনেস্থলত অনামিকাই চাকৰি কৰাৰ প্ৰয়োজনীয়তাই বা ক'ত ? হাঁহি আৰু আনন্দৰ সংমিশ্ৰনত এটা বছৰ সুখেৰে অতিবাহিত হৈ গ'ল। অনামিকাই বিচৰা ভৱিষ্যতৰ ৰঙীন সপোনবোৰ যেন বাস্তৱত ৰূপ-লোৱাৰ বাবেই ক্ৰমান্বয়ে আগবাঢ়িছিল। সুখৰ বন্যাত উটিভাহি ফুৰোতেই তাইৰ কোলালৈ আহিল প্ৰিয়ম। শিশুৰ কলকলনিয়ে তাইৰ জীৱনটো অধিক ৰঙীল কৰি তুলিলে। তাইৰ উপাস্থিতিয়ে অতিতৰ দুখবোৰ আৰু পাহৰাই তুলিছিল। তেনেদৰেই অতিবাহিত হৈছিল সময় বোৰ।

মানুহৰ জীৱনৰ সুখবোৰ ক্ষনস্থায়ী, দুখবোৰহে দীৰ্ঘস্থায়ী। অনামিকাৰ এই সুখ-আনন্দখিনি বোধকৰো ভগৱানেও সহ্য নকৰিলে। দুৰ্ভাগ্য যে ক'ৰবাত জোপ লৈ আছিল সেয়া অনামিকাই ভাৱিবলৈ পৰা নাছিল। প্ৰিয়মৰ এবছৰ পূৰ নোহওঁতেই অয়নজিৎ কাৰ এক্সিডেণ্ট হৈ ঢুকাল। সেইদিনা তাইৰ চকুৰে ধুৱলি-কুৱলি দেখিছিল। প্ৰিয়মক বুকুত সাৱটি পাগলিৰ দৰে চিঞৰিছিল তাই নিজৰ কপালত চপৰিয়াই নিজৰ ভাগ্যকেই দোষিছিল। আনকি মাক-দেউতাককো দোষিব পৰা নাছিল তাই। তেওঁলোকৰ অসহায় মুখকেইখনে তাইক মাক দেউতাকক অন্তৰত আঘাত দিয়াকাৰ্যৰ পৰা বিৰত ৰাখিছিল। এইয়া সকলো ভগৱানৰে মহিমা বুলি অনামিকাই সান্ত্বনা লভিছিল।

অয়নজিৎ ঢুকোৱাৰ এমাহ পূৰ নোহওঁতেই তাইৰ ওপৰত চলিল অৰ্ণনীয় অকথ্য অত্যাচাৰ। গিৰিয়েকৰ মূৰখালী, কুলক্ষনী, শাখিনী তিৰোতা বুলি শাহু ননদাহঁতে তাইক গালি শপনিৰে ঠকা-সৰকা কৰি পেলালে। নিতৌ হুতা মাত-কথা তাইৰ চিৰ পৰিচিত হৈ পৰিল। তথাপিও তাই এইবোৰ নীৰৱে সহ্য কৰিবলৈ যৎ পৰোনাস্তি চেষ্টা কৰিছিল। কেৱল প্ৰিয়মক মানুহ কৰাৰ স্বপ্নই তাইক মোহাচ্ছন্ন কৰিৰাখিছিল। এদিন মাক-দেউতাক আৰু দাদাক আহি তাইক লৈ গৈছিলহি ডিব্ৰুগড়লৈ একেবাৰে। ঘৰৰ কাষৰে কলেজখনত তাই মূৰটো গুজি লৈছিলগৈ। ইমানদিনে অয়নজিতৰ ছত্ৰছায়াত থাকি নিজৰ স্বাধীনতাকনো যেন তাই হেৰুৱাই পেলাইছিল। তাই ভালেই পালে অকলশৰীয়া জীৱন কটোৱাতকৈ কলেজৰ ল'ৰা ছোৱালী খিনিৰ মাজত

নিজকে ব্যস্ত ৰাখিবলৈ পায়/ আনকি তাই মাক-দেউতাকৰ বোজা হৈ থাকিব নোখোজি স্বাধীনভাৱে থাকিবলৈ ভাল পালে। কলেজৰ কাষতে তাই ভাৰালৈ থাকিল। তাইৰ সহকৰ্মী এজনে জেতুকীক আনি দিলে ঘৰুৱা কামবন কৰা আৰু কেচুৱা চোৱাচিতাৰ লগতে লগ এটাও হ'ব বুলি। ঘৰৰ সকলো কাম জেতুকীক গতাই দি এতিয়া তাই নিশ্চিন্ত।

"বাইদেউ, আন্ধাৰেই হ'ল ভিতৰলৈ আহক।' হঠাৎ জেতুকীৰ মাততহে অনামিকাৰ সম্বিত ঘূৰি আহিল কথাবোৰ পাগুলি থাকোতে .কতিয়ানো আন্ধাৰ হ'ল অনামিকাই কবই নোৱাৰিলে। হাতৰ চিঠিখন লৰালৰিকৈ জপাই তাই ভিতৰলৈ সোমাই আহিল। জেতুকীক ৰন্ধাবঢ়াৰ কিছু দিহাপৰামৰ্শ দি তাই বিচনাতে প্ৰিয়মক লৈ খেলিবলৈ বহিল। খেলিবলৈ বহিল যদিও তাইৰ সৌৰভৰ কথাহে মনলৈ আহিল। আজি ইমান বছৰৰ মূৰত সৌৰভৰ চিঠিখনে তাইক আচৰিত কৰি তুলিছে। অনামিকাৰ জীৱনত কেইবাটাও দুৰ্যোগ পাৰহৈ যোৱাৰ পাছতো সৌৰভলৈ তাইৰ মনত পৰা নাছিল। বিশেষকৈ অনামিকাৰ এটা অক্ষমনীয়, অপ্ৰকাশিত ক্ষোভ ৰৈ গ'ল তাৰ প্ৰতি অনামিকাই ভাবিলে সৌৰভ বাৰু এতিয়া দেখিবলৈ কেনে হ'ল ? আগৰ দৰেই আছেনে বাৰু ? তাইৰতো বহুত পৰিবৰ্তন হ'ল। অয়নজিৎ ঢুকোৱাৰ দুবছৰেই হোৱা নাই অথচ তাই এই দুবছৰতে বহুত খীনালে। সি বাৰু তাইক এনে অৱস্থাত চিনি পাবনে ? তাই বাৰু আজি সৌৰভৰ সতে কেনেদৰে মুখামুখী হ'ব ? অৱশ্য বাস্তৱ জীৱণে তাইক বহুত কথাই শিকাইছে। ৰূঢ় বাস্তৱে তাইক কঠোৰ, দৃঢ় হ'বলৈ শিকাইছে। আবেগ অনুভূতিক তাই কহানিবাই দলিয়াই পেলাইছে।

তেনেতে কলিংবেলটো বাজি উঠাত তাই সচকিত হৈ উঠিল! বোধকৰো সৌৰভ আহিছে। মিকাই বিচনাৰ পৰা নামি কাপোৰযোৰ ঠিক কৰি ললে। ইতিমধ্যে জেতুকীয়ে দৰ্জাখন খুলি দিছিলগৈ।

"বাইডে, অথনিৰ মানুহজন আহিছে। মই বহিবলৈ দি আহিছো।"— কথাষাৰ কৈয়েই গুচি গ'ল। অনামিকাই পৰ্দাখল আতঁৰাই এমুখ হাঁহিৰে সৌৰভক সম্ভাষণ জনালো। দুয়ো দুয়োকে চাইললে বেচ কিছুসময়। ভালবেয়াৰ কুশল বাতৰিৰ আদান প্ৰদান হ'ল। "মিকা, তুমি কিন্তু খীনালা। মইতো বাটেপথে দেখা হ'লে তোমাক চিনিয়েই নাপালোহেতেঁন।

"তুমি কিন্তু আগৰদৰেই আছা। অলপ শকত হ'লা ধৰিব নোৱাৰী। দুয়ো হাঁহিলে।

সৌৰভৰ মুখে অনামিকাই শুনিলে যে সি এইখন ঠাইলৈ ট্ৰেন্সফাৰ হৈ আহিছে। এসপ্তাহ হ'ল সি অহা সি বোলে অনামিকা হঁতৰ সকলো খবৰ ৰাখিছে। কিন্তু আহিবলৈ তেনেকৈ সময় পোৱা নাছিল। বাবে সি আহিব পৰা নাছিল।

কথাৰ মাজতে জেতুকীয়ে দুয়োকে চাহ আৰু কিবা কিবি খোৱা বস্তু দি গ'লহি। প্ৰিয়মে আলহি আংকলৰ কোলাত উঠি বেচ আমোদ পাইছে। খুউব কম সময়তে তাই সৌৰভৰ সৈতে বন্ধুত্ব গঢ়ি পেলালে। "মা' আংকলক তুমি যাব নিদিবা দেই" বুলি কৈ তাই নিদ্ৰাদেবীৰ কোলাত ঢলি পৰিলগৈ;

দুয়োৰে মাজত বহুত কথাই আলোচনা হ'ল। তাহানিৰ কলেজত পঢ়া দিনৰ পৰা আজিৰ এই মুহূৰ্তলৈকে বিভিন্ন কথা ওলাল। কথা প্ৰসংগত অনামিকাই বিয়াৰ আগমুহূৰ্তত তালৈ দিয়া চিঠিখনৰ উত্তৰ সি কিয় নিদিলে সুধিলে। সৌৰভে এটা দীঘল হুমুনিয়াহ কাঢ়ি ক'লে "সেইবোৰ বহুত কথা মিকা। মই এম এছ ছি পৰীক্ষা দিয়েই পুনালৈ গুচি গলো মেনেজমেণ্ট অধ্যয়ন কৰিবৰ বাবে; সময়ৰ অভাবত তোমালৈ খবৰ দিব নোৱাৰিলো। ভাবিলো তাৰপৰাই চিঠি দিমগৈ। কিন্তু গৈ পায়েই ভন্টিৰ পৰা চিঠি পালো তোমাৰ হেনো বিয়া ড' অয়নজিৎ ফুকনৰ সতে। খবৰটো শুনি মই দুখত ভাগি পৰিলো। তেতিয়া বহুত পলম হৈ গৈছিল সেয়ে তাৰ পৰাই মই তোমালোকৰ যুগ্ম জীৱনক শুভেচ্ছা জনাই নীৰব হৈ গ'লো। পুনাত তিনিবছৰ অধ্যয়ন কৰি আহি খবৰ পালে তোমাৰ দুৰ্দশাৰ কথা।"— কথাখিনি কৈ সৌৰভ শুদ্ধ হৈ ৰ'ল। কোঠাটোত এক নীৰৱতাই বিৰাজ কৰিলে। দুয়ো যেন নিজৰ নিজৰ ভাৱ সাগৰত ডুব গ'ল/ অনামিকাৰ এনে নীৰৱতা ভাল নালাগিল। তাই সৌৰভক বিয়াৰ কথা সুধিলে। সৌৰভে হাঁহিলে মাথোন।

"হাঁহিলা যে ?"

"নাহঁহি আৰু কি কৰিম ? ভগৱানে বোধকৰো মোৰ ভাগ্যত ছোৱালীয়ে নিলিখিলে।" সি গভীৰ হুমুনিয়াহ কাঢ়ি কলে।

অনামিকাৰ বুকুখন মোচৰ খাই গ'ল। তাইক উপলক্ষ্য কৰিয়েই কথাষাৰ কোৱা নাইতো ? তাই এনে এটা উত্তৰৰ বাবে সমূলি প্ৰস্তুত নাছিল। সৌৰভ এতিয়াও অবিবাহিত হৈ আছে। কিন্তু কিয় ? তাৰমানে সৌৰভে অতীতক সাৱটিয়ে আজিলৈকে ৰই আছে নেকি ? অনামিকাৰ নিজকে দোষী দোষী যেন অনুমান হ'ল।

ভাত হ'ল। দুয়ো নীৰবে ভাতপানী খাই উঠিল। কোনেও এষাৰ কথাও নাপাতিলে। দুয়ো পুনৰ ড্ৰয়িং ৰুমত বহিলহি। অনামিকাই পুনৰ বিয়াৰ কথা উত্থাপন কৰিলে।

"তুমি কি এনেদৰে থাকিবা সৌৰভ ?"

"মানে —?"

"বৰলা হৈ, বিয়া বাৰু নকৰাকৈ ........... "

"নাইতে', কোনে কলে মই এনেদৰে থাকিম বুলি। এডাক বৰষুণৰ অপেক্ষাত আছো মই। নাজানো সেই বৰষুণজাকে মোৰ উৰ্বৰ ভূমি সিক্ত কৰিব নে নকৰে।"

অনামিকাৰ বুজাত অসুবিধা হ'ল। কি ক'ব খুজিছে সৌৰভ ?

"অলপ ভালকৈ বুজাই কোৱানা সৌৰভ।"

"মোৰ তোমাৰ উত্তৰৰ প্ৰয়োজন। তোমাক মই বিয়া কৰাব খোজো।"

সৌৰভে প্ৰায় আবেগিক হৈয়ে কথাষাৰ কলে। অনামিকা উচপ খাই উঠিল। তাই এয়া কি শুনিছে ? এনে এটা বিস্ময়ৰ সন্মুখীন হ'ব বুলি সপোনতো ভবা নাছিল অনামিকাই। তাই একপ্ৰকাৰে চিঞৰিয়েই কলে— "তুমি এইবোৰ কি কৈছা সৌৰভ ? এয়া কেনেকৈ সম্ভৱ ?—

সৌৰভে তাইলৈ পোনপতীয়াকৈ চাই উত্তৰ দিলে—" মই বহুত ভাৱি চিন্তিয়ে আগবাঢ়িছো মিকা। মোৰ বিয়াৰ বয়স অতিক্ৰমি যোৱাৰ পাছতো কিয় অবিবাহিত হৈ আছো সেয়া তোমাক বুজাই ক'ব লাগিব নেকি ? মই যে তোমাৰ বৈধব্যক মুঠেও সহ্য কৰিব নোৱোৰো মিকা। অৱশ্যে অয়নজিৎ জীয়াই থকা হ'লে মই কেতিয়াও তোমাৰ ওচৰলৈ নাহিলোহেঁতেন। চিৰকুমাৰ হৈ থাকিলোহেঁতেন। এতিয়া তোমাৰ দুৰ্দশাই মোক তোমাৰ ওচৰ চপাই দিলে। তুমি এইটোও অস্বীকাৰ কৰিব নোৱাৰা কণমানি প্ৰিয়মৰ বুকুতে মোক জীয়াই ৰাখিছা। অথচ .... ...." সৌৰভৰ আৱেগবিহ্বল বক্তব্যই অনামিকাক উত্তেজিত কৰি তুলিলে। এৰা, হয় তাই অস্বীকাৰ কৰিব নোৱাৰে কণমানি প্ৰিয়মৰ বুকুতে সৌৰভৰ স্মৃতি জীয়াই ৰাখিছে! এদিন দীঘলী পুখুৰীৰ পাৰত বহি সৌৰভেই তেওঁলোকৰ ভৱিষ্যতে কন্যা সন্তান জন্ম হ'লে প্ৰিয়ম আৰু ল'ৰা হ'লে সুমন নাম দিম বুলি কৈছিল। তাই সিদিনা লাজত মৰি যোৱাৰ দৰে হৈছিল। "ছিঃ তোমাৰ অলপো লাজ নাই বুলি তাক ঠেলা মাৰি দিছিল। আৰু সেইবাবেই হয়তো অনামিকাই সৌৰভৰ স্মৃতি জীয়াই ৰখাৰ উদ্দেশ্যেৰে ছোৱালী জনীৰ নাম প্ৰিয়ম ৰাখিছিল। অয়নজিতেও নামটো খুউব ভাল পাইছিল। অনামিকাৰ কথাবোৰ মনত পৰি সজোৰে কান্দোন ওলাই আহিব খুজিলে। তাই কান্দোনটো চেপি ৰাখি দৃঢ় হৈয়েই উত্তৰ দিলে "নাই, নাই সৌৰভ ই কেতিয়াও হ'ব নোৱাৰে। সমাজে আমাক কি ক'ব এনে কৰিলে ? মোৰ বাবে তুমি নিজকে কিয় কষ্ট দিছা ? মই এনেদৰে থাকিযাম সৌৰভ। মোক এনেদৰেই থাকিবলৈ দিয়া।"—তাই হুকহুকাই কান্দি উঠিল। কেৱল তাইৰ জীৱনলৈহে এনেবোৰ সংঘাত আহিব লাগেনে ? তাই এতিয়া কি কৰিব ? সৌৰভৰ অন্তৰত দুখদিয়াৰো তাইৰ ইচ্ছা নাই। ইমানদিনে পুহি ৰখা অক্ষমনীয় দোষটো আজিহে তাইৰ মনৰ পৰা আঁতৰিছে। ইমানদিনে যে তাই তাক ভুল বুজি আছিল।

"কি হ'ল মনে মনে থাকিলাযে ? কিবা এটা কোৱা ?" তাই সৌৰভৰ হুচকুলৈ মুৰ তুলি চালে। সৌৰভৰ ছুটি আকুল নয়নে যে তাইৰ সমিধানলৈ বাট চাই আছে। তাই কি ক'ব ? কি বুলি ক'ব তাই ? অয়নজিৎ ঢুকোৱাৰ পাছত মাক-দেউতাকেও তাইক বিয়াৰ বাবে জোৰ দিছিল। কিন্তু তাই অকলশৰীয়াকৈ থাকিবলৈকে ইচ্ছা কৰিলে। এতিয়া আকৌ তেনে এটা পৰিস্থিতিৰ সন্মুখীন হৈ তাই কিংকৰ্তব্য বিমূঢ় হৈ পৰিছে। তাই আজি বাস্তৱ অভিজ্ঞতাৰ পৰাই বুজি উঠিছে পৃথিৱীখনত হয়তো নভৰা কথাবোৰকে ঘটি থাকে। কিমান যে ৰঙীন আছিল দিনবোৰ। তাইতো ভবা নাছিল এনেবোৰ দুযোগৰ দিন আহিব বুলি নাইবা হেৰুওৱা সৌৰভ পুনৰ ঘুৰি আহিব বুলি। সৌৰভৰ সজল দুনয়নে যে তাইৰ উত্তৰলৈকে বাট চাই আছে। তাৰ মৰম আকুলভৰা চকুযোৰলৈ চাবলৈ তাইৰ ভয় লাগিল। ইমান মৰম ! এতিয়াও যে সৌৰভে তাইক আগৰ দৰেই ভাল পায়। কেৱল তাইৰ জীৱনতহে এনেবোৰ হ'ব লাগেনে ? একমুহূৰ্তৰ বাবে তাই ভিতৰৰ মানুহজনীক সুধি চালে। তাইও বাৰু ইমানদিনে এটা আশ্ৰয়ৰ প্ৰয়োজন অনুভৱ কৰিছিল নেকি ? য'ত ক্ষন্তেক নিৰলে জিৰাব পাৰি যাৰ প্ৰচ্ছায়াই তাইক অনাবিল শান্তি দিব পাৰে। সঁচাকৈ অনামিকাক এটা নিৰ্ভৰ যোগ্য আশ্ৰয়ৰ প্ৰয়োজন। এই ৰহস্যময় পৃথিৱীখনত তাই জানো অকলে খোজ দিব পাৰিব ? প্ৰিয়মক মানুহ কৰিবলৈকেতো এডাল বৃক্ষৰ প্ৰয়োজন। ক্ষন্তেকতে তাইৰ সৌৰভৰ ওচৰত মাধৱীলতা হ'বলৈ মন গ'ল।

●







উপন্যাসিকা

# সুবাস

শ্ৰীমতী নিৰ্মলা মেছ
উচ্চতৰ মাধ্যমিক "কলা" বিভাগ প্ৰথম বাৰ্ষিক

সুন্দৰ প্ৰাকৃতিক পৰিবেশৰ মাজত এখনি সৰু গাওঁ। গাওঁখনৰ নাম যমুনা। গোটেই গাওঁখনৰ দিগন্ত জুৰি ভৰি আছে এক শান্ত নিৰিবিলি পৰিবেশ। গাওঁখনৰ দুয়ো কাষে দুখনি সেউজীয়া পথাৰ। পথাৰখনৰ মাজেদি যোৱা মূল বাটতো কি যে — মোহনীয়া বিতোপন। তাৰ মাজে মাজে বনৰীয়া চৰাই চিঁৰিকতিৰ মাত। গাওঁখনৰ কাষেৰে বৈ গৈছে এখনি সৰু নদী। পূৰ্ণিমা ৰাতি নিশব্দে সৰু সৰু তৰংগ উঠে নদীখনৰ বুকুত এনে লাগিছে যেন কবিতাৰ ছন্দভৰাই তুলিছে চিকমিকাই থকা ৰূপালী বালি।

সি উদাস দৃষ্টিৰে এবাৰ জোনৰ পোহৰত নদীৰ কাষত বহি আকাশখনৰ ফালে চাই দেখে যে চকলা — চকল ডাৱৰবোৰে শৰতৰ কৃষ্ণ — নীলা আকাশ খন ঢাকিছে, যেন তাৰ মন ঢাকি ৰাখিছে। নদীৰ সোঁতৰ দৰেই অনুপলৰ মনতো বহুতো চিন্তা আহিছে। কিন্তু চিন্তা কৰি পাৰ পাব পাৰিব জানো ?

এনেকৈয়ে অনুপলে বহুতো চিন্তা কৰিছে নদীৰ বুকুত উঠাৰ দৰেই তাৰ জীৱন — নদীতও অলেখ ঢৌৰ খলখকনি উঠিছে। হাবুতুবু খাইছে। সেই নৈৰ কোবাল সোঁতৰ লগত সংগ্ৰাম কৰি নাৱৰীয়াবোৰ আগবাঢ়ি যোৱাৰ কথা সি চিন্তা কৰিলে। বিপদ আৰু এন্ধাৰলৈ ভয় কৰি আগবাঢ়িব নোৱাৰিলে লক্ষ্যস্থান কোনোদিনেই পাব নোৱাৰিব। লাহে লাহে আকাশখন ক্ৰমে : নিৰ্মল হৈ আহিছে। জোনৰ পোহৰবোৰে ডাৱৰক আকোৱালি চুমা খাইছিল। অনুপলে তাৰ মন স্থিৰ কৰিলে সি আৰু বৈ থাকিব নোৱাৰে। বৈ থকাৰ মানেই তাৰ মৃত্যু নহয় জানো ?

(এক)

সেই সৰু যমুনা গাঁৱৰে এটি মধ্যবিত্ত পৰিয়ালৰ সন্তান অনুপল। তেওঁৰ দেউতাক এজন অৱসৰ প্ৰাপ্ত শিক্ষক। অনুপল পৃথিৱীত পৰিয়ে সি কান্দিবলৈ শিকিছিল। জীৱনৰ এই বয়সতো সি প্ৰাণ খুলি হাঁহিব পৰা নাই কিয় ? সি মাত্ৰ তিনিটা কাৰণত কান্দে আশ্ৰয়, ভোক, আৰু এদোখৰ কাপোৰৰ বাবে মাতৃৰ কোলাৰ আশ্ৰয়, মাতৃৰ স্তন আৰু অকমাণি কাপোৰ গাত মেৰিয়াই দিয়াৰ পাছতেই শিশুৰ কান্দোন বন্ধ হয়। আৰু এই তিনিটা বস্তুৰ বাবেই মানুহে ওৰেটো জীৱন সংগ্ৰাম কৰিবলগীয়া হয়। সেইখন সংগ্ৰামত কোনোবা জন জয়ী হয় আৰু কোনোবা জন বৰ বেয়াকৈ হাৰি যায়।

অনুপলে কিন্তু সিমান খিনি পোৱা নাছিল। তাৰ মাকে জন্ম দি কোনোবা এখন অচিন দেশলৈ গ'ল গৈ। অনুপলৰ দেউতাকে তাৰ বাবে বহুতো চিন্তা কৰি দ্বিতীয় বিবাহ ক'ৰালে। কিন্তু সেই গৰাকী মাতৃয়ে সন্তান কি বুজি নাপালে দিনবোৰ আহি আছে গৈ আছে। অনুপলো ডাঙৰ হৈ আহিছে। দেউতাকে এদিন এখন প্ৰাথমিক স্কুলত তাৰ নাম ভৰ্তি কৰি দিলে। সি পঢ়া শুনাতো আগবঢ়া। স্কুলত যোৱা সময়ত সি ভাত মুঠি ভালকৈ খাবলৈ নাপায়। এদিন

ডিক্রয়ান ডিক্রয়ান

তাৰ খুব ভোক লাগিছে মাহী মাকক কলে। মা খুব ভোক লাগিছে ভাত দিয়া মা ........

"তোৰ কাৰণে ইয়াত ভাত নাই। ভোক লাগিছে যা ইয়াৰ পৰা। অনুপলে সেইদিনা ভাত নোখোৱাকৈ স্কুললৈ আহিল। স্কুলৰ পৰা গৈও সি ভাত মুঠি পোৱা টান হ'ল। দেউতাকে এইবোৰ কথা সহ্য কৰিব নোৱাৰিলে। অনুপলে প্ৰাথমিক শিক্ষা বহুতো ঠেলা — হেচাৰ, বিশৃংখল — বেমেজালিৰ মাজেৰেই অতিক্ৰম কৰিলে। পদে পদে সমাধান কৰিব নোৱাৰা সমস্যাৰ মাজতো দ্বিতীয় বিভাগত সি প্ৰবেশিকা পৰিক্ষাও পাছ কৰিলে। পৰিক্ষাৰ ফলাফল ওলোৱাৰ দিনা সি মাকক ক'লে মা মই পৰীক্ষাত পাছ কৰিলো।

মই কি কৰো? হব এতিয়া এসোপা টকা খৰচ। দেখিছো এইবাৰ কলেজ ফালি দিবি ছাগৈ। মাহীমাকে কলে,

অনুপলৰ মুখখন ক'লা পৰি গ'ল। অনুপলে অনুভৱ কৰিছে আজি যদি মোৰ মা থকা হলে এনেকৈ নকলে হেঁতেন! মা তুমি ক'ত মোক আশীৰ্বাদ দিয়া মা। অলপ দেৰিৰ পাছত অনুপল দেউতাকৰ ওচৰলৈ গ'ল।

দেউতাকে একো নকৈ মুখখন ঘুৰাই দিলে। অনুপলৰ আৰু বুজিবলৈ বাকী নাথাকিল। অনুপলৰ জীৱনত নতুন পোহৰ এটাটি আহিছিল. যদিও সেই পোহৰ যেন — এটা চাকিৰ পোহৰ। সি চিন্তা কৰিলে মই যদি কেনেবাকৈ কৰ'বাত এটা চাকৰি যোগাৰ কৰিব পাৰো তেতিয়াহে মোৰ কলেজত পঢ়াৰ পথ মুকলি হব। কিন্তু একো উপায় নাই আজিকালি চাকৰি কিনিব লাগে ক'ত পাম ইমান টকা। দেউতাই এল,পি স্কুলৰ প্ৰধান শিক্ষকৰ চাকৰি কৰিও বিটাইৰ মেণ্টৰ টকা নাই --।

এদিন অনুপলে আগৰ দৰে নৈৰ পাৰত বহি আছিল। হঠাৎ গাৱৰে এজন বন্ধুৱে সেই বাতেদি গৈছিল। অনুপলক দেখা পাই সুধিলে। অনুপল কি কৰিছা? অনুপলে চক খোৱাদি কলে অ' জিন্তু নাই একো কৰা নাই।

জিন্তু: কিবা চিন্তা কৰা যেন লাগিছে?

অনুপল: মনৰ কথা মনত থৈ। অনুপলে এটা শুকান হাঁহিৰে, চিন্তা কৰি মই পাৰ পাব নোৱাৰো। জিন্তু তোমালোকে কলেজিয়া জীৱনত বহুতো বন্ধু বান্ধৱী লগ পাবা। এই কথা ষাৰ কৈ অনুপল নীৰৱ হৈ ৰ'ল। যেন তাৰ সেই শুকান হাঁহিত বহুতো বেদনা নিহিত হৈ আছে! জিন্তুৱে মুখলৈ চাই আছিল। কিন্তু অনুপলে গমেই পোৱা নাছিল তাৰ কোমল মৰম লগা গালখনেদি দুধাৰি চকুলু বাগৰি গৈছে

জিন্তু: "অনুপল কি হৈছে তোমাৰ"? কিয় কান্দিছা? শুনা অনুপল প্ৰতিতো মানুহৰে সুখ আৰু দুখ আছেই। তুমি নাকান্দিবা অনুপল। এয়ামোৰ অনুৰোধ।

অনুপল: জিন্তু মোক অকলে থাকিবলৈ দিয়া তুমি যোৱাগৈ জিন্তু।

জিন্তু: অনুপল মই তোমাৰ সকলো কথা বুজি পাইছো। তুমি মোৰ বন্ধু মই তোমাক এৰি যাব নোৱাৰো। অনুপল বলা আমাৰ ঘৰলৈ।

অনুপল: নাই আজি নাযাওঁ। বেয়া নাপাবা।

জিন্তু: নাপাওঁ!

অনুপল: জিন্তু তুমি ঘৰলৈ যোৱা। ময়ো যাওঁ। এনেকৈয়ে অনুপলে ঘৰৰ মাথো পদুলিত সোমাইছে হে। মাহী মাকৰ খেং খেঙনি শুনিলেই। বাটে বাটে ভতোৱা কুকুৰৰ দৰে ঘুৰি ঘুৰি আহিছ এতিয়া কব মা ভাত দিয়া। দেখিছেই ঘৰখন কিমান কষ্টত চলিছে। এটা ডাঙৰ ডেকা ল'ৰাক খুৱাবলৈ নোৱাৰো নহয়। আহিছে এতিয়া ভাত খোজক তাক মই ঘৰৰ পৰা বাহিৰ কৰি দিম। অনুপলে মাহী মাকৰ ক'থা শুনি কলে মা' তুমাক বুজি পালো।

মাক: কি বুজি পালা? যি বুজি পাইছ শুনিলি নহয়। এতিয়া এইখন ঘৰত তোৰ একো স্থান নাই। ওলাই যা।




ডিক্রয়ান ডিক্রয়ান

অনুপল: মা তোমাৰ কথা শুনি মই আৰু সহ্য কৰিব নোৱাৰো যাম মই নিজেই যাম। তোমা-লোকেই থাকি। এইখন ঘৰলৈ মোৰ কোনো স্থান নাই।

সেইদিনা দেউতাক নাছিল গাৱৰ ঘৰলৈ গৈছিল। অনুপলে দেউতাকলৈ বাট চাই আছিল। দেউতাক অহাৰ বহুত পলম হৈ গ'ল। সন্ধিয়াৰ লগে লগে জোন, তৰা বিৰিঙিয়াই ওলাইছে। অনুপলৰ অন্তৰখন যেন এক অবুজ বেদনাত কান্দি উঠিছে। সেইদিনা দেউতাকলৈ ৰওতে দেউতাক পলম কৈ আহিল। সি ক'তো যাব নোৱাৰা হ'ল। সেই ৰাতি অনুপলে তাৰ জীৱনৰ সমস্ত কথা ভাবি উচুপি উচুপি কান্দিবলৈ ধৰিছে। গোতেই ৰাতি তুপনি নহাত ইকাটি সিকাটিকৈ ৰাতিপুৱালে। ৰাতিপুৱা খুব সোনকালে উঠি, মুখ, গা ধুই ওলাল। তাৰ নিজৰ গাত পিন্ধি থকা কাপোৰজোৰ আৰু মেট্ৰিক পাছকৰা ছ টিফিকেত খন আৰু নাই। দেউতাকে বিছনাতে শুই আছে। মাকে শুই উঠি ঘৰৰ কিছুমান কাম কৰি আছে। অনুপলে দেউতাকক উঠাবলৈ অলপ সংকোচ কৰিলে শুৱা মানুহ তুপনি ভাঙিলে বেয়া হব বুলি সি ভৰি কেইখন সেৱা কৰিলে। আৰু মাকৰ ওচৰত গৈ কলে। মা এতিয়া আহোঁ বুলি কৈ ভৰিখন চুৰ খুজোতেই মাকে আতৰি গ'ল।

অনুপল: মা তুমি 'মা মানে কি তাক নুবুজিলা। আজিলৈ আহোঁ অনুপলে জপনাখন খুলি ঘৰৰ ফালে এবাৰ চাই তাৰ কোমল গাল-খনেদি চকুলু বাগৰি গৈছে। আকৌ এবাৰ গাওঁখনলৈ চাই শৈশৱত খেলা বন্ধু বান্ধৱী সেউজ কোমল নিৰিবিলি গাওঁখন কাপোৰাখী নদীখন চাই সি অৱস হৈ গৈছে। সি যে বহুত ডাঙৰ বস্তু এটা এৰি গৈছে। অনুপলৰ

বাবে যেন— জীৱন এখনি নৈ
লক্ষ্য তাৰ সুনীল সাগৰ
গৈ আছে বৈ আছে দুৰ্বাৰ গতিৰে
সময় জাঁজিত ঢৌ সংঘাতৰ
পলকে পলকে কঁপে জীৱন তৰণি

অনুপলে গৈ আছে সি ক'ত যাব নিজে নাজানে খোজ কাঢ়ি কাঢ়ি তাৰ খুব ভাগৰ লাগিছে। হঠাৎ ৰেলষ্টেচন পালেগৈ উজনি মুৱা ৰেলেখনৰ যাত্ৰাৰ সময়। সি তেতিয়াও একো সিদ্ধান্ত কৰিব পৰাই নাছিল। ৰেলৰ এজন যাত্ৰীয়ে কলে আপোনি কলৈ যাব, ক'ৰ টিকেট কাটিব। সি যেন একো শুনাই নাই। তাৰ পাছত থকা যাত্ৰীজনে কলে—"কৰ টিকেট লাগে নলয় কিয়?" নহলে ওলাই যাওক। হঠাৎ তাৰ মুখৰ পৰা ওলাই গ'ল গুৱাহাটীৰ'ৰ। অ' গুৱাহাটীৰ টিকেট এখন দিয়ক। যাত্ৰী জনে ক'লে। তেন্তে ইমান চিঞৰি আছিলো নকৈছিল কি'য়।

ৰেলখন তিব্ৰ গতিৰে আগবাঢ়িল। ৰেলত বহাৰ সময়ত আকৌ গাওঁৱলৈ মনত পৰিলে আকৌ এবাৰ ভাবে তাৰ জীৱণৰ কথা মই এতিয়া কলৈ যাম। তাৰ খুব ভোক লাগিছে। ৰেলখন ষ্টেচন পাইছেগৈ মানে অলপ সময় পাছতে ৰ'ব। অলপ দূৰত ৰেলখন লাহেকৈ ৰৈ'ছে। অনুপল ৰেলৰ পৰা নামিছে মানুহৰ সমাগমত তাৰ পেটৰ ভোক কলৈ গ'ল সি গমেই নাইপোৱা। ষ্টেচনৰ কুলিবোৰ মানুহৰ বয় বস্তু অনা-নিয়াত প্ৰতিযোগিতা চলাইছে। সি থৰ লাগি চাই আছে। এনেতে সন্ধিয়াৰ এন্ধাৰে গোতেই পৃথিৱীখন গ্ৰাহ কৰিলে। এতিয়া সি কি কৰিব। এই চহৰত তাৰ আপোন বুলিবলৈ নাই। এবাৰ সি ষ্টেচনৰ ফালে চাই দেখে প্লেটফৰ্মত মানুহবোৰ গভীৰ সমাগম লাগিছে। সামান্য কাপোৰ-কানি পাৰি ঠাই দখলৰ প্ৰতিযোগীতা চলিছে। অনুপলৰ হাত-ভৰিবোৰ অৱস হৈ পৰিছে। সি ভাবিলে ইমান মানুহৰ মাজত টোপনি আহিব জানো? সি এটা প্লেটফৰ্মৰ খুটাত আউজি থিয় হৈ আছিল। অলপ দেৰিৰ পাছতে সি পকাতে বহি পৰিল আৰু কোন সময়ত টোপনি আহিল সি একো ক'ব নোৱাৰিলে।

(দুই)

পাহৰ দিনা ৰাতিপুৱাই সাৰ পালে। ওচৰতে

এটা দমকল দেখাপাই সি মুখখন ধুবলৈ গ'ল। লঘোনে থকা পেটতোত সি পানী অলপ খালে। জেপৰ পৰা ৰুমালখন উলিয়াই মুখখন মোহাৰিলে। জেপত হাত খন ভৰাই সি তাৰ চাৰ্টিফিকেটখন চালে। তাৰ পাছত আকৌ ষ্টেচনত সমাগম। সি এবাৰ ভাবিলে মই এনেকৈ থাকিলে নহব। মইয়ো কুলিৰ কাম কৰিবলৈ আগবাঢ়ি যাওঁ। ষ্টেচনতেই কেইদিন মান থাকি দুইপইচা মান পালে। অনুপলে ভাবিলে জীয়াই থাকিবলৈ এমুঠি আহাৰ বৰ প্ৰয়োজন। সদাই এহাজ খাই থাকিব নোৱাৰি কোনে মোক এমুঠী আহাৰ দিব? এই বুলি সি এখন হোটেললৈ আগবাঢ়িল। হোতেলট কিছুমান খোৱা বস্তু খাই এখন চিতত বহি আছিল। তাৰ গাৱলৈ মনত পৰিল। সি একান পতিয়াকৈ চিন্তাত বহু সময় বহি থকাদেখি তাৰে এজন ভদ্ৰলোকে সোধিলে। তুমি ক'ৰ। কিবা চিন্তাত আছা নেকি?

অনুপল : নহয় দেউতা একো চিন্তা কৰা নাই। সেইভদ্ৰ লোকে জনৰ নাম সত্যপ্ৰসাদ বৰুৱা।

সত্যপ্ৰসাদ : তাৰ মানে তুমি অসমিয়া নেকি?

অনুপল : "হয়"

এনেতে বৰুৱাই এজন বন্ধুৱেকক লগ পাই তেওঁৰ লগত বহুতো ক'থা বতৰা হৈ আছে। এনেতে বন্ধুৱেকে বৰুৱাক ক'লে অ' বৰুৱা তোমাৰ নামনি অঞ্চলৰ বাগান কেনে চলিছে। বৰুৱা বৰ ভাল নাই। বৰুৱাই বন্ধুৱেকক কলে শুনাচোন বন্ধু মোক এজন ভাল লৰাৰ দৰকাৰ হৈছে। আপোনি ভাল লৰা পালে মোক দিব-চোন। মোৰ নামনি অঞ্চলৰ বাগান চাবলৈ বৰ অসু-বিধা হৈছে। হব বাৰু মই চেষ্টা কৰিম। মই এতিয়া আহো।

সত্য প্ৰসাদ বৰুৱাৰ এই কথাষাৰে অনুপলৰ মন ধ্বনি কৰিলে। অনুপলে খুব সংকুছেৰে বৰুৱাক কলে। অনুগ্ৰহ কৰি আপোনাৰ ওচৰত মোৰ এটা অনুৰোধ আছিল।

বৰুৱা : কি কব বিচাৰিছা কোৱা? সংকুচ নকৰিবা

অনুপল : খোনোকা–খোনোকে, আপুনি মানে .... ....।

বৰুৱা : কোৱা আৰু' নোকোৱা কিয়?

অনুপল : আপোনাৰ ঘৰত কিবা কাম কৰিব লগিয়া আছে নেকি?

বৰুৱা : ওঁ এজন ভাল লৰাৰ প্ৰয়োজন হৈছিল, অলপ অলপ লেখা-পঢ়া হলেই হব।

অনুপল : আপোনাৰ যদি আপত্তি নাই মই সাজো আছো

বৰুৱা : তুমাৰ ঘৰ অৱস্থা বৰ ভাল নহয় নেকি? আজি-কালি কি জানা মানুহক বিশ্বাস কৰিব নোৱা-ৰি। তুমি ক'ৰ হয় কি? মই নাজানো তথাপিতো বলা মোৰ ঘৰলৈ ঘৰত ভালদৰে কথা পাতিম। সত্যপ্ৰসাদ বৰুৱাই তেওঁৰ ঘৰলৈ লৈ গ'ল। ঘৰৰ সমুখত দুখন টেক্সী থকা দেখিয়েই সি আচৰিত হৈ পৰিল। ইমান ডাঙৰ ঘৰ তাৰ জীৱনত এয়ে প্ৰথম। যেন সেই ঘৰতোত কোনোবা ৰজা–মহাৰজা থাকে। চোতালখনত তিনিখন মটৰ থিয় হৈ আছে। ঘৰটো তিনিতলা চাৰিওকালে না না বিধৰ বিদেশী ফুল। ফুল জাৰীৰ আগেৰে ফুলবোৰ পানী পৰি আছে। যি ফালেই চায় সেইফালেই কেৱল কিবা এক নতুন সন্ধান তাৰ চকুত পৰে। কবিতাৰ চন্দে চন্দে ভৰা গভীৰ লহৰ। অনুপলে এই বোৰ চাই চোতালতে থমকি ৰৈ আছে এনেতে বৰুৱাই ভিতৰলৈ মাতিলে,

সত্যপ্ৰসাদ : কোৱাচোন তোমাৰ ঘৰ ক'ত। ঘৰত কোন কেনেকৈ আছে।

অনুপল : মোৰ ঘৰ এখন গাৱত। মাহীমাৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ঘৰৰ পৰা ওলাই আছিছো। মা মোক এই পৃথিৱীত থৈ কোনোবা এখন অচিম দেশলৈ গ'লগৈ। মোৰ দেউতা এজন অবসৰ প্ৰাপ্ত শিক্ষক।

সত্যপ্ৰসাদ : তুমি এজন শিক্ষকৰ ল'ৰা তেন্তে তুমি নিশ্চয় অলপ পঢ়া-শুনা কৰিছা নহয় নে? তেওঁ আৰু অনুপলৰ কথা বুজিবলৈ বাকী নাথাকিল। সত্যপ্ৰসাদে এজন লগোৱা মাতি ক'লে। ঐ শ্যাম এখেতক থাকিবলৈ এটা কোঠা বন্দবস্ত কৰি দিয়া। অনুপলে অবাক হৈ বৰুৱাৰ মুখলৈ চাই ৰ'ল।

সত্যপ্ৰসাদ : শুনা অনুপল তুমি আৰু যাব নালাগে মই তোমাক থাকিবলৈ বন্দবস্ত কৰি দিছো। তুমি এতিয়া বহা মই এঠাইৰ পৰা আহো। সেইদিনাৰে পৰা অনুপলৰ বাবে এটা নতুন অধ্যায় আৰম্ভ হল।

সত্যপ্ৰসাদ বৰুৱা আছিল এসময়ত এখন বিশ্ব বিদ্যালয়ৰ মনোবিজ্ঞানৰ অধ্যাপক। অধ্যাপক চাকৰি বাদ দি এখন ডাঙৰ বাগানৰ মালিক হ'ল। তেওঁৰ এক মাত্ৰ কন্যা বেবী আৰু তেখেতৰ পত্নী মানে এটি সুখি পৰিয়াল। বৰুৱাৰ ছোৱালী বেবী তাই বৰ জিদ্দী। আচলতে ডাঙৰ ঘৰৰ ছোৱালী। টকা পইচাৰ অভাৱ নাই। কিন্তু তাই মাক বৰ মৰমিয়াল। অনুপলে কিন্তু বৰুৱাৰ পত্নীক মা বুলি সংবোধন কৰে। সিহঁতৰ যে এটাও লৰা নাই সেয়েহে অনুপলক বৰ মৰম কৰে। ধন থাকিলেও জন নাই।

এনেকৈয়ে সময় বোৰ পাৰ হৈ গৈছে। অনুপলৰ বাবে এটা আঁশাৰ চাঁকি জ্বলিছে। সি এদিন আঁশা কৰিছিল কলেজত পঢ়াৰ। সি এদিন বৰুৱাৰ ঘৰত কোনেওঁ নজনাকৈ এদিন সি এখন কলেজত নাম ভৰ্তি কৰিলে Night Collage ত। সি দিনৰ ভাগত নামনি মুৱা বাগান চোৱা চিতা কৰে আৰু ৰাতি হ'লে Night Collage ত পঢ়িবলৈ যায়। বৰুৱাৰ ঘৰত থকাৰ কিছুদিনৰ পাছত সি বেবীৰ কথাত পদে পদে আঘাত পাবলৈ ধৰিলে। সেয়ে কেতিয়াবা বৰুৱাৰ ঘৰত নথকাৰ কথা চিন্তা কৰে, কিন্তু সত্যপ্ৰসাদ তেওঁৰ পত্নীৰ মৰমৰে তাৰ মনৰ গতি অন্যফালে সলনি কৰি পেলায়। অৱশেষত সি নীৰৱে এটা সিদ্ধান্ত প্ৰতিজ্ঞা বদ্ধ হ'ল যে এদিন নহয় এদিন সি বেবীৰ অহংকাৰ নিজৰ প্ৰতিভাৰে ম্লান কৰি দিব। আৰু বহুতো কিবা-কিবি কথা ভাবিছিল। কেতিয়াবা মাক-দেউতাক নাথাকিলে কিছুমান সাধাৰন কথাতে গালি পাৰে বেবী-য়ে। পেৰী পেৰী কামৰ হিচাব লয়। এফালৰ পৰা মুখস্ত মাতি যায়। কেতিয়াবা অনুপলৰ তাইৰ কথাই সহ্য সীমা অতিক্ৰম কৰে। অনুপল যেন ঘৰুৱা কুকুৰ মেকুৰীতকৈ হেয়জ্ঞান কৰে। তথাপিও সি নীৰবে সহ্য কৰি যায়। ইয়াৰ অলপ দিনৰ পাছত অনুপলে মটৰ চলাবলৈ শিকিলে। মটৰ চলাবলৈ শিকিছিল বৰুৱাৰ অনুমতিত কাৰণ মটৰ চলাবলৈ ড্ৰাইভাৰ নাহিলে অনুপলে বেবীক কলেজত সময় মতে অনা – নিয়া কৰিবলৈ। এদিন ভেনেদৰে মটৰ চলাবলৈ ড্ৰাইভাৰ অহা নাছিল। সেইদিনা অনুপলে বেবীক কলেজত থৈ আহিব লাগে। গাড়ীখন গৈ আছে। দুয়ো নিমাত হৈ। হঠাৎ বেবীৰ মনত এটা প্ৰশ্ন –

বেবী : „অনুপল তুমি লিখা পঢ়া-শিকিছিলা নেকী?"

অনুপল : "কিয়?' নাই পঢ়া নাই। হঠাৎ তোমাৰ আজি এনে প্ৰশ্ন।

বেবী : যদি লিখা-পঢ়া কৰিবলৈ ইচ্ছা আছে মোৰ ওচৰত গধুলি চিলত পেঞ্চিল লৈ আহিবা। মই তোমাক পঢ়াই দিম।

অনুপল : তুমি মোক দেখিলেই খং কৰা। আজিযে তোমাৰ দূৰ্বলতা ক'ত?

বেবী : মুখ চণ্ডালি কথা কবলৈ শিকিবা চোন। তুমাৰ মুখত এনে কথাই শোভা নাপায়।

অনুপল : অ' তুমি যে ডাঙৰ ঘৰৰ ছোৱালি। সেইকাৰণেই নেকি?

বেবী "গজমূৰ্খ হৈ থাকিব বিছাৰিছা যদি থাকা you Bloody & Bantard

অনুপল : বেবী চাবা বেছিকৈ ইংৰাজী কলে ফৰেনলৈ বিয়া হ'ব লাগিব। বেবীয়ে একো মাত নামাতি গৈ আছে। অলপ দেৰিৰ পাছত কলেজ পালেগৈ।

তিনি

এনেতে অনুপল আৰু বেবীৰ পি, উ ফাইনেল পৰীক্ষা আৰম্ভ হৈছে। অনুপলে কোনেও নজনাকৈ দিনত কাম কৰে আৰু ৰাতি পঢ়াৰ সুযোগ উলিয়াই ললে। সি বহু কষ্টৰে পি, উ ফাইনেল পৰীক্ষা দিলে। এনেতে ঠাণ্ডা দিন বাগানতো কাম বেছিহোৱা নাই। সেয়েহে বৰুৱাৰ সহ পৰিয়ালে কাশ্মীৰ আৰু ছিলঙলৈ কিছুদিনৰ বাবে ফুৰিবলৈ যাব। লগতে অনুপলক লৈ যাব।

বৰুৱা : শুনা "বেবী"

বেবী : কি দেউতা ?

মই মানে অনুপলক মাতিছো বুলি কগৈচোন। কবি আপ্রেলিইকে ছিলঙলৈ যাম বুলি। গতিকে কাপোৰ কানি লবলৈ। বেবীয়ে দুইতলাৰ পৰাই অনুপলৰ থকা কোঠাটো চালে বন্ধ। তাই গৈ দৰ্জাত টুকুৰীয়াই।

অনুপল : "কোন ?

বেবী : দৰ্জা খুলি যাক দেখা পোৱা সেয়া মই। তাই এটা অসংকাৰ ভাবে কলে।

অনুপল : দৰ্জাখন খুলি অ' বেবী কিবা কাৰণত মোক মাতিবলৈ আহিছা নেকি ?

বেবী : হয় আজি আবেলিকৈ ছিলঙলৈ যাম দেউতাই কৈছে

অনুপল : বাৰু গৈ আছো। তুমি যোৱা।

সিহঁতে পাছৰ দিনা ছিলং গৈ পালেগৈ। এনেতে তিনদিন মান হ'ল। এদিন অনুপলে ঘৰটোৰ বাৰান্দাত বহি গোটেই প্রাকৃতিক ভাব চকুত ভাহি পৰিছে। ছিলঙত পৃথিৱীৰ সৌন্দৰ্য্য বোৰ যেন আহি থুপ খাইছেহি। চাৰিওফালে সু উচ্চ পাহাৰে আৱৰা। ফুলে ফুলক চুমা যাছে। মৰমে মৰমক আলিংগন কৰে। ফুলৰ মৌ চুহি মৌনাখিয়ে সংগীতৰ মুচ্ছৰ্না তোলে। নানা বিধ চৰায়ে আপোন মনে গান গাহ উৰি ফুৰে পাহাৰ বগাই আমনি নালাগে। ভাগৰ কাক কয় অনুভৱ কৰিব নোৱাৰি। প্রাকৃতিক সৌন্দৰ্য্যই মানুহৰ মন আৰু দেহৰ সকলো ভাগৰ নোহোৱা কৰি পেলায়।

এদিন বেবীয়ে মাক দেউতাকক অনুৰোধ কৰিলে ফুৰিবলৈ কিন্তু বেবীৰ মাক দেউতাকে সদায় ফুৰিবলৈ পক্ষপাতি নহয়। ঘৰৰ বাৰাণ্ডাত বহি থাকিলেই হিয়া মন জুৰা প্রকৃতিৰ অনুপম দৃশ্য চকুতপৰে গতিকে কিতাপ লৈ পঢ়ি থাকে। দেউতাকে অনুপল আৰু বেবীক ফুৰিবলৈ যাব অনুমতি দিয়ে। দুয়ো ডেকগাভৰু যদিও সন্দেহ কৰিবলগীয়া একো নাই। কাৰণ বেবী আৰু অনুপল যেন — সাপ আৰু নেউলহে। অনুপলে তাইৰ লগত ফুৰিবলৈ অস্বস্তি বোধ কৰে। কাৰণ তাইৰ মন বুজা টান। কোন সময়ত বেয়া ব্যৱহাৰ কৰে তাৰ কোনো নিশ্চয়তা নাই তথাপি সি যায়। যাবলৈ বাধ্য। আন্যৰ কথা অৱজ্ঞা কৰিলেও বৰুৱাৰ কথা অৱজ্ঞা কৰাৰ ক্ষমতা তাৰ নাই। সত্য প্রসাদ অনুপলৰ বাবে দেউতাৰ শাৰীত পৰে। কিন্তু জীয়েক হ'ল সম্পূৰ্ণ বিপৰিত। আন্যফালে বেবীয়ো অনুপলৰ লগত যোৱাৰ পক্ষপাতি নহয়। অথচ নিৰুপায়।

বেবীয়ে ভুলে শুদ্ধই কথাই কথাই ইংৰাজী কবলৈ বিচাৰে অনুপলে নোবুজে বুলিয়েই। তাইৰ ভুল ইংৰাজী শুনি অনুপলৰ পেটে পেটে হাঁহ। কেতিয়াবা শুধৰাই দিয়াৰ কথা ভাবে, কিন্তু ধৰা পৰাৰ ভয়ত মনে মনে থাকে। দুয়ো ফুৰিবলৈ যায় সচা কিন্তু হব কি ? যেন দুয়ো বোবাহে ? ফুৰিবলৈ গ'লে বেবী সদায় আপত যায়। অনুপলে মাত্র তাইক অনুসৰণ কৰি যায়। আগবাঢ়ি যোৱাৰ পৰত পাছলৈ বেবীয়ে কেতিয়াও ঘুৰি নাচায়। সেয়ে কেতিয়াবা বহু পিলগত থাকে। তাই কিবা কথা এটা কৈ বাবে বাবে সোধাত উওৰ নাপয় ঘুৰি চাই দেখে সি তাইৰ পৰা বহুত দূৰত। তাইৰ টিঙিচ কৰে খং উঠে। কি যে — মহা মুৰ্খটোৰ পালত পৰিল। বেয়াকৈ কথা শুনাই দিয়াৰ কথা ভাবিলেও মনে মনে থাকে। কাৰণ তাইৰো এটা মন আছে ভাল পোৱা বেয়া পোৱা। গতিকেই তাই সেমেকি থাকে। আকৌ বেবীৰ অনুপলৰ প্রতি কিবা এক পুতৌৰ ভাব জন্মিল। হয়তো গা অসুখ হ'ব পাৰে। বাধ্যত পৰি তাইৰ লগত ফুৰিবলৈ আহিছে। তাই তাৰ ওচৰলৈ নামি আহিল। তাই নামি অহা দেখি সি শিল এটাত বহি গছৰ পাতবোৰ ছিঙি ছিঙি তললৈ পেলাবলৈ ধৰিলে।

বেবী : "তোমাৰ গা ভাল নহয় নেকি ?"

অনুপল : "ভালেই"

বেবী : কিবা দেখোন বেমাৰী মান হৰ দৰে বহি পৰিলা ?

অনুপল : ভাবিছো "মহামুৰ্খ জন্ম লোৱাটোৱেই বিৰাট অভিশাপ আৰু তাতোকৈ অভিশাপ হ'ল দুখীয়া হোৱাটো।

বেবী : অনুপল কিয় এনেদৰে কোৱা। যাবলৈ দিয়া সেইবোৰ। কিন্তু আজিৰ পৰা তুমি মোৰ বন্ধু হলা। মোৰ কথা বিশ্বাস কৰিব পৰা নাই ? মাত্র মই আজিৰ পৰাই তোমাৰ। বেবীয়ে হাঁহি হাঁহি কলে। "কিন্তু কিমান দিনলৈ" অনুপলে চিন্তা কৰিছে কাৰণ নেউল আৰু শিয়ালৰ মাজত কেতিয়াও বন্ধুত্ব হব নোৱাৰে। এনেতে বৰষুণ দিয়াৰ অৱস্থা। বলা ঘৰলৈ যাওঁ বলা!

অনুপল : বেবী এতিয়া বৰষুণ আহিব ঘৰলৈ যাওঁ বলা! নাহে।

বেবী "মই নাযাওঁ।" "মই কৈছোঁ। বৰষুণ নাহে।

অনুপল : মই কৈছো আহিবই।"

বেবী : "বাৰু বলা।"

অনুপল : জানা বেবী ছিলঙৰ আকাশৰ কোনো বিশ্বাস নাই। যেনেকৈ তোমাৰ দৰে ছোৱালীৰ মন — এই কথাত তাই সহ্য নহল তাই কৈছে তুমি সচাঁই এটা বুঢ়া বলদ আৰু এটা পোহনীয়া কুকুৰ।

অনুপল : হব পাৰো "কিয় তোমালোকৰ ঘৰৰ পোহনিয়া কুকুৰ। বেবী হব হব আৰু নকলেও হব। অনুপল আৰু মোৰ মুখ খুলিলে বেয়া হব। অনুপল আৰু বেবী দুয়ো নিমাত হৈ ঘৰত সোমাল। এনেতে বেবী দুয়ো নিমাত হৈ ঘৰত সোমাল। এনেতে তেখেতৰ বৰুৱাৰ ঘৰৰ পৰা ফোন আহিল তেখেতৰ লগোৱা বিলাকে ফোন কৰিছে। কি'য় মাতিছে সেই কথা নকলে কাৰণ নামনি বাগানত নতুন পাত ওলাব পাৰে! ইয়াত থকা এমাহ মান হলেই। সিহঁত কাশ্মীৰলৈ যোৱা নহল। ছিলঙৰ পৰাই গুৱাহাটি আহিবলৈ বাধ্য।

(চাৰি)

বৰুৱাৰ পৰিয়াল আহি গুৱাহাটি পালেহি। ছিলঙত থকা সময়ত বেবীৰ মনতো অলপ সলনি হৈছিল যদিও। গুৱাহাটি পোৱাৰ লগে লগে বেলেগ হৈ গল। গুৱাহাটী পোৱাৰ তিনিদিন মান হৈছেহি ? পি, উ ফাইনেলৰ ৰিজাল্ট দিলেই বেবী আৰু অনুপল দুয়ো ভালেই প্রজিচনলৈ পাছ কৰিছে। অনুপলৰ ৰিজাল্টৰ খবৰ বৰুৱাৰ ঘৰত কোনেও জনা নাই। বেবীয়ে দ্বতীয় বিভাগত ৰিজাল্ট পাই এজনী বান্ধৱীৰ ঘৰলৈ ওলাল —

সেইদিনা অনুপলৰ মনতো অলপ সেমেকা সেমেকা হৈ আছিল। এনেতে বেবীৰ কঠৰ মাত।

"অনুপল, ওলাই আহাচোন, বিশেষ এটা কাম আছে!"

অনুপল : কি কথা আছে কোৱা মই ভিতৰৰ পৰা শুনিম।

বেবী : "তাৰ মানে তুমি ওলাই নাহা?"

অনুপল : "ঠিকেই ধৰিব পাৰিছা"

বেবী : "মোৰ মটৰখনৰ চকা এটা পামচাৰ হৈ আছে। অতি সোনকালে ঠিক কৰি আনাগৈ।"

অনুপল : "মই নোৱাৰো। বেয়া নাপাবা"

বেবী : তাৰ মানে ?

অনুপল : মানে মই এতিয়া নোৱাৰো। কাৰণ মোৰ গা-মন কোনোটোৱেই সুস্থ অৱস্থাত নাই।

বেবী : "শুনা, মোৰ আদেশ চকাটো ভাল কৰি আনিব লাগে।"

অনুপল : "শুনা বেবী, তুমি মোক আৰু আমনি নকৰিবা।"

বেবী : "বাই, আৰামে দৰমহা খাবা আৰু বৰ বেছি এদিনৰ দৰমহা কাটিব পাৰিবা"।

অনুপল : কি কলা ?

বেবী : সামান্য এটা চাকৰ ইমান কথা। কিন্তু ইয়াৰ পৰিমান কি হব তুমি ভাবিছানে ?

অনুপল : "জানো কিন্তু আজি মোৰ কোনো এটালৈকে মোহ নাই। মই ইয়াত থাকি মোৰ ভবিষ্যত নষ্ট কৰাৰ বাহিৰে একো নাই।"

বেবী : তেনেহলে গুচি নোযোৱা কিয় ? আজিয়েই ওলাই যোৱা।

অনুপল : ক্ষমা কৰিবা বেবী ময়ো মানুহ । বেয়া ব্যৱহাৰ ময়ো কৰিব জানো। তুমি নিষ্ঠুৰ বিশ্বাস ঘাতকী।

বেবী : মই তোমাক আদেশ দিছো । তুমি এক মিনিটৰ ভিতৰতে আমাৰ চৌহদৰ পৰা ওলাই যোৱা।

বেবী আৰু ক্ষন্তেকো নৰৈ কাঁড় পাটৰ দৰে গুচি গ'ল । বেবীৰ কথাত অনুপলৰ অন্তৰত বেয়াকৈ আঘাত কৰিছে। গতিকেই বিছনা পত্ৰবোৰ বান্ধি ৰুৱাৰ ঘৰলৈ গ'ল বৰুৱাক বিছাৰি কাৰণ এদিন বৰুৱাই তাক বাটৰ পৰা বুটলি আনিছিল। কিন্তু বৰুৱাক ল'গ নাপালে। এতিয়া সি কি কৰিব ? সি ওচৰৰে বন্ধু এজনৰ ঘৰত কাপোৰ—কানিখিনি থৈ বাকচটোৰ পৰা পাছ'বুক গুলিয়াই চালে দুহেজাৰ টকা আছে। পাছ দিনাৰ পৰা সি চাকৰি বিচৰাত লাগিল। অৱশেষত ৰং বিক্ৰী কৰা কোম্পানী এটাত চাকৰি পালে। দৰমহা ভাল তাৰ পাছত এশ টকাৰ এটা ঘৰ ঠিক কৰি ললে।

(পাঁচ)

এই চাকৰী-ঘৰ সকলো কাম সামাধা কৰি এদিন সি গাওঁৱলৈ আহিছে – সেই নদীখন দেখি তাৰ অতীততে কন্দা হিয়াখন কান্দী উঠিছে। গৈ আছে গাওঁ খনৰ পৰিবেশ আগত কৈ সলনি হৈ গ'ল। অলপ দূৰৈৰে পৰা সিহঁতৰ ঘৰতো দেখিছে। ওছৰৰ পালেগৈ ঘৰটোৰ চাৰিওকালে হাৰি-বন। বেৰৰ মাটি বোৰ এৰি গৈছে দর্জাখনত এটা তলা এইবোৰ দেখি সি আচৰিত। ওচৰৰে এজন বৃদ্ধ মানুহক ,সাধিলে । হেৰী সোনকছোন এই ঘৰতোৰ মানুহবোৰ নাই নেকি ?

বৃদ্ধ : নাই।

অনুপল : ক'লৈ গল।

বৃদ্ধ : মানে সিহতৰ এজন লৰা বহু দিনতে হেৰাইচে। আৰু বুঢ়া-বুঢ়ি হ'ল অলপ দিন মৰা। সেই লৰা ক'ত গ'ল কোনেও নাজানে।

অনুপল : "মানে ? মৃত্যু .... .... .... এই কথাষাৰে অনুপলৰ হিয়াখন কান্দি উঠিল।

বৃদ্ধ : এই ঘৰতো গাৱঁৰে মহিলা সমিতিক দান কৰি দি গৈচে। অনুপলে এই সকলো কথা চিন্তা কৰি অবুজ বেদনাত ভাগৰি পৰিছিল। আকৌ সি গুৱাহাটিলৈ ঘূৰি আহিল । তাৰ দুদিনৰ পাছতে চাকৰিত Joine কৰিলে। অলপ দিনৰ পাছতে সি বি এত নাম ভৰ্ত্তি কৰিলে। দিন বোৰ পাৰ হৈ গৈ আছে । কেতিয়াবা সি সেই সৰু ঘৰতোত থাকি ৰাতি তুপনি নধৰে। ততীতৰ কথাবোৰ মনন পেলায় মাহী মাক আৰু বেবীৰ অত্যাচাৰৰ ৰিযয়ে । তেতিয়া তাৰ ধাৰাসাৰে চকুলো ওলাই । আকৌ ভাবে। যি হল হৈ গ'ল । এতিয়া এটা চাকৰিৰ যোগাৰ হল যেতিয়া আৰু ভাবিব আৰু কি আছে।

এনেকৈ প্ৰায় তিনি বছৰ পাৰহৈ গ'ল । বৰুৱাৰ ঘৰৰ কাকো ল'গ নাপায় আৰু প্ৰয়োজনো নাই। এদিন হঠাৎ অনুপলৰ বি, এৰ খবৰ ওলাল । ভাল পজিচন ৰাখিয়ে পাছ কৰিলে ; সেইদিনা তাৰ ধাৰা-সাৰে চকুলো ওলাইছিল । দেউতাক মাকলৈ সঘনে মনত পৰিছিল । ইমানবোৰ হেকৱাৰ পাছত ডিগ্ৰীটোৰ কিবা মূল্য আছে জানো ? বি. এৰ পৰীক্ষাৰ খবৰ ওলাল সি অসমৰ ভিতৰতে প্ৰথম বিভাগত পাছ কৰছে। তাৰ কেইদিমানৰ পাছতে তাৰ চমু জীৱনীৰে ফটো অসমৰ বাতৰি কাকত বোৰত ছপা হ'ল । বাতৰি কাকতত অনুপলৰ ফটো আৰু জীৱনী দেখি সত্যপ্ৰসাদ বৰুৱাৰ চকুলো বৈ আহিছিল । চকুলো সামৰি বেবী আৰু বেবীৰ মাকক ফটো দেখুৱালে । অনুপল বি,এ পাছ ; "কি আচৰিত লৰা ! "

" মোৰ অনুপলক চিনি পোৱাত ভুল নাছিল ' বেবী লৰাটো সচাই হীৰাৰ টুকুৰা । অথচ , নাই মই নিজেই অনুপলক ওচৰলৈ যাম ।

বেবী : আপুনি কিয় যাব লাগিছে । কোম্পানীৰ মেনেজাৰলৈ ফোন এটা কৰি অনুপলক মাটি পঠাওক । নহয় বেবী মই নিজেই তাক লগ কৰিম। তাক খেদি দি বৰ অন্যায় কৰিলা।

দহমান বজাত সত্য প্ৰসাদ বৰুৱাই অনুপলে চাকৰী কৰা কোম্পানীতোলৈ গ'ল। অনুপলে বৰুৱাক দেখি অতি উৎসাসেৰে মাতিলে দেউতা আপুনি

বৰুৱা : অ অনুপল মই তোমাক বিছাৰি ইয়ালৈ আহিছো। বৰুৱাই অনুপলৰ হাতত ধৰি কলে—"অনুপল তোমাৰ কৃতিত্বই অভিভূত কৰি তুলিছে আচলতে তুমি হীৰৰ টুকুৰাহে'

অনুপল : মই একো বুজা নাই।

বৰুৱা : সেইদিনা বাতৰি কাকতত তোমাৰ ফটো লগত পৰিচয় পঢ়িবলৈ পাই মোৰ চকুলো ওলাইছিল। তুমি যদি তোমাৰ মনৰ ইচ্ছা কথাৰ আচল পৰিচয় দিলাহেঁতেন। তেতিয়া তোমাক বহুতো সুবিধা দিলোহেতেন।

অনুপল : তেনেকৈ কিয় কৈছে । মোৰ জীৱনৰ মহান ব্ৰত আছিল মানুহ হোৱাৰ । মানুহ হোৱাৰ সপোনতেই মই এই পৃথিৱীত মা – ডেউতা সক লোকে হেৰুৱালো : ইমান বোৰ হেৰুৱাই যি পালো আজি তাৰ মূল্য নাই । অনুপলে এই কথাষাৰ কৈ হুকহুকাই কান্দি দিলে। বৰুৱা ৰো চকুলো সেমেকি আহিল ।

বৰুৱা : নাকান্দিবা অনুপল, মই সহ্য কৰিব পৰা নাই বিপদে মানুহক ধৰ্য্য ধৰিবলৈ শিকায় । তুমি সকলো পাবা তোমাক মই সকলো দিম।

অনুপল : আপোনাৰ মই সকলো পাইছো । ইয়াত কৈ আৰু একো নালাগে

বৰুৱা : তেনেকৈ নকবা নহলে মই বৰ দুখ পাম কাইলৈ তুমি আমাৰ ঘৰলৈ যাব লাগিব মই এতিয়া আহো ।

পাছৰ দিনা অনুপল বৰুৱাৰ ঘৰলৈ গৈছিল। অনুপলক বৰুৱাই তাক হাতত ধৰি ভিতৰলৈ লৈ গ'ল। নাই দেখিয়েই বেবীৰ গাতো অজানিতে কপি উঠিল। অনুপলক বহুত চেষ্টা কৰিও তাই অনুপলৰ আগত ওলাব নোৱাৰিলে । তাই নিজকে অপৰাধী অপৰাধী যেন লাগিছিল দুপৰীয়া ভাত খাই অনুপল ঘৰলৈ আহিল । অহাৰ সময়ত বৰুৱাই অনুপলক কলে – " তুমি আৰু কোম্পানীত চাকৰি কৰিব নালাগে মোৰ এই বাগান সকলো তোমাৰ অনুপল। অবাস হৈ ৰল আৰু কোনো কথা নকৈ অনুপল ওলাই গ' গেটৰ মুখৰ পৰা এবাৰ অনুপলে ঘূৰি চাই দেখিলে দুই তলাৰ ওপৰৰ পৰা বেবীয়ে সি যোৱা চাই আছিল

তাৰ পাছৰ দিনা বেবী অনুপল থকা ঘৰ-তোলৈ গ'ল আৰু দর্জাত টুকুৰিয়ালে দর্জাখন খুলিয়েই বেবীক দেখি অনুপলে নিজৰ চকুৰে বিশ্বাস কৰিবলৈ টান পাইছিল । বেবীয়ে চকু তললৈ নমাই মিহি সুৰত কলে এইটো অনুপল বৰাৰ ঘৰ নেকি ?

অনুপল : তোমাৰ ভূল হৈছে যেন পাইছো । ইয়াত অনুপল বৰা নাথাকে । ইয়াৰ অনুপল চাকৰ থাকে ।

বেবী : "মই আপোনাৰ ওচৰত ক্ষমা খুজিবলৈ আহিছো। ভিতৰলৈ সোমাব নিদিব জানো ?"

অনুপল : বাধা দিবলৈ নাই। আহা।

বহু সময় কাৰো মাত নাছিল। অনুপলে ক'লে কোৱা ছোন কিয় আহিলা ।

বেবী : "প্ৰথমতে তোমাক অভিন্দন জনাবলৈ এয়া ফুল আৰু দ্বিতিয়তে ক্ষমা খুজিবলৈ আহিলো।

অনুপল : মোক অভিনন্দন জনাবলৈ নালাগে তোমাৰ সেই ফুলত গন্ধ আৰু সুবাহ নাই ।

বেবী : "অতিতৰ কথাবোৰ পাহৰি পেলাব নোৱাৰিবা জানো ? আজি যদি তুমি ক্ষমা নকৰা। তেন্তে হয়তো মই পাগলি হৈ জাম ।

অনুপল : মোৰ কি অপৰাধ আছে ।

বেবী : "তাৰ মানে ক্ষমা নকৰা ?" তাই সৰু বেগতোৰ পৰা সৰু বটল এটা উলিয়াই কলে । "ইয়াত কি আছে জানা ?" এছিড। যদি তুমি মোক ক্ষমা নকৰা ; তেন্তে - - - - ?

বেবী : তেনেহলে গুচি নোযোৱা কিয় ? আজিয়েই ওলাই যোৱা ।

অনুপল : ক্ষমা কৰিবা বেবী মযো মানুহ । বেয়া ব্যৱহাৰ ময়ো কৰিব জানো । তুমি নিষ্টুৰ বিশ্বাস ঘাতকী ।

বেবী : মই তোমাক আদেশ দিছোঁ । তুমি এক মিনিটৰ ভিতৰতে আমাৰ চৌহদৰ পৰা ওলাই যোৱা ।

বেবী আৰু ক্ষন্তেকো নৰৈ কাঁড় পাটৰ দৰে গুচি গ'ল । বেবীৰ কথাত অনুপলৰ অন্তৰত বেয়াকৈ আঘাত কৰিছে। গতিকেই বিছনা পত্ৰবোৰ বান্ধি বৰুৱাৰ ঘৰলৈ গ'ল বৰুৱাক বিছাৰি কাৰণ এদিন বৰুৱাই তাক বাটৰ পৰা বুটলি আনিছিল। কিন্তু বৰুৱাক ল'গ নাপালে। এতিয়া সি কি কৰিব ? সি ওচৰৰে বন্ধু এজনৰ ঘৰত কাপোৰ— কানিখিনি থৈ বাকচটোৰ পৰা পাছ বুক গুলিয়াই চালে দুহেজাৰ টকা আছে। পাছ দিনাৰ পৰা সি চাকৰি বিচৰাত লাগিল। অৱশেষত ৰং বিক্ৰী কৰা কোম্পানী এটাত চাকৰি পালে। দৰমহা ভাল তাৰ পাছত এশ টকাৰ এটা ঘৰ ঠিক কৰি ললে।

(পাঁচ)

এই চাকৰী-ঘৰ সকলো কাম সামাধা কৰি এদিন সি গাওঁৱলৈ আহিছে–সেই নদীখন দেখি তাৰ অতীততে কন্দা হিয়াখন কান্দৌ উঠিছে। গৈ আছে গাওঁখনৰ পৰিবেশ আগত কৈ সলনি হৈ গ'ল। অলপ দূৰৰৈ পৰা সিহঁতৰ ঘৰতো দেখিছে। ওছৰৰ পালেগৈ ঘৰতোৰ চাৰিওকালে হাবি-বন। বেৰৰ মাটি বোৰ এৰি গৈছে দৰ্জাখনত এটা তলা এইবোৰ দেখি সি আচৰিত। ওচৰৰে এজন বৃদ্ধ মানুহক ,সাধিলে। হেৰী সোনকছোন এই ঘৰতোৰ মানুহবোৰ নাই নেকি ?

বৃদ্ধ : নাই।

অনুপল : ক'লৈ গল।

বৃদ্ধ : মানে সিহতৰ এজন লৰা বহু দিনতে হেৰাইচে। আৰু বুঢ়া-বুঢ়ি হ'ল অলপ দিন মৰা। সেই লৰা ক'ত গ'ল কোনেও নাজানে।

অনুপল : "মানে ? মৃত্যু .... .... .... এই কথাষাৰে অনুপলৰ হিয়াখন কান্দি উঠিল।

বৃদ্ধ : এই ঘৰতো গাৱঁৰে মহিলা সমিতিক দান কৰি দি গৈচে। অনুপলে এই সকলো কথা চিন্ত' কৰি অবুজ বেদনাত ভাগৰি পৰিছিল। আ'কৌ সি গুৱাহাটিলৈ ঘুৰি আহিল। তাৰ দুদিনৰ পাছতে চাকৰিত Joine কৰিলে। অলপ দিনৰ পাছতে সি বি এত নাম ভৰ্ত্তি কৰিলে। দিন বোৰ পাৰ হৈ গৈ আছে। কেতিয়াবা সি সেই সৰু ঘৰতোত থাকি ৰাতি তুপনি নধৰে। ততীতৰ কথাবোৰ মনন পেলায় মাহী মাক আৰু বেবীৰ অত্যাচাৰৰ বিষয়ে। তেতিয়া তাৰ ধাৰাসাৰে চকুলো ওলাই। আকৌ ভাবে। যি হল হৈ গ'ল। এতিয়া এটা চাকৰিৰ যোগাৰ হল যেতিয়া আৰু ভাবিব আৰু কি আছে।

এনেকৈ প্ৰায় তিনি বছৰ পাৰহৈ গ'ল। বৰুৱাৰ ঘৰৰ কাকো ল'গ নাপায় আৰু প্ৰয়োজনো নাই। এদিন হঠাৎ অনুপলৰ বি, এৰ খবৰ ওলাল। ভাল পজিচন ৰাখিয়ে পাছ কৰি:ল ; সেইদিনা তাৰ ধাৰাসাৰে চকুলো ওলাইছিল। দেউতাক মাকলৈ সঘনে মনত পৰিছিল। ইমানবোৰ হেকুৱাৰ পাছত ডিগ্ৰীটোৰ কিবা মূল্য আছে জানো ? বি. এৰ পৰীক্ষাৰ খবৰ ওলাস সি অসমৰ ভিতৰতে প্ৰথম বিভাগত পাছ কাৰছে। তাৰ কেইদিমানৰ পাছতে তাৰ চমু জীৱনীৰে ফটো অসমৰ বাতৰি কাকত বোৰত ছপা হ'ল। বাতৰি কাকতত অনুপলৰ ফটো আৰু জীৱনী দেখি সত্যপ্ৰসাদ বৰুৱাৰ চকুলো বৈ আহিছিল। চকুলো সামৰি বেবী আৰু বেবীৰ মাকক ফটো দেখুৱালে। অনুপল বি,এ পাছ ; "কি আচৰিত লৰা !"

" মোৰ অনুপলক চিনি পোৱাত ভুল নাছিল' বেবী লৰাটো সচাই হীৰাৰ টুকুৰা। অথচ, নাই মই নিজেই অনুপলক ওচৰলৈ যাম।

বেবী : আপুনি কিয় যাব লাগিছে। কোম্পানীৰ মেনেজাৰলৈ ফোন এটা কৰি অনুপলক মাটি পঠাওক। নহয় বেবী মই নিজেই তাক লগ কৰিম। তাক খেদি দি বৰ অন্যায় কৰিলা। দহমান বজাত সত্য প্ৰসাদ বৰুৱাই অনুপলে চাকৰী কৰা কোম্পানীতোলৈ গ'ল। অনুপলে বৰুৱাক দেখি অতি উৎসাসেৰে মাতিলে দেউতা আপুনি

বৰুৱা : অ অনুপল মই তোমাক বিছাৰি ইয়ালৈ আহিছো। বৰুৱাই অনুপলৰ হাতত ধৰি কলে—"অনুপল তোমাৰ কৃতিত্বই অভিভূত কৰি তুলিছে আচলতে তুমি হীৰৰ টুকুৰাহে'

অনুপল : মই একো বুজা নাই।

বৰুৱা : সেইদিনা বাতৰি কাকতত তোমাৰ ফটো লগত পৰিচয় পঢ়িবলৈ পাই মোৰ চকুলো ওলাইছিল। তুমি যদি তোমাৰ মনৰ ইচ্ছা কথাৰ আচল পৰিচয় দিলাহেঁতেন। তেতিয়া তোমাক বহুতো সুবিধা দিলোহেতেন।

অনুপল : তেনেকৈ কিয় কৈছে। মোৰ জীৱনৰ মহান ব্ৰত আছিল মানুহ হোৱাৰ। মানুহ হোৱাৰ সপোনতেই মই এই পৃথিৱীত মা –ডেউতা সক লোকে হেৰুৱালো : ইমান বোৰ হেৰুৱাই যি পালো আজি তাৰ মূল্য নাই। অনুপলে এই কথাষাৰ কৈ হুকহুকাই কান্দি দিলে। বৰুৱা ৰো চকুলো সেমেকি আহিল।

বৰুৱা : নাকান্দিবা অনুপল, মই সহ্য কৰিব পৰা নাই বিপদে মানুহক ধৰ্য্য ধৰিবলৈ শিকায়। তুমি সকলো পাবা তোমাক মই সকলো দিম।

অনুপল : আ:পোনাৰ মই সকলো পাইছো। ইয়াত কৈ আৰু একো নালাগে

বৰুৱা : তেনেকৈ নকবা নহলে মই বৰ দুখ পাম কাইলৈ তুমি আমাৰ ঘৰলৈ যাব লাগিব মই এতিয়া আহো।

পাছৰ দিনা অনুপল বৰুৱাৰ ঘৰলৈ গৈছিল। অনুপলক বৰুৱাই তাক হাতত ধৰি ভিতৰলৈ লৈ গ'ল। অনুপলক দেখিয়েই বেবীৰ গাতো অজানিতে কপি উঠিল। নাই বহুত চেষ্টা কৰিও তাই অনুপলৰ আগত ওলাব নোৱাৰিলে। তাই নিজকে অপৰাধী অপৰাধী যেন লাগিছিল দুপৰীয়া ভাত খাই অনুপল ঘৰলৈ আহিল। অহাৰ সময়ত বৰুৱাই অনুপলক কলে – "তুমি আৰু কোম্পানীত চাকৰি কৰিব নালাগে মোৰ এই বাগান সকলো তোমাৰ অনুপল! অবাস হৈ ৰল আৰু কোনো কথা নকৈ অনুপল ওলাই গ' গেটৰ মুখৰ পৰা এবাৰ অনুপলে ঘুৰি চাই দেখিলে দুই তলাৰ ওপৰৰ পৰা বেবীয়ে সি যোৱা চাই আছিল

তাৰ পাছৰ দিনা বেবী অনুপল থকা ঘৰতোলৈ গ'ল আৰু দৰ্জাত টুকুৰিয়ালে দৰ্জাখন খুলিয়েই বেবীক দেখি অনুপলে নিজৰ চকুৰে বিশ্বাস কৰিবলৈ টান পাইছিল। বেবীয়ে চকু তললৈ নমাই মিহি সুৰত কলে এইটো অনুপল বৰাৰ ঘৰ নেকি ?

অনুপল : তোমাৰ ভূল হৈছে যেন পাইছো। ইয়াত অনুপল বৰা নাথাকে। ইয়াৰ অনুপল চাকৰ থাকে।

বেবী : "মই আপোনাৰ ওচৰত ক্ষমা খুজিবলৈ আহিছো। ভিতৰলৈ সোমাব নিদিব জানো ?"

অনুপল : বাধা দিবলৈ নাই। আহা।

বহু সময় কাৰো মাত নাছিল। অনুপলে ক'লে কোৱা ছোন কিয় আহিলা।

বেবী : "প্ৰথমতে তোমাক অভিন্দন জনাবলৈ এয়া ফুল আৰু দ্বিতিয়তে ক্ষমা খুজিবলৈ আহিলো।

অনুপল : মোক অভিনন্দন জনাবলৈ নালাগে তোমাৰ সেই ফুলত গন্ধ আৰু সুবাহ নাই।

বেবী : "অতিতৰ কথাবোৰ পাহৰি পেলাব নোৱাৰিবা জানো ? আজি যদি তুমি ক্ষমা নকৰা। তেন্তে হয়তো মই পাগলি হৈ জাম।

অনুপল : মোৰ কি অপৰাধ আছে।

বেবী : "তাৰ মানে ক্ষমা নকৰা ?" তাই সৰু বেগতোৰ পৰা সৰু বটল এটা উলিয়াই কলে। "ইয়াত কি আছে জানা ?" এছিড। যদি তুমি মোক ক্ষমা নকৰা ; তেন্তে - - - - ?

অনুপম : "বেবী" এনে কথা কিয় কৈছা। মোক এতিয়া অকলে থাকিবলৈ দিয়া বেবী । তুমি যোৱাগৈ এয়া মোৰ অনুৰোধ ।

বেবী ঘৰলৈ গ'ল গৈ। সেই ৰাতি তাইৰ টোপনি অহা নাছিল মাথো অনুপমৰ কথা ভাবি থাকে। তাৰ কেইদিন মানৰ পাছত সৰ্টাকৈয়ে আবেলি তিনি মান বজাত সত্য প্ৰসাদ বৰুৱা আহি অনুপমৰ ঘৰ ওলালহি । মটৰখন ৰখোৱাৰ মাত্ৰকেই অনুপম আগবাঢ়ি গ'ল। মটৰৰ পৰাই নামিয়েই বৰুৱাই অনুপমৰ গাত ধৰি ভিতৰলৈ সোমাই আহিল । অলপ দেৰিৰ পাছতে অনুপমে ট্ৰেত চাহ আৰু বহুতো কিবা কিবি খোৱা বস্তু আনি দিলে বৰুৱাই খাবলৈ । বৰুৱাই চাহ জলপান খাই অলপ দেৰিৰ পাছতে – অনুপমক কৈছে। অনুপম তোমাৰ বিয়াখন পাতিবৰ হ'ল নহয় । বিয়া নাপাত জানো ?

অনুপম মই সেইবিলাক ক'থা ভবাই নাই ।

বৰুৱা : তুমি এজন শিক্ষিত লৰা মোৰ কথা মানিব লাগিব। তোমাৰ কাৰণে ছোৱালী ঠিক কৰিছো। মাত্ৰ তুমি সন্মতি দিয়া।

অনুপম : দেউতা মোক অলপ ভাবিবলৈ দিয়ক ।

বৰুৱা : ভাবিবলৈ একো কথা নাই । মই বেবীক তোমালৈ –

অনুপম : " মানে ? কৈ তাৰ বুকুখন কপি উঠিল

বৰুৱা আশাকৰো মোৰ প্ৰস্তাৱ গ্ৰহন কৰিবা আৰু মোক অতি সোনকালেই উত্তৰ দিবা । এতিয়া মই আহো। বৰুৱা ওলাই যোৱাৰ পাছত অনুপম চিন্তাত নিজৰ বিছনাত শুই পৰিল । সি শুই শুই কি উত্তৰ দিব ভাবিবলৈ ধৰিলে ।

যি জন অনুপমে আশ্ৰয়, ভোক, কাপোৰ বাবে উৰেতো জীৱন সংগ্ৰাম কৰিব লগাত পৰিছিল। সেয়া সি আজি পালে। যি জনী বেবীক এদিন পৰাজয়ৰ কাৰণে ভাবিছিল সেয়া ম্লান কৰিলে। অনুপম সেই নামতোত যে বহুতো অৰ্থ আছে। 'অনু' মানে সৰু। 'পল' মানে সময়। ইয়াৰ অৰ্থ হল এটা সৰু সময় ।







প্ৰতি,

ড° নগেন শইকীয়া

প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা।

অসম।

শ্ৰদ্ধাভাজনেষু,

সশ্ৰদ্ধা নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক জনাবলৈ পাই সুখী হৈছো যে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মুখপত্ৰ "ডিব্ৰুয়ান"ৰ উনবিংশতম সংখ্যাটি প্ৰকাশ কৰিবলৈ লৈছো। ছাত্ৰ-ছাত্ৰী সকলে উপকৃত হ'ব পৰাকৈ আপোনাৰ পৰা এটি সাক্ষাৎকাৰ বিচাৰিছো।

আশাকৰো আপুনি এটি সাক্ষাৎকাৰ দি আমাক বাধিত কৰে যেন।

ইতি

শ্ৰদ্ধাৰে

সম্পাদক<br>(অনুপম শইকীয়া)<br>আলোচনী সম্পাদক

সম্পাদনা সমিতিৰহৈ<br>শ্ৰী দেবানন্দ চেলেং<br>শ্ৰীমতী ভাৰ্জিনা হাজৰীকা

**আমাৰ প্ৰশ্নসমূহ ঃ**

আপোনাৰ সৰু কালৰ বিষয়ে কিছু কথা ক'ব নেকি?

(১) আপুনি কেতিয়াৰ পৰা সাহিত্য চৰ্চা কৰিছে?

(২) আপোনাৰ সাহিত্য চৰ্চাৰ মূল উৎস কি?

(৩) আপোনাৰ প্ৰিয় লেখক-লেখিকা কোন কোন? আৰু তেওঁলোক আপোনাৰ কিয় প্ৰিয়?

(৪) আপুনি কৰ্মজীৱন আৰু সাংসাৰিক জীৱনৰ মাজত সাহিত্য চৰ্চা কৰিবলৈ কি দৰে সক্ষম হৈছে?

(৫) অসমীয়া সমাজত সাহিত্যকে উচিত সমাদৰ পাইছে বুলি আপুনি ভাবেনে?

(৬) অসমীয়া সংস্কৃতিৰ বিষয়ে আপোনাৰ ধাৰণা কি? অসমীয়া সংস্কৃতিৰ অপসংস্কৃতিৰ গ্ৰাসৰপৰা উদ্ধাৰ কৰাৰ ক্ষেত্ৰত আপোনাৰ মনোভাব কি?

(৭) নবীন লেখক-লেখিকা সকলৰ প্ৰতি আপোনাৰ কি পৰামৰ্শ?

(৮) বৰ্ত্তমান প্ৰাথমিক পৰ্য্যায়ত ইংৰাজী শিক্ষা প্ৰণয়ণত আমাৰ ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব বুলি আপুনি ভাবেনে?

(৯) বৰ্ত্তমান সমাজৰ যুৱক সকলক বহুতে বিপথগামী বুলি কব খোজে? এই ক্ষেত্ৰত আপোনাৰ মতামত কি আৰু তেওঁলোকক আপুনি কেনেদৰে অনুপ্ৰেৰণা যোগাব বিচাৰে?

(১০) শেষত ডিব্ৰু মহাবিদ্যালয় শিক্ষক - শিক্ষয়িত্ৰী আৰু ছাত্ৰ - ছাত্ৰী সকলৰ প্ৰতি আপোনাৰ মন্তব্য।

ধন্যবাদ।

সম্পাদক<br>*সম্পাদনা সমিতিৰহৈ*

## ডিব্ৰু কলেজৰ আলোচনীৰ সম্পাদকৰ লগত হোৱা সাক্ষাৎকাৰত উত্থাপিত প্ৰশ্ন আৰু মোৰ উত্তৰ

প্ৰথম প্ৰশ্নৰ উত্তৰ ঃ

সৰু কালৰ বিষয়েতো অনেক কথা ক'ব পাৰি - মোৰ জন্মস্থানৰ বিষয়ে, পিতৃ-মাতৃৰ বিষয়ে, বন্ধু-বান্ধৱৰ বিষয়ে, শিক্ষাৰ বিষয়ে- ইত্যাদি অনেক বিষয় সম্পৰ্কে ক'ব পাৰি। মানুহে সৰু কালৰ কথা যিমান স্পষ্টকৈ সোঁৱৰণ কৰিব পাৰে, পিছৰ বয়সৰ কথা সিমান স্পষ্টকৈ নোৱাৰে। এতেকে সৰু কাল বুলিলেই মোৰ গাওঁখনলৈ মনত পৰে - গোলাঘাট নগৰৰ পৰা ছমাইল কি সাতমাইল আৰু যোৰহাটৰ পৰা পোন্ধৰ কি যোল্ল মাইল মান দূৰত্বত থকা হাতীয়েখোৱা নামৰ এখন সৰু গাওঁ, গাওঁখনৰ ওচৰেদি বৈ যোৱা এটা জান, গাওঁখনত সোমাই পোৱা মুকলি ঘাঁহনি পথাৰ, গাওঁখনৰ মাজেদি যোৱা আলিবাটটো, তাৰ দুয়োকাষে থকা আমাৰ গাঁৱৰ মানুহৰ ঘৰ-দুৱাৰ, গছ-গছনি, নামঘৰ, বাহনি-কাঠনি। চকুমুদিলেই মোৰ শৈশৱটোক সেই গাঁৱৰ ধূলি বালিত উমলি থকা দেখোঁ। তাতেই মোৰ স্কুলীয়া শিক্ষাৰ আৰম্ভণি। তাৰ পিছতহে বৃত্তটো ডাঙৰ হৈ গৈ আছে। মোৰ দেউতা আছিল শিক্ষক আৰু আমাৰ এটা ডাঙৰ অঞ্চলৰ তেখেত আছিল প্ৰথম ইংৰাজী স্কুলৰ শিক্ষক। স্কুলখন আছিল এখন এম. ই. স্কুল আৰু এই স্কুলখন আছিল দেউতাৰ নিজৰ স্কুল। নাম বৰকাঠনি এম.ই. স্কুল। এই স্কুলতে মোক অসমীয়া আৰু ইংৰাজী শিকাবলৈ দেউতাই এজন শিক্ষক নিয়োগ কৰিছিল। এতেকে এল. ই. স্কুললৈ দ্বিতীয়মানত গৈ নাম লগোৱাৰ আগতে মোৰ শিক্ষা আৰম্ভণি হৈছিল এম. ই. স্কুলত। প্ৰৱেশিকা 'পাছ' কৰালৈকে মই গাঁৱত আছিলো। তাৰ পৰা চাৰিবছৰ যোৰহাটত আৰু গোলাঘাটত থকাৰ পিছত পুনৰ প্ৰায় চাৰি কি পাঁচ বছৰ মই স্কুলত কাম কৰাৰ সময়তো গাঁৱতে আছিলোঁ। ১৯৬৪ চনৰ পৰা যোৱা পঁয়ত্ৰিছ বছৰ মই গাঁৱৰ পৰা আঁতৰত।

দ্বিতীয় আৰু তৃতীয় প্ৰশ্নৰ উত্তৰ ঃ

সৰু কালতে পঢ়া কবিতা, সাধু কথা, অন্যান্য আদিয়ে মনত পেলোৱা সাঁচ, বিভিন্ন ৰচনাবিলাকে ক'ব নোৱাৰাকৈয়ে সৃষ্টি কৰা অনুভৱ ছন্দ আৰু সুৰৰ প্ৰতি গঢ়ি উঠা আকৰ্ষণ, মানুহৰ প্ৰতি গঢ়ি উঠা শ্ৰদ্ধা আৰু ভালপোৱা এইবিলাকেই বোধকৰোঁ মোক কলম ল'বলৈ মোক শৈশৱতে উদ্‌গণি দিছিল। এতেকে, সীমিত শক্তি আৰু ক্ষমতাৰে শৈশৱতে আৰম্ভ হৈছিল একপ্ৰকাৰৰ সাহিত্য চৰ্চা। অৱশ্যেই প্ৰথম কবিতা আৰু ৰচনা ছপা আখৰত ওলাইছিল সপ্তম শ্ৰেণীত পঢ়ি থাকোঁতে।

চতুৰ্থ প্ৰশ্নৰ উত্তৰ ঃ

প্ৰিয় লেখক-লেখিকাৰ নাম আৰু সংখ্যা শৈশৱৰ পৰা পূৰ্ণবয়সলৈকে সলনি হৈ আহি আছে। যি সকল লেখক-লেখিকাই মোৰ মনত গভীৰ আনুভূতিক আনন্দৰ জাগৰণ ঘটাই আহিছে সেই সকলেই মোৰ প্ৰিয় লেখক-লেখিকা। কিন্তু তিনিগৰাকী কবি সকলোৰে ভিতৰত মোৰ বাবে অধিকতৰ প্ৰিয়। তেওঁবিলাক হ'ল - মধ্যযুগৰ অসমৰ বৈষ্ণৱ কবি মাধৱদেৱ, মধ্যপ্ৰাচ্যৰ কবি খলিল জিব্ৰান আৰু আধুনিক বাংলা কবি জীৱনানন্দ দাশ। এওঁবিলাকৰ জীৱন-সত্যৰ কাৰুণ্যময় নান্দনিক অভিব্যক্তিয়ে মোক গভীৰভাৱে আকৰ্ষণ কৰে।

পঞ্চম প্ৰশ্নৰ উত্তৰ ঃ

এজন প্ৰকৃতলেখক, তেওঁ সৰু লেখকেই হওক বা ডাঙৰ লেখকেই হওক, তেওঁ দিনটোৰ চৌব্বিছ ঘণ্টাই লেখক জীৱন যাপন কৰে। তেওঁৰ পাৰিবাৰিক জীৱন আৰু কৰ্ম-জীৱণে তেওঁৰ হয়তো অনেক সময় লয়। তথাপি, তেওঁ অগ্ৰাধিকাৰ দিব পাৰিলে তাৰ মনতে সময় উলিয়াই লব পাৰে। মই বিভিন্ন ৰাজহুৱা, সাংগঠনিক, বিদ্যায়তনিক কামত বহুসময় দিবলগীয়া হোৱাৰ বাবে যথাৰ্থ সৃষ্টিশীল ৰচনাৰ বাবে সময় যিমান পাব লাগে নাপাওঁ। তথাপি যিকনসময় পাওঁ, তাক ব্যৱহাৰ কৰিবলৈ যত্ন কৰোঁ।

যষ্ঠ প্ৰশ্নৰ উত্তৰ ঃ

অসমীয়া সমাজত লেখকসকলে সদায় প্ৰাপ্য সন্মান পাই আহিছে বুলি ভাবোঁ। কিন্তু অসমীয়া লেখকসকলে তেওঁবিলাকৰ









লেখাৰ বাবে প্ৰাপ্য অৰ্থ লাভ নকৰে। ফলত কেৱল লেখি এজন লেখকে জীৱন নিৰ্বাহ কৰিব নোৱাৰে। প্ৰকাশকসকলেও এখন কিতাপৰ কম্প'জিটৰ, মুদ্ৰক, বাইণ্ডাৰ সকলোকে ধন দি কাম কৰায়; কিন্তু ঘাই লেখকজনক পা-পইছা নিদিয়ে।

সপ্তম প্ৰশ্নৰ উত্তৰ ঃ

অসমীয়া সংস্কৃতি ইয়াৰ বিচিত্ৰতা, ইয়াৰ অন্তনিৰ্হিত শক্তি আৰু বহিসৌন্দৰ্য এই সকলো দিশৰ পৰা চহকী সংস্কৃতি। কিন্তু সংস্কৃতি এটা স্থিৰ 'বস্তু' নহয়। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই পৃথিৱীখন ইমান সৰু কৰি পেলালে যে পৃথিৱীৰ ইমূৰৰ প্ৰভাৱ সিমূৰত পৰিবলৈ বেছি সময়ৰ প্ৰয়োজন নহয়। এতেকে সংস্কৃতিত পৰিৱৰ্তন ঘটিবই। কাৰণ সংস্কৃতি মানুহৰ চিন্তা-ভাৱনা আৰু জীৱন যাপনৰ পদ্ধতিৰ লগত যুক্ত। কিন্তু আমি সদায় সতৰ্ক আৰু সজাগ হৈ থাকিব লাগিব যাতে খোলা দুৱাৰ-খিড়িকীয়েদি পোহৰ আৰু নিৰ্মল বতাহহে সোমাই আহিব পাৰে, দুৰ্গন্ধ বা বিষাক্ত বাষ্প যাতে সোমাই নাহে।

অষ্টম প্ৰশ্নৰ উত্তৰ ঃ

মোৰ এটাই পৰামৰ্শ - জীৱনক অনুভৱ কৰিবলৈ শিকিব লাগিব, সাহিত্যৰ নতুন 'কৰ্ম'ৰ লগতো পৰিচিত হ'ব লাগিব, মহৎ লেখকসকলৰ ৰচনাৰ লগত পৰিচিত হ'বলৈ অবিৰত যত্ন কৰিব লাগিব আৰু নিজকেই উপযুক্ত কৰি গঢ়ি তুলিব লাগিব। কোনো চমু বাট নাই; কষ্ট কৰিবই লাগিব।

নৱম প্ৰশ্নৰ উত্তৰ ঃ


প্ৰাথমিক পৰ্যায়ত মাতৃভাষাৰ মাধ্যমতকৈ আন কোনো ভাষা ভাল আৰু উপযোগী হ'বই নোৱাৰে। কিন্তু আমাৰ দেশত ইংৰাজী মাধ্যমৰ প্ৰতি বাঢ়ি অহা আকৰ্ষণ এটা 'ৰোগ' হৈ পৰালৈ লক্ষ্য ৰাখি, প্ৰাথমিক পৰ্যায়ত ইংৰাজীকো বিষয় হিচাপে শিকোৱাৰ ব্যৱস্থা নকৰিলে মাতৃভাষা - মাধ্যমৰ বিদ্যালয় বিলাক এদিন বন্ধ হৈ যাব বুলি আশংকা হৈছে। সেই বাবেই প্ৰাথমিক বিদ্যালয়ত ইংৰাজী ভাষা এটা বিষয় হিচাপে প্ৰৱৰ্তন কৰাটো সাময়িক ভাৱে হ'লেও প্ৰয়োজনীয় হৈ পৰিছে বুলি ভাবোঁ।

দশম প্ৰশ্নৰ উত্তৰ ঃ


সকলো যুৱ বিপথগামী হৈছে বুলি নাভাবোঁ। যিসকল হৈছে, তেওঁলোক বিপথগামী হোৱাৰ সুযোগ সমাজে নিশ্চয় কিবা নহয় কিবা প্ৰকাৰে দিছে। মই যুৱকসকলক দোষ নিদিওঁ; দোষ দিওঁ ৰোগ-গ্ৰস্ত সামাজিক পৰিবেশক। সামাজিক জীৱনৰ ৰোগমুক্ত কৰিব নোৱাৰিলে চামে চামে মানুহ বিপথগামী হ'ব। তথাপি, যুৱকসকলকো মই আহ্বান জনাওঁ - "নিজৰ বিষয়ে, তোমাৰ ভাই-ভনীহঁতৰ বিষয়ে তোমাৰ সমাজৰ বিষয়ে এবাৰ ভাবা আৰু নিজৰ কাম-কাজৰ সমালোচনা কৰিবলৈ শিকা।"

ডিব্ৰু মহাবিদ্যালয় ডিব্ৰুগড়ৰে নহয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসীমাৰ মহাবিদ্যালয়ৰ ভিতৰত এখন আগশাৰীৰ মহাবিদ্যালয়। ইয়াৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলৰ সম্পৰ্কেও মোৰ ধাৰণা উচ্চ। বিভিন্ন সময়ত মানুহৰ সামান্য স্বাৰ্থ বিঘ্নিত হোৱা যেন হ'লেই মানুহ, হয় অসহিষ্ণু, নহয় আক্ৰমনাত্মক, নাইবা সন্দেহপ্ৰৱণ হৈ পৰে। এই প্ৰবৃত্তিবোৰ দমন কৰিব পৰাটোৱেই হ'ল সংস্কৃত মনৰ পৰিচয়। ক্ষুদ্ৰ স্বাৰ্থ আৰু সংকীৰ্ণতাৰ বেৰাৰ মাজৰ পৰা নিজকে উদ্ধাৰ কৰি সৎ আৰু সাহসী মনোভাৱ গ্ৰহণ কৰিব পৰাৰ ওপৰতে ব্যক্তিৰ আৰু সমষ্টিৰ তথা অনুষ্ঠান একোটিৰ সুস্থ ভৱিষ্যতো নিৰ্ভৰ কৰে। মই ভাবোঁ ডিব্ৰু কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে এনে এক ইতিবাচক দৃষ্টিভংগীৰে নিজৰো আৰু এই কলেজখনৰো এক সুস্থ, মংগলময় আৰু সুন্দৰ ভৱিষ্যৎ গঢ়ি তুলিব।

নগেন শইকীয়া
৬. ৭. ৯৯



শ্ৰী চিন্টু সোণোৱাল,
(উপ সভাপতি)



শ্ৰী ৰাহুল দেৱ সোনোৱাল,
(সাধাৰণ সম্পাদক)



শ্ৰী অনুপম শইকীয়া
(সম্পাদক, আলোচনী)



শ্ৰী ইন্দ্ৰজিত সোনোৱাল
(সম্পাদক, ছাত্ৰ জিৰণী কোঠা)



শ্ৰীমতী পূৰ্ণিমা শইকীয়া,
(সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা)



শ্ৰী চন্দ্ৰজিৎ দেউৰী,
(সম্পাদক, মুখ্য খেল বিভাগ)



শ্ৰী অজয় চন্দ্ৰ তাঁতী,
(সম্পাদক, সমাজ বিভাগ )



শ্ৰী ভূপেন সোনোৱাল,
(সম্পাদক, সাধাৰণ খেল বিভাগ)



শ্ৰীমতি জিনুমণী ভুঞা,
(সম্পাদীকা, সঙ্গীত)



শ্ৰী খেমা জ্যোতি বৰুৱা,
(সম্পাদক, শৰীৰ চৰ্চা)

## আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা বৃন্দৰ একাংশ
## ১৯৯৭-৯৮



**বহি থকা বাওঁফালৰ পৰা ঃ** সৰ্বশ্ৰী বীৰেন্দ্ৰ প্ৰসাদ বৰুৱা, কান্তেশ্বৰ তালুকদাৰ, নিৰ্মল তামুলী, মীৰেন বৰবৰা, সৰ্বজিৎ বড়া, ললিত গোস্বামী (অৱসৰপ্ৰাপ্ত), প্ৰতিভা সেন (ভাৰপ্ৰাপ্ত অধ্যক্ষা), হিৰন্ময়ী দেৱী, বন্দনা দাস, বীনা বৰা, হেমৰঞ্জন চুতীয়া।

**প্ৰথম শাৰীত থিয়হৈ বাওঁফালৰ পৰা ঃ** সৰ্বশ্ৰী অঞ্জনা শইকীয়া বৰুৱা, শান্তি বৰা, অজন্তা দত্ত, সান্তনা হাজৰিকা, হেমপ্ৰভা চেতীয়া, মধুমিতা বৰঠাকুৰ, ইলিন বৰুৱা, মঞ্জুলা শইকীয়া, মিতালী বৰুৱা, হৰদ্বীপ কৌৰ ওৱলীয়া, ৰেখা শৰ্মা, লিলি বেগম, বীৰেন বৰুৱা, অলখ নিৰঞ্জন সহায়, চন্দ্ৰগুপ্ত বৰা, অমূল্য গোস্বামী।

**দ্বিতীয় শাৰীত থিয়হৈ বাওঁফালৰ পৰা ঃ** সৰ্বশ্ৰী পাৰবিন হুছেইন, চন্দনা গগৈ, নন্দিনী কোঁৱৰ, ৰুমা তালুকদাৰ, প্ৰণৱ জ্যোতি গগৈ, প্ৰশান্ত কুমাৰ বৰা, কমলেন্দু শইকীয়া, ৰঞ্জিৎ সিংহ, ৰূপজ্যোতি হাজৰিকা; ৰাজু তামুলী।

## আমাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ একাংশ




**থিয়হৈ বাওঁফালৰ পৰা ঃ** সৰ্বশ্ৰী বিনা মালাকাৰ, বিজয় শইকীয়া, মিঠাৰাম সোনোৱাল, নিৰ্ম্মল বৰকাকতি, ফুলেশ্বৰ ফুকন, খোবলাল মালি, ফুল আহমেদ।

**বহি বাওঁফালৰ পৰা ঃ** সৰ্বশ্ৰী নন্দেশ্বৰ ফুকন, ভীমকান্ত সন্দিকৈ, ইনামূল হুছেইন, উৎপল ভট্টাচাৰ্য্য, পুৰন্দৰ দিহিঙ্গীয়া, উদয় সোনোৱাল, শিকন বড়া।

# আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ

## Foot-Ball Team of Dibru College

For The Year 1997-98



**Standing Left to Right :** Bhaskar Sonowal, Deep Gogoi, Pajanta Baruah, Biman Hazarika (Manager), Rishikesh Saikia (Physical Instructor), Bhirgumoni Gogoi, Pratap Sonowal, Sunil Hazarika.

**Siting Left to Right :** Hemanta Hazarika, Tara Prasad Dihingia, Simanta Das, Gopal Sonowal, Paseng Khengiang, Chandrajeet Deori, Titul Sonowal, Boidya Dhadumia.



**Ajoy Ch. Tati**
Senior under officer
(NCC) Dibru College
Nainital All India National Interigation
Camp অত অংশ গ্ৰহণ কৰিছিল




শ্ৰীযোগানন্দ দাস
বছৰৰ শ্ৰেষ্ঠ শক্তিমানৰ



শ্ৰীমতী ৰীতা চুতীয়া
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ

ডিব্ৰুয়ান

# কবিতা বিভাগ



বছেৰেকীয়া আলোচনী

ডিব্ৰু কলেজ, ডিব্ৰুগড়

১৯৯৭—১৯৯৮

সম্পাদক
শ্ৰীঅনুপম শইকীয়া

# আহ্বান

দীপাপু বাগলাৰী
... মহাবিদ্যালয়
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)

দেশত জ্বলিছে অগণী
সহস্ৰ জনতাই আছে ভাবি গুণী
প্ৰতিটো খোজতে মৃত্যুৰ বেজী
অথচ, নাই কোনো প্ৰতিবাদী ধ্বণী॥
সেউজ বননিত, আজি তেজৰ গমনি
আবাল বৃদ্ধ বনিতাৰ হৃদয়ত লগাই থলকনি
নাজানে ... যুদ্ধৰ জাননি
অথচ, নাই কোনো প্ৰতিবাদী ধ্বণী ॥

পাহোৱাল ডেকাৰ মাতৃজনী
খাপনাত সৰিপৰা টোপা টোপে চকুপাণী
কোনেও ... পিতাইৰ হিয়াভগা বিনণী
... মৰম এধাণী ॥

হে ; আই জন্মভূমি জননী
... ককাইৰ বুকুৰ তেজেৰে কৰিলে ৰাঙলী
বন্দুক, বাৰুদৰ শব্দই ওৰ পেলালে
পথুলীৰ দবা শংস উকলী ।

... মোৰ ... জন্মভূমি
পুনৰ প্ৰতিষ্ঠা কৰো আহা মমতা
হওঁক প্ৰতিষ্ঠা পুনৰ একতা মানবতা॥

## ছহিদ

শ্ৰীযতিন বাইলুং
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

হে আত্মত্যাগী বীৰ ছহিদ, জনগনৰ অমৰ সন্তান
তোমাক শত সহস্ৰ প্ৰনাম ।
স্বদেশ আৰু স্বজাতিৰ মুক্তিৰ হকে কৰিলা জীৱন দান
ৰাখি গলা তেজেৰে লিখা জাতি ইতিহাসত নাম ।
ত্যাগ আৰু উদ্দাম চেতনাৰে বুকুৰ ৰক্ত দিলা মৃত্যুঞ্জয়ী বীৰ
জনগনৰ হিয়াৰ নৈবদ্যৰে যাঁচিছো ভক্তিৰ অঞ্জলি
অসমীয়া জাতিৰ মুক্তিৰ বাবে তুমি দিছিলা বহুবানী
তোমাৰ প্ৰতিটো তেজৰ বিন্দুত সৃষ্টি হ'ব—
আপোচহীন, সূৰ্য্য সন্তৱা তৰুন সেনানী ।
তোমাৰ আদৰ্শ খোদিত হৈ ৰব—অসমীয়া জাতি প্ৰানত
শোষিত—নিপীড়িত জনগনৰ মুক্তিৰ বাবে নামিছো ৰনত
শুন, শুন, শুন কংস, ৰাৱন, ৰদন আৰু জাতি শত্ৰু
ছাহিদৰ কণ্ঠস্বৰ আৰু আদৰ্শ কেতিয়াও নহয় মৃত্যু ।

## বিয়াৰ পাছত

শ্ৰীপ্ৰাঞ্জল পাত্ৰ
একাদশ শ্ৰেণী (বিজ্ঞান)

নাম তাইৰ সন্ধ্যা
মিঠা মাত, শুৱনি ঘৰ ।
এতিয়া দূৰণিত'
এক নতুন জীৱন পথত
অনুভৱে মোৰ গজালি মেলে,
স্মৃতিৰ সৌ যে দিন বোৰ ।
উতলা তপত চকুৰ পানী
নিৰ্জনতা হ'লে নিগৰি বয় ।
হাঁহিৰ ল'ৰালি মধুক্ষন
নিমিষতে এন্ধাৰে গ্ৰাসে
ঘৰখন ধূৱাৰে আৱৰে,
চাকিটিও এন্ধাৰ হৈ জ্বলে ।

## বৈ গ'ল স্মৃতি

Ruli Sonowal 1st year

সিদিনা ........
লগ পাইছিলো তোমাক
আশাৰ পাল তৰা নাঁও সাজি
অনামী কল্পনাৰ ৰঙীণ বঠাৰে , ।
পাৰ হৈছিলো ..........
সময়ৰ বোৱতী নৈখন ।
মুঠি মাৰি নীলাম্বৰ, পাইছিলো
অমানিশাত এমুঠি শুভ্ৰ জোনাক ।
আজি ........
মোৰ সতে মাথো, অতীতৰ মৰুণ স্মৃতি ,
তলসৰা শেৱালিৰ দাৰুন সুগন্ধি
স্বাক্ষৰ আঁকি দিলো হৃদয়ত
তোমাৰ শান্তিৰ ।
হৃদয় কলহৰ পৰা নিগৰি অহা
তপত নয়ন লোতক মাথো তোমাৰ স্মৃতিৰ ।



## কোন বাৰু তাই ?

শ্ৰীমতী ত্ৰিৱেণী শইকীয়া
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

এদিন দুদিনকৈ পাৰ হ'ল বহুদিন
নাজানো, তাই সেইদৰে পথৰ কাষত
পৰি আছে কতদিন ।
( তাইৰ ) কামিহাড়ৰ মাজত দেখিছোঁ
অগ্নিশিখা – ক্ষুধাৰ ,
ওখ ওখ ঘৰবোৰৰ
চুৱাপাতনিয়েই তাইৰ আহাৰ ।
আৱৰণ বুলিবলৈ মাথোঁ আছে তাইৰ
শীতৰ সেমেকা পৰশ ,
শীৰ্ণ দেহাটি থৰক বৰক ।
উস ! দুখৰ ৰাতি তাইৰ ইমান দীঘল !

তাড়নাত জৰ্জৰিত হৈ
মাথোঁ বাট চাই ৰ'ল
কোন দিনা ৰুদ্ধ হ'ব
হৃদয়ৰ স্পন্দন ।

কাৰোবাৰ হায় ! হায় !
কাৰোবাৰ খবৰেই নাই ।
বিধাতাৰ ই কি পৰিহাস ?
ভাবিবলৈ নাইনে কাৰো অৱকাশ ?
এদিন – কুঁৱলী সৰা পুৱা
উমান পালোঁ মই
( তাইৰ ) বুকুৰ নিস্তব্ধতা ।
কোন বাৰু তাই ?
কাৰোবাৰ মাতৃ ?
কাৰোবাৰ পত্নী ?
নে কাৰোবাৰ জী মৰমৰ ?
নাই । কোনো নাই ল'বলৈ তাইৰ মৃত্যুৰ খবৰ ।

জীৱশ্ৰেষ্ঠ মানৱৰ ই কি পৰিণাম
কুকুৰ – শৃগালৰ দৰে
মানৱীয়তাৰ বীজ হৃদয়ত
সিঁচৰিত হ'ব যিদিন
তেনে পঙ্কিলতাৰ অৱসান
ঘটিব সিদিন ।

## প্ৰেমৰ উপলব্ধি

শ্ৰীদিগন্ত গগৈ
স্নাতক দ্বিতীয় বৰ্ষ ( কলা )

অন্তৰত বহু আশা লৈ
তাই আহিছিল
সন্ধিয়া বেলা
নিৰিবিলি পৰত........
মোক কাণে কাণে কৈছিল
"তুমি মোক ভাল পাবানে ?"
জীৱন যৌৱনৰ
ৰ'দালিৰ বেলা
সুকোমল শেৱালীৰ
তলত বহি
ভাবিছোঁ !
মই পাৰিম জানো কাৰোবাক
ভাল পাব ? ? ?
ওহোঁ – নোৱাৰোঁ !!
যাবলৈ আছে বহুদূৰ বাট........
এতিয়া যে সময় নহয় !
ভাল পোৱাৰ ।
ৰ'দালিৰ ফাকু খেলাৰ........
সময়ক মাথো
উপলব্ধি কৰো
নিজকে সজাই তোলা,
সৃষ্টিৰ বীজ সিঁচা ।।

## সোনালী অসম

শ্ৰীভবানন্দ ভৰালী
স্নাতক ৩য় বৰ্ষ

সাগৰৰ ঢৌৰ দৰে আজি
উথলিছে মোৰ মন,
দেখি লাগিছে দুখ
লাগিছে বেজাৰ,
শুনি আই অসমীৰ বিননি ।
ওলোৱা সকলোৱে সাজি কাচি
কৰিব লাগিব সংগ্ৰাম,
হিন্দু মুছলমান নকৰা ভেদ
মহামন্ত্ৰৰে ভৰা একেই বেদ ।
ভিন্ন মাথো ভাষা,
সকলো অসমবাসীৰে হওঁক একেই আশা;
এখনি সোণৰ অসম গঢ়া
ক'ত আহিল ক'ত গ'ল
ক'ত হ'ল অসমীৰ বুকুতেই শ্বহীদ;
আহাঁ আমিও হও
সেইসকলৰ দৰেই উত্তেজিত ।
যুজিম মাথো দেশৰ বাবে
ৰাখিম দেশৰ নাম,
সকলোৱে একেলগে গাম জয়গান ।
দুৰ্নীতি, দুৰাচাৰ, হত্যা-লুণ্ঠন,
ধৰ্ষন আদি কৰিম বহিস্কাৰ
অসমী আই হব পৰিস্কাৰ ।
অসমীৰ বুকুতেই লভিলো জনম
এদিন হয়তো যামগৈ
এৰি থৈ এই সোনালী অসম ।

## "প্ৰেৰণা"

শ্ৰীমতী ৰীতা দিহিঙীয়া
স্নাতক ১ম বাৰ্ষিক

মেঘে গাজিছে বুলিয়েই
তুমি ভয় খাবানে ?
বতৰ খৰাং বুলিয়েই
তুমি খেতি নকৰিবানে ?
তুমি এই জগতৰ নৱ মানৱ ।
মাথো তুমি,
ভয় শংকা আৰু হতাশাক প্ৰশয় নিদিবা
তোমাৰ মনৰ বলক সৱল কৰা
তোমাৰ প্ৰতিটোপাল তেজেই সৃষ্টিৰ অমল শক্তি,
তোমাৰ সংস্পৰ্শতেই
সৃষ্টি হ'ব নতুনত্বৰ ।
হ'ব পাৰে হিমালয়ৰ গৌৰী শংকৰ
দৃষ্টিয়ে নেদেখা উচ্চ
এণ্টাৰ্কটিকাও হ'ব পাৰে
মানৱৰ কল্পনাতীত
কিন্তু মানুহৰ অহৰহ চেষ্টাই জানো
সফলতা অৰ্জন কৰা নাই !
কালে সৃষ্টি কৰা এক দীৰ্ঘস্থায়ী জনযুদ্ধত
মৃত্যুৰ ছাঁ দেখিয়েই
তুমি থমকি ৰবানে ?
ৰণস্থলীৰ পৰা
নিৰাপত্তাৰ পথেৰেই
তুমিও যাবানে ?
যিহেতু তুমি এই ধৰাৰ নৱ মানৱ
নৱ সন্ধানতে তোমাৰ গতিপথ
কলিজাৰ তেজ দি কৰা সংগ্ৰামত
প্ৰতিজন ছহিদেই হ'ব অমল প্ৰেৰণা !!





## বিদ্ৰোহী

মিচ মামণি টায়ে
স্নাতক ১ম বাৰ্ষিক

জীয়াই থকাৰ অধিকাৰ বিচৰাটো,
যদি
বিদ্ৰোহ হয়
তেন্তে-
মই দেশদ্ৰোহী ।
শোষকৰ কাঠামো চিঙি
বিপ্লৱৰ বস্তি জ্বলাই
স্বদেশৰ বাবে
ন্যায় প্ৰাপ্য বিচৰাটো
যদি
মৃত্যু হয়
হওক, মোৰ মৃত্যু ।
পৰাধীনতাৰ শিকলি চিঙি
স্বাধীনতাৰ সন্ধান বিচাৰি
জ্বলাম আমি
জনতাৰ হৃদয়ৰ বিপ্লৱৰ বস্তি ।
আমিয়ে বিপ্লৱী, তৰুণ তৰুনী
নেমানো কাৰো বাধা
উৰুৱাম স্বদেশৰ চৌদিশে
স্বাধীনতাৰ নিচান ।
জ্বলাম স্বদেশত
স্বাধীনতাৰ নৱ বস্তি ।



## (২) মাদাৰ টেৰেছা

শ্ৰীমতী পাহাৰী শইকীয়া
প্ৰথম বাৰ্ষিক (কলা)

আজিও দুচকুত ভাহি থাকে এখনি মুখ
হাজাৰ সন্তানৰ মাতৃ
সেয়া মাদাৰ টেৰেছা ।
ভাব হয় কেতিয়াবা,
নীলা পাটি দিয়া শাৰি পিন্ধা,
মাতৃ মাদাৰ টেৰেছাই
আজিও কব দেশৰ বাবে
জনগনৰ বাবে
এষাৰ শান্তিৰ বাণী ।
মৃত্যু,
মৃত্যু এক নিষ্ঠুৰ চিৰসত্য
চিৰদিনৰ ববে এই মৃতুৰ কোলাত
শুই পৰিল মাতৃ মাদাৰ টেৰেছা ।
নাই
সমগ্ৰ বিশ্বৰ মাতৃ
মাদাৰ টেৰেছা
আৰু নাই
গুচি গ'ল বহু দূৰলৈ
বহু দূৰলৈ ।

## সখিৰ বিননি

শ্ৰীমতী শিউলী হলদাৰ
স্নাতক প্ৰথম বাৰ্ষিক ( বিজ্ঞান )

নীলিমাখনি দেখোন আজি,
সম্পূৰ্ন ক'লা আবৰণেৰে
ঢাকি ৰাখিছে,
হয়তো ধৰাৰ বুকুলৈ আজি
ঠেলি পঠিয়াইছে —
তাইৰ বুকুৰ অজস্ৰ চকুলো ।
কিন্তু ! ক'তা ?
ধৰাৰ মৰিচিকায়—
মোহাৰি ললে তাইৰ সেই
বগা ৰংৰ কাপোৰ ডোখৰে,
পুণৰ শুকাই গল,
কিন্তু তাত কোনো দাগ নেথাকিলে ।
আজি ! কালিকাৰ সৈণ্যবোৰে —
আবৰি ধৰিছে বহ্মাণ্ড ,
সন্তৰ সখিৰ বিণনি ।
তৰালিয়ে খেলিবলৈ অহা নাই
পথাৰত ।
জোনাকী পৰুৱাজাকে ,
শুকাণ পাতৰ তলত, বহি আছে
ওলোৱাৰ হেপাঁহ নাই ।
চাৰিওকালে নিৰৱতা এন্ধাৰৰ
জয়ধ্বনি ।
ছয়ো নলেগলে লগা বন্ধু ,
আজি ছয়োৰে ৰাজপাট ।
এজন ৰজা এজন মন্ত্ৰী ।
মেঘালীয়ে তাইৰ চাদৰৰ আঁচল
টানি লওঁতে ,
শুকান পাতৰ ফাঁকৰ পৰা
কুঞ্চিত পোহৰ ওলাই আহিল
ধৰাৰ বুকুত ।।

## এটি ক্ষুদ্ৰ কবিত " তোমালৈ......"

শ্ৰীভাস্কৰ জিৎ বৰা
স্নাতক ১ম বৰ্ষ ( বিজ্ঞান )

এখোজি ছখোজি কৰি
আৰু এখোজ আগবাঢ়ি,
পালানে মুকুতা মনৰ
বাথকৰা মণি — ?

তুমি যোৱাৰ দিন ধৰি
আছোঁ তোমাৰ ক্ষণ গণি ;
ছিঙা নাই আজিও
প্ৰীতিৰ এনাজৰী !!

পদূলিমুখৰ বকুল জুপি
আজিও আমোল মোলাই ;
চ'ত গৈ বহাগ আহিল
তোমাৰহে বাতৰি নাই !!

ভাবিছা ছাগে তুমি আজি
মোক নিলগৰ —,
এদিনৰ হলেও আছিলো আমি
চিনাকি সম্বন্ধৰ !!

তোমাকলৈ গৰ্ব কৰা দিনতে
আঁতৰিল মোৰ অহংকাৰ,
হেৰাই গ'ল চন্দ মোৰ —
চন্দোময় কবিতাৰ !!



জানা, —
তোমাক আজি দিবলৈ যি নাই
লবলৈও নাই .
কবলৈও দেখুন সত নেযায়
বহাগৰ কপৌ পাহিযে হাততে শুকায় !!





## এবুকু উচুপনি

শ্ৰীস্বপন গগৈ ।
স্নাতক ( প্ৰাণী বিজ্ঞান ) তৃতীয় বাৰ্যিক ।

কোন তুমি নাৱৰীয়া ?
ক'ৰ পৰা আহিছা ?
কিয় গাইছা এনে বিষাদৰ গান ?
নৈ খনতত্তো এতিয়াও যথেষ্ট পানী আছে ।
গৰাবোৰ খহি গৈছে নেকি ?
নে তোমাৰ নাওখনৰ বিজুতি ঘটিল ?
আজিকালি আবেলিৰ ৰঙা বেলিটোৱে তোমাৰ নৈখনত
মুখ চাই মিচিকিয়াইনে ?
ডাৱৰৰ সতে লুকাভাকু খেলেনে ?
তাৰ হিৰন্যগউৰ হেঙুলীয়া ছাঁয়া তোমাৰ আকাশত
সিচি দিয়েনে ?
মাজনিশা জোনবাইৰ উচুপনিত তোমাৰ নৈখনে
সাৰ পাইনে ?
তেতিয়াবাৰু কহুঁৱাজাকে নিচুকনি গীত গাই শুনাইনে ?
চিন্তা নকৰিবা, নাগাবা বিষাদৰ গান
নৈৰ এতিয়াও পানী শেষ হোৱা নাই ।
গৰাবোৰো খহি যোৱা নাই ।
তুমি আপোনমনে নিজৰ কাম কৰি যোৱা
ছখবোৰ মাছ আৰু কহুঁৱাজাকক ক'বা
কিন্তু চাবা, নৈখনক ভুলতো নকবা
তোমাৰ ছুখ মচি নিবলৈ, তুমি বৰিষাৰ বান
বিচৰানেকি ?
নৈখনক তোমাৰ ছুখৰ কথা নকবা
তোমালৈ হয়তো তাইৰ ৰৰ মৰম ।

## অজান আৰ্তনাদ

শ্ৰীমতী ৰ'জী চেতিয়া ।
স্নাতক ১ম বাৰ্ষিক ( কলা ) ।

ৰাতিৰ নিৰ্জনতাত আজি এক
অজান আতংকত ভাঁহি অহা
বিষাদৰ চিঞৰ শুনিবলৈ পালো
হয়তো সেই চিঞৰ আছিল
এক দৰিদ্ৰ ভোকাতুৰ নিস্পাপ শিশুৰ
যাৰ ভোকত খাবলৈ
দুসাজ অন্নৰ বাবে দুৱাদুৱা
আৰু পিন্ধিবলৈ এযোৰ বস্ত্ৰনাই
সেই চিঞৰ শুনি মোৰ সৰ্বশৰীৰ
শিয়ৰী উঠিছিল এক অজান আতংকত
ৰাতিৰ নিৰ্জনতাত সেই চিঞৰৰ লগে লগে
ভাঁহি আহিল এক বিষাদ পূৰ্ণ
কান্দোনৰ প্ৰতিধ্বনি ।

## প্ৰেমৰ উপলব্ধিৰ সময়

শ্ৰীমতী ৰ'জী চেতিয়া ।
স্নাতক ২য় বাৰ্ষিক ( কলা )

আহিছিলা তুমি মোৰ জীৱনলৈ
প্ৰথম প্ৰেমৰ প্ৰতিশ্ৰুতিলৈ
আশা - নিৰাশাৰ এক প্ৰবল প্ৰয়াস
নিৰৱে সন্মতি দিছিলো
সংগোপনে মোৰ গোপন কক্ষত
তুমি বুজিছিলা মোৰ হৃদয়ৰ ভাষা
বাস্তৱক আঁকোৱালি লবলৈ শিকিছিলা
তুমি যে মোৰ জীৱনৰ
প্ৰথম প্ৰেমৰ উত্তাপময় উন্মেষ
আজি নৱ প্ৰভাতত কিহৰ ৰাগিনী বাজে
শত - শত তৰুণ তৰুণীৰ কোঁহে কোঁহে
কিহৰ বেদনা
হয়তো প্ৰেমৰ
এক বুজাব নোৱাৰা উপলব্ধি ॥

## " মই অসমীয়া জাতিয়ে কৈছো "

শ্ৰীমতী মৌচুমী শইকীয়া
স্নাতক ২য় বৰ্ষ

পৰাজয়ৰ গ্লানিৰে লজ্জিত মই অসমীয়া জাতি ।
পাৰ কৰিছো শত সহস্ৰ দূৰ্যোগৰ তমসা ৰাতি ।
বিচাৰিছো আইৰ আচল, মূখ ঢাকিবৰ মনে ।
আইৰ আচল হৰণ কৰিলে দুৰনীতি দূৰ্যোধনে ।।
নগ্ন মোৰ আইৰ বুকুত সতীত্ব নাশৰ চিন ।
দেখোঁ শোকাতুৰা আই বিষাদতে হ'ল মলিন ।।
আইৰ মূখত শুনিছো নিতে আৰ্তনাদৰ ধ্বনি ।
শোষণকাৰীয়ে বিপৰীতে তোলে হাঁহিৰ খলকনি ।
অহ্বানিছে বুকুৰ আয়ে হৈ আজি বিকলাঙ্গ ।
ঘৰ বিভিষণৰ অস্ত্ৰ ঘাটে ক্ষত বিক্ষত প্ৰতিটো অঙ্গ ।।
দুৰ্বল চিতীয়া মই অসমীয়া বুকুত মোৰ বিভিষণ ।
নোৱাৰোঁ আই গাব মুক্ত কণ্ঠে, তোৰেই আজি মুক্তিপথ ।।
নাই আজি তোৰ অসমীয়াজাতি হৈ মহা শক্তিমান ।
নাই একতা, নুযুঁজে অসমীয়া, নাৰাখে তোৰ সন্মান ।।





## পঙ্কীলতা

শ্ৰীতৰুণ কুৰ্ম্মী
স্নাতক তৃতীয় বৰ্ষ ( বিজ্ঞান )

বেদনাসিক্ত নয়নেৰে
দেখিলো জীৱনৰ পঙ্কীলতা !
জুৰিটিৰ পাৰতে ;
ফুলিছে যুতী মালতী
প্ৰকৃতিক কৰি অলংকৃত
পুলকভৰা মাদকতা ,
বেদনাসিক্ত নয়নেৰে
দেখিলো জীৱনৰ পঙ্কীলতা ।

জ্যোতি , ৰাভাৰ ,
গানে গানে ,
নৃত্যত মগ্ন
নীল আকাশৰ
অগনন তৰা ।
উন্মাদৰ সাৰ্থকতা
বেদনাসিক্ত নয়নেৰে
দেখিলো জীৱনৰ পঙ্কীলতা ।

মৰম সাগৰৰ
তপত বালি
শুকাই গৈছিল ডালি
অশ্ৰু বোৱাই মৰমে
আবেগৰ গভীৰতা ;
বেদনাসিক্ত নয়নেৰে
দেখিলো জীৱণৰ পঙ্কীলতা । ●

## পুৱতি নিশাৰ উচুপনি

শ্ৰীতপন দত্ত
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ ( বিজ্ঞান )

এই পুৱতি নিশা শুনিছো মই ,
এগৰাকী নাৰীৰ উচুপনিৰ শব্দ ,
কোন , কোন হয়
সেই দুৰ্ভগীয়া নাৰী ? ?
হয়তো কাৰোবাৰ ভগ্নী !
নাইবা কাৰোবাৰ পত্নী !!
নিশ্চয় , নিশ্চয় আকৌ গাঁৱত সোমাল
সেই পিশাচ দানৱহঁত ,
মই মেলিলো ঢাপলি
গন্তব্য স্থানলৈ বুলি
দেখা পালো , উহ ! কিযে এক বীভৎস দৃশ্য
এগৰাকী মূমূৰ্ষ নাৰী , তেজেৰে লুতুৰী পুতুৰী
নাছিল এক দানৱ, হয়তো আছিল
বহু পশুমানৱ ।
ওচৰতে আছে এটি নৱজাত কেচুঁৱা
সি হয়তো মাকক আহ্বান জনাইছে
এটুপি পিয়াহৰ বাবে !
কিন্তু ! কিন্তু ! তাক আৰু মাকে পিয়াঁহ
দিব নোৱাৰে ।
ৰাষ্ট্ৰযন্ত্ৰৰ পশুকেইটাই তাৰ জীৱন
কৰিলে অন্ধকাৰ
এয়া জানো জননী জন্মভূমিৰ
পতনৰ মৌন আহ্বান নহয় ??? ●

## "মোক এখন অন্তৰ লাগে"

শ্ৰীযদুমণি গগৈ
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

থিক সন্ধ্যাৰ মূহুৰ্ত্ত দুজন বৰ কোমল অন্তৰৰ
সৰু মানুহে যি দৰে পাৰে তোওঁলোকৰ,
সহজ, সৰল, ভাৱখিনি কামৰে প্ৰকাশ কৰিছিল।
মাৰ দূৰ্বল ভাষাৰে শলাগিছিলে যদিও
সেয়াই যথেষ্ঠ নাছিল নেকী বাৰু ?
তথাপিপ মোৰ আন্তৰিকতাৰ ভাষাৰ বাহিৰে
যদি বেলেগ কিবা আছে মই নাজানো।
হেৰা, তোমালোকৰ মানৱীয় অন্তৰখন মোক
দিয়া চোন যিয়ে মোৰ কবিটাৰ উৎস হব।
মোক নালাগে কৌলিন্য মানুহৰ সৰু সৰু অন্তৰবোৰ
লাগিলে মই কবিতাই নিলিখো !
কাৰণ মই সেই বৰ বিহ হজন কৰিব নোৱাৰিম।
মোৰ মৃত শৰীৰত তেজৰ সোত বলোৱা
সহজ, সৰল সৰু মানুহৰ বোৰে তহঁতৰ
মানবীয় অন্তৰখন খুব ভালদৰে ৰাখিবি
নহলে আমাৰ উত্তৰ পৰুষ মানবতাবোধ কি বুজি নাপাব।
ঐ, বৰ মানহবোৰ তহঁতেই থাক মুৰ্খৰ স্বৰ্গত
কিন্তু ৰসাল মানবীয় অন্তৰৰ মানুহ বোৰক
মই স্বৰ্গলৈ নামাতিবি ই " উতৰ পৰষ " সকীযনি।



## অপেক্ষ্যা

শ্ৰীমৃগেন গগৈ
এইচ. এচ প্ৰথম বাৰ্ষিক
(বিজ্ঞান শাখা)

শীতৰ সেমেকা ৰাতি
নিয়ৰৰ টুপালহৈ
ৰলা মাথো তুৱৰি দৰাত,
কল্পনা কিয় তুমি
আহি ছিলা জীৱনলৈ
এনে সেন নিজান পৰত।
তুমি শিকালা মোক
প্ৰেমৰ প্ৰথম শব্দ,
তুমিয়েই জাছিছিলা মোক
তোমাৰ প্ৰেমৰ ছন্দ।
নিশাৰ শেৱালী হৈ
সৰিছিলা মোৰ
নিজান চুতালত,
আকাশৰ জোন হৈ
দেখা দিলা মোৰ
সেমেকা নয়ণত।
তোমাক আশা লৈ
কৰিছিলা বহু কল্পনা,
কিয় তুমি মোক
ভূগালা ৰহু জাতনা !
আৰু যে নকৰো মই
তোমাৰ ৰাবে অপেক্ষ্যা,
তুমি যে মোৰ জীৱনলৈ
ঘুৰি আহিবা
তাৰ জানো আছে ভৰশা !





## প্ৰতীক্ষা

শ্ৰীমতী মুনমি দেউৰী
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা)

কাৰ বাবে এই প্ৰতীক্ষা।
এই হাঁহি; ভালপোৱা,
কোমলতা, মাদকতা
কাৰ ৰাবে .......
যুগ যুগান্তৰৰ
মৰম চেনেহকো নেওচি
আজিও অপেক্ষাত
প্ৰগলভা মন।
স্তব্ধ সময় .......
কতো বতাহ নাই,
পানী নাই—
শুকান বালিৰে ভৰা
মৰু ভূমি, আৰু
কঠিন ইটাৰ দেৱালৰ
ফাকেঁদি স্বপ্নই ইয়াতো
কথা কয় পহুলি মুখত
হেজাৰ প্ৰতীক্ষা .... .... ....
মাথোঁ তোমাৰ বাবে।



ডিক্ৰয়ান
ডিক্ৰয়ান

## হৃদয় নদী

Miss Bornali Borgohain
T. D. C. 1st year ( Arts )

হৃদয় নদী মোৰ
হ'ল বাৰিষা,
আশাৰ নিজৰাটি
হ'ল মৰিছিকা,
তুমি আছা সুদূৰত
মোৰ মনৰে অচিন বনত
নাপাওঁ বতৰা তোমাৰ ।
বহুত দিন বাট চালো
কিন্তু ক'ত (?)
অহা তোমাৰ নহল,
আজি শীতৰ সেমেকা ৰাতি
নিয়ৰৰ মুকুতা সৰি
দিয়ে যেন বসন্তৰে বেঙনী ।
ৰা লাগি উৎফুল্লীত হয়
অসীমৰ মলয় চন্দ
হয়তো এই মিঠা সমীৰণে
কঢ়িয়াই আনিব
বতৰা তোমাৰ ।
পাহী লাহি পখিলাৰ দৰে
মনৰ মৰম মনতে লৈ
উৰি গুচি গ'লা
দূৰ অসীমলৈ,
সুদূৰলৈ ………… ।
কিন্তু হায় !
নুবুজো পক্ষীৰ মাত
নাজানো মনৰ ভাব
ধূপগছি পুৰি শেষ হব
আশা, আশা হৈয়ে ৰব
মায়া ভৰা জীৱনত
মায়া মাথো মায়া !!!

## জীৱন মোৰ বাবে

শ্ৰীমতী মনালিছা দেউৰী
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

জীৱন মোৰ বাবে এটা
নিৰ্জীৱ মূৰ্তি,
য'ত মই বিচাৰি নাপাওঁ
মোৰ প্ৰাপ্যবোৰ ।
জীৱন মোৰ বাবে এটা
পঙ্গু জীৱনৰ দৰে
য'ত মই বিচাৰি নাপাওঁ
মোৰ স্বপ্নবোৰ ।
কেতিয়াবা জীৱনৰ এটা চোকত
মুহূৰ্তৰ বাবে আহি যায়
খন্তেকীয়া আনন্দ ।
সেই আনন্দ মোৰ বাবে
অধিক মূল্যবান ।
যেতিয়া মই আগলৈ খোজ দিওঁ
তেতিয়া মই পিচলি পৰোঁ
কাঁইটৰ মাজলৈ ……….
অবিৰাম কাঁইট ……..
যেতিয়া মই এফালে চাওঁ
দেখো মাথো অন্ধকাৰ,
কিয় এই দুঃস্বপ্ন
কিয় এই দুৰদৰ্শিতা
নিজকে প্ৰশ্ন কৰো
নিজকে চিকুটি চাওঁ,
আছে বহুত বাধা বিঘিনি
আছে বহুত আত্মদোষ
শুধৰনী আছে বহুত দূৰত
শুধৰণী আছে আন্ধাৰৰ মাজত
কুৰলীৰ মাজত ……….


ডিক্ৰয়ান


ডিক্ৰয়ান
ডিক্ৰয়ান

## বেশ্যা

শ্ৰীযদুনাথ পুৰী
স্নাতক ১ম বৰ্ষ ( বিজ্ঞান )

এইখন বজাৰৰ প্ৰতিটো পণ্যসামগ্ৰীয়েই টো
নিজে একো অনুভৱ কৰিব নোৱাৰে
ক্ৰেতা আৰু বিক্ৰেতাইহে সিহঁতৰ মূল্য নিৰূপন কৰে,
অবিৰাম গতিৰে ঘুৰিফুৰি সিহঁতে বিশ্ৰামৰ নামত পায়
দুৰ্গন্ধময় সোদাম,
গোদামৰ ভিতৰত চটফটাই, চিঞৰে; সংগ্ৰাম কৰে
কলাব্যৱসায়ীৰ কবলৰ পৰা মুক্তিৰ বাবে
অনৰ্থ
সিহঁতৰ সংগ্ৰামৰ ভাষা কোনো নুবুজে ।
কিন্তু ?
মই ……….
ব্যতিক্ৰম
কিছু ব্যতিক্ৰম;
যদিও মোৰ মূল্য মই নিজেই নিৰূপন কৰো
তথাপিতো গ্ৰাহকৰ অবাৰ অনুভৱ নকৰো
ধনীব্যৱসায়ী, মন্ত্ৰী বিধায়কৰ গাড়ীত ঘুৰিফুৰি
বিশ্ৰাম লওঁ শীত তাপ নিয়ন্ত্ৰক কোঠালীত
আৰু ………. ।
কিন্তু !
মইওটো সেই একেই কলাবজাৰৰেইটো পণ্য
বিনিময়ত যদিওবা পাওঁ
নিৰ্দ্ধাৰিত মূল্য
তথাপিতো মোৰ কণ্ঠ যে ৰুদ্ধ ।

## এটি কলিৰ অন্তৰ

শ্ৰীদিব্যজ্যোতি গগৈ
প্ৰথম বাৰ্ষিক ছাত্ৰ

তোমাৰ অস্তিত্ব
মোৰ নিংসংগতাৰ
যেন দূৰণিৰ বীণাৰ
এটি মিঠা মৰ্চনা ।।
তুমি মধুৰ সুবাসৰ
স্মৃতি আৰু সপোন
তুমি মোৰ ৰক্তত
মৃদু স্পন্দন ॥
হৃদয়ত তুমি মোৰ
সবল পেৰণা
তুমি নিবিড় সুৰৰ
স্মৃতি আৰু অন্তৰা ॥
তোমাৰ অস্বিত্ব ?
কি দিম বিনিময়ত
একোতো নাই অন্তৰত ।
তুমি, মোৰ ৰক্তত
মৃদু স্পন্দন ॥



## " আত্মচেতনা "

শ্ৰীঅনুপম শইকীয়া
স্নাতক ৩য় বৰ্ষ ( কলা )


জীয়াই থাকা যদি তুমি
খুব
মানসিকতা
গুলাই নাহে কিয় তোমাৰ
সাহীসকতা ,
শেষ হৰ ধৰা আজিৰ
সমাজাত
নোহোৱা জানো তুমি অপদাৰ্থ'ৰ
বোজা ।
এই যে নিয়ৰত তিতিলো
আমি
বোকাৰে হলো লেটি পটি ,
ই জানো ধ্বংসৰ পবাদ
নহয়
নহয় জানো অস্তিত্ব হৰিনিয়া
টচ !
গুলি বাৰুদ আৰু হিংসা কপটতা
নাচিছে –
মানৱতাৰ ।
কোঁহে কোঁহে ,
তুমি গলে এখোজ আগ বাঢ়ে
সিহঁতে
ভৰিৰে গছকি মোহাৰে ।
ইয়াক জানো সসিব নোৱাৰি ?
বিজয়ৰ জয় গানৰ আদৰ্শ'ক
জানো
তুমি
নোলোৱা আকোৱালি ?



## মোৰ জীৱন

শ্ৰীমতী কৰ্বিতা দেউবী

মোৰ জীৱনৰ প্ৰথম দিনাই
তুমি যে হলা চিনাকি
নৱ জীৱনৰ প্ৰথম পুৱাত
তুমি হলা মোৰ পুজাৰী ।
প্ৰথম চাকিটি জ্বলালো মই
সদায়ে জ্বলি থাকিব বুলি
আশাৰ চাকিটি হঠাতে নুমাল
কিনো বিচাৰ কৰিলা বিধি ।
ভাবিছিলোঁ মই এই জীৱনত
কৰিম এখনি সুন্দৰ সংসাৰ
ভবা কথাবোৰ ভবাতে থাকিল
নিয়তিয়ে কিনো কৰিলে বিচাৰ
অকলে মোক এৰি যে গলা
পূন জীৱন শূন্য কৰি
কিনো চাই মই জীয়াই থাকিম
বিশাল বিশ্বত অকলে পৰি







## মোৰ স্বপ্ন মাথো তোমাৰ বাবে

Shri Krishna Chutia
T : D . C. III Year ( Arts )

মোৰ নিকা হৃদয়ৰ কোণত সাঁচি ৰখা মৰমবিলাক
মাথো —– তোমাৰ বাবে ।
তুমি আহিবানে ত্ৰভাগ ৰাতি
মোৰ বাঁহিৰ সপোনৰে সুৰ হৈ ,
তুমি আহিবানে নিৰব নিশাৰ
নিৰবতা ভাটি – – জীৱনলে ,
মোৰ হেৰুৱা হাঁহিটি লৈ ,,
শৰতৰে , জোনাকৰে ৰূপালী জোনাক হৈ
ভাটিবানে– –মোৰ হৃদয় ॥
মই জানিছিলো – – " তুমি মাথো মোৰ " –
অন্য কাৰো হব নোৱাৰা ।
আশাৰ বালিচৰত আমি খেলিছিলো ,
প্ৰেমৰ সাগৰত আমি নাওঁ মেলিছিলো
আৰু এদিন ...... ( ! )
আমাৰ নাওঁ সাগৰৰ ঢৌৰ লগত ৰিলিন হৈ গ'ল ॥
মই এতিয়া নিৰাশাবাদি
আশাক মই প্ৰশ্ৰয় নিদিওঁ
তুমি মোৰ কাষৰ পৰা হেৰাই গ'লা
যেন পশ্চিমৰ বেলিৰ দৰে ।
ময়ো এদিন হেৰাই যাম
তোমাৰ অতিতৰ প্ৰেমত
প্ৰেমত মোৰ আশা ভৰশা সকলো শেষ হৈ গল
সেয়ে , — মই আজি মুক্ত
মোৰ জীৱন মুক্ত
মোৰ প্ৰেম আধৰুৱা
আৰু ( ! ) তুমি ....... ?
সকলো এৰিলো মাথো তোমাৰ বাবে
সাক্ষি হৈ ৰ'ল মোৰ মিঠা স্বপ্ন ॥

# ENGLISH SECTION

## ANNUAL MAGAZINE

**DIBRU COLLEGE, DIBRUGARH.**

**1997-98**

*Editor*

*Sri Anupam Saikia.*

# National Income and Economic Welfare

Dr. Romiza Khatun

National income may be defined as the aggregate factor income ( i. e: earning of labour and property ) which arises from the current production of goods and services by the nation's economy.

According to Pigou "Economic Welfare Constitutes that part of 'General Welfare' which can be brought directly or indirectly in to relation with the measuring rod of money'.

During the last few dicades study of national income was given importance as a measure of economic welfare. Increase in national income can bring economic welfare of the nation. Although some economists do not accept this view. According to them Gross National Product or National Income is not a satisfactory measure of economic welfare because the quantitative estimates of national income do not include certain production activities and services which definitely affect the overall welfare of the people. In oder to know the affect of national income on economic welfare We must study national income both quantitatively and qualitatively. Increase in national income due to increase in price level cannot increase economic welfare. Increase in production accompanied by increase price may increase national income but unable to increase welfare. On the other hand increase in production of commodities and services accompanied by rapid decrease in price decreases national income. Such decrease in national income does not mean decreace in welfare. Reduction in price increases welfare. But other things remaining the some and price unchanged increase in national income will increase welfare and vice-versa. The manner or way by which national income has increased also have influence on welfare. Increase in national income through exploitation of labour cannot increase welfare. Exploitation by way of increase in working hour, low wage, employment of women and children no improvement in working conditions etc. adversely effect welfare.

If increase in national income increases per capita income then only welfare increase. Increase in national income as well as per capita income may not increase welfare if there is no increase in production of consumer goods. Increase in production of capital goods may increase national income but not welfare. Morever, if the fruit of increased national

income is enjoyed mostly by richer section of the society then also welfare does not increase. This is because the number of rich are relatively small. Lastly utilisation of increasing national income also determine welfare. Increase in national income accompanied by increase in production of nutritions food or intellectual development will definitely increase economic welfare.

There are some factore which are not included in estimating national income but definitely affect the overall welfare of the people are discussed below:—

(1) Leisure :— Amount of leisure enjoyed by members of the community affect the welfare of the community. But leisure is not included in national income. If natinal income is increased by increasing the working hours of workers we cannot expect increase in welfare. Increase in national income accompanied by reduction in working hour or increase in leisure can increase welfare.

(2) Quality of life :— Increase in national income means economic development which again means overcrowding as well as environmental pollution. Pollution of water and air reduce the quality of life and affect welfare. Thus increase in national income at the cost of quality of life does not increase welfare.

(3) Non Market Transactions :— Non-market transactions are those transactions conducted outside the market system. So called black market, donations for religious and social functions are example of such transactions. Such transactions are not included in the estimation of national income. Therefore, it is difficul to show the real total welfare particularly in developing countries like India.

(4) Nature of Production :— Production of various commodities contributes to national income but all of them do not increase welfare. The national income accountant treats tequally the poor man's goods and the rich man's luxuries. Building of a five star hotel and a bridge in remote area valued at the same amount although we know that the construction of the bridge adds more to society's welfare in a country like India. But data on national income do not show the deffernce.

(5) Externalities :— Externalites have great influence on economic welfare of a country. External benefits and external costs conferred upon second or third parties as a result of acts of individual production and consumption. The example of external benefit is the pleasure one derives from his neighbour's flower garden. An example of external cost is the environmental pollution caused by an industry. The former increases welfare while the latter reduces welfare. Since these external effects do not form a part of market transactions or do not have market value are not included in estimation of national income. But such 'effects' increase welfare.

(6) Standard of Living :— Data on national income cannot reflect standard of living. But standard of living can influence economic welfare. Greater availability of essential commodities like rice, wheat, sugar, kerosine oil, cooking gas, cooking oils etc. raise the standard of living of millions of people but the rise in the production of air conditioned cars of the same value may increase national income in the same way as the production of essential commodities. Obviously the two things cannot be considered to be equally important in increasing economic welfare.

In view of the limitations discussed above national income cannot be regarded as a measure of economic welfare.


References :— 1. P. N. Chopra— Business Economics.
2. ৰফিক আহমদ— জাতীয় আয় আৰু কল্যাণ ।
3. স্মিনতি গগৈ বৰুৱা— জাতীয় আয় আৰু কল্যাণ ।




**Did you know ?**

George Washington ( 1732-1799 ) was the first President of the U. S. A.' was also first Millionire. He died in the last hours of the day, the last day of the week the last month of the year, the last year of the century.

" ..........you could make seven bars of soap from the fat in your body."

" ........a liter of vinegar weighs more in winter than it does in the summer.'

" ..........that there is less sugar 1 kg of straw barries than in the equivalent weight of lemon.'

**Francis Bacon said**..........

" Some book are to be tested others, to be swallowed and some few to be chewed and digested".

**Milton said** ... .......

" A good book is the every life blood of a master spirit".

Collected by—
Miss. Pallabika Kachari
H. S. Science

# THE FOLK AND THE CLASSICAL THEATER OF INDIA

Sri Nilim Chetia
B. Sc. 3rd year. (Botany)

**'A Nation without drama is unthinkable':**
'Robertson'
Journalist, London Times.

Now-a days the folk element has injected life into all the arts. The folk theater offers a fresh approach and new techniques of special value to contemporary actors, directors and playwrite: As a practical man of theater we would like to discuss about classical as well as folk theater of India. The city theater modeled on the nineteenth century picture frame stage, has little new to offer, the classical dance-dramas with their thick-textured music and gesture language are good one. The folk theaters has exciting forms which are scattered in rural areas of India. With the needs of the audience and the actors, these folk forms perfected during the centuries by constant adjustment to social changes, have been evolved by actual bottling.

Actually the folk theater is impolite, uncivil, vulgar. The secular forms – Tamasha, Bhavai, Nautanki and Naqual-dominating the Northern and Western parts of India are filled with sexual Jokes. It is considered improper for woman to watch these plays. In the city of Poona, many professors and intelectuals, champions of culture, Educationist refuse to watch a folk play because of Vulgarity.

Folk theater is unself conscious, spontaneous and simple. The classical theatre is rigid, complex and sophisticated. The folk is unhewn, the classical is chiseled. The folk sprawls, the classical demands mathematical exactness. One is rural and the other is royal.





A whole community take part in Folk theater, but the classical is for the chosen few. The folk has mass appeal and caters to the lowest common denominator, the ordinary man; The classical is for the elite and demands previous knowledge from the audience. The folk theater has a universality which the classical lacks.

The relationship between the classical and folk theater is complex. They are antithesis of each other. They coexist, they barrow and lend. We know that folk art always precede classical. Cave drawing and primitive hunt mimes were the precursors of painting and dancing. Greek tragedy and comedy were born out of fertility rites and the exiting worship of Dionysus. The classical Indian drama also grew out of pageants, rituals, mimes and ancient folk form. But the Indian theater prevelent rural areas today in only four to six hundred years old.

When, after the length century the classical Sanskrit language, break into vernaculars and took part in the form of regional language, the Sanskrit drama petrified for many centuries – was filled by the growing folk theater. Old legands, puranic tales, mythological lore, philosophy and stories of Sanskrit plays were popularized by the present folk theater. In this way the tradition flowed not from the folk to the classical, but from the classical to folk.

The "Sutradhara" of Sanskrit drama appears in vernacular folk forms as the Ranga, the Bhagavatha, the Vyas or the swami. The Buffon, the counterpart of the classical Vidusaka, is the darling of folk theater. He appears under different names in various regional forms – Konangi, Kamali, Hanumanayaka, Jatham Miyan. He speaks the rustic prose of diatect. He has the freedom to connect the past with the present and relate the drama to the contemporary scene. He acts as liaisian beween the audience and the players. The 'PURVARANGA' is an essential feature of both Sanskrit and folk theater. The musicians take their place on the stage and play a melody, the dancers perform a few dance numbers. Some of the folk theaters also use a benediction at the end of the play. They employ music, dance, stylization, verse dialogue, exaggerated make up and masks with the some lavishness as the classical drama. Scences melt into one another. The action continues in spite of changes of locale and scene. Asides soliloquies and Monologues abound.

Folk theater represents the peo-

ple in their natural habitat, with all their contradictions and multifarious activities. It gives a glimpse of their style of speech, music, dance, dress, behaviour', humor, proverbs, wit and wisdom; It contains a rich store of mythological heroes, medieval romances, Chivalric tales, social customs, belief and legends. Washing a folk theater in its natural setting, one can understand the colorful diversity and unity of India. Perfomances of Tamasha in Maharastra gives us knowledge about the peshwas the Maratha heroism, their rugged landscape, their music, their passionate optism, their dagged Virility and the full-busted female figure of their cave sculpture. Similarly the Gangatic valley culture, philosophy and traditional marality are mirrored in 'Ramlila' and 'Krishnalila' 'Yakshagana' the opulant folk opera af Kanara land, reveals the tradition, temple, warship and the peculiar music and ritual of its people. The yatra of Bengal expresses patriotic ferovor, historionic refinement and explosive nationalism with an interlacing of the Vaishnava cult.

Life of India is in the street, shops, stalls, rituals, bathrooms are exposed to the sun and to the glare of the people. So it in folk theatre;

The folk play is performed in a variety of arena stagging-round, parabolical, horizontal, square and multiple-set stages, with different types of gangways and 'flower paths'. The techniques of arranging various scences at the some time and place in Ramlila is very effective. The spectacle, by the telescaping of time and space, speed the action of the drama. The nacked stage achieves spacelessness. The 'Sutradhara', like a film editor builds up a montage of varied dramatic episodes. The some spot is transfermed into a different place by a word or an action The folk actor uses a very few props. He creates palaces, rivers, forests, battle scences and royal courts by the sorcery of his art.

The most popularized folk theater forms are—Jatra of Bengal, Nautanki, Ramlila and Raslila of North India, Bhavai of Gujarat, Tamasha of Maharastra, Therukoothu of Tamilnad, Yakshagana of Kanara and the Chaau mask drama of Seraikella. These forms give a glimpse of the richness of folk theater and folk culture and the passion of the people for life and drama ●





## Remember the Sacrifices

By - Kamal Chetri
B. Sc. - IInd yr. (Hons).

O my countrymen,
O my people,
Remember the sacrifices
Remember, how the mother lost her son,
Even then she thought for more,
Thought only for freedom
Just remember her sacrifices.

She was, though in great pain,
When the son breathed his last at her hands.
Didn't cry, didn't even sob,
So that, the caurage and patience of other mothers.
Would not be robbed.
And she checked her tears,
Not for a day, not for a month but for years.
Just imagine her sacrifices, her patience.

Now, be united,
To keep alive your independence near her eyes,
You may lose it once or gain otherwise.
Set all your efforts,
To clear out the credits of her disguised tears,
Flowing, which had been for years and years,
Imagine her pains, her sacrifices.
Just remember her tears,
The disguised cry, you just hear.
Remember the sacrifices,
The sacrifices of a mother
Remember the sacrifices.



# Fact

Anita Sonowal

B.Sc. 1st year


Though surrounded by many
There's none around me, why?
Why this sudden loneliness?
Why is my heart so distressed?
How beautifull were those days-
When I didnot know,
What happiness was;
Nor what were tears?
How wonderful were those days,
When I had success and caring friends;
Now with no friends and love,
Failure is the only company I have,
More the worries of life,
Seems to grow;
I have to live here
Until I go.

# Imagination

Raju Kr. Ghosh.

B. Sc. - Ist year

Imagination is the creation of mind
It doesn't mean that imagination is the
destination of a man.
Because after doing a great and hard work
We think that
What we imagine is already fulfilled
Or has to be fulfilled.
Because of imagination
We people and this beautifull earth,
are the great creation of
almighty God.
And we the creators of this modern world
So, who is great? Imagine who is great?
We the people who destroy the earth for
Our dangerous creation
Or, the God who created us and
This nation and beautifull heaven.





# উপসভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পোন প্ৰথমে যি সকল বীৰ পুৰুষে অসম মাতৃৰ তথা দেশৰ সন্মান ৰক্ষা কৰিবলৈ গৈ নিজৰ প্ৰাণ আহুতি দিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাজলি জ্ঞাপন কৰিলো আৰু লগতে যিসকল দেশৰ গৌৰৱ কঢ়িয়াই আনিলে তেখেত সকলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

তাৰোপৰি মোক ১৯৯৮-৯৯ বৰ্ষৰ - ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদলৈ নিৰ্বাচিত কৰি বিভিন্ন দিহা-পৰামৰ্শ সহায় সহযোগিতা আগবঢ়োৱা বন্ধু বান্ধৱী দ্বীপেন ত্ৰৈলোক্য, ৰিন্তু, ৰাহুল, অনুপম, ৰুবুল, জোনটি, উপসনা, জ্যোতি, আদি ডিব্ৰুয়ানে তথা ভাইটি, ভন্টি সকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

লগতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষা মহোদয়া, অধ্যাপক - অধ্যাপিকা বৃন্দ আৰু - কৰ্মচাৰী বৃন্দলৈ মোৰ - সশ্ৰদ্ধ প্ৰনাম আগবঢ়াইছো।

উপ: সভাপতি পদত অধিষ্ঠিত হৈ মূল লক্ষ্যত কিমান খিনি সফলতা লাভ কৰিবলৈ সক্ষম হলো তাৰ মূল্যায়নৰ ভাৰ মাননীয় সুধীবৃন্দৰ হাতত অৰ্পন কৰিলো।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পাছতে কাৰ্য্যনিৰ্বাহক সভাৰ জৰিয়তে "মহাবিদ্যালয় সপ্তাহ"ৰ দিন ধাৰ্য্য কৰি মহাবিদ্যালয়ৰ চৌহদতে মঞ্চ সজাৰ সিদ্ধান্ত গ্ৰহণ কৰা হল।

ইয়াৰ পাছতে আমাৰ ছাত্ৰ একতা সভাই মহাবিদ্যাল.ৰ বিভিন্ন ধৰণৰ উন্নয়ন মূলক সমাস্যাৰ লগতে শৈক্ষিক পৰিৱেশ উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক -অধ্যাপিকা বৃন্দক লৈ এখনি সাধাৰণ সভাৰ আয়োজন কৰা হয়। মাননীয় অধ্যক্ষা মহোদয়া শ্ৰী যুতা প্ৰতিভা সেন বাইদেউক সভাপতি ৰূপে লৈ উক্ত সভাত যথেষ্ট তৰ্ক-বিৰ্তক বিনিময় আৰু গঠনমূলক আলোচনাৰে নিম্নলিখিত প্ৰস্তাৱ সমূহ সৰ্বসন্মাতি ক্ৰমে গ্ৰহণ কৰি মহাবিদ্যালয়ৰ পৰিচালনা সমিটি জৰুৰী বিবেচনাৰ্থে প্ৰেৰণ কৰা হয়।

(ক) মহাবিদ্যালয়ৰ বিভিন্ন শ্ৰেণীসমূহৰ পাঠদান আৰু লগতে Practical সমূহে নিয়মীয়া কৰিব লাগে।

(খ) ৭০/৭৫ % শ্ৰেণীত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীক পৰীক্ষাত বহিবলৈ অনুমতি দিব নালাগিব।

(গ) নিয়মিয়া উপস্থিত নথকা অধ্যাপক অধ্যাপিকাৰ প্ৰতি ব্যৱস্থা গ্ৰহন কৰিব লাগে।

(ঘ) ছাত্ৰ-ছাত্ৰী সকলৰ সৰ্বসন্মাতি ক্ৰমে ইউনিফ্ৰম ৰং লৰাৰ বগা চাৰ্ট আৰু আকাণী ৰংৰ পেন্ট আৰু ছোৱালীৰ বগা মেখেলা, বা বগা চুইজাৰ আৰু আকাশী ৰংৰ দুপট্টা আৰু বগা ব্লাউজ।

ছাত্ৰ-ছাত্ৰী সকলক - এই ইউনিফ্ৰম পৰিধান কৰাটো বাধ্যতামূলক কৰিব লাগে।

(ঙ) কম্পিউটাৰ সুষ্ঠ পাঠদান কৰিব লাগে।

(চ) স্থায়ী আধাৰুৱা প্ৰেক্ষাগৃহটো অনতি পলমে সম্পূৰ্ণ নিৰ্মাণ কৰিব লাগে।

(ছ) নৱনিৰ্মিত ছাত্ৰী নিবাস অনতি পলমে ছাত্ৰীসকল থকা ব্যৱস্থা কৰিব লাগে।

(জ) মহাবিদ্যালয়ৰ প্ৰসাৰগাৰ, শৌচাগাৰ আদি বিশেষকৈ ছোৱালীৰ বাবে অতিপলমে নিৰ্মাণ কৰিব লাগে।

আমাৰ ছাত্ৰ একতা সভাই সিদ্ধান্তমৰ্মে আৰু অধ্যক্ষাৰ অনুমতি দিয়াত প্ৰত্যেক ছাত্ৰ ছাত্ৰীৰ পৰা ২০/-টকাকৈ লোৱা হৈছিল আৰু এই টকাৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা কাৰ্য্যালয়টো উন্নতি কৰা হল।

লগতে আমাৰ ছাত্ৰ একতা সভাই বৰ্তমান অধ্যক্ষাৰ মহোদয়াক ভুৱা বয়সৰ প্ৰমাণ পত্ৰ লৈ অধ্যক্ষা পদত বহি থকা গম পাই তাৰ ব্যৱস্থা বাবে আমি ছাত্ৰ ছাত্ৰী সকলে এখন সাধাৰণ সভাও অনুষ্ঠিত কৰি আমি সিদ্ধান্ত ললো যে এনে ভুৱা বয়সৰ প্ৰমাণ- পত্ৰ থকা তথা ছাত্ৰ ছাত্ৰীক সকলক বেয়া ব্যৱহাৰ কৰা এইগৰাকী অধ্যক্ষাৰ আমাৰ প্ৰয়োজন নাই। আমি স্মাৰক পত্ৰলৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিটি আৰু D.P.I. আৰু শিক্ষামন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদান কৰিলো। অনতিপলমে এই অধ্যক্ষা মহোদয়াক ব্যৱস্থা কৰিব লাগে জুৰ দিলো।

আমাৰ কাৰ্যকাল সীমিত হোৱাৰ হেতুকে উপৰুক্ত প্ৰস্তাৱ সমূহ সফল ভাৱে ৰূপায়িত কৰিব নোৱাৰিলো। তথাপিও মোৰ দৃঢ় বিশ্বাস মই যি কোনো ক্ষেত্ৰত চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

এখনি শিক্ষানুষ্ঠাৰ সৰ্ব্বাঙ্গীন উন্নতি সেই শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশৰ ওপৰত বিশেষ ভাৱে নিৰ্ভৰ শীল। এই শৈক্ষিক পৰবেশটোৰ মাজতে অৰাজকতাই দেখা দিলে শিক্ষানুষ্ঠান খনৰ উন্নতি হিতৰ বিপৰীত যোৱা পৰিলক্ষিত হয়।

ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়ত্ৰী উভয়ৰে নিজৰ দায়বদ্ধতাৰ প্ৰতি আওকান নকৰি মহাবিদ্যালয় খনক যাতে এটা নতুন ৰূপত সজাই তোলে তাৰ বাবে এই প্ৰতিবেদন তৰফৰ পৰা সমূহ ডিব্ৰুৱানলৈ অনুৰোধ জনালো।

প্ৰতিবেদনৰ শেষত অধ্যক্ষা মহোদয়া আৰু সকলো শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীলৈ পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰিলো আৰু লগতে মহাবিদ্যালয় অহা নিবাগত সকলৈ এটাই অনুৰোধ যে তেওঁবিলাকে মহাবিদ্যালয় খন সুষ্ঠ শৈক্ষিক পৰিৱেশ গঢ়ি তুলিব বুলি আশা কৰি মোৰ চমু প্ৰতিবেদন সমৰণি মাৰিলো।

ছাত্ৰ ঐক্য জিন্দাবাদ

ধন্যবাদেৰে

শ্ৰী চিন্টু সোণোৱাল

উপ-সভাপতি

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ

একতা সভা।

# সমাজ সেৱা বিভাগৰ প্ৰতিবেদণ



প্ৰতিবেদণৰ আৰম্ভনিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া তথা অধ্যাপিকা প্ৰমুখ্যে মহাবিদ্যালয়ৰ বন্ধু বান্ধৱী বৃন্দ তথা ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপণ কৰিছো। যি সকলে অসম মাতৃৰ কাৰণে তেওঁলোকৰ প্ৰাণ ত্যাগ কৰিলে সেই সকল শ্বহীদঁলৈ মই শ্ৰদ্ধাঞ্জলি জ্ঞাপণ কৰিছো।

ডিব্ৰু মহাবিদ্যালয়ৰ যি সকল বন্ধু বান্ধৱীৰ সহায় সহযোগিতাত মই সমাজ সেৱা বিভাগৰ কাৰ্য্য ভাৰ চলাই যাব পাৰিলো তেওঁ লোকলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আমাৰ মহাবিদ্যালয়ত পূৰ্বৰে পৰা চলি অহা "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয় ১৯৯৭ চনৰ ১৯ ডিচেম্বৰ পৰা ২৪ ডিচেম্বৰ লৈকে। এই ৩৩তম মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগৰ কাৰ্য্য আছিল সন্মুখৰ "তোৰণ" (Gate) সজা আৰু মঞ্চ আটক ধুনীয়া কৈ সজাই তোলা। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত যি সকল ডিব্ৰুয়াণ বন্ধু বান্ধৱীয়ে বিভিন্ন বিভাগত তেওঁলোকৰ সেৱা সহযোগ আগ বঢ়ালে তেওঁলোকক তাৰ স্বীকৃতি স্বৰূপে সমাজ সেৱা বিভাগৰ পৰা তেওঁলোকলৈ একোখনকৈ প্ৰমাণ পত্ৰ আগ বঢ়োৱা হয়।

মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ পাছত আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অভিযোগৰ বিষয়ে আলোচনা কৰাৰ লগতে শিক্ষাৰ পৰিবেশৰ কেনেকৈ উন্নতি সাধন কৰিব পৰা যায় তাৰ কাৰণে চেষ্টা চলোৱা হয়। মহাবিদ্যালয়ত প্ৰৱেশ কৰা নৱাগত সকলক ৰেগিঙৰ পৰা ৰক্ষা কৰিবলৈ আৰু ৰেগিঙক শিক্ষানুষ্ঠানৰ পৰা আতঁৰাবলৈ চেষ্টা কৰিছিলো। ইয়াৰ বাবে মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকলৰ সক্ৰিয় সহায় সহযোগিতাও স্মৰণীয়।

মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে মাণনীয় অধ্যাক্ষা শ্ৰীযুতা প্ৰতীভা সেন বাইদেৱৰ লগত মহাবিদ্যালয় খনত দেখা দিয়া বিভিন্ন অভাৱ তথা উন্নয়ণ মূলক কাম কাজৰ বিষয়ে আলোচনা কৰা হৈছিল। তেখেতৰ দিহা পৰামৰ্শ মতে বিদ্যালয়ৰ চাৰিও ফালে চাফা কৰা আজি মোৰ কাৰ্য্য কালৰ ভিতৰত কৰা কামৰ অন্তৰ্ভুক্ত।

প্ৰতিবেদণৰ শেষত শলাগৰ শৰাই যাচিলো এই সকললৈ:-ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীযুতা প্ৰতীভা সেন। শ্ৰী লক্ষ্মণ বৰা, ন. এ. চাহায় ছাৰ, বাইদেউ সকললৈ।

কাৰ্য্যকালৰ আৰম্ভণিৰপৰা শেষ পৰ্য্যায়লৈকে যি সকলে বহু কষ্ট ধৈৰ্য্যৰে মোক সহায় সহযোগিতা আগবঢ়ালে সেই বন্ধু বান্ধৱীৰ কথা কেতিয়াও পাহৰিব নোৱাৰো। শ্ৰী ৰবিজিত বাগলাৰি, সুনিল চেতিয়া, দেৱানন্দ চেলেং, অনুপম শইকীয়া, গোপাল সোণোৱাল, বিজু দাস, তপণ হাজৰিকা, নিপুণ সোনোৱাল, দ্বিপেণ সন্দিকৈ, কৃষ্ণ চুতিয়া, অপূৰ্ব বৰা, পুটুল চাহু ,কুকিল দুৰৱা আৰু নিলিম চেতিয়া। বান্ধৱী অংকীতা শইকীয়া, চিত্ৰা সোণোৱাল, দিপ্তী বড়া, বিটু মণি বড়া, গিতাঞ্জলী সোনোৱাল, কৃষ্ণা শইকীয়া আৰু অংকীতা গোঁহাই ইত্যাদি। এই সকলে মোক যি সহায় পৰামৰ্শ প্ৰদাণ কৰিলে তাৰ বাবে মই সকলোৰে ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম।

সৰ্বশেষত ছাত্ৰ একতা সভাৰ উন্নতি কামণা কৰাৰ লগতে ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি কামণা কৰি পুণৰ সকঁলোলৈ মোৰ আন্তৰিক ধন্যবাদ দিলো।

শ্ৰী অজয় চন্দ্ৰ তাঁতী, সম্পাদক

সমাজ সেৱা বিভাগ।

জয়তু ডিব্ৰু মহাবিদ্যালয়

জয় আই অসম।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদন আৰম্ভনীতেই যি সকল ডিব্ৰুয়ানে অকৃত্ৰিম চেনেহেৰে মোক ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি জয়যুক্ত কৰাই মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা দিলে সেই সকলো বন্ধু বান্ধৱী আৰু ভাইটি ভন্টিলৈ মোৰ হিয়াভৰা মৰম যাচিলোঁ।

বৰ্তমান শিক্ষা ব্যৱস্থাত পক্ষপাত আৰু বৈষম্য মূলক আচৰন , দুৰ্নীতি, ৰাজনৈতিক নিযুক্তিয়ে শিক্ষাৰ পৰিবেশ অতিকৈ বিনষ্ট কৰি নিছে।বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দেখা দিয়া নকলৰ প্ৰৱনতা চৰিত্ৰৰ অবনতি, অধ্যয়ন অনীহা সামাজিক অপৰাধ প্ৰৱনতা বিকৃত মানসিকতা আদিয়ে শিক্ষাক সুস্থ পৰিবেশ দিয়াত ব্যাঘাত জন্মাইছে। যি কোনো উপায়েৰে এনে সমস্যা আৰু আসোৱাহ সমূহ দূৰ কৰি এক সুস্থ পৰিবেশ গঢ় দিবলৈ সমাজৰ সকলো শ্ৰেনীৰ লোকে অংশ গ্ৰহণ কৰা উচিত।

প্ৰসংগ উল্লেখ:-

উজনি অসমৰ মহাবিদ্যালয় সমূহৰ ভিতৰত ডিব্ৰু মহাবিদ্যালয় খন এখন লেখত লবলগীয়া মহাবিদ্যালয়। অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা ছাত্ৰ ছাত্ৰীৰ বাবে বৰ সুবিধাজনক যদিও মহাবিদ্যালয়ৰ বহুতো কাম আধৰুৱা হৈ আজিও ৰৈ আছে। এই আধাৰুৱা কামবোৰ যেনে প্ৰেক্ষা গৃহ, ছাত্ৰ-ছাত্ৰীৰ নিবাস, অধ্যয়ন কক্ষ, এই আধাৰুৱা কামবোৰ যেন অতি সোনকালে পুৰা কৰি দিব বুলি মই মহাবিদ্যালয়ৰ কতৃপক্ষক অনুৰুধ কৰিছো।

সম্পাদক পদত অধিষ্ঠিত হৈ মই বহুতো কাম কৰিম বুলি কল্পনা কৰিছিলো কিন্ত কল্পনা বিলাক বাস্তৱত গঢ় দিব নোৱাৰিলো। যদিও মহাবিদ্যালয়ৰ কতৃপক্ষৰ পৰা পোৱা সকলো সুবিধা ছাত্ৰ-ছাত্ৰী সকলক দিবলৈ সদায় চেষ্টা কৰিছিলো।

সম্পাদকৰ প্ৰতিবেদন বছৰটোৰ দলিল সেয়েহে বছৰটোৰ খটিয়ান তলত দিয়া হল।

4.12.97 তাৰিখে মই কাৰ্যভাৰ গ্ৰহণ কৰো কাৰ্যভাৰ গ্ৰহণৰ পিছ দিনাৰ পৰাই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী ভূক্তি কৰি মহাবিদ্যালয়ৰ নিয়ম শৃঙ্খলা অতুত ৰাখিবলৈ জাননী জাৰী কৰা হয়।

10.12.97 তাৰিখে আমাৰ মহাবিদ্যালয়ত শ্বহীদ দীৱস পালন কৰা হয়। শ্বহীদ দিবস সকলো শিক্ষক শিক্ষয়ত্ৰী আৰু ছাত্ৰ ছাত্ৰী উপস্থিত নাছিল যদিও যি সকল উপস্থিত আছিল সেই সকলৰ মাজত বৰ আনন্দ হৈ পৰিছিল।

1997 বৰ্ষৰ 19 ডিচেম্বৰ পৰা 29 ডিচেম্বৰলৈ মহাবিদ্যালয়ৰ সপ্তাহ পালন কৰা হয়। এই কাৰ্য্য সূচীত মই ছাত্ৰী সকলৰ বাবে কিমান খিনি সুবিধা কৰি দিব পাৰিছিলো সেই বিসয়টো তেওঁলোকে নিজে বিবেচনা কৰিব পাৰিব।

4.3.98 তাৰিখে কানৈ বানিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ জয়ন্ত শইকীয়াৰ মৃত্যুৰ প্ৰতিবাদত মৌন শোভা যাত্ৰাত আমাৰ মহাবিদ্যালয়ক অংশ গ্ৰহণ কৰে।

2.9.98 তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ নৰকান্ত সোনোৱাল পৰীক্ষা দিবলৈ আহোতে আকস্মিক মটৰ দুৰ্ঘটনাত মৃত্যু হয়। মৃত্যুৰ পৰি পেক্ষিতত তেওঁলোকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সাহাৰ্য্য প্ৰদান কৰা হয়।

বিদায় সভা :-১০.৩.৯৩ তাৰিখে মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰবক্তা শ্ৰী যুত ললিত চন্দ্ৰ গোস্বামী চাৰ আৰু ইংৰাজী বিভাগৰ প্ৰবক্তা শ্ৰী যুত দেওনাৰায়ন মণ্ডল চাৰক আনুষ্ঠানিক ভাৱে ছাত্ৰ একতাৰ তৰফৰ পৰা বিদায় দিয়া হয়।

উপৰোক্ত বিষয়বোৰেই মোৰ কাৰ্য্যকালৰ খতিয়ান।

ক্ষমা ভিক্ষা:-মোৰ এবছৰীয়া কাৰ্যকাল চোৱাত বিভিন্ন দিশত সু-পৰামৰ্শ দি বিশেষভাৱে সহায় কৰা অধ্যক্ষা মহোদয়া তথা অধ্যাপক শ্ৰী যুত হেম চুতীয়া ,সুৰ্য্য কুমাৰ দাস ,শশীকান্ত শইকীয়া ,প্ৰদীপ চেতিয়া ফুকন ,মহেশ কুমাৰজৈন চাৰৰ ওচৰত আৰু অধ্যাপীকা শ্ৰীযুতা জ্যোতি বৰগোহাঁই আৰু বীনা বৰা বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলো।

ইয়াৰ উপৰি বিভিন্ন দিশত বিশেষ ভাৱে সহায় কৰা দ্বীপেন, চিন্ত, দীগন্ত, জুন্তি, অনুপম, তৰাপ্ৰসাদ, পলী, অংকীতা, জুৰী, নিলাক্ষী সুদিপ্তা, বৰষা, পাপৰি হতলৈ মোৰ হিয়াভৰা মৰম জ্ঞাপন কৰিলো।

শেষত ডিব্ৰুমহাবিদ্যালয় উন্নতি কামনা কৰি প্ৰতিবেদন সামৰনি মাৰিলো।

জয় যুক্ত ডিব্ৰুমহাবিদ্যালয়ত ছাত্ৰ একতা সভা।

ৰাহুল দেৱ সোনোৱাল

সাধাৰণ সম্পাদক

ডিব্ৰু মহাবিদ্যালয়।

# মুখ্য খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদক:- শ্ৰী চন্দ্ৰজিৎ দেউৰী

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৭-৯৮ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মুখ্য খেল বিভাগৰ সম্পাদকৰ দায়িত্ব বহন কৰি থকা কাৰ্যকালত মোক সকলো প্ৰকাৰেৰে দিহা-পৰামৰ্শ দি সহযোগ আগবঢ়োৱা শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো আৰু মোক সকলো সময়তে সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী, আৰু ভাইটী-ভণ্টী সকললৈ আন্তৰিক চেনেহ যাচিলো।

দ্বিতীয়তে, দেশৰ আৰু জাতিৰ হকে যুঁজ দিয়া বীৰসকল আৰু মাতৃভূমিৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ পৱিত্ৰ আত্মাৰ প্ৰতি মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৭-৯৮ বৰ্ষৰ মুখ্য খেল বিভাগৰ সম্পাদক হিচাপে মই বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হও। সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত ' মহাবিদ্যালয় বাৰ্ষিক ক্ৰীয়া সপ্তাহত" মোৰ বিভাগৰ সৈতে জড়িত খেল সমূহ অনুষ্ঠিত কৰো। মই ছাত্ৰ সকলৰ মাজত ফুটবল আৰু ভলীবল আৰু ছাত্ৰী সকলৰ মাজত এখন কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। ছাত্ৰ একতা সভা আৰু অধক্ষ্যা একাদশৰ মাজত এখন প্ৰীতি ভলীবল খেলৰ আয়োজন কৰিছিলো যদিও শিক্ষাগুৰু সকলৰ অনুপস্থিতিৰ বাবে এই খেলখন বাতিল কৰা হয়। মহাবিদ্যালয় সপ্তাহত অংশ গ্ৰহণ কৰা খেলুৱৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সুপ্ত হৈ থকা ক্ৰীয়া প্ৰতিভা জাগ্ৰত হৈ উঠা পৰিলক্ষিত হৈছিল।

মোৰ কাৰ্য্যকালত মই ১৯৯৬-৯৭ বৰ্ষৰ সাধাৰণ খেল বিভাগৰ"আন্ত:মহাবিদ্যালয় এথেলেটিকছ প্ৰতিযোগিতা" পৰিচালনা কৰাৰ সুযোগ লাভ কৰিছিলো। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে তিনিটা সোণৰ, দুটা ৰূপৰ, আৰু তিনিটা ৰঞ্জৰ পদক লাভ কৰি মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছিল। এই প্ৰতিযোগিতাখনতে আমাৰ মহাবিদ্যালয় ছাত্ৰ শ্ৰী মহেশ পেগুৱে " Best Trower"ৰ সন্মান লাভ কৰি মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছিল।

মোৰ কাৰ্য্যকালত আটাইতকৈ বেছি কষ্ট কৰিবলগীয়া হৈছিল। "আন্ত মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা " পৰিচালনা কৰোতে যিহেতু মই নিজেও মহাবিদ্যালয় দলত এজন নিয়মীয়া খেলুৱৈ আছিলো সেইয়ে দলৰ মাজত দেখা দিয়া সকলো প্ৰকাৰৰ অসুবিধা দূৰ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিলো। কিন্তু এই ক্ষেত্ৰত বহু কষ্টৰে আগুৱাব লগা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ প্ৰথম দুখন খেল ডুমডুমাত অনুষ্ঠিত হৈছিল। ডিগবৈ মহাবিদ্যালয়ৰ লগত 1-0 গলত বিজয়ী হৈ ডুমডুমা মহাবিদ্যালয়ৰ লগত 2-2 গলত ড্ৰ হোৱাৰ পিছত গণ্ডগোল হোৱাত সেইখেলখন পুনৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত কৰা হৈছিল। ইয়াত 3-1 গলত বিজয়ী হৈ নিতাইপুখুৰীত অনুষ্ঠিত হোৱা কোৱা'টৰ ফাইনেল খেলত প্ৰতিদ্বন্দিতা কৰাৰ সুযোগ লাভ কৰিছিলো। প্ৰথমখন কোৱা'টৰ ফাইনেলত যোৰহাট মহাবিদ্যালয় অনুপস্থিত থকাৰ বাবে আমাৰ দলটিক বিজয়ী ঘোষণা কৰা হয়। ছেমিফাইনেলত নিতাইপুখুৰীৰ হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ত সন্মুখীন হও। আমি এইখেলখনত 1-0 গলত পৰাজিত হোৱাৰ মূহৰ্তটো মোৰ লগতে আমাৰ দলৰ কোনোও নিশ্চয় পাহৰিব নোৱাৰিব নিতাই পুখুৰী মহাবিদ্যালয় দলটিত বিধিনিষিদ্ধভাৱে অংশ গ্ৰহণ কৰা দুজনমান খেলুৱৈৰ বিৰুদ্ধে সকলো প্ৰমান থকাতো এজনো In-charge মহাবিদ্যালয়ৰ অধ্যক্ষই প্ৰেৰণ নকৰাৰ বাবে PROTEST কৰাতো সম্ভৱ হৈ নুঠিল। এইটো সচাঁকৈয়ে বৰ দুখ লগা বিষয়। ছাত্ৰ সকলৰ সমস্যাবোৰৰ বুজ লবলৈ আন মহাবিদ্যালয়ৰ দলৰ লগত স্বয়ং অধক্ষ্য আহি উপস্থিত হোৱা পৰিলক্ষিত হৈছিল। কিন্তু আমাৰ লগত এজন শিক্ষাগুৰুক পঠিয়াবৰ প্ৰয়োজন অনুভৱ নকৰাটোৱেই আমি বিফল হোৱাৰ প্ৰধান কাৰন যেন পৰিলক্ষিত হৈছিল।

মোৰ কাৰ্য্যকালৰ শেষ কাৰ্য্যসূচীত মই একেবাৰে ব্যৰ্থ হও। শেষ কাৰ্যসূচী হিচাপে আন্ত :মহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে প্ৰথমমখন খেলতে শোচনীয়ৰূপে পৰাজয়বৰণ কৰে। মহাবিদ্যালয় ভলীবল দলটি গঠণ কৰিবৰ বাবে মাত্ৰ দুজনমান ছাত্ৰৰ বাহিৰে আন কোনো ছাত্ৰ উপস্থিত নোহোৱাৰ বাবে দল গঠন কৰা সম্ভৱ নহল।

উল্লেখযোগ্য যে আমাৰ ডিব্ৰু মহাবিদ্যালয়খন নানান সমস্যাৰে জৰ্জৰিত। ইয়াত খেলুৱৈসকলৰ বাবে প্ৰয়োজনীয় আহিলা পাতিৰ সম্পূৰ্ণৰূপে অভাৱ। মহাবিদ্যালয়ৰ কতৃপক্ষই ইয়াক দূৰ কৰাৰ সকলো প্ৰয়োজন অনুভৱ কৰা নাই। মই ভাবো যে, শিক্ষা দীক্ষাৰ লগতে ছাত্ৰসকল খেল ধেমালিৰ সৈতে জড়িত থকাৰো প্ৰয়োজন। এই নানান অসুবিধাৰ মাজতো মই মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা চলাইছিলো। এই ক্ষেত্ৰত কেতিয়াবা অনিচ্ছাকৃত ভাৱে হলেও শিক্ষাগুৰু, বন্ধু-বান্ধৱী আৰু ভাইটী-ভণ্টী সকলৰ ওচৰত কৰা ভূলৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

শেষত, মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা শ্ৰীযুত শশী শইকীয়া চাৰ, শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকণ চাৰ, শ্ৰীযুত ৰাজু তামুলী চাৰ আৰু শ্ৰীযুত নিয়াজ আলিচাৰ সকলৰ ওচৰত মই সদায় চিৰকৃতজ্ঞ হৈ থাকিম।

ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালত প্ৰতি মূহৰ্ত্ততে সহযোগিতাৰ হাত আগবঢ়োৱা দাদা / বন্ধু বিমান, দীপেন, ৰাহুল, চিনু, অনুপম, অজয় তাঁতী, কবুল , নিপুবাবা, দৌলতকাই, খেমজ্যোতি, ত্ৰৈলোক্য পুতুল, দীনবন্ধো, জিতু, কৃষ্ণ, ভৃগু, জ্যোতিষ, মইনা, পুল। বান্ধৱী জয়া, চিত্ৰা, আৰু ভাইটি শিমাণু, নিপু, জুবসিং, জলক, বুবু, ৰিতু, যদুমণি, মইনা (চকীদাৰ), পেল, ঘণ, দিগন্ত, ইন্দ্ৰজিৎ(দীপ), আৰু নামনজনা আনবহুতলৈ মই ধন্যবাদ জ্ঞাপন কৰিলো আৰু বিশেষ ভাৱে মই আভ্যন্তৰীণ জল পৰিবহন (I.W.T.)ফুটবল দলটিৰ সমূহ খেলুৱৈসকললৈ ধন্যবাদ যাচিলো।

সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

**CHAMPION TEAM OF FOOT-BALL**
**TEAM'S NAME :-(RHINO XI)**
**PLAYERS NAME:-**

1. Jitul Sonowal
2. Indrajit Sonowal(C)
3. Deepak Barman
4. Dharmendra Handique
5. Simanta Moran
6. Dhaijya Dhadumia
7. Jugal Chetia
8. Kahinoor Kasharie
9. Diganta Borah
10. Bhabhuti Borah
11. Deep Sonowal
12. Pinku Hazarika
13. Bhupen Sonowal
14. Yuga Sandar Gogoi
15. Deep Deori.

**RUNNER-UP TEAM OF FOOT-BALL**
**TEAM'S NAME:- (SECRATIRIES XI)**
**PLAYER'S NAME:-**

1. Jyotish Phukan(C)
2. Subash Bora
3. Chandrajit Deori
4. Inamul Husain
5. Ranjan Dowarah
6. Jatin Gogoi
7. Lalit Phukan
8. Khirood Sonowal
9. Sarat Gogoi
10. Kabin Deori
11. Sunil Hazarika
12. Hemanta Hazarika
13. Jadumoni Chetia
14. Jatin Narah
15. Biman Hazarika
16. Hemanta Sonowal

**CHAMPION TEAM OF VOLLEY-BALL**
**NAME OF THE TEAM :- (BSC+BA)**
**PLAYERS NAME:-**

1. Subash Bora
2. Jyotish Phukan
3. Bhigumoni Gogoi
4. Lalit Phukan
5. Jadumoni Chetia
6. Durlav Das
7. Bijoy Bhuyan

**RUNER-UP TEAM OF VOLLEY-BALL**
**NAME OF THE TEAM:- (B.S.C. IIIrd YEAR)**
**PLAYERS NAME:-**

1. Bhabnanda Bharali
2. Beni Madhav Lahan
3. Prasanta Bora
4. Niranjan Gogoi
5. Mrinal Dihingia
6. Ranjan Dowarah
7. Pollen Gogoi
8. Dharmendra Handique
9. Amio Deori

**CHAMPION TEAM OF KABADI (GIRLS)**
**B.A. II ND YEAR**
**NAME OF THE PLAYERS**

1. Chitra Sonowal
2. Ankeeta Saikia
3. Bharjina Hazarika
4. Purnima Saikia
5. Deepti Borah
6. Bonti Saikia
7. Shewalee Sonowal

**RUNNER-UP TEAM OF KABADI (GIRLS)**
**H.S. IST YEAR+ BAIII RD YEAR**
**NAME OF THE PLAYERS**

1. Jyoti Devi
2. Uparana Senchowa
3. Sudipta Ghosh Biswas
4. Nilakshi Borgohain
5. Juri Gogoi
6. Padmini Kalita.

# সাধাৰণ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদক :-শ্ৰী ভূপেন সোনোৱাল

প্ৰতিবেদনৰ আৰম্ভনিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া তথা শিক্ষাগুৰু, কৰ্মকৰ্তা সকল আৰু বন্ধু-বান্ধৱী ভাইটী-ভণ্টী সকলোকে ছাত্ৰ একতা সভাৰ সাধাৰণ খেল বিভাগৰ সম্পাদক হিচাবে হিয়া ভৰা আন্তৰিক শ্ৰদ্ধা, ভক্তি আৰু মৰম জাছিলো।

১৯৯৭-৯৮ চনত ডিব্ৰু মহাবিদ্যালয়ৰ সাধাৰণ খেলবিভাগৰ সম্পাদক হিচাপে মই বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হৈছিলো।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আমাৰ মহাবিদ্যালয়ৰ " ৩৩তম মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীয়া সপ্তাহ " অনুষ্ঠিত কৰা হৈছিল। এই ক্ৰীয়া সপ্তাহ ১৯৯৭ চনৰ ডিচেম্বৰ মাহৰ ১৯ তাৰিখৰ পৰা ২৪ তাৰিখলৈ আয়োজন কৰা হৈছিল। প্ৰাক্তন অধক্ষ্য মহোদয় শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈ দেৱে পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ সপ্তাহ শুভাৰম্ভ কৰে। মোৰ কাৰ্য্যকালত অনুষ্ঠিত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ খেল ধেমালিত সফলতা অৰ্জন কৰা খেলুৱৈ সকলৰ নাম আৰু প্ৰতিযোগিতা কৰা খেল সমূহ তলত উল্লেখ কৰা হল:-

| ১০০ মিটাৰ দৌৰ (ল 'ৰা) | ১০০ মিটাৰ দৌৰ (ছোৱালী) |
|---|---|
| ১ম শ্ৰী দিপক বৰ্মন | ১ম শ্ৰী মতী ৰীতা চুতিয়া। |
| ২য় শ্ৰী ভৃগুমনি গগৈ। | ২য় শ্ৰীমতী লক্ষী ৰাজবংশী। |
| ৩য় শ্ৰী সৌৰভ শইকীয়া। | ৩য় শ্ৰীমতী ভাৰ্জিনা হাজৰীকা। |

| ২০০ মিটাৰ দৌৰ (ল 'ৰা) | ২০০ মিটাৰ দৌৰ (ছোৱালী) |
|---|---|
| ১ম শ্ৰী ভৃগুমনি গগৈ। | ১ম শ্ৰীমতী ৰীতা চুতিয়া। |
| ২য় শ্ৰী ইন্দ্ৰজিৎ সোনোৱাল। | ২য় শ্ৰীমতী ভাৰ্জিনা হাজৰীকা। |
| ৩য় শ্ৰী দুলু গগৈ। | ৩য় শ্ৰীমতী লক্ষী ৰাজবংশী। |
| ৩য় শ্ৰী ৰমানন্দ পেগু। | |

| ৪০০ মিটাৰ দৌৰ (ল 'ৰা) | ৪০০ মিটাৰ দৌৰ (ছোৱালী) |
|---|---|
| ১ম শ্ৰী ৰঞ্জন দুৱৰা। | ১ম শ্ৰীমতী ৰীতা চুতিয়া। |
| ২য় শ্ৰী ভৃগুমনি গগৈ। | ২য় শ্ৰীমতী শেৱালী সোনোৱাল। |
| ৩য় শ্ৰী হেমন্ত হাজৰিকা। | ৩য় শ্ৰীমতী লক্ষী ৰাজবংশী। |

| ৮০০ মিটাৰ দৌৰ (ল 'ৰা) | ৮০০ মিটাৰ দৌৰ (ছোৱালী) |
|---|---|
| ১ম শ্ৰী ভৃগুমনি গগৈ। | ১ম শ্ৰীমতী ৰীতা চুতিয়া। |
| ২য় শ্ৰী তিলক শইকীয়া। | ২য় শ্ৰীমতী ভাৰ্জিনা হাজৰীকা। |
| ৩য় শ্ৰী যতীন গগৈ। | ৩য় শ্ৰীমতী শেৱালী সোনোৱাল। |

| ১৫০০ মিটাৰ দৌৰ (ল 'ৰা) | ১৫০০ মিটাৰ দৌৰ (ছোৱালী) |
|---|---|
| ১ম শ্ৰী তিলক শইকীয়া। | কোনো প্ৰতিযোগীয়ে অংশ |
| ২য় শ্ৰী অজয় তাতী। | গ্ৰহণ নকৰাৰ বাবে খেলখন |
| ৩য় শ্ৰী ভৃগুমনি গগৈ। | বাতিল কৰা হল। |
| ৪ৰ্থ শ্ৰী দুলু গগৈ। | |
| ৫ম শ্ৰী বিপুল দত্ত। | |
| ৬ৰ্থ শ্ৰী সৌৰভ শইকীয়া। | |

| দীঘল জাম্প (ল'ৰা) | দীঘল জাম্প (ছোৱালী) |
|---|---|
| ১ম শ্ৰী দিপক বৰ্মন। | ১ম শ্ৰীমতী ৰীতা চুতিয়া। |
| ২য় শ্ৰী ভৃগুমনি গগৈ। | ২য় শ্ৰীমতী শেৱালী সোনোৱাল। |
| ৩য় শ্ৰী পুনাকন দেউৰী। | ৩য় শ্ৰীমতী ভাৰ্জিনা হাজৰীকা। |

| ওখ জাম্প (ল'ৰা) | ওখ জাম্প (ছোৱালী) |
|---|---|
| ১ম শ্ৰী সৌৰভ শইকীয়া। | ১ম শ্ৰীমতী শেৱালী সোনোৱাল। |
| ২য় শ্ৰী বসন্ত চাংমাই। | ২য় শ্ৰীমতী ৰীতা চুতীয়া। |
| ৩য় শ্ৰী দুৰ্লভ দাস। | ৩য় শ্ৰীমতী ভাৰ্জিনা হাজৰীকা। |
| ৩য় শ্ৰী শৰৎ সোনোৱাল। | |

| ডিচকাচ দলিওৱা (ল'ৰাৰ) | ডিচকাচ দলিওৱা (ছোৱালী) |
|---|---|
| ১ম শ্ৰী মহেন পেগু। | ১ম শ্ৰীমতী শেৱালী সোনোৱাল। |
| ২য় শ্ৰী নিপুল সোনোৱাল। | ২য় শ্ৰীমতী ভাৰ্জিনা হাজৰীকা। |
| ৩য় শ্ৰী বিকাশ কোঁৱৰ। | ৩য় শ্ৰীমতী পূৰ্ণীমা শইকীয়া। |

| জেভলিন দলিওৱা (ল'ৰা) | জেভলিন দলিওৱা (ছোৱালী) |
|---|---|
| ১ম শ্ৰী মহেশ পেগু। | ১ম শ্ৰীমতী লক্ষী ৰাজবংশী। |
| ২য় শ্ৰী বিকাশ কোঁৱৰ। | ২য় শ্ৰীমতী পূৰ্ণীমা শইকীয়া। |
| ৩য় নিপুল সোনোৱাল। | ৩য় শ্ৰীমতী মনিকা গগৈ। |

| চটফুট দলিওৱা (ল'ৰাৰ) | চটফুট দলিওৱা (ছোৱালী) |
|---|---|
| ১ম শ্ৰী মহেশ পেগু। | ১ম শ্ৰীমতী পূৰ্নিমা শইকীয়া। |
| ২য় শ্ৰী বিকাশ কোঁৱৰ। | ২য় শ্ৰীমতী শেৱালী হাজৰীকা। |
| ৩য় শ্ৰী পোলেন গগৈ। | ৩য় শ্ৰীমতী ভাৰ্জিনা হাজৰীকা। |
| শ্ৰী তৰাপ্ৰসাদ দিহিঙিয়া। | |

মোৰ কাৰ্য্যকালত মই ৰবৰুৱাৰ চুকাফাভৱনৰ পৰা ডিব্ৰু মহাবিদ্যালয় প্ৰাঙ্গনলৈ মাৰথন দৌৰ (ল'ৰাৰ)প্ৰতিযোগিতা পাতিছিলো, তাৰ ফলাফল তলত উল্লেখ কৰা হল :-

| | |
|---|---|
| ১)শ্ৰী তিলক শইকীয়া। | ১১)শ্ৰী যদুমনি চেতিয়া। |
| ২)শ্ৰী দিগন্ত বড়া। | ১২)শ্ৰী ধ্বনী গগৈ। |
| ৩)শ্ৰী হেমন্ত কোঁৱৰ। | ১৩)শ্ৰী অমল ছেত্ৰী। |
| ৪)শ্ৰী দিলীপ চেতিয়া। | ১৪)শ্ৰী কমল ছেত্ৰী। |
| ৫)শ্ৰী ভৱভূতী বড়া। | ১৫)শ্ৰী জয়ন্ত দুৱৰা। |
| ৬)শ্ৰী যতীন নাৰ। | ১৬)শ্ৰী ৰবিজিৎ বাগলাৰী। |
| ৭)শ্ৰী দুৰ্লভ দত্ত। | ১৭)শ্ৰী দেৱানন্দ চেলেং। |
| ৮)শ্ৰী গুনাভী সোনোৱাল। | ১৮)শ্ৰী ললিত ফুকন। |
| ৯)শ্ৰী হেমন্ত হাজৰীকা। | ১৯)শ্ৰী ৰাজকুমাৰ নেওগ। |
| ১০)শ্ৰী দুলাল দেউৰী। | ২০)শ্ৰী ধৰ্য্যা দিহিঙীয়া। |

"৩৩তম বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সাধাৰণ খেল বিভাগত যি সকল খেলুৱৈয়ে ব্যক্তিগত খেলত যোগদান কৰি সফলতা অৰ্জন কৰিছিল আৰু যি সকল খেলুৱৈয়ে সফলতা অৰ্জন কৰিব নোৱাৰিলেও উন্নত মানৰ খেল প্ৰদৰ্শন কৰিব পাৰিছিল। সেই সকলো খেলুৱৈক মই আন্তৰিক ধন্যবাদ জনাইছো।

মোৰ কাৰ্য্যকালৰ সময়ত আন্ত:মহাবিদ্যালয় ক্ৰিয়া সমাৰোহ ডিব্ৰুগড় বিশ্ববিদ্যালয় খেল পথাৰত অনুষ্ঠিত হয় তাত আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ সকলেও অংশগ্ৰহণ কৰিছিল। আন্ত:মহাবিদ্যালয়ৰ খেলত আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈয়ে যথেষ্ট সুনাম অৰ্জন কৰিছিল। সেইসকল খেলুৱৈ হৈছে শ্ৰী মেথুঞ্জ্য দুৱাৰা পল ভলত প্ৰথম স্থান, মহেশ পেগু ডিচকাচ, জেভলিন আৰু চটফুট প্ৰথম স্থান, ভৃগুমনি গগৈ ত্ৰিপুল জাম্পত দ্বিতীয় স্থান, তুলি মিচিং ওখ জাম্পত দ্বিতীয় স্থান আৰু ৰীতা চুতিয়া ১৫০০ মিটাৰ দৌৰত তৃতীয় স্থান অধিকাৰ কৰিছিল।

মোৰ কাৰ্য্যকালত সকলো প্ৰকাৰৰ সহায় সহযোগিতা, দিহা পৰামৰ্শ দি সাধাৰণ খেল বিভাগত দায়িত্ব গ্ৰহন কৰা শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন, আৰু শ্ৰীযুত মহেশ জৈন চাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ তাৰোপৰি মোৰ বন্ধু বিনোদ, ৰিতু, ক্ষেমা, নৱজ্যোতি, চন্দ্ৰজিৎ, বিমান, আৰু মনিকা (মামনি), সংগীত (পিকু) ভণ্টী, তথা অন্য সকলো বন্ধু-বান্ধৱীলৈকে মোৰ আন্তৰিক ধন্যবাদ জনাইছো।

সদৌ শেষত মোৰ অজানিতে হোৱা ভূল-ক্ৰটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো। লগতে ছাত্ৰ একতা সভাৰ উন্নতি কমনা কৰি আৰু ডিব্ৰুমহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰনি মাৰিছো।

" জয় আই অসম "

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

- ধন্যবাদ -

# প্ৰতিবেদন শৰীৰ চৰ্চা বিভাগ
# জয় জয়তো ডিব্ৰু মহাবিদ্যালয়



মোৰ প্ৰতিবেদনৰ পাতনিতে স্বদেশ আৰু স্ব-জাতিৰ হ'কে বুকুৰ শোণিত নিগৰাই অথবা মাইৰ বুকু শুদা কৰি জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকলৰ পবিত্ৰ আত্মাক শ্ৰদ্ধাৰে সুঁৱৰিছো।

দ্বিতীয়তে ১৯৯৭-৯৮ বৰ্ষৰ মোৰ কাৰ্য্যকাল চলাই নিয়াত সহায় / উপদেশ দিয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়ত্ৰী বিন্দলৈ মোৰ আন্তৰিক অভিন্দন জ্ঞাপন কৰিছো।

১৯৯৭-৯৮ বৰ্ষৰ বাবে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক ৰূপে বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হৈ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে আমাৰ ৩৩ তম মহাবিদ্যালয় ক্ৰিয়া সপ্তাহ ক্ষিপ্ৰভাৱে আৰম্ভ হয়।

মহাবিদ্যালয় খনত শৰীৰ চৰ্চা দিশত এক নতুনত্ব আৱিস্কাৰ কৰাৰ মানসেৰেই শৰীৰ চৰ্চা দৰে এক গধূৰ দায়িত্ব মূৰ পাতি লৈছিলো। কিন্তু মহাবিদ্যালয়ৰ

অভ্যন্তৰত থকা বহুতো অসুবিধাৰ বাবেই কিছুমান কৰিব লগা কাম ৰৈ গল। তথাপিতো মোৰ কাৰ্য্যকালত মোৰ এই গুৰু দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত কোনো দিনাই চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। অৱশ্যে এই ক্ষেত্ৰত কিমান দূৰ সফলতা অৰ্জন কৰিব পাৰিলো ইয়াৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত অৰ্পন কৰিলো। মোৰ বিভাগিয় খেল সমূহ - পাঞ্জা, ভাৰ উত্তোলন, দেহশ্ৰী প্ৰদৰ্শন, শক্তি উত্তোলন, আৰু বক্সিং।

বৰ্তমান আমাৰ মহাবিদ্যালয় যথেষ্ট সংখ্যক শৰীৰ চৰ্চা প্ৰতি আগ্ৰহান্বিত ছাত্ৰ-ছাত্ৰী আছে। এই প্ৰতিযোগী সকলেই আন্ত:মহাবিদ্যালয় আৰু ৰাজ্যিক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কিন্তু প্ৰশিক্ষণৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ত কোনো ধৰণৰ সা-সুবিধা নাই।

কৃতজ্ঞতা স্বীকাৰ :- মোৰ কাৰ্য্যকালছোৱাত সুকলমে পৰিচালনা কৰাত সকলো দিশত সু-পৰামৰ্শ আগ বঢ়োৱা বাবে ভাৱপ্ৰাপ্ত অধ্যক্ষা প্ৰতিভা সেন, উপদেষ্টা গনিকা হাজৰিকা, আৰু হেম চোতিয়া ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো, লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী পৰিষদলৈ।

লৌহক্ৰিয়া বিভাগৰ খেল সমূহ সুচাৰ ৰুপে চলাই নিয়াত সহায় কৰা অসমী সংঘৰ সমূহ সদস্য উত্তম কোঁৱৰ , দেৱজিৎ হাজৰিকা, মহন্ত, যোগা, নমিনেশ ফুকন, জিতু ভৰালী ।

বক্সিং প্ৰতিযোগিতাৰ অন্যতম সহায়ক হ'ল ইনামূল হুচেইন (ৰাজু) লগতে মাননীয় বিচাৰকদ্বয়-জাকিৰ আহমেদ, ৰিজিৰ বৰুৱা, মিন্ত শ্বেৰিফ আহমেদ। লগতে বিভিন্ন দিশত সহায় কৰা বন্ধু-বান্ধৱী সকল সৰ্ব্বশ্ৰী গোপাল, দেবানন্দ, সুনিল, ৰবিজিৎ, কুকিল, বিজু, নিপোল, বসন্ত, অবিনাচ, নৰ, প্ৰশান্ত, দ্বিপেন, ত্ৰৈলোক্য, কমুদ, চিণ্টু, অনোপম, প্ৰেমধৰ, পোনা, ৰাতুল, কুশে, পৰাগ, মাইনু, কনমাই, টুল-টুল, বন্দনা গগৈ, জয়া, ভাৰ্জিনা, চিত্ৰা, হেপী, ঋতু, দিপাঞ্জলী, দিপ্তী আৰু লগতে অনেক ........ ।

সদৌ শেষত মোৰ অজানিতে হোৱা দোষ ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনাই আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি বিভাগীয় সম্পাদকীয় কলেবৰ সামৰণি মাৰিলো।

ছাত্ৰ ঐক্য জিন্দাবাদ
জয়তু ডিব্ৰু মহাবিদ্যালয়
জয় আই অসম
শ্ৰী খেমা জ্যোতি বৰুৱা (ভাই)
শৰীৰ চৰ্চা সম্পাদক।

## DIBRU COLLEGE BOXING COMPETITION

Winners and Runnersups as follows
Catagori

1. (45-50k.gs)
Winner - Pradipta Baruah
Runnersup - Diganta Bora

2. (50-55 k.gs)
Winner - Amio Kr. Deori.
Runnersup - Sunil Hazarika.

3. (56-60 k.gs)
Winner - Himanta Hazarika
Runners up - Monibaba Hati Baruah

4. 61-65 kgs.
Winner - Inamul Hussain
Runners up - Rahul Dev Sonowal.

5. Open Weight Catagori
Winner - Gautam Sonowal
Runners up - Bhaskarjyoti Deka.
Best Looser - Bikash Das.
Best Boxer - Inamul Hussain.

**Power Lifting**

**1. Below 55 kgs.**
1st Mr. Dipak Barman (740 L.B.S.)
2nd Mr. Jadav Das (690 L.B.S.)
3rd Mr. Basanta Changmai (590 L.B.S.)

2. 56 to 60 kgs.
1st Mr. Bimal Chetia (820 L.B.S.)
2nd Mr. Pankaj Gogoi (760 L.B.S.)
3rd Mr. Ashok Kr. Urang (650 L.B.S.)

3. 61 to 65 Kgs.
1st Mr. Nilam Kalita (860 L.B.S.)
2nd Mr. Lakhyajit Kalita (830 L.B.S.)

4. Open Catagori
Mr. Khemajyoti Boruah (780 L.B.S.)
Strong Man of Dibru College 1997
Mr. Nilam Kalita.

**Arm Wrestling Man**
**Below 50 kgs.**
1st Mr. Pranabjyoti Chetia.
2nd Mr. Balin Gogoi
3rd Mr. Jitu Borah

**51 to 55 kgs.**
1st Mr. Nipul Sonowal
2nd Mr. Basanta Changmai
3rd Mr. Bhaskar Borah

**56 to 60 kgs.**
1st Mr. Bimal Chetia
2nd Mr. Rideep Dutta
3rd Mr. Rajib Gogoi

61 to 65 kgs.
1st Mr. Kalyash Gogoi
2nd Mr. Lilakanta Kachari
3rd Mr. Mahesh Pegu

**70 kgs above**
1st Mr. Pullen Gogoi
2nd Amio Kr. Deori
3rd Mr. Gautom Dowarah

**Champion of champion 1997 Dibru College**
Mr. Pullen Gogoi.

**Girls Arm Wreting**
**Below50 kgs. Group**
1st Bharjina Hazarika
2nd Sudipta Ghosh Biswah
3rd Mamoni Tai

**51 to 55 kgs Group**
1st Sewali Sonowal
2nd Purnima Saikia
3rd Jyoti Devi

**56 to above Group**
1st Padmini Kalita
2nd Huma Sharma
3rd Rozi Chetia
Consolation Miss Upashana Sencuwa.

**Body Building Competition 1997-98.**
1st Mr. Jugananda Das
2nd Mr. Dipen Sonowal
Mr. Dibru College 1997-98
Jugananda Das

Sri Khemajyoti Boruah
Gymnasium Secretary.

# ছাত্ৰী জিৰনী কোঠাৰ প্ৰতিবেদন



সম্পাদিকা:- শ্ৰীমতী পূৰ্নিমা শইকীয়া

আৰম্ভনী:-

ছাত্ৰী জিৰনী কোঠাৰ সম্পাদিকা হিচাপে প্ৰতিবেদন লিখিবলৈ লোৱাৰ প্ৰাৰম্ভনিতে অসমৰ মাতৃৰ মুক্তি সংগ্ৰামত যি সকলে তেওঁলোকৰ কেচা তেজেৰে মাতৃৰ পৱিত্ৰ চৰন ধুৱালে সেই সকল শ্বহীদৈলৈ মই মোৰ শ্ৰদ্ধাজ্ঞলী জ্ঞাপন কৰিলোঁ। লগতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া শ্ৰীমতী প্ৰতিভা সেন বাইদেউক প্ৰমূখ্য কৰি অধ্যাপক অধ্যাপিকা লগতে ডিব্ৰু মহাবিদ্যাল.ৰ সমূহ সতীৰ্থ বৃন্দ তথা ছাত্ৰ ছাত্ৰী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰনী কোঠাৰ সম্পাদিকা পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নতিত অবিহনা যোগাবলৈ মোক সুবিধা কৰি দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ সতীৰ্থ বৃন্দৰ ওচৰত চিৰকৃতজ্ঞ।

নিৰ্বাচনৰ প্ৰাকমুহুৰ্তত আপোনালোকৰ আগত যি প্ৰতিশ্ৰুতি দিছিলো তাক কাৰ্যাত পৰিনত কৰিব পাৰিলোনে নাই তাৰ বিচাৰৰ ভাৰ ডিব্ৰুয়ানৰ হাতত অৰ্পন কৰিলো।

কাৰ্য্যভাৰ লোৱাৰ আগতে কল্পনা কৰিছিলো পদটি লৈ বহুতো কিবাকিবি কৰিম বুলি। কিন্তু ভৱামতে সেৱা আগবঢ়াব নোৱাৰিলো। নোৱাৰাৰ মূলতে আছিল বহুতো প্ৰতিবন্ধকতা আৰু কেতবোৰ গুৰুত্ব পূৰ্ণ অভাৱ। ছাত্ৰী জিৰনী কোঠাৰ বিষয়ে নকৈ দোহৰাৰ প্ৰয়োজন বোধ নকৰো। পূৰ্ব্বৰ্তী প্ৰতিজন সম্পাদীকাই এই অভাৱ সমূহ মহাবিদ্যালয় কতৃপক্ষৰ অৱগত কৰি আহিছে। এই প্ৰতিবেদনৰ জৰিয়তে মই আমাৰ মাননীয় অধ্যক্ষা মহোদয়াক অনুৰোধ কৰো যে অনতি পলমে ছাত্ৰী জিৰনী কোঠাৰ ব্যৱস্থা কৰি ছাত্ৰী সকলৰ বহুদিনীয়া অভাৱ পুৰণ কৰে যেন।

মোৰ কাৰ্য্যভাৰ গ্ৰহন কৰাৰ অতি কম সময়ৰ ভিতৰতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। চাৰ বাইদেউ তথা সতীৰ্থ বন্ধু বান্ধৱীৰ সহযোগত সুন্দৰৰূপে প্ৰতিযোগিতা সমূহ পৰিচালিত হয়। এই খিনিতে মহাবিদ্যালয়ৰ সপ্তাহৰ আন্তৰিভাগৰ অন্তৰ্গত বিভিন্ন প্ৰতিযোগিতাৰ সমূহৰ ফলাফল উল্লেখ কৰিলো।

**1. CHINISE CHEEKERS**

1st Miss Ankita Saikia.
2nd Miss Sudipta Ghosh Biswas.
3rd Miss Huma Sharma.

**2. CHESS**

Winner Miss Ankita Saikia.
Runnerup Miss Archana Pandey.

**3. CARROM SINGLES**

1st Miss Moushumi Saikia.
2nd Miss Rita Moni Gogoi.

**4. CARROM DOUBLES**

Winner Miss Ritamoni Gogoi
Miss Dimple Borgohain.

**5. বেডমিন্টন**

1st Miss Archana Pandey.
2nd Miss Citra Sonowal.

**6. MUSIC CHAIR RESULTS**

1st Miss Ankita Saikia.
2nd শ্ৰীমতী জ্যোতি দেৱী।
3rd শ্ৰীমতী জুৰিস্মৃতা বড়া

এই কাৰ্য্য কামৰ ভিতৰত মোৰ অজ্ঞাতে যদি কিবা ভুল ত্ৰুটি বৈ গল তাৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে ওচৰত মই ক্ষমা মাগিছো।

কৃতজ্ঞতা স্বীকাৰ :-মোৰ কাৰ্য্য সমূহ সুচাৰু ৰূপে পৰিচালনা কৰাত মোক বিশেষ ভাৱে সহায় কৰা অধ্যাপিকা শ্ৰী যুক্তা অঞ্জনা বৰুৱা বাইদেউ আৰু অধ্যাপিকা প্ৰধান বাইদেউক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

লগতে বন্ধু কুকিল দুৱৰা, সীমান্ত ৰাজকোঁৱৰ, ৰাজকুমাৰ নিলনেত্ৰ নেওঁগ, দেৱা চেলেং, খেমাজ্যোতি বৰুৱা, ৰবিজিত বাগলাৰী, সুনিল চেতিয়া, বিজু দাস, অজয় তাৰ্তী আৰু অনুপম শইকীয়াক।

লগতে বান্ধৱী শ্ৰী ভাজিনা হাজৰীকা, দীপ্তী গগৈ,চিত্ৰা সোণোৱাল।

# সঙ্গীত সম্পাদিকাৰ প্ৰতিবেদন



সম্পাদিকা:- শ্ৰীমতি জিনুমণী ভূঞাঁ
স্নাতক প্ৰথম বৰ্ষ (কলা)

(১৯৯৭-৯৮ বৰ্ষ)

মোৰ বিভাগীয় প্ৰতিবেদনৰ প্ৰাৰম্ভনিতেই দেশ মাতৃৰ বক্ষ সুৰক্ষিত কৰাৰ নিমিত্তে যিসকল বীৰ জোৱানে অকুন্ঠচিত্তে প্ৰাণ আহুতি দিলে, সেইসকলক পৰম শ্ৰদ্ধাৰে সুঁৱৰি মোৰ অশ্ৰু অঞ্জলি নিবেদিছো।

দ্বীতিয়তে, মই ডিব্ৰু মহাবীদ্যালয়ৰ মাননীয়া অধ্যক্ষা

মহোদয়া শ্ৰীযুক্তা প্ৰতিভা সেন বাইদেউলৈ আৰু মাননীয় প্ৰাক্তন অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈদেৱলৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছো। তাৰ পিছতেই মোৰ বিভাগীয় তত্বাৱধায়ক /তত্বাৱধায়িকাসকল ক্ৰমে মাননীয় অধ্যাপক মহোদয় শ্ৰীযুত ইন্দ্ৰকান্ত বৰাদেৱ (শিক্ষা বিভাগ), মাননীয়া অধ্যাপিকা মহোদয়া শ্ৰীযুতা অদিতি বৰুৱা বাইদেউ .(সংস্কৃত বিভাগ) আৰু মাননীয়া মহোদয়া ড ° ৰমিজা খাতুন বাইদেউলৈ (বাণিজ্য বিভাগ) এই প্ৰতিবেদনৰ জৰিয়তেই অশেষ শ্ৰদ্ধা-ভক্তি আৰু কৃতজ্ঞাতা জ্ঞাপন কৰিছো। লগতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় / মাননীয়া সকলো শিক্ষাগুৰু প্ৰমূখ্যে মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দলৈ মোৰ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদন কৰিছো, তেওঁলোক সকলোৰে সহায়-সহযোগিতা, সু-পৰামৰ্শ আৰু আৰ্শীবাদেই মোৰ কৰ্মপ্ৰেৰণা। সেয়েহে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ তথা চিৰঋণী হৈ ৰ'লো।

তাৰপিছতেই মোৰ অতি আদৰৰ সতীৰ্থসকল আৰু মোৰ অনুজ-অগ্ৰজসকলৰ প্ৰতি আন্তৰিকতাপূৰ্ণ অভিনন্দন আৰু শলাগ জনাইছো। যিসকল ডিব্ৰুয়ানৰ সহায় সহযোগ ক্ৰমে মই ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'সঙ্গীত বিভাগৰ সম্পাদিকাৰ পদত অধিষ্ঠিত হ'লো, যি-সকলৰ অকুন্ঠ প্ৰেৰণাই মোক ছাত্ৰ একতা সভাৰ কামত ব্ৰতী হ'বলৈ মনত অসীম সাহস যোগালে, তেওঁলোকৰ ওচৰতো মই আজীৱন ঋণী বুলি দ্বিদ্ধাহীনভাৱে স্বীকাৰ কৰিছোঁ।নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবলৈ মই প্ৰথম প্ৰেৰণা পাইছিলো এই বিভাগৰে প্ৰাক্তন সম্পাদক শ্ৰী অনুপম শইকীয়াদেৱৰ পৰা। সঙ্গীত বিভাগৰ দৰে এনে এটি গুৰুত্বপূৰ্ণ পদৰ দায়িত্ব বহন কৰি ইয়াৰ কাৰ্যভাৰসমূহ সুচাৰুৰূপে পালন কৰি নিয়াত যিসকল ব্যক্তিয়ে মোক সহায়ৰ হাত আগবঢ়ালে, সেই সকলৰ অনুগ্ৰহ পাহৰি যোৱাটো মোৰ পক্ষে কেতিয়াও সম্ভৱ নহব। তেওঁলোক মোৰবাবে চিৰ প্ৰবাহিত প্ৰেৰণাৰ বাহকস্বৰূপ। মোৰ সাফল্যৰ গুড়িশিপা সেই সকলেই যিসকলৰ নিৰ্বাচনে মোক এই জ্ঞানৰ মন্দিৰস্বৰূপ মহাবিদ্যালয়খনিৰ প্ৰতি অকণমান সেৱা আগবঢ়াই যাবলৈ সুযোগ দিলে। অন্যথা মোৰ আকাঙ্খ্যা, এই মহাবিদ্যালয়খনিৰ প্ৰতি এধানি সেৱা আগবঢ়োৰ প্ৰেৰণাও হয়তো মন বলুকাতে পৰি ৰলহেতেন। অথচ নাজানো এইক্ষেত্ৰত মই কিমান দূৰ সাফল্যলাভ কৰিলো। সেয়া সমূহ ডিব্ৰুয়ানৰহে বিচাৰ্যৰ বিষয়।

আনহাতে মোৰ ওপৰত ন্যস্ত থকা সকলো দায়িত্ব একাগ্ৰতাৰে বহন কৰিছোঁ বুলিয়েই মই ভাবোঁ। তথাপিতো যেন কিবা এটা অসম্পূৰ্ণ হৈয়েই মোৰ এবছৰীয়া কাৰ্যকাল অন্ত পৰাৰ দিন সমাগত হল।

বিচাৰক সকলৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ :- '৩৩ তম বাৰ্ষিক মহাবিদ্যালয়ৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহত বহন কৰিছিল 'আকাশবাণী ডিব্ৰুগড়কেন্দ্ৰৰ নিয়মীয়া কন্ঠশিল্পী শ্ৰযুতা ডলী দাস বাইদেউ প্ৰমূখ্যে অসমৰ বিভিন্ন বিহুতলীত বিহুৱা ৰৰবিহুৱাৰ সন্মানেৰে বিভূষিত শ্ৰীযুত বাণী গগৈদেৱে। তদুপৰি মোৰ বিভাগীয় তত্বাৱধায়িকা তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ নিয়মীয়া কন্ঠশিল্পী শ্ৰীযুতা অদিতি বৰুৱা বাইদেউ, ড' ৰমিজা খাতুন বাইদেউ, তত্বাৱধায়ক শ্ৰীযুত ইন্দ্ৰকান্ত বৰা চাৰ আৰু আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা বাইদেৱে দায়িত্ব বহন কৰছিল। এওঁলোক সকলোৱে অকৃটিম সহায় সহযোগিতা মোৰবাবে চিৰ স্মৰণীয় হৈ ৰ'ব।

বিহুনৃত্য পৰিচালনাত সহযোগিতা কৰা 'শৰাইঘাট বিহুৱা দলৰ মূৰব্বী শ্ৰীমৃদুল গগৈদেৱলৈয়ো এই প্ৰতিবেদনৰ জৰয়তেই মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনাইছোঁ। লগতে 'সাংস্কৃতিক অনুস্থান' লৈ আমন্ত্ৰিত কৰি অনা শিল্পী সকল ক্ৰমে -শ্ৰী বিজয় চেত্ৰী, শ্ৰীমতী নিতা ৰাজখোৱা, শ্ৰীমতী ৰঞ্জুমণী নাথ শ্ৰীমতী নিথি দলে, শ্ৰীমতী নিশামনি ফুকন আৰু শ্ৰী প্লাবন দাসদেৱলৈয়ো মোৰ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰী অভিজিৎ ফুকন, শ্ৰী সাজন নায়ক, শ্ৰী ৰিদীপ কোঁৱৰ, শ্ৰী তৰাপ্ৰসাদ দিহিঙ্গীয়া, ৰাজকুমাৰ নীলনেত্ৰ নেওগ আৰু এই মহাবীদ্যালয়ৰ হুঁচৰী দলটিয়ে আমাৰ ' সাংস্কৃতিক অনুষ্ঠানৰ শুভাবৰ্দ্ধন কৰাৰ বাবে মই আন্তৰিক কৃতজ্ঞতা আৰু শলাগ জনাইছো।

সৰ্বশেষত মোৰ কাৰ্যকালত একাগ্ৰতাৰে সকলো দিশত সহায়-সহযোগ আগবঢ়োৱা বন্ধু-বান্ধৱী, শ্ৰীমতী ৰজী চেতিয়া, মণিকা গগৈ, হিৰামণি দত্ত, ৰূপাজ্ঞলী মিলি, নমী বৰুৱা, মামনী টায়ে, গীতাঞ্জলী বড়া, কল্পনা বৰুৱা, মনমী ভট্ৰাচাৰ্য, চিত্ৰলেখা ডেকাবৰুৱা , মঞ্জু সোণোৱাল, কণ্যাকুমাৰী দাস, বাণী, অৰূপ, সীমান্ত, গগন, দিগন্ত, বাবুল, তৰাপ্ৰসাদ, ধ্ৰুৱজ্যোতি, দীনবন্দু আৰু অন্যান্য বহুতো।

অগ্ৰজসকল:-দ্বীপেন, অনুপম, চিন্তু, নীলিম, জয়ন্ত মাধৱ, ৰমানন্দ, ৰাজকুমাৰ নীলনেত্ৰ।

অনুজসকল:- অংশুমান, কুলেন্দ্ৰ, ভবেন, যোগসুন্দৰ, ইন্দ্ৰজিৎ , সীমান্ত, মন্তু, কুঞ্জন, সুভাস, জ্যোতিময়, ৰীতা, ডিম্পল, নমিতা, কাৰ্ফি আৰু অন্যান্য বহুতো। সকলোৰে নাম মনত নথকাৰ বাবে প্ৰকাশ কৰিব নোৱাৰিলো। তাৰবাবে মই দু:খিত।

যি কি নহঁওক শেষান্তত সমূহ ডিব্ৰুয়ানলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাই মোৰ বিভাগীয় প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিছোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়।

ধন্যবাদেৰে
শ্ৰীমতী জিনুমণী ভূঞাঁ
সম্পাদক, সংগীত বিভাগ।
ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়।

# '৩৩ তম বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ'ৰ সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল

(১) বৰগীত প্ৰতিযোগিতা/Borgeet Comp.
প্ৰথম পুৰস্কাৰ :-শ্ৰী জয়ন্ত মাধৱ গগৈ।
দ্বিতীয় পুৰস্কাৰ :-শ্ৰী সঞ্জীৱ হাজৰিকা।
তৃতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।

(২) লোকগীত প্ৰতিযোগিতা/Lokageet Comp.
প্ৰথম পুৰস্কাৰ :-শ্ৰী মতী পৰীস্মৃতা বৰুৱা।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী জয়ন্তমাধৱৰ গগৈ।

(৩) গজল প্ৰতিযোগিতা/ Ghazal Comp.
প্ৰথম পুৰস্কাৰ :-শ্ৰী জয়ন্ত মাধৱ গগৈ।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী মতী হুমা শৰ্মা।

(৪) ভজন প্ৰতিযোগিতা/Bhajan Comp.
প্ৰথম পুৰস্কাৰ :- শ্ৰী ৰিণ্টু ভট্টাচাৰ্য।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী কৃষ্ণ চুতীয়া।
তৃতীয় পুৰস্কাৰ :- (ক) শ্ৰী সঞ্জীৱ হাজৰীকা।
(খ) শ্ৰী মতী পৰীস্মৃতী বৰুৱা।

(৫) ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা/Bhupendra Sangeet Comp.
প্ৰথম পুৰস্কাৰ :- শ্ৰী কৃষ্ণ চুতীয়া।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী তৰা প্ৰসাদ দিহিঙ্গীয়া।
তৃতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।

(৬) জয়ন্ত সংগীত প্ৰতিযোগিতা/ Jayanta Sangeet Comp.
প্ৰথম পুৰস্কাৰ :- শ্ৰী কৃষ্ণ চুতীয়া।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী তৰা প্ৰসাদ দিহিঙ্গীয়া।
তৃতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।

(৭) পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত প্ৰতিযোগিতা/Parbatee Prashad Baruah Sangeet Comp.
প্ৰথম পুৰস্কাৰ:- শ্ৰী তৰা প্ৰসাদ দিহিঙ্গীয়া।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী জয়ন্ত মাধৱ গগৈ।
তৃতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।

(৮) ঝুমইৰ প্ৰতিযোগিতা /Jhumair Comp.
প্ৰথম পুৰস্কাৰ:- সাজন নায়ক।
দ্বিতীয় পুৰস্কাৰ :- (ক) শ্ৰী বঞ্জিত নায়ক,
(খ) শ্ৰী তৰা প্ৰসাদ দিহিঙ্গীয়া।
তৃতীয় পুৰস্কাৰ :- শ্ৰী কৃষ্ণ চুতীয়া।

(৯) সমবেত সংগীত প্ৰতিযোগিতা /Group Song Comp.
প্ৰথম পুৰস্কাৰ:- শ্ৰী কৃষ্ণ চুতীয়া আৰু সঙ্গীবৃন্দ।
সঙ্গীসকল:-(১) শ্ৰী দেৱানন্দ চেলেং।
(২) শ্ৰী অনুপম শইকীয়া।
(৩) শ্ৰী ৰবিজিৎ বাগলাৰি।
(৪) শ্ৰী অজয় চন্দ্ৰ তাঁতী ।
(৫) শ্ৰী দীনবন্ধু দাস।

(৬) শ্ৰী ৰঞ্জন বৰুৱা।
(৭) শ্ৰী মতী সংগীতা সোণোৱাল।
(৮) শ্ৰী মতী জুৰিস্মৃতা বৰা।

দ্বিতীয় পুৰস্কাৰ :- শ্ৰী মতী নীলাক্ষী বৰগোঁহাই আৰু সঙ্গীবৃন্দ।

সংগীসকল:- (১) শ্ৰী মতী জুৰি গগৈ।
(২) শ্ৰী মতী অৰ্চনা পাণ্ডে।
(৩) শ্ৰী মতী পাহাৰী দাস।
(৪) শ্ৰী মতী পদ্মিনী কলিতা।
(৫) শ্ৰী মতী সুদিপ্তা ঘোষ বিশ্বাস।

(১০) জ্যোতি সংগীত প্ৰতিযোগিতা / Jyoti Sangeet Comp.

প্ৰথম পুৰস্কাৰ:- শ্ৰী তৰা প্ৰসাদ দিহিঙ্গীয়া।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।
তৃতীয় পুৰস্কাৰ :- শ্ৰী কৃষ্ণ চুতীয়া।

(১১)বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতা / Bishnu Rabha Sangeet Comp.

**প্ৰথম পুৰস্কাৰ:- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।**
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী জয়ন্ত মাধৱ গগৈ।
তৃতীয় পুৰস্কাৰ :- শ্ৰী কৃষ্ণ চুতীয়া।

(১২) আধুনিক গীত প্ৰতিযোগিতা / Modern Song comp.

প্ৰথম পুৰস্কাৰ:- শ্ৰী কৃষ্ণ চুতীয়া।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।
তৃতীয় পুৰস্কাৰ :- শ্ৰী লীলাকান্ত কছাৰী।

(১৩) মিচিং আধুনিক গীত প্ৰতিযোগিতা / Mising Modern Song Comp.

প্ৰথম পুৰস্কাৰ:- শ্ৰী দিলিপ কুমাৰ মিলি।
দ্বিতীয় পুৰস্কাৰ :- (ক) শ্ৰী ৰমানন্দ পেগু।
(খ) শ্ৰী কৃষ্ণ চুতীয়া।
তৃতীয় পুৰস্কাৰ :- (ক) শ্ৰী সঞ্জীৱ হাজৰিকা।
(খ) শ্ৰী মতী পৰীস্মৃতা বৰুৱা।

(১৪) বিহুগীত প্ৰতিযোগিতা / Bihugeet Comp.

প্ৰথম পুৰস্কাৰ:- শ্ৰী মতী কবিতা গগৈ।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী মতী বীনা হাজৰিকা।
তৃতীয় পুৰস্কাৰ :- শ্ৰী তৰা প্ৰসাদ দিহিঙ্গীয়া।

(১৫) বিহুনৃত্য প্ৰতিযোগিতা / Bihu Dance Comp.

প্ৰথম পুৰস্কাৰ:- শ্ৰী মতী বীনা হাজৰিকা।
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী মতী কবিতা গগৈ।
তৃতীয় পুৰস্কাৰ :- (ক) শ্ৰী মতী জিনুমণী ভূঞা।
(খ) শ্ৰী দিগন্ত বড়া।

(১৬) সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতা / Creative Dance Comp.

**প্ৰথম পুৰস্কাৰ:- শ্ৰী মতী বীণা হাজৰিকা।**
দ্বিতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰী সোণোৱাল।
তৃতীয় পুৰস্কাৰ :- শ্ৰী মতী পৰীস্মৃতা বৰুৱা।

বি:দ্ৰ:

'বনগীত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলক নিম্ন-মানদণ্ডৰ বাবে বিবেচিত কৰা নহল। তব'লা, ঢোলকীবাদন প্ৰতিযোগিতা আৰু পেৰদী গীত প্ৰতিযোগিতা প্ৰতিযোগিৰ অভাৱত কাৰ্যসূচীৰ পৰা বাতিল কৰা হ'ল। সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি ' শ্ৰেষ্ঠ গায়ক ' ৰ সন্মান লাভ কৰিছে ' শ্ৰী কৃষ্ণ চুতীয়া 'ই।

শ্ৰী কৃষ্ণ চুতীয়াদেৱলৈ মোৰ এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক অভিনন্দন আৰু শলাগ জনাইছোঁ।

ধন্যবাদ।

" জয়তু ডিব্ৰু মহাবিদ্যালয়
সম্পাদিকা সঙ্গীত বিভাগ
(শ্ৰী মতী জিনুমণী ভূঞা)

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষা মহোদয়া, সমূহ অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱীলৈ মোৰ শতসহস্ৰ প্ৰণিতা জনালো। ১৯৯৭-৯৮ চনৰ মহাবিদ্যালয়ৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দিতাৰে ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ সুবিধা দিয়াৰ বাবে মই ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ এনে এটা গধুৰ দায়িত্ব পালনত মই কিমানখিনি সফল হব পাৰিছো সইয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত।

খেল-ধেমালি মানৱ সমাজৰ এটা অবিচ্ছেদ্য অংগ। খেল-ধেমালিয়ে মানুহৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধন কৰে। মহাবিদ্যালয়ত খেলৰ সামগ্ৰী কম পৰিমাণে থকা স্বত্তেও ছাত্ৰ সকলৰ নিজা এটা জিৰণী কোঠাৰ অভাৱ। ই আমাৰ দীৰ্ঘদিনীয়া অভাৱ। এই অভাৱৰ ফলত ছাত্ৰ সকলে পাঠদান নথকাৰ সময়ত বাৰান্দাত ৰৈ থাকিব লগীয়া হয়। এইয়া কৰ্তৃপক্ষৰ অবিদিত নহয়।

আমাৰ মহাবিদ্যালয় সপ্তাহ বিগত বছৰৰ দৰেই এইবাৰো ১৯-১২-৯৭ৰ পৰা ২৪-১২-৯৭ লৈ উলহ মালহেৰে পালন কৰা হয়। উক্ত সপ্তাহত ভালেসংখ্যক প্ৰতিযোগী ছাত্ৰৰ সহযোগীতাৰে মোৰ বিভাগত অন্তৰ্গত বিভিন্ন (খেল সমূহ যেনে বেডমিণ্টন, ডবা, কেৰম, টেবুল-টেনিছ) প্ৰতিযোগিতা সমূহ সুন্দৰভাৱে অতিবাহিত হয়।

এইখিনিতে মহাবিদ্যালয় সপ্তাহত আন্ত:বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাত কৃতিত্ব কৰা খেলুৱৈ সকলৰ নাম উল্লেখ কৰিছো।

বেডমিণ্টন:
প্ৰথম: শ্ৰী মনীবাবা হাতীবৰুৱা।
দ্বিতীয় :শ্ৰী ৰাজকুমাৰ নেলনেত্ৰ নেওঁগ।

টেবুল টেনিছ :
প্ৰথম : শ্ৰী প্ৰমোদ শইকীয়া।
দ্বিতীয় :শ্ৰী সিমান্ত দাস।

টেবুল-টেনিছ দলীয় ভাৱে :
প্ৰথম : শ্ৰী প্ৰমোদ শইকীয়া।
শ্ৰী সিমান্ত দাস।
দ্বিতীয় :শ্ৰী লক্ষ্যজিৎ কলিতা।
শ্ৰী পল্লৱ দাস।

কেৰম:
প্ৰথম: শ্ৰী পোলেন গগৈ।
দ্বিতীয় :শ্ৰী উৎপল হাজৰীকা।

কেৰম দলীয় ভাৱে :
প্ৰথম: শ্ৰী পোলেন গগৈ।
শ্ৰী তিতু বৰা।
দ্বিতীয় :শ্ৰী বিচিৰাজ ফুকন।
শ্ৰী মনিবাবা হাতীবৰুৱা।

ডবা :
প্ৰথম: শ্ৰী মৃদোল দত্ত।
দ্বিতীয় :শ্ৰী মনিবাবা হাতীবৰুৱা।

১৯৯৭-৯৮ বৰ্ষৰ আন্ত: বিশ্ববিদ্যালয় বেডমিণ্টন প্ৰতিযোগীতাত ভাগ লয়। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে দ্বিতীয় স্থান অধিকাৰ কৰে। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগী সকল হ 'ল-
১) শ্ৰী মনীবাবা হাতীবৰুৱা।
২) শ্ৰী জয়জগনাথ হাতীবৰুৱা।

৩) শ্ৰী যোগ সুন্দৰ গগৈ।

৪) শ্ৰী ইন্দ্ৰজিৎ সোনোৱাল।

প্ৰতিবেদনৰ সামৰণিত মোৰ এবছৰীয়া কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা আমাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদক সকল আৰু যিসকল বন্ধু-বান্ধৱীয়ে মোৰ খেলসমূহ পৰিচালনা কৰি বিশেষ

ভাৱে সহায় কৰিছিল তেওঁলোক শ্ৰী যোগ সুন্দৰ গগৈ, অঞ্চুমাণ শইকীয়া, দিগন্ত বৰা, গগন চন্দ্ৰ গগৈ, জিতুল সোনোৱাল, দিনবন্ধু দাস, বিনন্দ বৰুৱা, দীপ সোনোৱাল, নিখিল হাজৰীকা, মৃদোল দত্ত, সিমান্ত মৰাণ, মানৱ মৰাণ, ৰূপক শৰ্মা, অজিত মানিকিয়াল, শ্ৰীমতী পূৰ্ণীমা শইকীয়া, ভাৰ্জীনা হাজৰীকা, জুৰি গগৈ, চিত্ৰা সোনোৱাল আৰু বহুতৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰম।

শেষত ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো।

ধন্যবাদেৰে

শ্ৰী ইন্দ্ৰজিত সোনোৱাল

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক

" জয়টো ডিব্ৰু মহাবিদ্যালয়ৰ "

---

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক বোলনিতেই ডিব্ৰু মহাবিদ্যালয়ৰ অধক্ষ্যা মহোদয়া আৰু সমূহ অধ্যাপক / অধ্যাপিকালৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো যি সকল ছাত্ৰ ছাত্ৰীৰ উৎসাহ আৰু চেষ্টাৰ ফলত মই এই মহাবিদ্যালয়ত ছাত্ৰ একতা সভালৈ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত হলো সেই সকল ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা, জ্ঞাপন কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে বিগত বছৰৰ দৰে এইবছৰো আমাৰ মহাবিদ্যালয়ব ১৯৯৭—৯৮ বৰ্ষত ক্ৰীড়া সপ্তাহত সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহৰ ভালেসংথ্যাক প্ৰতি-যোগিয়ে অংশ গ্ৰহণ কৰিছিল। লগতে ক্ৰীড়া সপ্তাহৰ সামৰণি দিনা সাংস্কৃতিক সন্ধিয়া ও মহাবিদ্যালয়ৰ উদিয়মান শিল্পী দ্ধাৰা উলহ মালহেৰে হৈ যায়।

১ ফেব্ৰুৱাৰী তাৰিখে সমূহ ছাত্ৰ ছাত্ৰী সহযোগত উলহ মালহেৰে 'সৰস্বতী পূজা' উদযাপন কৰা হয়। ইয়াৰ কিছুদিনৰ পিছত উদ্ভিদ বিদ্যাৰ কোঠাত "বিশ্বৰ্কমা পূজা" পতা হয়। পূজাত মহাবিদ্যালয়ৰ অধ্যাপক / অধ্যাপিকা ও সমূহ ছাত্ৰ ছাত্ৰী উপস্থিত থাকে।

নৱাগত আদৰণি সভাখন তাৰিখে আমি আয়োজন কৰিছিলো। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীৰাহুল দেৱ সোনোৱাল আৰু মই সভাখন সাফল্য কৰিবৰ বাবে স্বাস্থ্য মন্ত্ৰী শ্ৰীযুত ভবেন বৰুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক শ্ৰীযুত পৃথিৱী মাঝি চাৰ বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হৈছিল আৰু মহাবিদ্যালয়ৰ অধক্ষ্যা মহোদয়া তথা অধ্যাপক/অধ্যাপিকা সকল, ছাত্ৰ ছাত্ৰী সকল উপস্থিত আছিল। নবাগত আদৰণি সভাত ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা সাংস্কৃতিক মঞ্চত অনুষ্ঠান আৰম্ভণি হৈছিল এটি কোৰাছ সংগীতৰ দ্ধাৰা। ন-পুৰণি ছাত্ৰ-ছাত্ৰী সকল চা-চিনাকি হৈ সাংস্কৃতিক অনুষ্ঠানটি আনন্দৰে উপভোগ কৰে।

কৃতজ্ঞতা স্বীকাৰ :— সাংস্কতিক সম্পাদকৰ পদত অধিষ্ঠিত হোৱা দিনৰে পৰা মোক সকলো সময়তে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা মাননীয় অধক্ষ্যা শ্ৰীযুক্তা প্ৰতীভা সেন বাইদেও, মাননীয় অধ্যাপক শ্ৰীযূত ৰঞ্জিত সিংহ চাৰ আৰু অধ্যাপক শ্ৰীযুত ৰূপজ্যোতি হাজৰীকা চাৰৰ ওচৰত মই চিৰকৃজ্ঞ ইয়াৰ লগতে মৰমৰ বন্ধু দ্বীপেন, চিণ্টু, ত্ৰৈলক্য, তৰা প্ৰসাদ, গগন, বলিন, কুমুদ, উপেন, ধ্ৰুব, কেশৱ, উৎপল অৰুণ বান্ধৱী ৰজী, মনিকা, পাপৰি, পৰিস্মিতা, জুৰিস্মিতা, অৰ্চনা, পদ্মগী, ভণ্টি, বৰ্ণালী, জুৰি, স্বদিপ্তা, ৰশ্মিৰেখা আৰু বহুতো ছাত্ৰ-ছাত্ৰীলৈ ও হিয়াভৰা কৃতজ্ঞতা প্ৰকাশ কৰিলো।

শেষত ডিব্ৰু মহাবিদ্যায়ৰ সৰ্বাগীন উন্নতি কামনা কৰিলো।

জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

শ্ৰীদিগন্ত গগৈ

সাংস্কৃতিক সম্পাদক

## OUR EX – EDITORS

| VOI. NO. | Editor | | Year. |
|---|---|---|---|
| 1. | Ram Chandra Goswami | – | 1965- 66 |
| 2. | Haren Handique | – | 1968- 69 |
| 3. | Kiran. Saikia | – | 1969- 70 |
| 4. | Kanakoswar Dowerah | – | 1972- 73 |
| 5. | Sachi Handique | – | 1977- 78 |
| 6. | Davakanta Konwar | – | 1982- 83 |
| 7. | Rabindraject Gogoi | – | 1984- 85 |
| 8. | Bitul Neog | – | 1985- 86 |
| 9. | Sukumar Chetia | – | 1986- 87 |
| 10: | Miss Gitimallika Gogoi | – | 1987· 88 |
| 11. | Profulla Kalita | – | 1988- 89 |
| 12. | Sanjeeb Narayan Chaudany Boruah-- | | 1989-90 |
| 13˙ | Utpal Sonowal | – | 1990- 91 |
| 14: | Chandan Kumar Sonowal | – | 1991- 92 |
| 15. | Aomc Borah | – | 1992- 93 |
| 16: | Raomn Bhorole | – | 1993- 94 |
| 17: | Dipan Handique, Rahul Dev Sonowal | – | 1996- 97 |

The Fifteen Issue is edited Mr Anupam Saikia And Prinetd at the Sonowal Press. Dibrugarh.